# সূত্ৰধাৰ

১-১৫ জুলাই, ১৯৯১ □ ছয় টকা



# ৰাজনৈতিক হত্যাৰ ৰাজনীতি



## নতুন চৰকাৰ নতুন কৰ্তব্য

---

শ্ৰীকিশোৰ কুমাৰ কলিতা

# সূত্ৰধাৰ

তৃতীয় বছৰৰ দ্বাদশ সংখ্যা,
১-১৫ জুলাই, ১৯৯১
Vol. III, No. 12,
1-15 July 1991

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ

**ৰাজনৈতিক হত্যাৰ ৰাজনীতি ৭**

ৰাজনৈতিক হত্যাকাণ্ড সম্প্ৰতি এক বিশ্বজোৰা ব্যাধি। দীৰ্ঘদিন জুৰি পৃথিৱীৰ বিভিন্ন দেশত এনে ঘটনা সংঘটিত হৈয়েই আছে। এতিয়ালৈকে বিশ্বত হোৱা ৰাজনৈতিক হত্যাকাণ্ডবোৰত কোনোধৰণৰ উমৈহতীয়া ৰাজনীতি আৰু মানসিকতাই কাম কৰে তাৰেই এক বিশ্লেষণাত্মক ৰচনা আগবঢ়াইছে দুলাল বৰাই।

**'মই মানসিকভাৱে প্ৰস্তুত': মুখ্য মন্ত্ৰী শইকীয়া ১২**

'মই এইবাৰ মানসিকভাৱে প্ৰস্তুত' – অসমৰ ৰাজনীতিত ভালেকেইবছৰ ধৰি অত্যন্ত বিতৰ্কিত ৰাজনীতিবিদ হিতেশ্বৰ শইকীয়াই যোৱা ৫ বছৰে যি তীব্ৰ মানসিক যন্ত্ৰণাত ভুগি আছিল; তাৰেই উমান পাব মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ 'সূত্ৰধাৰ'ৰ প্ৰতিনিধিৰ সৈতে হোৱা সাক্ষাৎকাৰত।

**নতুন চৰকাৰৰ সমুখত বহু প্ৰত্যাহ্বান ১৭**

নতুন চৰকাৰখনে বহুতো জটিল পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। শোচনীয় আৰ্থিক পৰিস্থিতি, ভয়াবহ নিবনুৱা সমস্যা, বিভিন্ন জনগোষ্ঠীৰ শিক্ষিত অংশৰ ৰাজনৈতিক উচ্চাকাংক্ষা আৰু সামগ্ৰিকভাৱে অনগ্ৰসৰতাৰ সমস্যাই নতুন চৰকাৰখনৰ বাবে কিছুমান নতুন প্ৰত্যাহ্বান সৃষ্টি কৰিব। ইয়াৰ উপৰিও আছে আলফাৰ সমস্যা। নতুন চৰকাৰৰ সমুখত দেখা দিয়া এই সমস্যা সমূহৰ এক পৰ্যালোচনা আগবঢ়াইছে গিৰীশ চন্দ্ৰ শৰ্মাই।

আলেখ্য
ভাৰতৰ নতুন প্ৰধান মন্ত্ৰী □ মালবিকা পাঠক ৬

পৰ্যালোচনা
নিৰ্বাচনী ফলাফলঃ বিশ্লেষণৰ বিশ্লেষণ □ দুলাল বৰা ১৪

ৰাজধানী সংবাদ
ট্ৰাইবুনেলৰ ৰায় আৰু ফেনী কমিটীৰ ফন্দি □ হৰেন বুঢ়াগোহাঞি ২০

দৃষ্টিকোণ
'অস্ত গ'ল দিনমণি ভৰ দুপৰত' □ প্ৰহলাদ বৰুৱা ২৩

ৰাজনীতি
বৰাক উপত্যকাৰ বিজেপি-ৰ বিজয় □ ৰবিজিৎ চৌধুৰী ২৫

ৰাজনীতি
নৰসিংহলৈ নাম্বুদিৰিপদৰ চিঠিঃ হৈ চৈ লগোৱাৰ মূল উদ্দেশ্য কি □ হিতেন মহন্ত

নিৰ্বাচন
আতংকিত আৰু প্ৰতাৰিত মানুহৰ বিজয় □ সচ্চিদানন্দ ভৰালী ৩০

সাক্ষাৎকাৰ
'নতুন চৰকাৰৰ পৰা আমি কি বিচাৰো'
সাক্ষাৎগ্ৰহণ
□ ভাস্কৰ জ্যোতি বৰা, পাৰ্থপ্ৰতিম দাস ৩২

সাহিত্য সমালোচনা
ধ্ৰুৱজ্যোতি দাসৰ কবিতা
□ নলিনীধৰ ভট্টাচাৰ্য ৪৪

একান্ত ব্যক্তিগত
মোৰ স্মৰণীয় □ মিতা চক্ৰবৰ্তী ৪৫

শিক্ষা
অৱসৰ বিনোদন শিবিৰ
□ পবিত্ৰ কুমাৰ শৰ্মা ৪৮

বিচিত্ৰা
আবুৰ □ উষা চৌধুৰী ৫০

গল্প
সংবাদদাতা □ অতুলানন্দ গোস্বামী ৫২

অনুসন্ধান
শিক্ষা বিভাগত জাল খ্যাতি ৫৪

ঘৰজেউতি
অসমীয়া ভাষাৰ দুৰ্গতি □ নিজৰা ভৰালী ৫৬

চিঠি ৪
সম্পাদকৰ টোকাবহী ৫
চুই যাওঁ ৩৮
কবিতা ৪২
উপন্যাস ৫৭
প্ৰাত্যহিক ৬১

বেটুপাত □ চম্পক বৰবৰা

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী- ১-ৰ পৰা প্ৰকাশিত। □ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Business Manager (New Delhi) P.K. Narain/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) □

OKDISCO

## হিতেশ্বৰ শইকীয়া

আপোনাৰ প্ৰথিতযশী 'সূত্ৰধাৰ'ৰ ১-১৫ জুন সংখ্যাত 'নক'লে নহয়' শিতানত অনিল বৰুৱাদেৱৰ 'হিতেশ্বৰ শইকীয়াৰ বিষয়ে' লিখা কথাখিনিৰ কাৰণে লেখক বৰুৱা আৰু আপোনালৈ আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল অশেষ। মই অনিল বৰুৱাৰ সৈতে একমত যে হিতেশ্বৰ শইকীয়াৰ প্ৰতি বিদ্বেষ আৰু হিংসা বহুতৰ ক্ষেত্ৰত এটা মানসিক বিকাৰ হৈ পৰিছে।

সৌ সিদিনা মাথোন গুৱাহাটীৰ পৰা প্ৰকাশিত এখন সাপ্তাহিকৰ প্ৰথম পৃষ্ঠাৰ প্ৰতিবেদনত হিতেশ্বৰ শইকীয়াক বিদ্বেষ আৰু হিংসাৰ মানসিকতাৰে ৮৩-ৰ ৰক্তাক্ত নিৰ্বাচনৰ 'খলনায়ক' হিচাপে চিহ্নিত কৰা দেখি আমি আমাৰ প্ৰতিবাদ জনাই সেই সাপ্তাহিকৰ সম্পাদকলৈ এখন চিঠি দিছিলো। আমাৰ বক্তব্য আছিল যে 'খলনায়ক' হবলৈ সেই সময়ত হিতেশ্বৰ শইকীয়া মুখ্য মন্ত্ৰীহে নেলাগে এম-এল-এ-ই নাছিল। কিয়নো তেতিয়া ৰাষ্ট্ৰপতিৰ শাসন চলিছিল আৰু কৰ্ণধাৰ আছিল মহামান্য শ্ৰীসুব্ৰহ্মনিয়মদেৱ।

নেলীৰ হত্যাকান্ডৰ দিনা গধূলি মই শইকীয়াৰ স্বাস্থ্য সম্পৰ্কে খবৰ লবলৈ এচেম্বলী হষ্টেলৰ ৮৪ নং ঘৰটোলৈ গৈছিলো। ঘৰ সোমায়েই মই দেখিছিলো এটা সৰু কোঠাত তক্তাপোচ, এখনৰ ওপৰত গাত কাপোৰ লৈ শইকীয়া চকু মুদি পৰি আছে। ওচৰত শইকীয়ানী। মোৰ মাতটো শুনিয়েই হবলা তেখেতে চকুকেইটা মেলি মোৰ ফালে বহুত পৰ চাই আছিল। সেই কৰুণ চকুযুৰিৰ বেদনা আৰু ব্যথাৰ ভাষা মই বুজিছিলো। তেখেতে একো নকৈ আকৌ চকু মুদি পৰি থাকিল। মূৰত ঠান্ডা লাগে বুলি তেখেতে তেতিয়া গামোচা এখন মূৰত বান্ধি থকা দেখি মই পিন্ধি থকা উলৰ টুপীটো তেখেতৰ মূৰত পিন্ধাই দিয়াত তেখেতে যেন অলপ আৰাম পাইছিল– মোৰ তেনে অনুভৱ হৈছিল। সেই ৰাতি তেখেত টোপনি নোযোৱা পৰ্যন্ত তেখেতৰ বিছনাৰ কাষত দুটা মূঢ়াত মই আৰু শইকীয়ানী মাত্ৰ নীৰৱে বহি আছিলো। মোৰ সেই বক্তব্যত সত্যতা আছে- বিদ্বেষ আৰু হিংসাৰ বিকাৰগ্ৰস্ত মানসিকতা নাই। সেই সময়ত মই পুলিচ বিভাগত নাছিলো।

সেই একেখন কাকতেই দুবছৰমান আগতে জয়ঢোল কোবাই আমাৰ কাণ ঘোলা হোৱাকৈ সগৰ্বে ঘোষণা কৰিছিল– "অহা সংখ্যাত নিবাৰণ বৰাৰ কলমত ভৃগু ফুকন।" নিবাৰণ বৰাদেৱৰ প্ৰতি মোৰ অসীম শ্ৰদ্ধা। সেই কাৰণে তেখেতৰ প্ৰত্যেকটো লেখা মই আজীৱন আগ্ৰহেৰে পঢ়ি আহিছো। কিন্তু, ঘোষণা মতে এবছৰলৈকে সেই "অহা সংখ্যা"টো নোলোৱা দেখি মই সেই কাকতৰ সম্পাদকলৈ এখন চিঠি লিখি সুধিছিলো– "নিবাৰণ বৰাদেৱৰ কলমৰ চিয়াঁহী শুকাল নেকি? কোন যাদুকৰী পৰশত ভৃগু ফুকনৰ বিষয়ে কিবা লিখিম বুলি জয়ঢোল কোবোৱাৰ পাছত বৰাদেৱৰ কলমৰ চিয়াঁহী শুকাল?"

মোৰ ওপৰোক্ত প্ৰশ্নৰ উত্তৰ সম্পাদকে কিয় নিদিলে মই তাৰ কাৰণ আজিলৈকে ভাবি পোৱা নাই।

নিৰ্ভীক নিৰ্দলীয় আৰু সৎ সাংবাদিকতাত তেখেত সকলৰ অজ্ঞাতসাৰে বা অনিচ্ছাকৃত ভাবে যদি কেতিয়াবা অকণমানো পক্ষপাতিতা বা বিদ্বেষৰ গোন্ধ পাওঁ, তেতিয়া হ'লে আমাৰ বেয়া লাগে। আৰু বেছি বেয়া লাগে তেতিয়া, যেতিয়া আমাৰ মনোভাব প্ৰকাশ কৰিবলৈ আমি অক্ষম হৈ পৰো, সম্পাদকৰ পৰা আমি প্ৰকাশৰ কণমানো কৰুণাৰ পৰা নিষ্ঠুৰ ভাবে বঞ্চিত হব লগাত পৰো।

জ্ঞানানন্দ শৰ্মা পাঠক,
আমগাঁও,
গুৱাহাটী– ৭৮১০২৬

## লক্ষ্যধৰ চৌধুৰী

'জীৱন শিল্পী' শ্ৰদ্ধেয় লক্ষ্যধৰ চৌধুৰীৰ জীৱনৰ ওপৰত প্ৰকাশ কৰা 'সূত্ৰধাৰ'ৰ বিশেষ সংখ্যা (১-১৫ মে')টো পঢ়ি চৰম আনন্দ পালো। 'সূত্ৰধাৰ'ৰ সম্পাদক মহোদয়ৰ এই সময়োপযোগী সিদ্ধান্তৰ বাবে তেখেত পঢ়ুৱৈ সমাজৰ ধন্যবাদৰ পাত্ৰ। এক সহজ, সৰল আৰু অনাড়ম্বৰ জীৱন কটোৱা, দৰদী অন্তৰৰ লক্ষ্যধৰ চৌধুৰীৰ জীৱন কালতে জনোৱা এই শ্ৰদ্ধা তেখেতৰ প্ৰাপ্য। সৰু সৰু মানুহৰ জীৱনৰ খনিকৰ, একালৰ শিক্ষা মন্ত্ৰী শ্ৰীচৌধুৰীক গুৱাহাটীত খোজকাঢ়ি ফুৰা অৱস্থাত প্ৰায়ে দেখা যায়। বাস্তৱ জীৱনক সমল কৰি লৈ লিখা তেখেতৰ কাহিনীবোৰ জীৱন্ত গল্প উপন্যাসতকৈও মনোৰম আৰু Epic ধৰ্মী।

প্ৰকাশিত 'মইনামতী' কাহিনীটোৰ ওপৰত প্ৰকাশ পোৱা মোৰ এটা চমু মতামতৰ বাবে শ্ৰীচৌধুৰীয়ে সেই সময়তে মোলৈ এখন চিঠি দিছিল। যোৱা ২৭ মে' তাৰিখৰ আবেলি পান বজাৰৰ পদ পথত তেখেতৰ লগত মোৰ ভেটাভেটি হ'ল। মই আগৰে পৰা তেখেতক চিনি পাওঁ। মোকহে নাপায়। মই চিনাকি দিলো আৰু মোলৈ চিঠি দিয়া বাবে আৰু সূত্ৰধাৰৰ ১-১৫ মে' সংখ্যাত সাক্ষাৎপ্ৰসংগত মোৰ নাম উল্লেখ কৰা বাবে তেখেতক ধন্যবাদ জনালো। সৰু সৰু মানুহক জীয়াই ৰখাৰ স্বাৰ্থত তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰোতে ক'লে "জানা এই সৰু সৰু মানুহবোৰেই, খাটি খোৱা মানুহবোৰেই দেশখন ৰাখিছে।" কথাৰ মাজতে ক'লে "আজি কিছুদিন ধৰি মোৰ মনটো বেয়া। আমি কিমান অমানুহ হ'লো! কিমান তললৈ নামিলো! ৰাজীৱ গান্ধীৰ দৰে ডেকা নেতা এজনক চিৰদিনৰ বাবে শেষ কৰি দিয়া হ'ল।" মোৰ দুখ দেখি বহুতে কৈছে, "তুমি দেখোন গোটেই জীৱন কংগ্ৰেছ বিৰোধী। এতিয়া ইমান কিহৰ দুখ।" দুখ নকৰিম কিয়? যুঁজিবলৈওটো সমকক্ষ প্ৰতিদ্বন্দ্বীৰ প্ৰয়োজন। তদুপৰি বাঘৰ লগত যুঁজি ভাল লাগে। ছাতিটো টোৱাই ক'লে, কুকুৰৰ লগত যুঁজি কি লাভ?" (সেই সময়তে কুকুৰ এটা আমাৰ কাষেৰে পাৰ হৈ গৈছিল)।" মই লিখা চিঠিখন তেখেতে কেইবাবাৰো পঢ়িছে আৰু অনুপ্ৰেৰণা পাইছে বুলি কোৱাত মূৰ দোৱাই মই আশীৰ্বাদ গ্ৰহণ কৰিলো। শ্ৰীযুত চৌধুৰীৰ লেখা আজিও য'ত পাওঁ গো-গ্ৰাসে পঢ়ো। তেখেতৰ হাতৰ সু-খাদ্যৰ সমাহাৰে আমাৰ ক্ষুধাৰ মাত্ৰা আৰু বঢ়াওক। ভগৱানে তেখেতক সুদীৰ্ঘ জীৱন কৰ্মময় কৰি ৰাখক, তাৰেই কামনা।

–থানেশ্বৰ মালাকাৰ
হামৰেণ

## 'আমাক বিচাৰ লাগে'

জ্ঞানানন্দ শৰ্মা পাঠকে কবিতাটিত বৰ্ণনা কৰাৰ দৰে 'হত্যাকাৰী পিশাচবোৰৰ', জনতা ভৱনত 'মদ ভাং টকা খাই বমি কৰি লাং' খোৱা বিশ্বছাসঘাতক সকলৰ, জাতিৰ পিতা 'মহাত্মাৰ মুখা-পিন্ধা প্ৰতাৰক, প্ৰবঞ্চক, ধুৰন্ধৰ, ধূমকেতু, দেশদ্ৰোহী, জাতিদ্ৰোহী আধুনিক বদনবোৰৰ' বিচাৰ লোৱাৰ দিন আহি পৰিছে। জনতাৰ কল্যাণৰ কাষটি শিলত ঘঁহি-পিহি আমি ইতিমধ্যে কবিয়ে উল্লেখ কৰা বিশ্লেষণ সমূহৰ অধিকাৰী সকলক বিচাৰি উলিয়াইছো। যাক তেওঁলোকে 'মূঢ় জনতা' বুলি ভাবিছে, সেই জনতা যে মূঢ় নহয় তাৰ প্ৰমাণ দিবৰ হ'ল। সকলো মানুহকে সকলো সময়ৰলৈকে আভুৱা বা ফাকি দিয়াৰ দিন ইতিমধ্যে উকলি গৈছে। আজিৰ জনতাই এই দেশদ্ৰোহী, আধুনিক বদনবোৰৰ স্বৰূপ চিনিছে। জনতাৰ আদালতত তেওঁলোকৰ কৃতকৰ্মৰ বিচাৰ নিশ্চয় এদিন হবই। ৰাষ্ট্ৰনীতি, সমাজনীতি, অৰ্থনীতি আদি সকলোতে তেওঁলোকৰ 'ফোঁপোলা জ্ঞান দেখি আমাৰ আজি মোহভংগ হৈছে।

ছবছৰীয়া কালজয়ী আন্দোলনৰ কেৰামতালিৰ যোগেদি অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে যুঁজ দিয়া সৌধ সদৃশ ব্যক্তিত্বৰ ৰথী-মহাৰথী সকল দুৰ্নীতিৰ পংকিল শয্যাত শয্যাগত। এসময়ৰ অভূতপূৰ্ব জনপ্ৰিয়তা এতিয়া জঘণ্য ঘৃণালৈ পৰিবৰ্তিত হৈছে।

অগতানুগতিকতাৰ প্ৰতিশ্ৰুতি বহণ কৰিবলৈ সংকল্পবদ্ধ হোৱা নতুন তথা জনপ্ৰিয় চৰকাৰখনে বহুতো ক্ষেত্ৰত অগতানুগতিকতাৰ বেষ্টনী ভংগ কৰি অভিলেখ সৃষ্টি কৰি গ'ল। ধুৰন্ধৰ ৰাজনীতিজ্ঞ দলৰ সকলোবোৰ নাভূত-নাশ্ৰুত কান্ড-কাৰখানাৰ বিৱৰণী ইতিমধ্যে জনতাৰ দৰবাৰত উপস্থিত হৈছেগৈ। আমাৰ বিশ্বাস, সময়ত ইয়াৰ সু-বিচাৰ জনতাই কৰিব।

এইখিনিতে অন্য এটা প্ৰসংগৰ উপস্থাপন কৰিব বিচাৰিছো। প্ৰাচীনতম বেদ ঋক্‌বেদৰ স্তোত্ৰ এফাকিৰ ইংৰাজী অনুবাদ এনে ধৰণৰ– "Let a nation elect the most learned men, the most devoted men and men of the most praiseworthy character." ঋক্‌বেদত উল্লেখ থকাৰ দৰে আমাৰ অসমত বা ভাৰতৰ ৰাজনৈতিক দৃশ্যপটত কেইজন জ্ঞানী আৰু নিৰ্মল চৰিত্ৰৰ ৰাজনীতিবিদ আছে? ভাৰতবৰ্ষৰ ৰাজনীতি 'এবচ্‌ল'ম আৰু এচিটোফেল'ৰ (Absalom and Achitophel) ৰাজনীতি। প্ৰতিজনেই চেটান (Setan)-ৰ পেন্ডিমণিয়ামৰ একোজন ঘৃণনীয় সদস্য।

বিশ্ববিদ্যালয়ৰ ডেওনা সগৌৰৱে পাৰ হোৱা সকলে আমাৰ অসমৰ ফালে ভাষাটোকে শুদ্ধকৈ ক'ব নোৱাৰে (কিন্তু লেখিব পাৰে!); তেনে ব্যক্তিয়ে ৰাজনীতিত শাসনৰ বাঘজৰি লোৱাটো ধৃষ্টতাহে মাথোন।

এই কথা যদি লক্ষ্য কৰো, তেনেহ'লে আমি ক'বই লাগিব, অসম চুক্তিৰ সফল ৰূপায়ণৰ বাবেই অসমৰ ৰাইজে অগপ-ক দেশৰ শাসন ভাৰ গটাইছিল। কিন্তু অগপ-ই চুক্তি ৰূপায়ণ কৰা বাদেই, হেজাৰ হেজাৰ অসমীয়া ৰাইজৰ জনমতক তীব্ৰ উপলুঙা কৰি প্ৰতিজন অকাল কুষ্মান্ড হৈ ধন আহৰণ কৰাত লাগিল। পাঁচ বছৰৰ পিছত প্ৰায় প্ৰতিজনেই ভূপতিত হ'ল। অসমীয়া ৰাইজক কৰা এই অৱমাননাৰ বিচাৰখন কেতিয়াও অনুষ্ঠিত নহবনে?

ৰাইজৰ মত দেশৰ ৰাজনৈতিক শাসন যন্ত্ৰত সজোৰে উত্থাপন কৰিব পৰা জনেই সফল ৰাজনীতিবিদ। থিয়'ডৰ ৰ'জভেল্ট এ কৈছিল, "The most successful politician is he who says what everybody is thinking most often and in the loudest voice." অসমত সফল ৰাজনীতিবিদ সম্পূৰ্ণ অনুপস্থিত বুলি কৈ বহুতক বেজাৰ দিয়াতকৈ তেওঁলোকৰ সংখ্যা দুঃখ লগাকৈ কম বুলি ক'লো।

**ৰজনী বৰুৱা,**
হিলৈদাৰী, ঢকুৱাখনা







# নিৰ্বাচন আৰু তাৰ পিছত

ৰাইজৰ বহুতো আশা-আকাংক্ষা থাকিব পাৰে; কিন্তু প্ৰত্যেকটো নিৰ্বাচনতেই ৰাইজৰ এটা বিশেষ দাবী বা আকাংক্ষাই প্ৰাধান্য লাভ কৰে। গোটেই নিৰ্বাচনটো আবৰ্তিত হয় ৰাইজৰ সেই বিশেষ আকাংক্ষাটোক কেন্দ্ৰ কৰি। অসম বিধানসভাৰ সদ্য-সমাপ্ত নিৰ্বাচনৰ যোগেদি ৰাইজৰ কি বিশেষ আকাংক্ষা ব্যক্ত হৈছে? কোনো সন্দেহ নাই যে সি হ'ল শান্তি আৰু সুস্থিৰতাৰ প্ৰতি সকলো শ্ৰেণীৰ ৰাইজৰ ব্যাকুল কামনা। যোৱা দহটা বছৰৰ অৰাজকতা, অশান্তি আৰু অস্থিৰতাই জনসাধাৰণক এনেভাবে অতিষ্ঠ কৰি তুলিছে যে তেওঁলোকে অন্ততঃ কিছু সময়ৰ কাৰণে আন সকলো কথা পাহৰি কেৱল শান্তিৰ কাৰণে হামৰাও কাঢ়িছে। ঘাইকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাইজৰ ভোটেৰে কংগ্ৰেছ ক্ষমতালৈ ঘূৰি আহিব পৰাৰ সিয়েই প্ৰধান কাৰণ। বিশেষভাবে মন কৰিব লগীয়া কথা এইটো যে এইবাৰ কংগ্ৰেছে নিৰ্বাচনৰ কাৰণে মানুহৰ চকুত পৰাকৈ কোনো প্ৰচাৰ অভিযান চলাব পৰা নাছিল। আনকি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন অঞ্চলৰ পৰা মানুহ আহি কংগ্ৰেছ নেতৃবৃন্দক কৈছিল যে তেওঁলোকে নিৰ্বাচনৰ কাৰণে প্ৰচাৰ চলোৱাৰ কোনো দৰকাৰ নাই; ৰাইজে নিৰ্বাচনত কাক, ভোট দিব সেই কথা তেওঁলোকে ইতিমধ্যেই মনে মনে ঠিক কৰি থৈছে। আততায়ীৰ হাতত নিহত শতাধিক কংগ্ৰেছ কৰ্মীৰ কলিজাৰ কেঁচা তেজেৰে বোকা উঠি থকা ব্ৰহ্মপুত্ৰ উপত্যকাত কংগ্ৰেছে এইবাৰ নিৰ্বাচনী-প্ৰচাৰ চলাবলৈ ভয়ো কৰিছিল। তেনে অৱস্থাতো ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাইজে কংগ্ৰেছক ক্ষমতালৈ ঘূৰাই আনি এই কথাই প্ৰমাণ কৰিলে যে তেওঁলোকে যোৱা পাঁচটা বছৰৰ ৰক্তাক্ত অৰাজক দিনবোৰ দুঃস্বপ্নৰ নিচিনাকৈ পাহৰি যাব খোজে; তেওঁলোকে ঘূৰাই পাব খোজে অতীতৰ শান্তিময় দিনবোৰ। বৰাক উপত্যকাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিচিনাকৈ হিংসা আৰু সন্ত্ৰাসৰ তান্ডব চলা নাছিল কাৰণে তেওঁলোকে কংগ্ৰেছৰ প্ৰয়োজন কমকৈ অনুভৱ কৰিলে। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাই দ্ব্যৰ্থহীন ভাষাৰে কংগ্ৰেছক বিচাৰি এই কথাই বুজাই দিলে যে তেওঁলোকে শান্তি বিচাৰে, আইনৰ শাসন বিচাৰে, প্ৰাণ আৰু সম্পত্তিৰ সুৰক্ষা বিচাৰে। গতিকে নৱ-নিৰ্বাচিত কংগ্ৰেছ চৰকাৰৰ সৰ্বপ্ৰথম কৰ্তব্য হ'ল জনসাধাৰণে স্বস্তিৰ নিশ্বাস লব পৰাকৈ এটা শান্তিৰ পৰিৱেশ গঢ়ি তোলা। এই প্ৰাথমিক কামত ব্যৰ্থ হলে কংগ্ৰেছ চৰকাৰৰ ক্ষমতাত থাকিবলৈ কোনো অধিকাৰ নাথাকিব।

শান্তি ঘূৰাই অনাৰ এটা প্ৰধান চৰ্ত হ'ল নিম্ন প্ৰাথমিক পঢ়াশালিৰ পৰা বিশ্ববিদ্যালয়লৈকে ৰাজ্যখনৰ সকলো শিক্ষানুষ্ঠানত কঠোৰভাবে অনুশাসন প্ৰৱৰ্তন কৰা আৰু অধ্যয়নৰ পৰিবেশ ঘূৰাই অনা। যোৱা ত্ৰিশ বছৰ ধৰি অবিৰামভাবে চলি থকা ছাত্ৰ-আন্দোলনবোৰে ৰাজ্যখনক সকলো ফালেদি এটা ধ্বংস-স্তূপত পৰিণত কৰিছে। ছাত্ৰ সকলৰ ৰাজনৈতিক উদ্দেশ্য-প্ৰণোদিত আন্দোলনবোৰে ৰাজ্যখনৰ শিক্ষাৰ পৰিবেশ সমূলি নষ্ট কৰি পেলাইছে আৰু ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়ন বিমুখ কৰি তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ কৰি পেলাইছে। শিক্ষানুষ্ঠানবোৰৰ অনুশাসন-হীনতাই এনে চৰম সীমা পাইছেগৈ যে ৰাজ্যখনৰ আটাইতকৈ মৰ্যাদা-সম্পন্ন কলেজৰ অধ্যক্ষয়ো ছাত্ৰ নেতাৰ হুকুম লৈহে কলেজ পৰিচালনা কৰিব লগা অৱস্থা হৈছে। শিক্ষানুষ্ঠানবোৰৰ পৰা অনুশাসন-হীনতা বিয়পি পৰিছে সমাজৰ বিভিন্ন স্তৰলৈ। গতিকে নৱ-নিৰ্বাচিত চৰকাৰে ৰাজ্যখনলৈ শান্তি ঘূৰাই অনাৰ কামত যিমান গুৰুত্ব দিব লাগিব, ঠিক তাৰ সমানেই গুৰুত্ব দিব লাগিব শিক্ষানুষ্ঠানবোৰলৈ অধ্যয়নৰ পৰিবেশ আৰু অনুশাসন ঘূৰাই অনাৰ কামত। মনত ৰাখিব লাগিব যে যোৱা ত্ৰিশ বছৰত ৰাজ্যখনৰ ক্ষতি কৰিব পৰা যিমানবোৰ অপৰিণামদৰ্শী কাম সংঘটিত হৈছে সেই সকলোবোৰৰে ঘাই শিপাড়াল লুকাই আছে শিক্ষানুষ্ঠানবোৰত। গতিকে ৰাজ্যখনৰ দীৰ্ঘম্যাদী শান্তি আৰু প্ৰগতিৰ পৰিকল্পনা কৰিবলৈ হলে শিক্ষানুষ্ঠানৰ সংস্কাৰৰ কামত সৰ্বাধিক গুৰুত্ব দিব লাগিব। বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰসভাবোৰত যাতে দলীয় ভিত্তিত নিৰ্বাচন হ'ব নোৱাৰে তাৰ কাৰণে আইন প্ৰণয়নৰ প্ৰয়োজনীয়তাও বিবেচনা কৰি চাব লাগিব। শিক্ষক সকলৰ আচৰণবিধি আৰু তেওঁলোকৰ পদোন্নতিৰ চৰ্তও এনেভাবে নতুনকৈ নিৰ্ধাৰণ কৰিব লাগিব যাতে কোনো এটা বিশেষ শিক্ষানুষ্ঠানৰ পৰীক্ষাৰ ফলাফল এটা নিৰ্দিষ্ট সীমাতকৈ তললৈ গলে শিক্ষক সকলক তাৰ বাবে দোষী সাব্যস্ত কৰিব পাৰি। অপ্ৰিয় হলেও এটা কথা সত্য যে ছাত্ৰ সকলৰ মাজৰ পৰা অনুশাসন যেনেকৈ নোহোৱা হৈছে, ঠিক সমান গতিৰেই সি অদৃশ্য হৈছে শিক্ষক সকলৰ মাজৰ পৰাও। পাঠদান কৰিবলৈ শ্ৰেণী-কক্ষত উপস্থিত নথকাটো বহুতো শিক্ষকৰ কাৰণে এটা স্বাভাৱিক নিয়মত পৰিণত হৈছে। শিক্ষক সকলৰ এই অনুশাসন-হীনতাই ছাত্ৰ সকলক আৰু বেছি উচ্ছৃংখল আৰু অধ্যয়ন-বিমুখ হবলৈ প্ৰৰোচিত কৰিছে। গতিকে অসমক ৰক্ষা কৰিবলৈ হলে যি কোনো প্ৰকাৰে শিক্ষানুষ্ঠানবোৰলৈ অধ্যয়নৰ পৰিবেশ আৰু কঠোৰ অনুশাসন ঘূৰাই আনিবই লাগিব। লগতে উন্নত কৰিব লাগিব শিক্ষাৰ মান। আজি অসমৰ নবৈ শতাংশ স্কুল-কলেজত শিক্ষাৰ নামত যি চলিছে তাক আধুনিক জগতৰ শিক্ষাৰ মাপকাঠিৰে কোনোপধ্যেই শিক্ষা বুলি কব নোৱাৰি। এই শিক্ষা লৈ একবিংশ শতিকাৰ অবিশ্বাস্য বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ যুগত, অকল্পনীয় তথ্য-বিস্ফোৰণৰ যুগত আৰু ক্ষমাহীন প্ৰতিযোগিতাৰ যুগত প্ৰবেশ কৰাৰ কথা কল্পনা কৰাটো বাতুলতা মাত্ৰ। অসমৰ সামাজিক জীৱনলৈ শান্তি আৰু শৃংখলা ঘূৰাই আনিবলৈ হলে অহা পাঁচ বছৰত আটাইতকৈ বেছি গুৰুত্ব দিব লাগিব শিক্ষাৰ ওপৰত। ঠিক সেইদৰে আধুনিক জগতৰ হিংস্ৰ প্ৰতিযোগিতাৰ কাৰণে অসমক সাজু কৰি তুলিবলৈ হলেও আটাইতকৈ বেছি গুৰুত্ব দিব লাগিব শিক্ষাৰ ওপৰত। আমি ভাবো যে নতুন চৰকাৰে কাৰ্যভাৰ লৈয়েই এটা শক্তিশালী শিক্ষা সংস্কাৰ আয়োগ (Educational Reform Commission) গঠন কৰা উচিত। পশ্চিমবংগ চৰকাৰে কেইমাহমানৰ আগতে ডঃ অশোক মিত্ৰক অধ্যক্ষ হিচাপে লৈ তেনে এটা আয়োগ গঠন কৰিছে। প্ৰস্তাবিত এই আয়োগক তিনি মাহৰ ভিতৰত তেওঁলোকৰ কাম শেষ কৰিবলৈ কব লাগিব আৰু তাৰ পিছৰ তিনিমাহত আয়োগৰ পৰামৰ্শ সম্পূৰ্ণভাবে কামত পৰিণত কৰিব লাগিব। নতুন চৰকাৰে এই কথা মনত ৰাখিব লাগিব যে তেওঁলোকে ইমানদিনে যিভাবে কাম কৰাত অভ্যস্ত আছিল সেই একেভাবেই বৰ্তমানৰ জটিল পৰিস্থিতিতো কাম কৰি থাকিব খুজিলে ৰাইজে আকৌ তেওঁলোকক সাৰি-পূছি বকৰানিত পেলাই দিব। তেওঁলোকে প্ৰথমে সলনি কৰিব লাগিব নিজকে। তাৰ পিছতহে তেওঁলোকে সমাজখন সলনি কৰিব পাৰিব। *(অহা সংখ্যাত শেষ হ'ব)*

**হোমেন বৰগোহাঞি**

# ভাৰতৰ নতুন প্ৰধান মন্ত্ৰী



কেইবছৰমানৰ আগৰ কথা। নৰসিংহ ৰাওৱে এদিন তেওঁৰ এজন সাংবাদিক বন্ধুক ক'লে– 'গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কিউজৰ এখন উপন্যাসৰ ইংৰাজী অনুবাদ মই অলপতে পঢ়িলো। কিতাপখন পঢ়ি বৰ ভাল লাগিছিল। কিন্তু মোৰ ধাৰণা যে কিতাপখন মূল স্পেনিচ ভাষাত পঢ়িবলৈ পোৱা হ'লে আৰু বেছি ভাল লাগিলহেঁতেন।'

সাংবাদিকজনে আচৰিত হৈ সুধিলে– 'আপুনি স্পেনিচ ভাষা জানে নেকি?'

নৰসিংহ ৰাওয়ে তেওঁৰ স্বভাৱ সুলভ নম্ৰতাৰে উত্তৰ দিলে– 'দেৱকান্ত বৰুৱা কংগ্ৰেছ সভাপতি হৈ থকা সময়ত মোৰ কাম কাজ বেছি নাছিল। বেছিভাগ ৰাজনৈতিক দায়িত্বৰ পৰা মোক অব্যাহতি দিয়া হৈছিল। সেই সময়তে স্পেনিচ ভাষাটো ভালকৈ শিকি পেলালো।'

কেৱল স্পেনিচ ভাষাই নহয়, নৰসিংহ ৰাওৱে আৰু কেইবাটাও ভাষা জানে। ভাৰতীয় ৰাজনীতিক সকলৰ ভিতৰত নৰসিংহ ৰাওৰ সমান বিভিন্ন ভাষাত বুৎপত্তি থকা পণ্ডিত আৰু সাহিত্য ৰসিক মানুহ দ্বিতীয় এজন নাই। মাতৃভাষা তেলেগুৰ বাহিৰেও তেওঁ হিন্দী, মাৰাঠী, ইংৰাজী, ফৰাচী আৰু স্পেনিচ ভাষা ভালকৈ জানে। তেওঁ তেলেগু ভাষাৰ পৰা হিন্দীলৈ আৰু মাৰাঠীৰ পৰা হিন্দীলৈ একাধিক গ্ৰন্থ অনুবাদ কৰিছে। সাহিত্য চৰ্চাৰ লগত এনে নিবিড় সম্পৰ্ক থকাৰ কাৰণে তেওঁ ভাৰতীয় জ্ঞানপীঠ আৰু তেলেগু অকাডেমীৰ সভাপতিৰ দায়িত্ব বহণ কৰিব লগীয়া হৈছিল।

সাহিত্য সংস্কৃতিৰ জগতত যিজন মানুহৰ এনে অবাধ বিচৰণ, তেওঁৰ কাৰণে কিন্তু ৰাজনীতি কেৱল অৱসৰ বিনোদন নহয়। কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী হিচাপে তেওঁ বৈদেশিক পৰিক্ৰমা, প্ৰতিৰক্ষা, শিক্ষা, মানৱ সম্পদ আৰু আইন আদি বিভিন্ন গুৰুত্বপূৰ্ণ দপ্তৰৰ দায়িত্ব বহণ কৰিব লগা হৈছে আৰু প্ৰতিটো ক্ষেত্ৰতেই তেওঁ অসাধাৰণ দক্ষতাৰ পৰিচয় দিছে। তেওঁ অন্ধ্ৰ প্ৰদেশৰ মুখ্য মন্ত্ৰী আছিল। কংগ্ৰেছৰ সাধাৰণ সম্পাদক আৰু সভাপতি আছিল। একে আষাৰে ক'বলৈ গ'লে ভাৰতৰ জীৱিত ৰাজনৈতিক নেতাসকলৰ ভিতৰত পামোলাপৰতি বেংকট নৰসিংহ ৰাওৰ সমান অভিজ্ঞ আৰু বহুমুখী প্ৰতিভা সম্পন্ন নেতা দ্বিতীয় এজন নাই।

এনে এজন মানুহ আজি ভাৰতৰ প্ৰধান মন্ত্ৰীৰ পদত অধিষ্ঠিত হৈছে। ইমান দিনে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ পদত আৰ্যাৱৰ্তৰ আৰু বিশেষকৈ উত্তৰ প্ৰদেশৰ একচেটীয়া অধিকাৰ আছিল। মাজতে অৱশ্যে দুবছৰৰ কাৰণে গুজৰাটী মোৰাৰজী দেশাই দেশৰ প্ৰধান মন্ত্ৰী হৈছিল। দক্ষিণ ভাৰতৰ পৰা প্ৰধান মন্ত্ৰীৰ পদ পোৱা প্ৰথম মানুহজন হ'ল পি ভি নৰসিংহ ৰাও। আধুনিক ভাৰতৰ ইতিহাসত আটাইতকৈ জটিল সংকটৰ সময়ত নৰসিংহ ৰাওয়ে প্ৰধান মন্ত্ৰীৰ দায়িত্ব লব লগা হৈছে। সমগ্ৰ দেশবাসীয়ে আশা কৰিছে যে অজাতশত্ৰু নৰসিংহৰাওৱে তেওঁৰ নিৰহংকাৰ ব্যক্তিত্ব, বিপুল অভিজ্ঞতা আৰু অসাধাৰণ প্ৰতিভাৰে এই সংকটৰ সময়ত দেশক উপযুক্ত নেতৃত্ব দিবলৈ সক্ষম হব। অৱশ্যে চন্দ্ৰতো কলংক থকাৰ দৰে নৰসিংহ ৰাওৰ ব্যক্তিত্বতো দুই এটা কলংক চিহ্ন নথকা নহয়। বিশেষকৈ বিতৰ্কিত ধৰ্ম ব্যৱসায়ী চন্দ্ৰশ্যামী আৰু কুখ্যাত অস্ত্ৰ ব্যৱসায়ী আব্দনান খাষ্টুগীৰ লগত নৰসিংহ ৰাওৰ বন্ধুত্ব বহুতেই সন্দেহৰ চকুৰে চায়। আহিব ধৰা দিনবোৰত তেওঁ এই দুজন মানুহৰ লগত কেনেকুৱা সম্পৰ্ক ৰক্ষা কৰি চলে তাৰ প্ৰতি সমগ্ৰ দেশবাসীয়ে চোকা দৃষ্টি ৰাখিব।

**মালবিকা পাঠক**





# ৰাজনৈতিক হত্যাৰ ৰাজনীতি




**দুলাল বৰা**

এশ চল্লিছ বছৰৰ আগতেই ঘটনাটো ঘটি গ'ল। আমেৰিকাৰ দ্বাদশ গৰাকী ৰাষ্ট্ৰপতি জাখাৰি টেইলৰৰ (Zachary Taylor) মৃত্যু হৈছিল ১৮৫০ চনৰ ৯ জুলাইত। তেতিয়াৰ চিকিৎসকৰ প্ৰতিবেদন মতে আন্ত্ৰিক ৰোগেই আছিল ৰাষ্ট্ৰপতি গৰাকীৰ মৃত্যুৰ কাৰণ। লুইছ্‌ভেলি নামৰ ঠাইডোখৰত থকা মৰিশালিখনতেই তেওঁক সমাধিস্থ কৰা হৈছিল।

কিন্তু যোৱা ১৬ জুন তাৰিখে সমাধিটো খান্দি মৃত ৰাষ্ট্ৰপতিজনাৰ হাড়-মূৰবোৰ উলিওৱাৰ বাতৰি ওলাইছে। কাৰণ ক্লাৰা ৰিছিং (Clara Rising) নামৰ লেখিকা এগৰাকীয়ে তেওঁৰ সদ্যপ্ৰকাশিত গ্ৰন্থ এখনত উল্লেখ কৰিছে যে ৰাষ্ট্ৰপতি গৰাকীৰ মৃত্যু স্বাভাৱিক নাছিল। হত্যাহে কৰা হৈছিল। সেই কালৰ দাস-প্ৰথাৰ বিৰুদ্ধে ৰাজনৈতিক অৱস্থান লোৱা বাবেই ৰাষ্ট্ৰপতি গৰাকীক খোৱা ফল-মূলৰ মাজত আৰ্চেনিক বিহ মিহলাই হেনো হত্যা কৰা হৈছিল। গতিকে কথাটোৰ সত্যাসত্য নিৰূপণ কৰাৰ উদ্দেশ্যেৰেই ১৪০ বছৰৰ পিছত তেওঁৰ সমাধিটোকে কতৃপক্ষই খান্দি পেলাইছে আৰু হাড়-মূৰৰ অৱশিষ্টখিনি পৰীক্ষাগাৰলৈ নিছে।

ৰাষ্ট্ৰপতি গৰাকীৰ উৱলি যোৱা হাড়ত যদি বিন্দুমাত্ৰ আৰ্চেনিক বিহৰ প্ৰমাণ বিজ্ঞানীসকলে উলিয়াব পাৰে, তেন্তে ৰাজনৈতিক হত্যাকাণ্ডৰ ইতিহাসত এটা নতুন তথ্যৰ সংযোজন হ'ব। আততায়ীৰ হাতত প্ৰাণ হেৰুওৱা প্ৰথমগৰাকী আমেৰিকান ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন হৈ নেথাকিব, জাখাৰি টেইলৰহে হ'ব।

যিজনেই প্ৰথম নহওক, কিন্তু তেতিয়াৰ পৰা এতিয়ালৈকে হোৱা ৰাজনৈতিক হত্যাকাণ্ডৰ সংখ্যাৰ সীমা নাই। আমেৰিকাৰেই আন এগৰাকী



আব্ৰাহাম লিংকন – ৰাজনৈতিক হত্যাৰ প্ৰথম বলি

ৰাষ্ট্ৰপতি জন এফ কেনেডী, তেওঁৰ সহোদৰ ৰবাৰ্ট কেনেডী, কংগোৰ কৃষ্ণাংগ নেতা পেট্ৰিছ লুমুম্বা, লেটিন আমেৰিকান দেশ চিলিৰ প্ৰেছিডেন্ট চালভাডোৰ এলেন্দে, চুইডেনৰ প্ৰধানমন্ত্ৰী ওলফ্ পামে, ইজিপ্তৰ আনোৱাৰ চাদাত, ইটালীৰ এলডো মৰো, বৃটিছ নেতা লৰ্ড মাউন্টবেটেন, আফগান নেতা মহম্মদ ডাউদ, ইৰাকী নেতা কাছিম আৰু আৰিফ্, দক্ষিণ ভিয়েতনামী নেতা এনগ্-ডিন্- ৱিয়েন্ আদি অসংখ্য নাম এই ক্ষেত্ৰত উচ্চাৰণ কৰিব পাৰি।

কিন্তু মন কৰিবলগীয়া কথাটো হৈছে যে পৃথিৱীত উপনিবেশবাদৰ পতনৰ আৰম্ভণি হৈছিল দক্ষিণ এছিয়াৰ দেশ ভাৰতবৰ্ষতেই আৰু সেই দক্ষিণ এছিয়াতেই এই কালছোৱাত সবাতোকৈ অধিকসংখ্যক ৰাষ্ট্ৰপ্ৰধান আৰু ৰাজনৈতিক নেতাৰ হত্যা হৈছে। বহুকেইজন কথমপিহে হত্যাৰ পৰা সাৰি যোৱাৰ কথাও জনাজাত। হিচাপ কৰিলে দেখা যায়, কমপক্ষে ১৩ গৰাকী ৰাষ্ট্ৰপ্ৰধানৰ হত্যা এই অঞ্চলটোত বিগত কালছোৱাত হৈছে। দুখন মাত্ৰ ক্ষুদ্ৰ দেশ, নেপাল আৰু ভূটানতহে এই ঘটনা এই সময়লৈকে ঘটা নাই।

ব্ৰহ্মদেশত গণতন্ত্ৰৰ দাবীত চলা আন্দোলনৰ যিগৰাকী নেত্ৰী আউন্-শ্বান-শ্বু-ক্যুই বৰ্তমানে ৰেঙ্গুনত বন্দী হৈ আছে, তেওঁৰেই দেউতাক, ব্ৰহ্মদেশৰ স্বাধীনতা

সংগ্ৰামৰ অন্যতম নেতা আউন্ চান-ৰ হত্যাই আছিল দক্ষিণ এছিয়াৰ সৰ্বপ্ৰথম ৰাজনৈতিক হত্যাকাণ্ড। ১৯৪৭ চনৰ ১৯ জুলাইত তেওঁক এদল সহকৰ্মীৰে সৈতে একেলগে গুলীয়াই হত্যা কৰা হৈছিল। তাৰ পিছতেই, ১৯৪৮ চনৰ ৩০ জানুৱাৰীত হৈছিল ৭৮ বছৰীয়া মহাত্মা গান্ধীৰ হত্যা। সেইটোৱেই আছিল স্বাধীন ভাৰতৰ প্ৰথম ৰাজনৈতিক হত্যা। উগ্ৰ হিন্দু সাম্প্ৰদায়িক সংগঠনৰ কৰ্মী এজনে মহাত্মাক গুলীয়াই হত্যা কৰিছিল। মন কৰিবলগীয়া যে মহাত্মা গান্ধীৰ নেতৃত্বত চলা আন্দোলনে ভাৰতক স্বাধীনহে কৰিছিল। স্বাধীন ভাৰতৰ কোনোধৰণৰ উচ্চ বিষয়বাব তেওঁৰ নাছিল। কিন্তু তথাপিও আততায়ীৰ হাতৰ পৰা তেওঁ সাৰিব নোৱাৰিলে।

পাকিস্তানৰ জন্মদাতা মহম্মদ আলি জিন্নাৰ উত্তৰাধিকাৰী, স্বাধীন পাকিস্তানৰ প্ৰথম প্ৰধানমন্ত্ৰী লিয়াকত আলি খানক অত্যন্ত এক ৰহস্যময় অৱস্থাত ১৯৫১ চনৰ ১৪ অক্টোবৰৰ দিনা গুলীয়াই হত্যা কৰা হৈছিল। এজন নিৰ্বাসিত আফগান লোকে তেওঁক ৰাৱলপিণ্ডিত হত্যা কৰিছিল। তাৰ পিছৰ পৰাই সেই দেশখনত অস্থিৰতাৰ সূচনা হ'ল আৰু ১৯৫৮ চনত সামৰিক শাসনৰ আৰম্ভণি হ'ল। পুনৰ ১৯৭৯ চনৰ ৪ এপ্ৰিল তাৰিখে, ভোটৰ যোগেদি নিৰ্বাচিত হোৱা পাকিস্তানৰ প্ৰথম প্ৰধানমন্ত্ৰী জুল্‌ফিকৰ আলি ভুট্টোক ফাঁচি কাঠত ওলোমাই হত্যা কৰা হৈছিল। এক অভ্যুত্থানৰ যোগেদি তেওঁক ক্ষমতাচ্যুত কৰা সামৰিক বাহিনীৰ জেনেৰেল জিয়াউল হকৰ ঘাতকেই ভুট্টোক ফাঁচি দিছিল। পুনৰ সেই জিয়াউল হকৰেই আকৌ ১৯৮৮ চনৰ ১৭ আগষ্টৰ দিনা এক বোমা বিস্ফোৰণত নিহত হৈছিল। বিভিন্ন মহলে বিভিন্ন ব্যাখ্যা দিলেও কিন্তু ভুট্টো আৰু জিয়াউল হকৰ দুয়োটা ঘটনাই ৰাজনৈতিক হত্যাকাণ্ড বুলি পৰিগণিত হৈ আছে।

আফগানিস্তানত ৰাজনৈতিক হত্যাৰ আৰম্ভণি হৈছিল ১৯২৯ চনৰ পৰাই। ৰাজতন্ত্ৰ হ'লেও আমানুল্লা খান নামৰ ৰজাজনে কেতবোৰ গুৰুত্বপূৰ্ণ গণ-তান্ত্ৰিক সংস্কাৰৰ চেষ্টা চলাব খোজোতেই সেনা বাহিনীৰ এজন লোকৰ গুলীত তেওঁ প্ৰাণ হেৰুৱায়। ১৯৭৮ চনৰ এপ্ৰিল মাহত



চালভাদোৰ এলেন্দে – প্ৰতিবিপ্লৱীৰ হাতত নিহত

বাওঁপন্থী সকলৰ হাতত মহম্মদ ডাউদে প্ৰাণ এৰে। তাৰ পিছত একেধৰণৰ অনেক ঘটনা। নুৰ মহম্মদ তাৰাক্কি আৰু হাফিজুল্লা আমিন নামৰ দুগৰাকী ৰাষ্ট্ৰপতিও আততায়ীৰ গুলীত নিহত হয়।

বাংলাদেশৰ জন্ম হৈছিল ১৯৭১ চনতহে। কিন্তু ১৯৭৫ চনৰ ১৪ আগষ্টৰ দিনাই বাংলাদেশৰ মুক্তি আন্দোলনৰ পিতৃপুৰুষ, প্ৰথমগৰাকী ৰাষ্ট্ৰপতি, বংগবন্ধু শেখ মুজিবুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালৰ সকলোকে নিৰ্মম ভাবে গুলীয়াই হত্যা কৰা হৈছিল। যি সামৰিক অভ্যুত্থানৰ ফলত এই ঘটনা ঘটিছিল সেই অভ্যুত্থানৰ অন্যতম নায়ক জিয়াউৰ ৰহমানেই বাংলাদেশৰ ক্ষমতা হস্তগত কৰি দেশখনত পুনৰ সামৰিক শাসনৰ সূচনা কৰিছিল। কিন্তু, ১৯৮১ চনৰ ২০ মে'ৰ দিনা বিদ্ৰোহী সেনাৰ গুলীত চিটাগউ নামৰ ঠাইডোখৰত জিয়াউৰ ৰহমানো নিহত হ'ল। লগে লগেই দেশখনৰ ক্ষমতালৈ আহিছিল সৈন্য বাহিনীৰ সৰ্বাধিনায়ক এৰছাদ। চলিত বছৰত হোৱা নিৰ্বাচনেহে এৰছাদৰ শাসনৰ ওৰ পেলালে আৰু নিহত জিয়াউৰ ৰহমানৰ বেগম খালেদা জিয়া বাংলাদেশৰ প্ৰধানমন্ত্ৰী হ'ল।

শ্ৰীলংকাও ৰাজনৈতিক হত্যাকাণ্ডৰ পৰা মুক্ত নহয়। দেশখনৰ ভোটাৰে বিপুল ভোটাধিক্যৰে জয়যুক্ত কৰি পঠোৱা চতুৰ্থগৰাকী প্ৰধানমন্ত্ৰী চলোমন বন্দৰনায়কক বৌদ্ধ ভিক্ষু এজনেই হত্যা কৰি পেলালে।

ভাৰতত, মহাত্মা গান্ধীৰ হত্যাৰ পিছত ১৯৮৪ চনৰ ৩১ অক্টোবৰত তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু ১৯৯১ চনৰ ২১ মে'ৰ দিনা, দ্বিতীয়বাৰৰ বাবে দেশখনৰ প্ৰধানমন্ত্ৰী হ'ব খোজা ৰাজীৱ গান্ধীক হত্যা কৰা হ'ল।

এই গোটেইবোৰেই হৈছে দেশ কেইখনৰ ৰাষ্ট্ৰপ্ৰধান বা সৰ্বোচ্চ ৰাজনৈতিক নেতাসকলৰ হত্যাৰ ঘটনা। এইবোৰৰ বাহিৰেও অসংখ্য ৰাজনৈতিক হত্যাকাণ্ড এই দেশ কেইখনত হৈছে। সৰু-বৰ অসংখ্য ৰাজনৈতিক কৰ্মীয়ে বিভিন্ন ঠাইত গোপন আততায়ীৰ হাতত প্ৰাণ হেৰুৱাইছে। ভাৰতৰ মাটিতেই, ১৯৬৩ চনত পঞ্জাৱৰ মুখ্যমন্ত্ৰী প্ৰতাপ সিং কাইৰোণ, জৰুৰীকালীন অৱস্থাৰ দৃঢ় সমৰ্থক তদানীন্তন ৰেলৱে মন্ত্ৰী ললিত নাৰায়ণ মিশ্ৰ, ৰাজীৱ গান্ধীৰ সৈতে পঞ্জাৱ চুক্তিত স্বাক্ষৰ কৰা সন্ত হৰচৰণ সিং লংগোৱাল, জনপ্ৰিয় কংগ্ৰেছী শ্ৰমিক নেতা ললিত মাকেন, পঞ্জাৱত 'অপাৰেচন ব্লু ষ্টাৰ' চলোৱা সেনাধ্যক্ষ এ,এছ, বৈদ্য আদিৰ পৰা মণিপুৰৰ মুখ্যমন্ত্ৰী য়াংমাছো শ্বাইজা, কমিউনিষ্ট নেতা বীৰা সিং আৰু অসমৰ একেবাৰে লেখন লাহন, মানবেন্দ্ৰ শৰ্মা, টংকেশ্বৰ দিহিঙীয়া আদি অসংখ্যজন ইতিমধ্যে ৰাজনৈতিক হত্যাকাণ্ডৰ বলি হৈছে।

বোম্বাইৰ টাটা ইন্‌স্‌টিটিউট্ অৱ চছিয়েল চায়েন্সৰ প্ৰখ্যাত ইতিহাসবিদ অধ্যাপক ওৱাই,ডি, ফাড্‌কেৰ মতে— ''ৰাজতন্ত্ৰৰ অধীনতহে, ইচ্ছা কৰা ধৰণেৰে ৰাজনৈতিক পৰিৱৰ্তন সধাৰ বাবে গুপ্তহত্যাক একমাত্ৰ উপায় হিচাপে লোৱা দেখা গৈছিল। গণতন্ত্ৰত শাসক সলনি কৰাৰ শান্তিপূৰ্ণ উপায় থাকে, জনসাধাৰণে নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ অধিকাৰ আৰ্জে আৰু একমাত্ৰ সেইবাবেই গণতান্ত্ৰিক ব্যৱস্থা শ্ৰেষ্ঠতৰ বুলি স্বীকৃত। কিন্তু উদ্বেগৰ কথা এইটোৱেই যে একেৰাহে গণতান্ত্ৰিক ব্যৱস্থা কায়েম হৈ থকা সত্বেও আৰু শাসক দলক যে ক্ষমতাচ্যুত কৰিব পাৰি তাৰ প্ৰমাণ ভাৰতীয়সকলে দুবাৰকৈ দিয়াৰ পিছতো, সৰ্বোচ্চ ৰাজনৈতিক



নেতা সকলৰ হত্যা এতিয়ালৈকে চলিয়েই আছে। ইয়াৰ দবাৰা এই কথাই প্ৰমাণিত হয় যে ভাৰতৰ ভিতৰৰ আৰু বাহিৰৰ কেতবোৰ লোকে ভাৰতক এখন ঐক্যবদ্ধ গণতান্ত্ৰিক দেশ হ'বলৈ দিব নোখোজে।''

উদ্দেশ্য যিয়েই নহওক, কিন্তু ৰাজনৈতিক হত্যাকাণ্ডবোৰ কেতিয়াও একাকাৰ চৰিত্ৰৰ নহয়। 'ইন্‌স্‌টিটিউট অৱ ডিফেন্স ষ্টাডিজ এণ্ড এনালাইছিছ'ৰ প্ৰাক্তন সঞ্চালক কে, সুব্ৰহ্মমনিয়মৰ মতে তিনিটা ধৰণে ৰাজনৈতিক হত্যাকাণ্ড সংঘটিত হয়। প্ৰথমবিধ হৈছে সামৰিক অভ্যুত্থানৰ সময়ত হোৱা হত্যা। দক্ষিণ ভিয়েতনামৰ এনগ', ডিন, ভিয়েম্, আফগানিস্তানৰ ডাউদ, ইৰাকৰ কাছিম আৰু আৰিফ, পাকিস্তানী প্ৰধানমন্ত্ৰী জুলফিকৰ আলি ভুট্টো, ৰুমানিয়াৰ চ্যুকেছো আদিৰ হত্যা এনেধৰণেৰেই হৈছিল। ইজিপ্তৰ আনোৱাৰ চাদাতক সামৰিক বাহিনীৰ লোকে হত্যা কৰিছিল যদিও সামৰিক অভ্যুত্থান হোৱা নাছিল।

দ্বিতীয় বিধৰ ৰাজনৈতিক হত্যা হয় সন্ত্ৰাসবাদীৰ দবাৰা। ইটালীৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী এলড মৰ', লৰ্ড মাউন্টবেটেন, শ্ৰীলংকাৰ তামিল নেতা অমৃতলিংগম, পদ্মনাভ আদিৰ হত্যা এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। এইবিলাক হত্যা ৰাজনৈতিক এইবাবেই যে সন্ত্ৰাসবাদীসকলে ৰাজ-নৈতিক উদ্দেশ্যেৰেই এইবোৰ সংঘটিত কৰে। গণতান্ত্ৰিক নেতা এজনে বিবৃতি



ইন্দিৰা গান্ধী – মহিলা বুলিও সন্ত্ৰাসবাদীৰ ক্ষমা নাই

দিয়াৰ দৰে সন্ত্ৰাসবাদী সকলে এনে হত্যা কৰে একমাত্ৰ তেওঁলোকৰ প্ৰভাৱ বিস্তৃত আৰু কট্‌কটীয়া কৰাৰ উদ্দেশ্যেৰে। এনেধৰণৰ হত্যাৰ ক্ষেত্ৰত প্ৰায়ে দেখা যায় যে নিহত হোৱাজনৰ হাতত চৰকাৰী প্ৰশাসনৰ বিশেষ একো গুৰুত্বপূৰ্ণ বাব নেথাকে। এইখিনিতে উল্লেখ কৰিব পাৰি যে আমাৰ দেশৰ সন্ত্ৰাসবাদী সকলেও অলেখ এনেকুৱা হত্যাকাণ্ড সংঘটিত কৰিছে।

তৃতীয় বিধৰ ৰাজনৈতিক হত্যা মূলতঃ হয়, হত্যাকাৰী সকলৰ আক্ৰোশ, প্ৰতিশোধ আৰু ঘৃণাৰ বাবে। কেতিয়াবা সন্ত্ৰাসবাদৰ বিস্তৃতিৰ বাটত ভেটা দিয়া লোকৰ হত্যাও এই শ্ৰেণীৰ ভিতৰতেই পৰে। ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী, লংগোৱাল, কেনেডী ভ্ৰাতৃদ্বয়, মাৰ্টিন লুথাৰ কিং, লিয়াকত আলি খান, চলোমন বন্দৰনায়ক, ৰঞ্জন উইজাৰত্ন আদিৰ হত্যা এইধৰণেৰেই হৈছিল।

ইয়াৰ লগতে শ্ৰীসুব্ৰহ্মনিয়মে আৰু এবিধ ৰাজনৈতিক হত্যাকাণ্ডৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে কেতবোৰ বিদেশী ৰাষ্ট্ৰই উৎসাহ আৰু প্ৰতিশ্ৰুতি দি কৰোৱা হত্যা। এই ক্ষেত্ৰত আমেৰিকাৰ কুখ্যাত চি,আই,এ, বাহিনী, ইজৰাইলৰ মোছাদ বাহিনী আদিৰ নাম উল্লেখযোগ্য। সঁচা কথা ক'বলৈ গ'লে পেট্ৰিছ লুমুম্বা, মাৰ্টিন লুথাৰ কিং, এলেন্দে আদি নেতাসকলৰ হত্যা এনেদৰেই হৈছিল বুলি ইতিমধ্যে প্ৰমাণিত হৈছে। সবাৰোপৰি তেওঁ আভ্যন্তৰীণ দলীয় সংঘাতৰ ফলত হোৱা ৰাজনৈতিক হত্যাকাণ্ডৰ কথাও উল্লেখ কৰিছে যিবোৰৰ বিস্তাৰিত খবৰ এতিয়াও অজানা হৈয়েই আছে। কমিউনিষ্ট দলসমূহৰ ভিতৰতেই এনেধৰণৰ হত্যা-কাণ্ড হোৱাৰ প্ৰমাণ আছে। নিজৰ প্ৰতিপক্ষক নিশ্চিহ্ন কৰিবৰ বাবেই এই কাম উক্ত দলসমূহৰ ক্ষমতাবান গোট-টোৱে কৰে। অৱশ্যে এই কথা ঠিক যে ষ্টেলিনৰ আমোলত ঘটা এনে ৰাজনৈতিক হত্যাকাণ্ডৰ অনেক ঘটনাৰ কথা সম্প্ৰতি গৰ্বাচভৰ ছোভিয়েত দেশৰ কাকত-পত্ৰসমূহতে পোহৰলৈ আহিছে।

**ৰাজনৈতিক হত্যাকাণ্ডবোৰ যি ধৰণ-ৰেই নহওক লাগিলে, এটা কথা কিন্তু ঠিক যে কেউবিধৰ মাজত এক অদৃশ্য যোগসূত্ৰ থাকে। প্ৰথম কথা, এটা অংশৰ**



ৰাজীৱ গান্ধী – ঘৃণাৰ চিকাৰ

**মত বলেৰে জাপি দিয়াৰ উদ্দেশ্যেৰেই সকলোবোৰ হত্যা সংঘটিত হয়। দ্বিতীয়তে যিবিলাক আন্তৰ্জাতিক শক্তিয়ে সংগোপনে এনে হত্যাৰ বাবে উচটনি দিয়ে বা আঁচনি কৰে, তেওঁলোকৰ উদ্দেশ্য— লক্ষ্যৰ লগত সাধাৰণতে ৰাজনৈতিক হত্যাকাৰী সকলৰ স্পষ্ট সংঘাত নেথাকে। আৰু তৃতীয়তে, হত্যা সংঘটিত কৰিবৰ বাবে সদায়েই ঘৃণা আৰু আক্ৰোশৰ পৰিৱেশ এটাৰ জন্ম সু-কৌশলে আগতীয়াকৈ সৃষ্টি কৰা হয়। প্ৰখ্যাত মাৰ্ক্সীয় ইতিহাসবিদ বিপান্ চন্দ্ৰৰ মতেও 'যি কোনো এজন প্ৰধান ৰাজনৈতিক নেতাৰ হত্যা হৈছে সেই অৱস্থাৰেই ফলশ্ৰুতি, যি অৱস্থাত হত্যা সংঘটিত কৰা সকলে নিৰ্দিষ্ট নেতাজনক তেওঁলোকৰ লক্ষ্য সাধনৰ বাটৰ অন্তৰায় বুলি অনুভৱ কৰে আৰু সেই নেতাজনক আঁতৰোৱাৰ ওপৰতেই তেওঁলোকৰ সফলতা নিৰ্ভৰশীল বুলি ধাৰণা কৰে। তদুপৰি, হত্যাকাণ্ড এটা তেতিয়াই সংঘটিত হয় যেতিয়া সমাজখনত এক হিংসা আৰু হিষ্টিৰিয়াৰ পৰিৱেশ বিৰাজ কৰি থাকে।'**

ৰাজনৈতিক হত্যাক সমালোচনাৰেই এক চূড়ান্ত আৰু জঘন্য ৰূপ বুলি জৰ্জ বাৰ্নাৰ্ড শ্ব-ই আখ্যা দিছিল। সমালোচনা হৈছে গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থা এটাৰ সঞ্জীৱনী। কিন্তু গণতান্ত্ৰিক অৱস্থাটো বাহাল হৈ থাকোতেই হত্যাৰ দৰে সমালোচনাৰ-পাশৱিক-প্ৰকাশ সম্ভৱ হয় কেনেকৈ? কাৰ ভুলৰ বাবে সমাজ জীৱনৰ এনে পাশৱিকীকৰণ সম্ভৱ

সূত্ৰধাৰ □ ১-১৫ জুলাই, ১৯৯১ 

OKDISCD

হয়? সন্দেহ নাই যে গণতান্ত্ৰিক ব্যৱস্থাটোৰ প্ৰতি বিদ্বেষ বিয়পাবলৈকে আৰু পাৰিলে গোটেই ব্যৱস্থাটোকেই নস্যাৎ কৰি পেলোৱাৰ উদ্দেশ্যেৰেই ৰাজনৈতিক হত্যা সংঘটিত হয়।

ভাৰতলৈ স্বাধীনতা হস্তান্তৰ কৰা সম্পৰ্কীয় বিলখন ১৯৪৭ চনত বৃটিছ পাৰ্লামেণ্টত উত্থাপিত হওঁতে বিতৰ্ক হৈছিল আৰু সেই বিতৰ্কত উইনষ্টন চাৰ্চিলে ক্লিমেণ্ট এটলিৰ মতামতৰ বিৰুদ্ধে অৰ্থাৎ স্বাধীনতা হস্তান্তৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল— **'Power will go into the hands of rascals, rogues and free booters....These** (তেতিয়াৰ মহাত্মা, নেহৰুকে ধৰি ভাৰতীয় নেতাসকল) **are men of straw of whom no trace will be found after a few years. They will fight among themselves and India will be lost in political squabbles.'** ভাৰত আৰু ভাৰতীয় সম্পৰ্কে বৃটিছ সম্ৰাজ্যবাদৰ নেতা গৰাকীয়ে কৰা এনে মূল্যায়নৰ সৈতে একাত্মবোধ কৰা ভাৰতীয় তেতিয়াও আছিল আৰু এতিয়াও আছে। যিসকল আছে, সেইসকলে অকণমান সুৰুঙা এটা পালেই ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাটোৰ ওপৰত তেওঁলোকৰ বিদ্বেষখিনি বতিয়াই দি পৰিৱেশটো অধিকতৰ নষ্ট কৰি পেলোৱাৰ চেষ্টা চলায়।

অৱশ্যে এটা কথা সত্য যে আমাৰ গণতান্ত্ৰিক ব্যৱস্থাটোত সংকট আৰু হেঁচা যোৱা কালছোৱাত ক্ৰমাগত ভাবে বাঢ়িছে। কিন্তু ব্যৱস্থাটোৰ বাবে এইবোৰ বঢ়া নাই। বাঢ়িছে বিগত কালছোৱাত সীমাৱদ্ধ ভাবে হলেও হোৱা উন্নয়নৰ অন্তৰ্হিত দবন্দ্বৰ বাবেহে। বিভিন্ন ৰূপত বিভিন্ন দেশত এনে দবন্দ্বৰ প্ৰকাশ ঘটিছে। ইয়াৰ পৰা হাত সৰাৰ উপায় নাই। কিন্তু এইবোৰৰ সমাধানৰ বাবে প্ৰয়োজন, গণতান্ত্ৰিক ব্যৱস্থাৰ অৱলুপ্তি নহয়, বৰং দক্ষ দৃঢ় আৰু পৈণত পৰিচালনাৰ যোগেদি ব্যৱস্থাটোৰ উন্নীতকৰণহে।

মনত ৰখা দৰকাৰ যে ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাৰ জন্ম আপোনা-আপুনি হোৱা নাছিল কিম্বা অদৃষ্টৰ দানো নাছিল। বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভাৰতীয় জনসাধাৰণে চলোৱা তীব্ৰ সংগ্ৰামৰ জুই শিখাৰ মাজতহে এই ব্যৱস্থাৰ জন্ম হৈছিল। জৱাহৰলাল নেহৰুকে ধৰি স্বাধীনতা সংগ্ৰামৰ নেতাসকলে অহো-পুৰুষাৰ্থ কৰি ভাৰতৰ স্বাধীন জীৱনটো গণতান্ত্ৰিকতাৰ সাঁচত গঢ়িবলৈ যেতিয়া পদক্ষেপ লৈছিল, সেই সময়ত পশ্চিমৰ সাম্ৰাজ্যবাদী দেশবোৰে ভীষণ বিদ্ৰুপ কৰিছিল। নেহৰুৱেই আছিল অন্যতম নেতা যিগৰাকীয়ে অহৰহ কৈ আছিল যে ভাৰতীয় সকলৰ হাততেই গণতন্ত্ৰ নিৰাপদ আৰু স্বাধীনতাৰ পিছত ভাৰতীয় ৰাইজ আৰু গণতন্ত্ৰ সমানে আগুৱাব। সঁচাকৈয়ে, বাট অত্যন্ত জটিল হ'লেও নেহৰুৰ আস্থাই ভাৰতৰ মাটিত প্ৰমাণিত হ'ল। সমগ্ৰ বিশ্বৰ ভেঙুচালিৰ



*জিয়াউল হক – চক্ৰান্তকাৰীৰ বোমাত নিহত*

বিৰুদ্ধে গণতন্ত্ৰই ভাৰতত ঠন ধৰি উঠিল। আজি যিসকলে মাজে মাজে গণতান্ত্ৰিক ব্যৱস্থাটোক টেটু চেপি ধৰিবলৈ উদ্যত হয়, যিসকলে দেখদেখকৈ হত্যা আৰু সন্ত্ৰাসৰ বন্দনা কৰে, যি সকলে দেশৰ নেতাসকলৰ বিৰুদ্ধে বিদ্বেষ সৃষ্টি কৰিবলৈ ভিত্তিহীন অপপ্ৰচাৰ অহৰহ চলাই থাকে তেওঁলোকৰ কাম-কাজ সম্ভৱেই নহ'লহেঁতেন যদিহে বৰ্তমানৰ গণতান্ত্ৰিক ব্যৱস্থাটো বৰ্তি নেথাকিলহেঁতেন।

কিন্তু, ভাৰতত স্বাধীনতা আৰু গণতন্ত্ৰৰ অগ্ৰগতি দেখি পশ্চিমৰ সাম্ৰাজ্যবাদী দেশবোৰে শান্তিৰে এৰাতিও শুব পৰা নাই। কাৰণ স্বাধীনতা আৰু গণতন্ত্ৰ সবল হোৱা মানেই, দেশখনৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত সেই শক্তি বিলাকৰ টিঘিল-ঘিলনি বন্ধ। সেয়ে, কেৱল ভাৰতেই নহয়, দিবতীয় বিশ্বযুদ্ধৰ পিছত স্বাধীন হোৱা সমুদায় দেশৰ প্ৰতি সেই শক্তিবোৰৰ বিৰোধিতা প্ৰকট। তেনে বিৰোধিতা কিন্তু পোনপটীয়া ৰাজনৈতিক হস্তক্ষেপৰ যোগেদি তেওঁলোকে নকৰা হ'ল। তাৰ সলনি, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ভাৱেহে উক্ত দেশবোৰক অস্থিৰ আৰু দুৰ্বল কৰাৰ চল-চক্ৰান্ত চলাবলৈ ল'লে। আৰু তাৰেই পৰিণতিত দুই-এখন দেশত ৰাজনৈতিক হত্যাও হ'ল।

ৰাজীৱ গান্ধীৰ হত্যাৰ সন্দৰ্ভত পশ্চিমীয়া দেশবোৰৰ ভূমিকা মন কৰিবলগীয়া। পশ্চিমীয়া নেতাসকলে হত্যাকাণ্ডটোৰ নিন্দা আৰু ৰাজীৱৰ মৃত্যুত শোক প্ৰকাশ যে কৰিছিল সেই **কথা সঁচা**। কিন্তু এইটোও সঁচা যে ৰাজীৱ **হত্যাক** কেন্দ্ৰ কৰি পশ্চিমীয়া প্ৰচাৰ যন্ত্ৰটো (টাইম, নিউজ উইক, ইকনমিষ্ট, গাৰ্ডিয়ান আদি) ভাৰতীয় গণতন্ত্ৰৰ সংকটৰ প্ৰচাৰতহে অধিক মুখৰ হৈ উঠিছিল। কোনো কোনোৱে এনে ইংগিতো দিছিল যে ভাৰতত গণতন্ত্ৰ অচলেই। জানিয়েই হওক বা নেজানিয়েই হওক, ভাৰতৰ একাংশ বুদ্ধিজীৱী আৰু ৰাজনৈতিক নেতাই পশ্চিমীয়া প্ৰচাৰকে ভাটৌৰ দৰে আওঁৰোৱাটো একপ্ৰকাৰ স্বভাৱ। উল্লেখ কৰা প্ৰয়োজন যে তেনে চামটোৱে, ৰাজীৱ হত্যাৰ লগে লগে ভাৰতত 'জাতীয় চৰকাৰ' গঠন কৰিব লাগে বুলি আৱাজ তুলিছিল। সমুখত আধৰুৱা হৈ থকা নিৰ্বাচনটো সম্পূৰ্ণ হ'বলৈ দিয়াৰ সলনি অৰ্থাৎ ৰাইজৰ ভোটৰ দবাৰা চৰকাৰ এটা গঠন হ'বলৈ দিয়াৰ সলনি, তথাকথিত 'জাতীয় চৰকাৰ' গঠনৰ যোগেদি গণতান্ত্ৰিক ব্যৱস্থাটোতেই কুঠাৰঘাত কৰিবলৈ তেওঁলোকক উদ্যত হোৱা দেখা গৈছিল। চন্দ্ৰশেখৰৰ দৰে নেতাৰ পৰা আৰম্ভ কৰি নিখিল চক্ৰৱৰ্তীৰ দৰে 'বিদগ্ধ' সাংবাদিকলৈকে, সকলোৱেই 'জাতীয় চৰকাৰ'ৰ কথা কৈছিল। ভোটাৰ ৰাইজৰ মতামত যেন ৰাজীৱৰ হত্যাৰ লগে লগেই মূল্যহীন হৈ পৰিছিল। কিন্তু সুখৰ কথা





*মহাত্মা গান্ধী – স্বাধীন ভাৰতৰ প্ৰথম ৰাজনৈতিক হত্যা*

**যে ৰাজীৱ হত্যাৰ দৰে ভয়ংকৰ ঘটনা হোৱাৰ পিছতো, ভাৰতীয় ভোটাৰে স্থিৰেৰে নিৰ্বাচনত ভাগ লৈ, দেশখন যে গণতন্ত্ৰৰহে পক্ষে সেই কথা** অকাট্য ভাৱে **প্ৰমাণ কৰি দিলে।**

কিন্তু প্ৰশ্ন হয়, ভাৰতৰ মাটিত গণতন্ত্ৰৰ শিপা দ'লৈকে বিস্তাৰিত হোৱা সত্ত্বেও ৰাজনৈতিক হত্যা কিয় হৈ আছে? ইয়াৰ উত্তৰ মাথো এটাই। খ্যাতি আৰু ক্ষমতাৰ লালসাৰে, আমাৰ দেশৰ ৰাজনৈতিক নেতা আৰু পোহনীয়া বুদ্ধিজীৱীৰ শ্ৰেণীটোৱে যদি হিংসা, ঘৃণা আৰু নৈৰাজ্য সৃষ্টিৰ বাবে অহৰহ চেষ্টা চলাই অসুস্থ পৰিবেশ এটাৰ জন্ম নিদিলেহেঁতেন, তেতিয়া হলে ৰাজনৈতিক হত্যাবোৰো সম্ভৱ নহলহেঁতেন।

পৰিকল্পিতভাবে, ৰাজনৈতিক নেতা এগৰাকীৰ বিৰুদ্ধে, হোৱাই নোহোৱাই প্ৰচাৰ কৰি জন্ম দিয়া বিদ্বেষ আৰু ঘৃণাৰ পৰিবেশতহে অধিকাংশ ৰাজনৈতিক হত্যাকান্ড এতিয়ালৈকে হৈছে। আব্ৰাহাম লিংকনৰ পৰা ৰাজীৱ গান্ধী, ইন্দিৰা গান্ধীলৈকে আটাইবোৰৰে হত্যা তেনে ধৰণৰ পৰিবেশতেই হৈছে। মনত ৰখা প্ৰয়োজন যে বিভিন্ন ঐতিহাসিক কাৰণত প্ৰাণ হেৰুৱাব লগা হলেও, আমেৰিকাৰ লিংকন, কেনেডী ভ্ৰাতৃদ্বয়, মহাত্মা গান্ধী, ৰাজীৱ গান্ধী, ইন্দিৰা গান্ধী, লিয়াকত আলি খান, মাৰ্টিন লুথাৰ কিং আদি সকলোৱে যে অকস্মাৎ হত্যা হব পাৰে সেই কথা সমাজত আগতীয়াকৈয়ে স্পষ্ট হৈ পৰিছিল। চোৰাংচোৱা বিভাগবোৰে আনকি উক্ত নেতা সকলক আগতীয়াকৈ সৰ্তক কৰি দিব লগাই হৈছিল। আনৰ কথা বাদেই, আমাৰ অসমতেই দুই এজন নেতাৰ বিৰুদ্ধে এচামে অত্যন্ত পৰিকল্পিতভাবে ঘৃণা আৰু বিদ্বেষৰ প্ৰচাৰ ইমান বেছিকৈ কৰি থৈছে যেন তেওঁলোক হত্যাৰহে উপযোগী। মুঠৰ ওপৰত, নৈৰাজ্য আৰু ঘৃণাৰ দৈত্যই সমাজ জীৱনত সৰ্বগ্ৰাসী ৰূপ লৈ থাকিলে, কেৱল মাত্ৰ নিৰাপত্তা ব্যৱস্হা কটকটীয়া কৰাৰ যোগেদি ৰাজনৈতিক হত্যা ৰোধ কৰাটো এক প্ৰকাৰ অসম্ভৱ।

এই প্ৰশ্নও উঠে যে, বুদ্ধদেৱ আৰু মহাত্মা গান্ধীৰ দেশখনত ঘৃণা আৰু নৈৰাজ্যৰ পৰিবেশ, ৰাজনৈতিক হত্যাৰ পৰিবেশ সৃষ্টি হয় কেনেকৈ? নহবইবা কিয়? আমাৰ সমাজ জীৱনত দৈনিক ঘটি থকা হাজাৰ-বিজাৰ হিংসাৰ বিৰুদ্ধে এক সামগ্ৰিক আৱাজটো কেতিয়াও উঠা নাই। সেই হিংসাত্মক ঘটনাবোৰৰ বিচাৰ আৰু শাস্তি, দেখা যায়। বহু ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপৰ বাবেই নহয়। ৰাজনীতিৰ বেহা কৰোতা সকলেই সম্প্ৰতি আৰম্ভ কৰিছে "ক্ৰিমিনেলাইজেশ্যন্ অৱ পলিটিক্স্"। দুৰ্দ্ধৰ্ষ ডকাইত, গলিৰ গুন্ডা আদিক নিৰ্বাচনৰ প্ৰাৰ্থী কৰি, চহৰৰ মাফিয়া দল আৰু গ্ৰামাঞ্চলৰ ডকাইত দলৰ সহায় সমৰ্থন লৈ ক্ষমতা দখলৰ চেষ্টা দেখোন ৰাজনৈতিক নেতা সকলেই চলায়। আনবোৰৰ কথা বাদেই, বিগত নিৰ্বাচনেই দেখোন এইবোৰৰ প্ৰমাণ দি থৈছে। কেৱল কংগ্ৰেছ (ই)দলেই নহয়, জনতা দল, বিজেপি, সমাজবাদী জনতা দল আদি সকলোবোৰ এই ক্ষেত্ৰত বিগত নিৰ্বাচনত একাকাৰ আছিল। গাৰ বলেৰে ভোটকেন্দ্ৰ দখল কৰি নিৰ্বাচনটোক প্ৰহসন কৰিব খোজাৰ বিৰুদ্ধে, নিৰ্বাচনী আয়োগৰ টি এন ছেছানে কিঞ্চিতমাত্ৰ



*কেনেডী – হত্যাকাৰী ৰাজনৈতিক প্ৰতিপক্ষ?*

ব্যৱস্হা লওঁতেই, কোনো কোনো ঠাইৰ নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰা বাবেই কেইফালে ৰাউচি জুৰিব লাগিছে যে "গণতন্ত্ৰৰ ওপৰত আঘাত" হৈছে, নিৰ্বাচনী আয়োগৰ অধিনায়কজন কংগ্ৰেছ (ই)ৰ এজেন্ট, বিজেপি ৰ এজেন্ট ইত্যাদি ইত্যাদি। এনেবোৰ কাৰ্যই জানো ৰাজনৈতিক নেতা সকলৰ কুকান্ডবোৰকেই উচটনি নিদিয়ে? গণতন্ত্ৰৰ বিপৰীতে গা-ৰ জোৰক প্ৰাধান্য দিয়াৰ প্ৰয়াস নকৰে?

হিংসাত্মক পৰিবেশ সৃষ্টিৰ বাবে চলা আন এটা কুকৰ্ম হৈছে পুলিচ বাহিনীৰ ৰাজনীতিকৰণ। প্ৰায় প্ৰতিটো ৰাজনৈতিক দলকেই এই অপকৰ্ম ফেৰা কৰা দেখা যায়। ইয়াৰ ফলত পুলিচ বাহিনীৰো উদ্যম আৰু দক্ষতা ক্ৰমে কমিছে। তেওঁলোকৰ ওপৰত জনসাধাৰণৰো আস্থা নোহোৱা হৈছে। কেৱল সেয়ে নহয়, এনে ঘটনাৰ ফল স্বৰূপে বিভিন্ন সময়ত পুলিচে নিজেই হত্যাকাৰীৰ সাজ পিন্ধিছে। বিভিন্ন ৰাজনৈতিক হত্যাকান্ডত পুলিচৰ যোগাযোগৰ প্ৰমাণ সেই বাবেই ওলাইছে। কেনেডীৰ হত্যাত ডালাচ্ চহৰৰ পুলিচৰ যোগাযোগ, লিয়াকত আলি খানৰ হত্যাকাৰীৰ সৈতে ৰাৱলপিন্ডি পুলিচৰ যোগাযোগ ইতিমধ্যে প্ৰমাণিত হৈছে। আব্ৰাহাম লিংকনৰো হত্যা সম্ভৱ নহ'লহেঁতেন যদিহে তেওঁৰ গা-ৰখীয়া পুলিচজন ভীষণ মদাহী নহ'লহেঁতেন। আনকি ইন্দিৰা গান্ধীৰ হত্যা দেখোন তেওঁৰ গা-ৰখীয়া পুলিচ কৰ্মীয়েই কৰিলে।

মুঠৰ ওপৰত হিংসা, বিদ্বেষ, ঘৃণা আদিৰ বিৰুদ্ধে শক্তিশালী অভিযান সমাজৰ নিম্ন স্তৰৰ পৰা আৰম্ভ হব নোৱাৰে। হব লাগিব ওপৰ মহলৰ পৰাই। ৰাজনৈতিক নেতাসকলে নিজেই ৰাজনীতিক হিংসাৰ বিৰুদ্ধে জেহাদ চলাব লাগিব। নাকি লগাই থোৱা বুদ্ধিজীৱী শ্ৰেণীটোৱেও তেতিয়া চিধা লাইন লবলৈ বাধ্য। ইয়াৰ বাহিৰে আন একো উপায় নাই।

সমাজ জীৱনত ঘটি থকা সৰু বৰ হিংসাবোৰৰ প্ৰতি ইমান দিনে ৰাজনৈতিক নেতাসকলে নিস্পৃহ মনোভাবকেই প্ৰদৰ্শন কৰিলে। কিন্তু এতিয়া আৰু তেওঁলোক নিজেই হিংসাৰ অসুৰটোৰ সমুখা-সমুখি হৈছে। এতিয়াও যদি অন্ততঃ হিংসাৰ বিৰুদ্ধে থিয় দিয়াৰ সুমতি হয়, তেহে "ৰাজনৈতিক হত্যাকান্ড" ৰাজতন্ত্ৰৰহে হাথিয়াৰ, গণতন্ত্ৰৰ নহয় বুলি প্ৰমাণিত হবগৈ।

সাক্ষাৎকাৰ

# ‘এইবাৰ মই মানসিক ভাবে প্ৰস্তুত’

## –মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া


*১৯৭২ চনৰ নিৰ্বাচনত জয়লাভ কৰি যেতিয়া হিতেশ্বৰ শইকীয়াই অসমৰ ৰাজনীতিত প্ৰৱেশ কৰিছিল, তেতিয়াই চাৰিওফালে ফুচ্‌ফুচনি আৰম্ভ হৈ গৈছিল –“Watch this man” এইজনৰ ওপৰত নজৰ ৰাখিবা।*

*সেই তেতিয়াৰ পৰাই হিতেশ্বৰ শইকীয়া অসমৰ ৰাজনীতিত ‘নজৰ ৰাখিব লগীয়া ব্যক্তিয়েই ’ হৈ আহিছে। কম সময়ৰ ভিতৰতে, ৰাজিাক পৰ্যায়ৰ মন্ত্ৰী হৈছে, কেবিনেট পৰ্যায়ৰ মন্ত্ৰিত্বও পাইছে, ৰাজ্যপালৰ পদবীতো বহিছে আৰু দুবাৰকৈ মুখ্য মন্ত্ৰী হৈছে। প্ৰতিটো পদক্ষেপতে মানুহজনে নিজৰ দক্ষতা প্ৰমাণ কৰাৰ উপৰিও বিতৰ্কৰো সৃষ্টি কৰিছে। সম্ভৱত এনে স্বভাৱৰ উমান পায়েই তেওঁক বহুতে আখ্যা দিছিল ‘অসমৰ কিছিংগাৰ’। কিছিংগাৰ আছিল আমেৰিকাৰ সবাতোকৈ কৌশলী, দক্ষ আৰু বিতৰ্কিত কূটনীতিবিদ।*

*মুখ্য মন্ত্ৰিত্বৰ দায়িত্ব দ্বিতীয়বাৰৰ বাবে লোৱা শইকীয়াই যোৱা ৩০ জুনত ‘সূত্ৰধাৰ’ৰ সৈতে হোৱা কথোপকথন।*

**সূত্ৰধাৰ – আপুনি দ্বিতীয় বাৰৰ বাবে অসমৰ মুখ্য মন্ত্ৰী হৈছে। ১৯৮৩ চনত প্ৰথমবাৰ হৈছিল, এতিয়া ১৯৯১ চনত দ্বিতীয়বাৰ, অৰ্থাৎ ’প্ৰায় ৭ বছৰৰ পিছত হৈছে। দুয়োবাৰৰ মাজত আপুনি কিবা পাৰ্থক্য অনুভৱ কৰিছেনে? যদি কৰিছে, তেন্তে সেয়া কেনেকুৱা পাৰ্থক্য।**

শইকীয়া – ১৯৮৩ চনত মই মুখ্য মন্ত্ৰী হৈছিলো সঁচা। কিন্তু সেই পদৰ বাবে মই মুঠেই প্ৰস্তুত নাছিলো। মনলৈ তেনে ভাব বা পৰিকল্পনাও অহা নাছিল। কিন্তু হঠাৎ আমাৰ দলৰ বিধায়িনী দলৰ সভাত মোকেই দলপতি নিৰ্বাচন কৰি মুখ্য মন্ত্ৰিত্বৰ দায়িত্ব লোৱাৰ নিৰ্দেশ দিলে। কোনোধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি নথকাকৈয়ে মই সেইদিনা দলৰ নিৰ্দেশমতে মুখ্য মন্ত্ৰিত্বৰ পদ গ্ৰহণ কৰিছিলো।



১৯৮৫ চনৰ নিৰ্বাচনত দলে পৰাজয় বৰণ কৰাৰ পিছত মই নিজকে বৰ দোষী দোষী অনুভৱ কৰি আছিলো। নিজকে পাপী যেন লাগি গৈছিল। দলটোক পুনৰায় ক্ষমতালৈ অনাৰ চিন্তাই বিগত ৫টা বছৰে মোক অহৰহ খুলি খুলি খাইছিল।

এইবাৰ সেয়ে দল ক্ষমতালৈ অহাত মই আনন্দিত। তদুপৰি মই যে এইবাৰ দায়িত্ব লব লাগিব সেই কথা আগৰ পৰাই কিছু পৰিষ্কাৰ হৈ আছিল। ১৯৯০ চনৰ এপ্ৰিল মাহত মোক ৰাজ্যিক দলৰ সভাপতি পতাৰ পিছৰ পৰাই মই হাতে-কামে লাগি গৈছিলো। যোৱা অক্টোবৰ মাহতেই মই দলৰ নিৰ্বাচনী পৰিকল্পনা সম্পূৰ্ণ ঠিক কৰি পেলাইছিলো। আনকি, নতুন দিল্লীত আমাৰ দলৰ কেন্দ্ৰীয় নিৰ্বাচনী কমিটীৰ সভাত যেতিয়া দুই এজনে অসম এৰি পাৰ্লিয়ামেন্টলৈ যাব লাগে বুলি জোৰকৈ প্ৰস্তাৱ উপস্থাপন কৰিছিল, তেতিয়া ৰাজীৱ গান্ধীয়ে নিজে তেনে প্ৰস্তাৱত আপত্তি কৰিছিল আৰু বৰ উৎসাহেৰে, অসমৰ দায়িত্ব মোৰ হাততেই থাকিব লাগিব বুলি কৈছিল। মই তেতিয়াই স্পষ্ট ইংগিত পাইছিলো যে নেতৃত্ব দিয়াৰ ভাৰ মোৰ কান্ধৰ ওপৰতেই পৰিব।

সেয়ে ১৯৮৩ চনত মই মুখ্য মন্ত্ৰী হৈছিলো কোনোধৰণৰ মানসিক প্ৰস্তুতি নোহোৱাকৈ আৰু এইবাৰ হৈছো পৰিপূৰ্ণ মানসিক প্ৰস্তুতি আৰু উদ্যমেৰে।

**–১৯৮৩ চনৰ নিৰ্বাচনৰ পিছৰ পৰা অহৰহ অভিযোগ উঠি আছে যে অসমৰ থলুৱা মানুহখিনিৰ সমৰ্থন আপোনাৰ লগত নাই। এইবাৰৰ নিৰ্বাচনত আপোনাৰ দলে ব্ৰহ্মপুত্ৰ উপত্যকাত ৬০খন আসন পোৱাৰ পিছতো আৰু আনকি গণ পৰিষদৰ হাতৰ পৰাই ৩৩খন আসন কাঢ়ি লোৱাৰ পিছতো বিভিন্ন মহলে মন্তব্য কৰিছে যে কেৱলমাত্ৰ চাহমজদুৰ, ধৰ্মীয় সংখ্যালঘু আৰু হিন্দীভাষী মানুহখিনিৰহে ভোট কংগ্ৰেছ (ই) দলে পালে। আপোনাৰ মন্তব্য কি?**

– (হাঁহি) সেইবোৰ কথাৰ সত্যতা একেবাৰেই নাই। কংগ্ৰেছ দলৰ জন্মই হৈছিল অসমৰ থলুৱা মানুহখিনিৰ মাজত, অসমৰ ঘৰেঘৰত। ইয়াৰ পিছত আকৌ দলটোৰ শিপা ঘৰেঘৰত নেথাকি থাকিব ক’ত? অৱশ্যে এটা কথা ঠিক যে অসমকেই মোৰ বুলি সাবটি লোৱা আৰু পৰিশ্ৰমৰ ঘাম পেলাই অসমৰ মাটি সাৰুৱা কৰা সকলোৰে মাজত একমাত্ৰ কংগ্ৰেছ (ই) দলৰ প্ৰভাৱ বিয়পিল। আন দলে তেওঁলোকক আপোন কৰি, তেওঁলোকৰ মাজত সংগঠন গঢ়ি তোলাত ব্যৰ্থ হ’ল। এতিয়া সেইবিলাক দলৰ ব্যৰ্থতাৰ বাবে আমি দোষী হ’ব লাগে কিয়?

যোৱা নিৰ্বাচনত আমাৰ দলে চাহবাগিচা আৰু সংখ্যালঘু অধ্যুষিত অঞ্চলত আস্থা লাভ কৰাটো সঁচা। কিন্তু একেধৰণেৰে, উক্ত সম্প্ৰদায়ৰ সংখ্যা নগণ্য হৈ থকা অৰ্থাৎ আপুনি কোৱা থলুৱা অসমীয়া মানুহৰ সমষ্টিতো আমাৰ প্ৰাৰ্থী জিকিল। অসমৰ সকলো অঞ্চল, ধৰ্ম, বৰ্ণৰ মানুহৰ ভোট নোপোৱাহলে দৰং জিলাৰ মুঠ আঠটা সমষ্টিৰ আটাইকেইটাতে আমাৰ দল নিজিকিলেহেঁতেন। সেইদৰে ডিব্ৰুগড় জিলাৰ ১২ টাৰ ভিতৰত ১১ টাত, শিৱসাগৰ দিলাত ৬ টাৰ ভিতৰত ৫ টাত, যোৰহাট জিলাৰ ৪ টাৰ ভিতৰত দুটাত, গোলাঘাট জিলাৰ ৫ টাৰ ভিতৰত ৪ টাত আমাৰ প্ৰাৰ্থী জিকিবই নোৱাৰিলেহেঁতেন। এটা সাধাৰণ উদাহৰণ চাওক, লক্ষীমপুৰ টাউন সমষ্টিত বাগান নাই। মুছলমান লোকৰ ভোটৰ সংখ্যাও নগণ্য। কিন্তু তাতো আমাৰ প্ৰাৰ্থীহে জিকিছে। আনকি, শিৱসাগৰ নগৰ সমষ্টিত য’ত বাগান নাই তাত আমাৰ প্ৰাৰ্থী গৰাকী প্ৰায় ডেৰ হাজাৰ ভোটত হাৰিলেও, তেওঁ পোৱা ভোটখিনিয়েই প্ৰমাণ কৰে যে নিগাজী অসমীয়া মানুহখিনিয়েও আমাক ভোট দিছে। আমি জয়লাভ কৰা ৬৫ খন আসনৰ ৬২ খনেই দেখোন ব্ৰহ্মপুত্ৰ উপত্যকাৰ, মাত্ৰ ৩ খনহে বৰাক উপত্যকাৰ।

– গতিকে যিসকলে বাস্তৱতাক আওকাণ কৰি এনেবোৰ অদ্ভূত কথাবতৰা কৈছে, তেওঁলোকে নিজৰ পৰাজয়ৰ গ্লানি ঢাকি ৰাখিবলৈকে কৈছে।

**– কাৰ্বি আৰু বড়ো সকলৰ সমস্যা আপুনি কিদৰে সমাধান কৰিব?**

– কাৰ্বি আৰু বড়ো সকলৰ সমস্যা গোটেই অসমবাসীৰে সমস্যা। আলোচনাৰ মাজেদিয়েই সমস্যাখিনি সমাধান কৰাৰ চেষ্টা চলাম। কিন্তু এটা কথা ঠিক যে সমাধানৰ নামত অসমক পুনৰ খণ্ডিত কৰা নহ’ব।

**– আলফাৰ সমস্যাটো? আলোচনাত আল্‌ফা বহিবই বুলি আপুনি কিবা ইংগিত পাইছে নেকি?**

– কোনো ইংগিত মই এতিয়ালৈকে পোৱা নাই। কিন্তু মই বিশ্বাস কৰো যে অসমক ভাল পালে তেওঁলোক আলোচনাত বহিবলৈ আগ্ৰহী হবই লাগিব। কাৰণ আলোচনাৰ যোগেদি তেওঁলোকৰ সমস্যাটোৰ সমাধান এতিয়া সমগ্ৰ অসমবাসী তথা দেশবাসীৰ একমাত্ৰ কাম্য। গতিকে মই এইক্ষেত্ৰত সম্পূৰ্ণ আশাবাদী।

**–বিগত ৫ বছৰত অসমৰ সামাজিক জীৱন একেবাৰে জড়াগ্ৰস্ত হৈ পৰিল। চৰকাৰী অফিচ আদালতৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে এক কৰ্মবিমুখিতাৰ মানসিকতাই গা কৰি উঠিল। Work culture নোহোৱা হ’ল। শিক্ষা-জগতখনো নৈৰাজ্যৰ কবলত পৰিল। এইবোৰৰ পৰা ৰাজ্যখনক আপুনি কেনেকৈ উদ্ধাৰ কৰিব?**

– যোৱা ৫টা বছৰত ৰাজ্য চৰকাৰৰ শোচনীয় ব্যৰ্থতাই অসমৰ সকলো শ্ৰেণীৰ লোকক হতাশ কৰিলে আৰু সেই হতাশাৰ বুকুৰ পৰাই আপুনি কোৱা সংকট সমূহৰ সৃষ্টি হ’ল। চাওকচোন, অসমীয়া সমাজখনেই যোৱা ৫ বছৰত ছিন্নভিন্ন হ’ল। জাতিগঠনৰ প্ৰক্ৰিয়াটোৱেই বিনষ্ট হ’ল। আঞ্চলিকতাবাদৰ মনোভাৱ তললৈ নামি গৈ গৈ অঞ্চলে অঞ্চলে আঞ্চলিকতাবাদৰ সৃষ্টি হ’ল। ভালেকেইটা জনগোষ্ঠীয়ে নিজকে একমাত্ৰ অসমীয়া বুলি নভবা হ’ল। মৰাণে কয় মই অসমীয়া হয় কিন্তু মৰাণ, মটকে কয় মই প্ৰথমতে মটক তাৰ পিছতহে অসমীয়া। এনে ভাব কোঁচ, আহোম, মিচিং আদি সকলো সম্প্ৰদায়ৰ মাজলৈ বিয়পিল।

এই সকলোবোৰৰ সমাধানৰ বাবে সঁচা অৰ্থত অসমীয়া জাতিটোৰ পুনৰগঠনৰ এক যজ্ঞ আৰম্ভ কৰিব লাগিব। বিভিন্ন জনগোষ্ঠীৰ অৰ্থনৈতিক আৰু সামাজিক সমস্যাবোৰৰ ওপৰত বিশেষভাবে চকু ৰাখিব লাগিব আৰু তেওঁলোকৰ মাজত, পিছ পৰা অঞ্চলবোৰত এক অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিব লাগিব।

এইবোৰ আৰম্ভ কৰিব পাৰিলেই অসমবাসীয়ে এক প্ৰেৰণা লাভ কৰিব আৰু সেই প্ৰেৰণাৰ পৰাই ৰাজ্যখনলৈ শৃংখলা আহিব, কৰ্মসংস্কৃতিও ঘূৰি আহিব বুলি মই গভীৰভাবে বিশ্বাস কৰো। শিক্ষাৰ ক্ষেত্ৰতো, বৰ্তমান সময়ত অসমৰ প্ৰয়োজন পূৰাব পৰাকৈ কৰ্মমুখী শিক্ষাৰ ওপৰত অত্যাধিক জোৰ দিয়াৰ মাজেদি ছাত্ৰ সকলৰ মাজত দেখা দিয়া হতাশা আঁতৰ কৰিব লাগিব। তেতিয়াই নৈৰাজ্যও নোহোৱা হ’ব।

**– শেষত এটা মাত্ৰ প্ৰশ্নই সোধো। আপোনাৰ বিৰুদ্ধে সচৰাচৰ দুটা অভিযোগেই উঠে। প্ৰথমটো হৈছে আপুনি দুৰ্নীতিক প্ৰশ্ৰয় দিয়ে আৰু দ্বিতীয়তে আপোনাৰ প্ৰশাসন অত্যন্ত ‘পুলিচ নিৰ্ভৰ’ হয়। এইবাৰো তাৰেই পুনৰাবৃত্তি হ’ব নেকি?**

– চাওক, দুয়োটা অভিযোগৰে কোনো ভিত্তি নাই। মই মুখ্য মন্ত্ৰী থাকোতে অসমত কিমান চি আৰ পি, বি এচ এফ বাহিনী আছিল তালৈ নেচায় কিয়? ৮৩-ৰ তুলনাতকৈ দেখোন ’৮৫ত তেনে বাহিনীৰ সংখ্যা বহু বেছি। তেনেস্থলত পুলিচ-নিৰ্ভৰ বুলি মোক বদনাম দিয়াৰ কোনো ভিত্তি নাই। পৰিকল্পিত ৰাজনৈতিক মতলব থকা সকলেই তেনে প্ৰচাৰ চলায়। দ্বিতীয়তে দুৰ্নীতিৰ সংক্ৰান্তত মই বহুবাৰ কৈছো যে এইটো এটা আমাৰ সমাজব্যৱস্থাৰ আওপুৰণি ব্যাধি। যিসকলে এইটো নিৰ্মূল কৰি দিম বুলি শপত খায় তেওঁলোকেই দুৰ্নীতি পৰায়ণ বুলি পিছলৈ প্ৰমাণিত হয়। তাৰ উদাহৰণ কৰ্ণাটকৰ জনতা দলৰ নেতা প্ৰাক্তন মুখ্য মন্ত্ৰী ৰামকৃষ্ণ হেগড়ে। তাৰ উদাহৰণ অসমৰ গণ পৰিষদ চৰকাৰ।

মোৰ বিৰুদ্ধে দুৰ্নীতিৰ কোনো অভিযোগ প্ৰমাণিত হোৱা নাই। আৰু দুৰ্নীতি নিৰ্মূল কৰিব পাৰিম বুলি মই মিছা শপতো খাব নোখোজো। মই মাথোঁ ই কে কব পাৰো যে আমাৰ চৰকাৰটোৰ আমোলত দুৰ্নীতি আৰু অনিয়মক প্ৰশ্ৰয় দিয়া নহ’ব। ■



OKDISCD

# নিৰ্বাচনী ফলাফলঃ বিশ্লেষণৰ বিশ্লেষণ

নিৰ্বাচনত এইবাৰ কংগ্ৰেছ (ই) দলৰ বিজয়ে অনেক কৌতূহলৰ সৃষ্টি কৰিছে। নতুন দিল্লীত ভি পি সিং নেতৃত্বাধীন জোঁটৰ শোচনীয় পৰাজয়, বি জে পি-ৰ সংখ্যাবৃদ্ধি, অসমত বিজেপি-ৰ সদলবলে প্ৰবেশ আৰু আঞ্চলিকতাবাদী শক্তি সমূহৰ চৰম পৰাজয়ে এনে কৌতূহলৰ মাত্ৰা অধিক বঢ়াইছে। সেয়ে কেউফালে এতিয়া আৰম্ভ হৈ গৈছে ভোটাৰ ৰাইজৰ নাড়ী খেপিওৱা কাৰ্য। কি কাৰণেনো ভোটাৰে এনে চমক দেখুৱালে, তাৰেই সন্ধানত এতিয়া ৰাজনৈতিক দল আৰু বুদ্ধিৰ বেহা কৰা সকল ব্যস্ত।

নিৰ্বাচনী ফলাফলৰ বিশ্লেষণ কৰি অনেক আঁহফলা যুক্তি ইতিমধ্যে উপস্থাপিত হৈছে। উত্তৰ ভাৰতৰ বিহাৰ আৰু উত্তৰ প্ৰদেশত কংগ্ৰেছৰ শোচনীয় পৰাজয় নিঃসন্দেহে বিগত নিৰ্বাচনৰ এক গুৰুত্বপূৰ্ণ দিশ। কিন্তু দেখা যায়, পৰাজিত ৰাজনৈতিক দল আৰু সমীক্ষকৰ সৰহভাগেই কেৱলমাত্ৰ উক্ত ৰাজ্য দুখনৰ ফলাফলহে দৰকাৰতকৈ ডাঙৰকৈ দেখিছে অথচ সামগ্ৰিক ভাৰতৰ ভোটদাতা ৰাইজৰ সিদ্ধান্তকো লঘু কৰি দেখুওৱাৰ প্ৰয়াসহে কৰিছে। ৰাজীৱ গান্ধীৰ হত্যাৰ লগে লগে যি সকলে নিৰ্বাচনত 'ৰাজীৱ ঢৌ' নহয়েই বুলি ডাংকোপ মাৰি আছিল, সেই সকলেই নিৰ্বাচনৰ ফলাফলৰ পিছত 'ৰাজীৱ ঢৌ'ৰ হিচাপ অংক কৰি উলিয়াই দেখুৱাইছে। সংসদখন যে 'ত্ৰিশংকু' অৱস্থাৰ হ'ল অৰ্থাৎ কোনো এটা দল বা জোঁটে একক সংখ্যাগৰিষ্ঠতা অৰ্জন কৰি চৰকাৰ গঠন কৰাৰ গৌৰৱ অধিকাৰ নকৰিলে, সেইটোকেই আকৌ কেতবোৰ পক্ষই সাংঘাতিক ৰায় বুলি দেখুৱাইছে। কিন্তু ১৯৮৯ চনৰ নিৰ্বাচনতকৈ শতকৰা প্ৰায় ৩ ভাগ ভোট কম পায়ো কিদৰে কংগ্ৰেছ (ই) দলে ৩১ খন আসন এইবাৰ বেছিকৈ পালে, বা শতকৰা প্ৰায় ৬ ভাগ ভোট এইবাৰ কম পোৱা বাবেই; ১৯৮৯ চনৰ তুলনাত জনতা দলৰ আসন কিদৰে ৭৪ খন আসন কমিল বা ভোটৰ হাৰ কমা সত্ত্বেও চি পি এম, চি পি আই দলৰ আসন কেনেকৈ বাঢ়িল, তাৰ ব্যাখ্যা কোনেও আগবঢ়াব পৰা নাই। পাৰে কেনেকৈ? মনৰ চিন্তাৰে মানুহে দিয়া ভোটৰ ধাৰা কেৱলমাত্ৰ তুলাপাতৰ ওপৰৰ অংকেৰে বিচাৰি উলিয়াব নোৱাৰি। যিটো সহজ-সৰল কথা বিশ্লেষক সকলে কৌশলেৰে লুকাই ৰখাৰ চেষ্টা কৰিছে সেইটো হৈছে ভাৰতৰ গৰিষ্ঠ সংখ্যক ভোটাৰে হিন্দুত্ব আৰু ৰামমন্দিৰৰ শ্লোগান লৈ ভোট যুদ্ধত নমা বিজেপি দলক প্ৰত্যাখ্যান কৰিলে। জাত-পাতৰ শ্লোগানেৰে নমা জনতা দল আৰু তেওঁলোকৰ মিত্ৰ জোঁটটোক প্ৰত্যাখ্যান কৰিলে। দেশৰ ঐক্য, শান্তি আৰু সুস্থিৰতাৰ কথা কোৱা কংগ্ৰেছ (ই) দলকেই এইবাৰ বিশ্বাস কৰিলে আৰু সৰ্ববৃহৎ দল হিচাপে নতুন দিল্লীলৈ পঠালে। সাংবিধানিক অংকৰ হিচাপত সেই দল ক'ত উৎখাত হ'ল, বা একক সংখ্যা গৰিষ্ঠতা পাবলৈ কেইখন আসন বাকী থাকিল সেইবোৰ কথা ভোটাৰৰ ৰায়ত মুখ্য বিষয় হৈ নেথাকিল। ৰায় খুবেই স্পষ্ট — আটাইতকৈ বেছি সংখ্যক জনসাধাৰণে কংগ্ৰেছ (ই) দলক সমৰ্থন কৰিলে অৰ্থাৎ সেই দলেই এইবাৰৰ নিৰ্বাচনত ৰাইজৰ অধিক আস্থাভাজন হ'ল। পিছত প্ৰধান মন্ত্ৰী কোন হ'ব, কেইবছৰ চৰকাৰটো টিকিব, আদি বিষয়বোৰৰ সৈতে ভোটাৰৰ কোনো সম্পৰ্ক নাছিল। গতিকে অংকৰ ব্যাখ্যা দিয়াৰ কছৰৎ যিমানেই নচলক কিয়, সাধাৰণ ভোটাৰ তাৰ দ্বাৰা প্ৰভাৱিত বা বিচলিত একেবাৰেই নহয়। একোটাইত নিৰ্দিষ্ট 'ইছ্যু'ৰ ওপৰত নিৰ্ভৰ কৰিয়েই ভোট দাতাই ভোট দিয়ে বুলি ভালদৰে ৰাজনৈতিক দলবোৰে জানে বাবেই, নিৰ্বাচনত তেওঁলোকে একো একোটা 'ইছ্যু' ৰণধ্বনি কৰি লয়। নহলে দেখোন কোনোধৰণৰ ইছ্যুৰ কথা নোকোৱাকৈয়ে নিৰ্বাচন খেলিব পাৰিলেহেঁতেন। গতিকে লুকাই লাভ নাই যে কংগ্ৰেছে আগবঢ়োৱা ইছ্যু বা ৰণধ্বনিটোৱেই এইবাৰ সৰহভাগ ভোটাৰৰ হৃদয় জিনিলে।

অসমৰ নিৰ্বাচনী ফলাফলৰ বিশ্লেষণো ইতিমধ্যে আৰম্ভ হৈছে। ৰাজনৈতিক দল আৰু বাতৰি কাকতৰ বিশ্লেষক সকলে কৰিছে। দেখা যায়, এতিয়ালৈকে হোৱা বিশ্লেষণবোৰৰ ধাৰা এনেধৰণৰ (১) কংগ্ৰেছ (ই) দলে ব্যাপক জাল-জুৱাচুৰি কৰিহে অৰ্থাৎ ৰিগিঙৰ ফলতহে জিকিছে আৰু প্ৰশাসন যন্ত্ৰটোৱে সেই দলকেই সহায় কৰিলে (২) কংগ্ৰেছ (ই) দলক 'থলুৱা অসমীয়া' খিনিয়ে ভোট দিয়া নাই, চাহবনুৱা আৰু সংখ্যালঘু সকলে মাৰ বান্ধি ভোট দিয়াৰ ফলতহে জিকিছে (৩) গণ পৰিষদ দলত বিভাজন হোৱা হেতুকে আৰু অসংখ্য আঞ্চলিক দলৰ প্ৰাৰ্থী নিৰ্বাচনত নমা হেতুকে গণ পৰিষদৰ নামত থকা 'থলুৱা ভোট' বিভাজিত হোৱাৰ বাবেই কংগ্ৰেছ (ই) দল জিকাৰ বাট প্ৰশস্ত হ'ল আৰু (৪) অসমৰ ৰাইজে আঞ্চলিক দলটোকহে প্ৰত্যাখ্যান কৰিছে, আঞ্চলিকতাবাদক কৰা নাই। বিশ্লেষণৰ এই ধাৰাসমূহৰ মাজত বৈ থকা উমৈহতীয়া তলসোঁতটো হ'ল – ১৯৮৫ চনত অসমৰ গৰিষ্ঠ সংখ্যক ভোটাৰে প্ৰত্যাখ্যান কৰা কংগ্ৰেছ (ই) দলৰ এইবাৰৰ চমকপ্ৰদ বিজয়ক লঘু কৰি দেখুওৱাৰ এক নিষ্ফল প্ৰয়াস।

এনে প্ৰয়াস চলাৰ ক্ষেত্ৰত অৱশ্যে অকণো অস্বাভাৱিকতা নাই। কাৰণ যি গণ পৰিষদ আৰু নতুন অসম গণ পৰিষদ দলে আঞ্চলিক দলৰ চৰকাৰ হবই হব বুলি সদৰ্ভ ঘোষণা নিৰ্বাচনৰ আগমুহূৰ্তত কৰিছিল, যি চি পি আই, চি পি এম, জনতা দল, কংগ্ৰেছ (এছ)







আদি দলবোৰে ৰাজ্যখনত সংযুক্ত চৰকাৰ গঠন হোৱাৰ ভৱিষ্যদ্বাণী কৰিছিল, যিসকল বিশ্লেষক বুদ্ধিজীৱীয়ে ৰাজ্যখনৰ চৌদিশে 'কংগ্ৰেছৰ প্ৰতিকূলে ঢৌ' চলিছে বুলি লিখি আছিল আৰু যি সকলে নিৰ্বাচনৰ আগমুহূৰ্তত আকাশবাণী কৰাৰ দৰে কাক ভোট দিব লাগে, কাক নেলাগে সেই কথা খোলাখুলিকৈ কৈছিল, অসমৰ জনসাধাৰণৰ কোন শত্ৰু-কোন মিত্ৰ সেইটো অভিভাৱকে কোৱাৰ দৰে ভোটদাতা ৰাইজৰ সন্মুখত নিৰ্ধাৰণ কৰি দিছিল – সেই আটাইবোৰকে নিৰ্বাচনী ফলাফলে নাক উলিয়াব নোৱাৰা কৰিলে। ভোটাৰ ৰাইজৰ প্ৰাত্যাহিক কঠিন অভিজ্ঞতাৰ পৰা লোৱা সিদ্ধান্তৰ সন্মুখত সকলোবোৰ বাম-ওকালতি আৰু হিচাপ-নিকাচ ওফৰি গ'ল। এনেস্থলত, উক্ত মহলবোৰে, ভিন্ন বেশত ভিন্ন ভিন্ন সুৰত কংগ্ৰেছৰ বিজয়ক লঘু কৰি দেখুওৱাৰ মাজে দিয়েই নিজৰ নিজৰ ভৱিষ্যদ্বাণীবোৰ সুৰক্ষিত কৰাৰ বাবে চেষ্টা চলোৱা স্বাভাৱিক।

আমাৰ দেশৰ নিৰ্বাচনত জাল-জুৱাচুৰি হোৱাটো এক পুৰণি ব্যাধি। প্ৰায় প্ৰতি ৰাজ্যতে কম-বেছি পৰিমাণে এনে ঘটনা প্ৰতিটো নিৰ্বাচনতে হোৱাৰ বাতৰি ওলায়। পৰাজিত পক্ষবোৰেই সাধাৰণতে নিৰ্বাচনত ৰিগিঙ হোৱাৰ অভিযোগ তোলে। উদাহৰণ স্বৰূপে বিগত নিৰ্বাচনটোত, অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত কংগ্ৰেছ (ই) জিকিল আৰু ইয়াৰ পৰাজিত পক্ষসমূহে ৰিগিং হোৱাৰ অভিযোগ তুলিছে। আকৌ বৰাক উপত্যকাত বিজেপি দল জিকিল আৰু সেয়ে কংগ্ৰেছ (ই), চি পি এম-কে ধৰি পৰাজিত পক্ষবোৰে তাত ৰিগিং হৈছে বুলি কৈছে। ওচৰৰ ৰাজ্য পশ্চিমবংগত চি পি এম জয়ী হোৱাৰ পিছত কংগ্ৰেছ (ই)য়ে অভিযোগ কৰিছে যে ৰিগিং কৰিহে বাওঁপন্থী দলটো জিকিলে। মনকৰিবলগীয়া যে ১৯৮৫ চনৰ নিৰ্বাচনত অসমত গণ পৰিষদ জিকিল বুলিয়েই এই কথা বুজোৱা নাছিল যে সেই বছৰ ৰিগিং হোৱাই নাছিল। সঁচা কথা কবলৈ গলে, নিৰ্বাচনৰ পদ্ধতি আৰু নীতিনিয়ম এতিয়াও ইমান আসোঁৱাহপূৰ্ণ হৈ আছে যে যি দলৰ পিনেই অলপ জন-সমৰ্থন বাঢ়ে, সেই দলৰ বাবেই ইচ্ছা কৰিলে ৰিগিং কৰা সহজ হয়। যিবোৰ ৰাজনৈতিক দল নিবাচনত নামে সেইবোৰৰ কোনেও পূৰ্ণ শতাংশ নিকা নিৰ্বাচন হ'ব বুলি দৰাচলতে ভাবি নেনামে। এতিয়া বিগত নিৰ্বাচনটোত ৰিগিং হৈছিল বুলি কোনোধৰণৰ অকাট্য প্ৰমাণ উপস্থাপিত হোৱা নাই। পৰাজিত পক্ষবোৰে উচিত সময়ত অকাট্য যুক্তিৰে ৰিগিং হোৱাৰ প্ৰমাণ অসমৰ নিৰ্বাচন আয়ুক্তৰ ওচৰতো দাখিল কৰা নাই বাবেই নিৰ্বাচনী বিভাগে তেনে অভিযোগ মানি লবলৈ ৰাজী হোৱা নাই। অৱশ্যে এটা কথা ঠিক যে ভোট গণনাৰ পদ্ধতি পবিত্ৰ উদ্দেশ্য লৈয়েই সলনি কৰিলে যদিও, সিদ্ধান্তটো ইমান শেহমূৰকত নিৰ্বাচনী বিভাগে ললেগৈ যে পৰাজিত পক্ষবোৰে তাৰ আলমতে ৰিগিঙৰ অভিযোগ সজোৰে তুলিবলৈ যথেষ্ট সুবিধা পালে। নিৰপেক্ষ দৃষ্টিৰে চালে এই সিদ্ধান্তলৈ অন্ততঃ সহজে আহিব পাৰি যে অসমৰ বিগত নিৰ্বাচন পূৰ্ণমাত্ৰাই নিকা হৈছে বুলি ক'ব নোৱাৰিলেও, তুলনামূলকভাৱে ১৯৮৫ৰ নিৰ্বাচনতকৈ বহু বেছি উন্নত আৰু শুদ্ধ হৈছিল বুলি কব পাৰি।

কংগ্ৰেছ (ই)ক 'থলুৱা অসমীয়াই' ভোট দিয়া নাই, চাহবনুৱা, সংখ্যালঘু আৰু বাহিৰৰ ৰাজ্যৰ পৰা ব্যৱসায়-বাণিজ্য কৰিবলৈ অহা মানুহখিনিয়ে হে ভোট দি জিকাইছে বুলি কৰা বিশ্লেষণ অত্যন্ত দুৰ্ভাগ্যজনক। যিসকলে চাহবনুৱা, সংখ্যালঘু আদি ভোটাৰখিনিক এতিয়াও অসমীয়া জাতিৰ পৰা নিলগাই চাইছে, সেইসকলৰ সন্মুখত অৱশ্যে সকলো যুক্তিয়েই অচল হবলৈ বাধ্য। সবাতোকৈ ভয়ংকৰ কথাটো হৈছে যে যিসকলে কংগ্ৰেছ (ই)ক 'অসমবাসীৰ শত্ৰু' বুলি অসমবাসীৰ সন্মুখত আগতীয়াকৈ চিহ্নিত কৰি দিছিল, সেই সকলে 'সংখ্যালঘু, চাহমজদুৰৰহে ভোট পাইছে' বুলি দিয়া বিশ্লেষণৰ আঁৰত উক্ত সম্প্ৰদায়কেইটাৰ প্ৰতি থকা হীনভাবহে প্ৰকাশ পাইছে – যিটো দৰাচলতে সমগ্ৰ

অসমৰ বাবেই ক্ষতিকাৰক। তদুপৰি ভালদৰে জুকিয়াই চালে দেখা যায় যে তেনে বিশ্লেষণো সম্পূৰ্ণ এচকুৱা। কাৰণ ব্ৰহ্মপুত্ৰ উপত্যকাত চাহ-বাগিচা, সংখ্যালঘু অঞ্চল আদিত যিদৰে কংগ্ৰেছ (ই) দলে এইবাৰ ভোট পাইছে সেইদৰে খাচ্ 'অসমীয়া' এলেকাৰ পৰাও জিকি আহিছে। সেয়ে নহলে, বিহপুৰীয়া, নাওবৈছা, আদিৰ দৰে সমষ্টিবোৰত কংগ্ৰেছ (ই)ৰ বিজয়ৰ বিপৰীতে আন সকলো প্ৰাৰ্থীৰ (মুঠ ২৮ জন) আমানতৰ ধন বাজেয়াপ্ত হোৱা ঘটনাৰ একো ব্যাখ্যাকে নোলাব। জোনাইৰ দৰে সংৰক্ষিত আসনখনত কংগ্ৰেছ (ই)ৰ জয়লাভ কেনেকৈ সম্ভৱ হ'ল, তাক ব্যাখ্যা কৰা নেযাব। এনে উদাহৰণৰ সংখ্যা কিন্তু তাকৰ নহয়।

গণ পৰিষদ দলত হোৱা বিভাজনেই কংগ্ৰেছ (ই) দলৰ বিজয়ৰ মুখ্য কাৰণ বুলি আগবঢ়োৱা যুক্তি হাস্যকৰ। অগপ-ৰ সভাপতি থানেশ্বৰ বড়োৱে হিচাপ কৰিয়েই দেখুৱাইছে যে কমপক্ষেও ৫১ খন আসনত হেনো দলীয় বিভাজনৰ বাবেই অগপ-ৰ পৰাজয় হ'ল। কাগজৰ অংকত কথাটো সঁচা যেনেই লাগে। কিন্তু ভোটাৰৰ মনৰ অংকত নহয়। কাৰণ দলীয় বিভাজন, বা ভালেকেইজনকৈ আঞ্চলিক দলৰ প্ৰাৰ্থী প্ৰায়বোৰ সমষ্টিত থকাৰ ঘটনাটো নিৰ্বাচনৰ দিনটোৰ ঠিক আগমুহূৰ্তত ঘটা নাছিল, প্ৰাৰ্থী আৰু দলৰ বিন্যাসৰ ছবিখন নিৰ্বাচনৰ মনোনয়ন দাখিল হোৱাৰ পূৰ্বেই সকলোৰে জনা আছিল। তথাপি ভোট বিভাজনৰ মাজেদিয়েই আটাইবোৰ প্ৰাৰ্থীয়ে নিজে নিজে জিকাৰ কথা ভাবিছিল। সেয়ে পৰাজয় বৰণ কৰাৰ পিছত, ভোট বিভাজনৰ ওপৰত সমস্ত দায় জাপি দিয়াটো নিতান্তই অশোভন। তদুপৰি নতুন-অসম-গণ-পৰিষদৰ ভোটবোৰ অগপ-য়েই পালেহেঁতেন বুলি ভবাৰো কোনো যুক্তি নাই। কাৰণ নীতিগত নহলেও কেতবোৰ সুনিৰ্দিষ্ট ইছ্যুৰ ওপৰত অগপ-ৰ সৈতে মতবিৰোধ হোৱাৰ ফলস্বৰূপেহে নঅগপ-ৰ জন্ম হৈছিল। আৰু নঅগপ-ৰ ভোটবোৰো দৰাচলতে অগপ বিৰোধীয়েই আছিল। তদুপৰি, নিৰ্বাচনী ফলাফলৰ পৰা দেখা যায় যে নঅগপ প্ৰাৰ্থী নথকা সত্ত্বেও অগপ প্ৰাৰ্থীয়ে আসন হেৰুৱাইছে, ১৯৮৫ৰ নিৰ্বাচনৰ তুলনাত বহু কম ভোট পাইছে। উদাহৰণ থাওৰা, আমগুৰি, কলিয়াবৰ আদি। এনেস্থলত একমাত্ৰ বিভাজনৰ বাবেই অগপ-ৰ পতন হ'ল বুলি সিদ্ধান্তলৈ অহাৰ কোনো থল নাই।

বিগত নিৰ্বাচনত আঞ্চলিকতাবাদৰ পৰাজয় হোৱা নাই; আঞ্চলিকতাবাদী দলটোৰহে হৈছে বুলিও কেতবোৰ আঞ্চলিকতাবাদী শিবিৰৰ পৰা ব্যাখ্যা উপস্থাপিত হৈছে। মনত ৰখা দৰকাৰ যে নিৰ্বাচনটোত সৰ্বভাৰতীয়তাবাদ আৰু আঞ্চলিকতাবাদী শক্তিৰ পোনপটীয়া যুঁজ হোৱা নাছিল, সৰ্বভাৰতীয় শিবিৰ যিদৰে কেইবাটাও ভাগত বিভক্ত আছিল, আঞ্চলিকতাবাদী শিবিৰো তেনেদৰেই বিভক্ত ৰূপত আছিল। এটা কথা কোৱা উচিত হ'ব যে ১৯৮৫-ৰ নিৰ্বাচনী যুঁজো আঞ্চলিকতাবাদ বনাম সৰ্বভাৰতীয়তাবাদৰ হোৱা নাছিল। অসম আন্দোলন আৰু অসম চুক্তিৰ মূল ইছ্যুটোক কেন্দ্ৰ কৰি প্ৰায়বোৰ আঞ্চলিকতাবাদী শক্তি সেইবাৰ ঐক্যবদ্ধ হৈ অগপ-ৰ যোগেদি আত্মপ্ৰকাশ কৰিছিল সঁচা, কিন্তু ভোটাৰে ভোট দি জয়ী কৰোতে প্ৰধানতঃ ইছ্যুটোৰ বাবেহে ভোট দিছিল, আঞ্চলিকতাবাদৰ প্ৰতি কমিটেড হৈ নহয়। ভোটাৰৰ সেই সমৰ্থনকে আঞ্চলিকতাবাদৰ ঘাই ধৰণী বুলি ভাবি আত্মসন্তুষ্টি লাভ কৰা বাবেই অগপ দলৰ এইবাৰ দুৰ্দশা হ'ল। সেয়ে নোহোৱা হলে সেই কমিটেড সমৰ্থনবোৰ এইবাৰৰ নিৰ্বাচনত উৰি নগলহেঁতেন। মুঠৰ ওপৰত ১৯৮৫-ৰ নিবাচনতো আঞ্চলিকতাবাদৰ জয় হোৱা নাছিল, এইবাৰতো নহলেই। দুয়োবাৰেই, জয় পৰাজয় সম্পূৰ্ণ ভাবে নিৰ্ভৰ কৰিছিল নিৰ্দিষ্ট ইছ্যুৰ ওপৰতহে।

একমাত্ৰ 'ইছ্যু' বিলাকেহে যে অসমৰ ভোটাৰৰ মতিগতি নিয়ন্ত্ৰণ কৰে তাৰ প্ৰমাণ এইবাৰৰ নিৰ্বাচনত অধিক জাজ্জল্যমান। বৰাক উপত্যকাত বিজেপি দলে, বিদেশী অনুপ্ৰবেশৰ ইছ্যুটোৰ আশ্ৰয় লৈছিল আৰু হিন্দু অনুপ্ৰবেশকাৰীক আশ্ৰয় দিয়াৰ বাবে, মুছলমান অনুপ্ৰবেশকাৰীক বহিষ্কাৰ কৰাৰ বাবে আন্দোলন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই ইছ্যুটোৱেই উপত্যকাতো ঢৌৱাই নিলে। ১৫ খন আসনৰ ৯ খনতে আৰু লোক সভাৰ দুয়োখন আসনতে বিজেপি দল জিকিল। কাৰ্বি-আংলঙ জিলাত আই পি এফ নিয়ন্ত্ৰিত এ এচ ডি চি দলে, স্বায়ত্তশাসিত উপৰাজ্যৰ দাবীটো নিৰ্বাচনী ইছ্যু কৰিছিল আৰু সেয়ে জিলাখনৰ চাৰিওখন বিধান সভাৰ আসনৰ উপৰিও একমাত্ৰ লোকসভাৰ আসনখনো জয়লাভ কৰিলে। একেদৰে বড়ো অধ্যুষিত এলেকাসমূহত সুকীয়া বড়োলেন্ডৰ দাবীটো ঘাই নিৰ্বাচনী ইছ্যু হৈ উঠিছিল বাবেই, সেই এলেকাৰ পৰা একমাত্ৰ আবছু সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থী সকল বিধান সভালৈ আৰু এজন লোক সভালৈ নিৰ্বাচিত হৈ আহিল। বাকী ব্ৰহ্মপুত্ৰ উপত্যকাটোত বিচৰণ কৰি ফুৰা অগপ, নঅগপ প্ৰমুখ্যে আঞ্চলিক দলসমূহ আৰু চি পি এম, চি পি আই, জনতাদল, কংগ্ৰেছ (এছ) আদি সৰ্বভাৰতীয় দলবোৰৰ কোনো ধৰণৰ স্পষ্ট, নিৰ্দিষ্ট নিৰ্বাচনী ৰণধ্বনিও নাছিল সেয়ে ভোটো কমকৈ পালে। অৰ্থাৎ অস্পষ্টভাবে হলেও যিবোৰ ৰণধ্বনি দলসমূহে দিছিল, সেইবোৰে সৰহসংখ্যক মানুহৰ মন আকৰ্ষণ কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে কিন্তু কংগ্ৰেছ (ই) দলে স্পষ্টভাবে ৰাজ্যখনত শান্তি আৰু সুস্থিৰতাৰ ধ্বনি দিছিল। বিগত কালছোৱাত অগপ শাসনে সৃষ্টি কৰা অনৈক্য আৰু অস্থিৰতা, আল্‌ফাৰ কৰ্মকান্ড, নকলী আল্‌ফাৰ উৎপাত আৰু অপাৰেচন বজৰঙৰ আতিশয্যৰ কলবত অতিষ্ঠ হৈ থকা ভোটাৰৰ অধিকাংশক কংগ্ৰেছ (ই)ৰ ধ্বনিয়ে প্ৰভাৱান্বিত কৰিব পৰা হেতুকেই কংগ্ৰেছ (ই) দলে ১২৫ খন আসনৰ ৬৫ খনেই অধিকাৰ কৰিব পাৰিলে। চি পি আই-ৰ ৪ জন, চি পি এম-ৰ ২ জন আৰু জনতা দলৰ ১ জন প্ৰাৰ্থী জিকি আহিছে যদিও তেখেত সকল 'নিৰ্দলীয়' প্ৰাৰ্থী জিকাৰ দৰেহে জিকিছে, বহুকোণীয়া প্ৰতিদ্বন্দ্বিতাৰ মাজেদি সৰকি আহিছে। তেখেতসকলৰ বিজয়ৰ পিছত কোনো ইছ্যু নাই, অগপ আৰু নঅগপ-ৰ যি কেইগৰাকী প্ৰাৰ্থীয়ে কংগ্ৰেছৰ ৰণধ্বনিৰ আক্ৰমণ নিজ নিজ সমষ্টিত সীমিত কৰি ৰাখিব পাৰিলে, সেইকেইজনেই জয়ী হ'ল।

নিৰ্বাচনী বিশ্লেষণৰ পোন বাট নলৈ আকৌ অকোৱা-পকোৱা বাট এটা উলিয়াই, নিৰ্মোহ আত্মবিশ্লেষণ কৰাৰ পৰা নিলগে নিলগে থাকিবলৈ ললে অকংগ্ৰেছী ৰাজনৈতিক দলবোৰৰ এনে বিপৰ্যয় ভৱিষ্যতৰ নিৰ্বাচনতো হ'ব। একেদৰে কংগ্ৰেছ (ই) দলেও যদি বিজয়ৰ বিশ্লেষণ সঠিকভাবে কৰিব নোৱাৰে, আৰু ভোটাৰ ৰাইজৰ আস্থামতে যদি কামকাজ কৰিব নোৱাৰে, তেন্তে অহাবাৰৰ নিৰ্বাচনতে কংগ্ৰেছ (ই) দলো পুনৰ ধৰাশায়ী হবলৈ বাধ্য।

**দুলাল বৰা**





# নতুন চৰকাৰৰ সমুখত বহু প্ৰত্যাহ্বান

গিৰীশ চন্দ্ৰ শৰ্মা

কংগ্ৰেছ (আই) দলে একক সংখ্যা গৰিষ্ঠতা লাভ কৰি পুনৰ ক্ষমতালৈ আহিব বুলি অসমৰ কোনোখন খবৰ কাগজে ভৱিষ্যত বাণী কৰা নাছিল নাইবা তেনে এটা ধাৰণাও দিব পৰা নাছিল। সৰহ ভাগেই ধাৰণা কৰিছিল যে এইবাৰ কোনো দলেই নিৰংকুশ সংখ্যা গৰিষ্ঠতা লাভ কৰিব পৰা অৱস্থাত নাই। গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতবোৰে গুৱাহাটীৰ নিৰ্বাচনী সমীক্ষা লিখোতে পূব গুৱাহাটী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থীজন বৰ দুৰ্বল বুলি কৈ এলাগী কৰি পেলাই থৈছিল কিন্তু সেই প্ৰাৰ্থীজনেই জিকি গ'ল! বাতৰি কাকতৰ এই সমীক্ষাত কিয় প্ৰকৃত ছবিৰ প্ৰতিফলন নহয়, সেই প্ৰশ্ন পূব গুৱাহাটীৰ নৱ নিৰ্বাচিত প্ৰাৰ্থী শ্ৰীচিত্তৰঞ্জন পাটোৱাৰীয়ে আমাক সুধিছিল। ব্যক্তিগত মালিকানাৰ এই বাতৰি কাকত সমূহৰ ওপৰত আমি মন্তব্য দিয়াৰ পৰা বিৰত আছিলো। কিন্তু এজন সচেতন নাগৰিক হিচাপে আমিও বিচাৰো উন্নত মানদন্ডৰ বাতৰি কাকত। যি বাতৰি কাকতত সমসাময়িক ঘটনাৰ সম্যক বিন্যাস হয়, প্ৰতিফলন হয়। কংগ্ৰেছ (আই) দলে নিৰংকুশ সংখ্যা গৰিষ্ঠতা লাভ কৰিব পাৰিব বুলি দৃঢ় মত পোষণ কৰিছিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীহিতেশ্বৰ শইকীয়াই। তেওঁ ৯ জুনৰ নিশা এই সংবাদসেৱীক জনাইছিল যে তেওঁৰ দলে কমেও ৬০ খন আসন পাব বুলি হাইকমান্ডলৈ ৰিপৰ্ট পঠিয়াইছে। তেওঁ আমাক দৃঢ়তাৰে কয় যে তেওঁৰ দলে ৬৪খন আসন পাব। শ্ৰীশইকীয়াই কোনো কথা অনুমানত নকয়। সদায় তেওঁ এটা হিচাপৰ ভিত্তিত কথা কয়। অতীতত তেওঁ কৰা এনে বহুতো পূৰ্বানুমান সত্য বুলি প্ৰতিপন্ন হৈছে। সেয়েহে ফলাফল দেখি অবাক হৈছিলো। ৬৪খন আসন পাম বুলি হিচাপ কৰিছিল, ৬৫ খন পালে। ১৯৮৫ চনৰ ডিচেম্বৰ মাহত হোৱা নিৰ্বাচনত ক্ষমতাচ্যুত হৈ পাঁচ বছৰ আঁতৰি থকাৰ পিছত এই দলটো ক্ষমতালৈ আহিল। ১৯৯০ চনৰ নবেম্বৰ মাহত হোৱা লোকসভাৰ নিৰ্বাচনত কেন্দ্ৰৰ পৰাও এই দলে ক্ষমতাচ্যুত হয়। এইবাৰৰ নিৰ্বাচনত পুনৰ কেন্দ্ৰতো কংগ্ৰেছ ক্ষমতালৈ আহিছে। অৱশ্যে দলটোৱে এটা অতি অভাৱনীয় ঘটনাৰ পৰিপ্ৰেক্ষিতত।

২১ মে'ৰ সন্ধিয়া মদ্ৰাজৰ পৰা ৫০ মাইল দূৰৈৰ শ্ৰীপেৰুমবুদুৰ নামে এখন ঠাইৰ নিৰ্বাচনী সভাত বক্তৃতা দিবলৈ যাওঁতে সভাস্থলীতে আততায়ীৰ বোমা বিস্ফোৰণত দলৰ নেতা ৰাজীৱ গান্ধীৰ শোকাবহ মৃত্যু হয়। ৰাজীৱ গান্ধীৰ মৃত্যুৰ লগে লগে কংগ্ৰেছ আই দলৰ এটা অধ্যায়ৰ সামৰণি পৰিল। নতুন পৰিস্থিতিত দলটোৱে কেনেভাবে কাৰ্যনিৰ্বাহ কৰে তালৈ সকলোৱে আগ্ৰহেৰে লক্ষ্য কৰিব। কিন্তু এইটো ঠিক যে পৰিৱৰ্তিত পৰিস্থিতিত কংগ্ৰেছে অধিক দায়িত্বশীলতা, বুজাবুজি আৰু আদৰ্শনীয়ভাবে কাম কৰিব পাৰিলেহে দলটোৱে টিকি থাকিব পাৰিব। সম্প্ৰতি দেশত শক্তিশালী বিৰোধী দলৰ আৱিৰ্ভাৱ হৈছে। জটিল বিত্তীয় পৰিস্থিতি, অখন্ডতাৰ প্ৰতি ভাবুকি দিয়া পাঞ্জাব আৰু জম্মু-কাশ্মীৰৰ সন্ত্ৰাসমূলক কাৰ্যকলাপ, ভয়ানক নিবনুৱা সমস্যা, মন্দিৰ-মছজিদৰ দৰে স্পৰ্শকাতৰ বিষয়লৈ উত্তেজনাৰ অন্তঃসলিলা ফল্গু প্ৰবহমান হৈ থকা অৱস্থাত দলটোৱে যদি ৰাজনৈতিক পৰিপক্কতাৰ পৰিচয় দিব নোৱাৰে তেনেহলে চলি থকা ৰাজনৈতিক অস্থিৰতা আঁতৰ কৰিব নোৱাৰিব। ত্ৰিশংকু সংসদ এখন সমুখত লৈ দলটোৱে ক্ষমতাৰ বাঘজৰি হাতত লৈছে গতিকে জনসমৰ্থনৰ প্ৰতি দৃষ্টি ৰাখি কাম নকৰিলে দেশত এনে কিছুমান সমস্যাই মূৰ দাঙি উঠিব যাৰ সমাধান কৰাটো কঠিন হৈ পৰিব। শ্ৰী পি ভি নৰসিংহ ৰাওৰ নেতৃত্বত দেশখনে এটা সুস্থিৰ অৱস্থালৈ গতি কৰিব পাৰিব বুলি আমি আশা কৰো। কিন্তু পৰিস্থিতি তেওঁৰ বাবে উজু হৈ থকা নাই। কিয়নো হিন্দী বলয়ত এনে কিছুমান পৰিস্থিতিৰ সৃষ্টি হোৱাৰ আশংকা আছে যিবোৰৰ বাবে সমগ্ৰ দেশতে এক অস্থিৰতাৰ সৃষ্টি হ'ব পাৰে। তাৰ বাবে কেন্দ্ৰীয় চৰকাৰ সাজু থাকিব লাগিব।

সেই একে দৃষ্টিকোণৰ পৰাই আমি কব পাৰো যে অসমৰ কংগ্ৰেছ (আই) চৰকাৰখনেও বহুতো জটিল পৰিস্থিতিৰ সমুখীন হ'ব লাগিব। শোচনীয় আৰ্থিক পৰিস্থিতি,ভয়াবহ নিবনুৱা সমস্যা, বিভিন্ন জনগোষ্ঠীৰ শিক্ষিত অংশৰ ৰাজনৈতিক উচ্চাকাংক্ষা আৰু সামগ্ৰিকভাবে অনগ্ৰসৰতাৰ সমস্যাই নতুন চৰকাৰখনৰ বাবে কিছুমান প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব। আল্‌ফাৰ সমস্যাতো আছেই। সেই সমস্যাৰ সমাধানৰ বাবেও এই চৰকাৰেই পদক্ষেপ লব লগীয়া হ'ব। কেন্দ্ৰীয় চৰকাৰৰ লগত যদি আল্‌ফাৰ আলোচনা প্ৰক্ৰিয়াটো আৰম্ভ কৰিব পৰা হয় তেনেহলে হয়তো সমাধান এটা ওলাব পাৰে।

আমি অতি উদ্বেগেৰে লক্ষ্য কৰিছো যে আজি কেইবছৰমানৰ ভিতৰতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত থকা পাৰস্পৰিক সৌহাৰ্দ্য আৰু ভ্ৰাতৃভাবত কিছু ভাঙোন ধৰিছে। ৰাজ্যখনৰ কাৰণে এইটো অতি ক্ষতিকৰ কথা। গোষ্ঠীগত চিন্তা, বিভাজনৰ ৰাজনীতি আৰু ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থই সামগ্ৰিক বিশাল ক্ষেত্ৰক আচ্ছন্ন কৰি তোলাৰ বাবে বহুসময়ত ৰাজ্যখনত শান্তি সম্প্ৰীতি বিঘ্নিত হোৱাৰ উপৰিও

অর্থনৈতিক উন্নাতৰ গতি ব্যাহত হৈছে। ৰাজ্যৰ প্ৰশাসন যন্ত্ৰটো ক্ৰমশঃ অযোগ্য, অকৰ্মণ্য আৰু দুৰ্নীতিগ্ৰস্ত হৈ উঠাটোও আমি দুখেৰে লক্ষ্য কৰিছো। প্ৰশাসন যন্ত্ৰটো কাৰ্যক্ষম কৰি তোলাটো নতুন চৰকাৰৰ প্ৰথম কাম হ'ব। তাৰ বাবে যাতে উপযুক্ত বিষয়া চয়ন কৰা হয় তালৈ লক্ষ্য ৰাখিব লাগে।

এই লেখা প্ৰকাশ হোৱাৰ সময়ত ক্ষমতালৈ অহা কংগ্ৰেছ দলৰ চৰকাৰ এখন দিছপুৰত প্ৰতিষ্ঠা হ'ব। বৰ্তমানৰ প্ৰদেশ কংগ্ৰেছ সভাপতি শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত এখন চৰকাৰ গঠন যে হ'ব তাত সন্দেহ নাই। শ্ৰীশইকীয়া বিচক্ষণ ৰাজনীতিজ্ঞ, সুদক্ষ প্ৰশাসক আৰু সকলো শ্ৰেণীৰ লোকৰে সমানে আস্থাভাজন। শ্ৰীশইকীয়াৰ নেতৃত্বত ৰাজ্যখনৰ জটিল সমস্যাসমূহ সম্পূৰ্ণ পৰিমাণে নহলেও কিছু পৰিমাণে সমাধান হ'ব বুলি আমি আশা কৰিব পাৰো। তাৰ বাবে আৰম্ভণিৰ পৰাই ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এখন কাৰ্যক্ষম আৰু দক্ষ মন্ত্ৰীসভা গঠন কৰিব পৰাৰ ওপৰতে শ্ৰীশইকীয়াৰ সাফল্য বহু পৰিমাণে নিৰ্ভৰ কৰিছে। বৰ ডাঙৰ মন্ত্ৰীসভা এখন গঠন নকৰি এখন সৰু কিন্তু কৰ্মঠ চৰকাৰ গঠন কৰি কাৰ্যনিৰ্বাহ কৰিব পাৰিলে জনমানসত চৰকাৰখনৰ ভাবমূৰ্তি বহু উজ্জ্বল হ'ব। অৱশ্যে এনে ক্ষেত্ৰত বিভিন্ন দিশৰ পৰা অহা হেঁচা তেওঁ কি পৰিমাণে প্ৰতিৰোধ কৰিব পাৰে সেইটোও এটা কথা। চৰকাৰখনৰ ভাবমূৰ্তি নিৰ্ভৰ কৰিব তেওঁ লোৱা মানুহ কেইজনৰ ওপৰত। গতিকে মন্ত্ৰীসভাত উজ্জ্বল ভাবমূৰ্তিৰ লোক ললেহে আৰম্ভণিৰ পৰাই এটা ভাল ধাৰণাই গা-কৰি উঠাৰ সম্ভাৱনা থাকে। মন্ত্ৰীসভাখন কেনে ধৰণৰ ব্যক্তিৰ দ্বাৰা গঠন কৰা হয় তাৰ ওপৰত বহু কথা নিৰ্ভৰ কৰিব। এখন সৰু, কাৰ্যক্ষম মন্ত্ৰীসভাৰে এই সমস্যাবহুল ৰাজ্যখনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত পদক্ষেপ পেলাই চাব পাৰে। সদ্যসমাপ্ত নিৰ্বাচনৰ ফলাফলৰ পৰা কেইটামান কথা দিবালোকৰ দৰে স্পষ্ট হৈ পৰিছেঃ যেনে অসমৰ ৰাজনৈতিক মঞ্চত কংগ্ৰেছ আইৰ পুনৰ প্ৰৱেশ, অসম গণ পৰিষদ আৰু অগপৰে ফাটি যোৱা গোট নতুন অগপ-ৰ প্ৰস্থান, কাৰ্বি আংলঙৰ স্বায়ত্তশাসিত ৰাজ্য দাবী কমিটী (এ এছ ডি চি) আৰু আবছু বি পি এ চি, আৰু বি জে পি দলৰ প্ৰথম বাৰৰ বাবে প্ৰৱেশ। বঙালী হিন্দু আৰু পমুৱা মুছলমানৰ যুগ্ম মৰ্চা ইউ এম এফ দলটোৱে বিদায় লব লগীয়াত পৰাটো এই নিৰ্বাচনৰ ফলাফলৰ আন এটা উল্লেখযোগ্য দিশ। যোৱা বাৰৰ নিৰ্বাচনত ইউ এম এফে বিধান সভাৰ ১৭ খন আসন দখল কৰিছিল কিন্তু এইবাৰ ৩০খন আনত প্ৰাৰ্থী থিয় কৰাই মাত্ৰ এখন আসনহে লাভ কৰিবলৈ সক্ষম হয়। ঐতিহাসিক ভাবে পৰস্পৰৰ বিৰোধী বঙালী হিন্দু আৰু পমুৱা মুছলমানৰ যৌথ মৰ্চা এটা স্থায়ী হ'ব নোৱাৰে। তিনি বছৰ কাৰ্যনিৰ্বাহ কৰাৰ পিছতে ইউ এম এফ-ত ভাঙোন ধৰাটো পৰিলক্ষিত হৈছিল আৰু তাৰে এটা অংশৰ নেতৃত্ব কৰিছিল শ্ৰীশান্তিৰঞ্জন দাসগুপ্তই আৰু আনটো গোটৰ আব্দুল জব্বাৰে।

সবাতোকৈ মন কৰিব লগীয়া নিৰ্বাচনী ফলাফলটো হ'ল ভাৰতীয় জনতা পাৰ্টি বা বিজেপিৰ। প্ৰথম বাৰৰ বাবে বিজেপিয়ে ১০খন বিধান সভাৰ আৰু দুখন লোকসভাৰ আসন দখল কৰাটো কম সাফল্য নহয়। আটাইকেইজন বিজয়ী প্ৰাৰ্থীয়েই বঙালী হিন্দু। ধুবুৰী বিধান সভা আসনখনৰ বাহিৰে বিজেপিয়ে লাভ কৰা বাকী আটাইকেইখন আসনেই বৰাক উপত্যকাৰ। কাৰ্বি আংলঙ জিলাৰ এ এছ ডি চি দলটো কাৰ্বি সকলৰ শিক্ষিত যুৱকৰ একাংশৰ নেতৃত্বত গঠিত আৰু এইবাৰ তেওঁলোকৰ প্ৰাৰ্থীয়ে জিলাৰ চাৰিওখন বিধান সভাৰ আসন আৰু এখন লোক সভাৰ আসন দখল কৰিছে। এ এছ ডি চিয়ে ১৯৯০ চনত হোৱা জিলা পৰিষদৰ নিৰ্বাচনতো একক সংখ্যা গৰিষ্ঠতা লাভ কৰিছিল। স্বায়ত্তশাসিত ৰাজ্য এখনৰ দাবীত তেওঁলোকে আন্দোলন কৰি আহিছে। ১৯৭২ চনত মেঘালয় ৰাজ্য গঠিত হোৱাৰ সময়ত অৱশিষ্ট দুখন পাৰ্বত্য ৰাজ্য কাৰ্বি আংলঙ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাক মেঘালয়ত যোগদান কৰাৰ সপক্ষে বা বিপক্ষে সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব দিয়া হৈছিল। তেতিয়া এই দুখন জিলাই অসমত থকাৰ সপক্ষে জিলা পৰিষদত সিদ্ধান্ত গ্ৰহণ কৰিছিল। নতুন চৰকাৰে এই ক্ষেত্ৰতো আলাপ আলোচনা চলাব লাগিব। এ এছ ডি চি-ৰ লগত কিবা এটা বুজাপৰাৰে আহিব পাৰি নেকি চেষ্টা কৰি চোৱা উচিত।

বড়োলেণ্ডৰ দাবীত আন্দোলন চলাই অহা আবছু বি পি এ চি-ৰ সমৰ্থনত আঠজন সদস্য বিধান সভালৈ আৰু এজন লোকসভালৈ নিৰ্বাচিত হোৱাটো এ এছ ডি চি-ৰ দৰে সমানেই তাৎপৰ্যপূৰ্ণ। অৱশ্যে বড়োলেণ্ডৰ প্ৰশ্নটো পৰীক্ষা কৰি চাবলৈ কেন্দ্ৰীয় চৰকাৰে এটা উচ্চ ক্ষমতা সম্পন্ন কমিটী গঠন কৰি দিয়াৰ পৰিপ্ৰেক্ষিতত বড়োলেণ্ডৰ প্ৰশ্নত উষ্মাপূৰ্ণ পৰিস্থিতি আপাততঃ সৃষ্টি হোৱাৰ আশংকা নাই। স্বায়ত্তশাসিত ৰাজ্য আৰু বড়োলেণ্ডৰ দাবীৰ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ কৰিব লগীয়া বিশেষ একো নাই যিহেতুকে ৰাজ্য গঠন কেন্দ্ৰীয় বিষয়, ভাৰত চৰকাৰেহে এই বিষয়ত এটা চয়নিচয় কৰিব পাৰে। ভাৰত চৰকাৰৰ লগত সংশ্লিষ্ট পক্ষই আলাপ আলোচনা চলাই এটা সমাধানৰ পথ উলিয়ালে ৰাজ্যখনৰ সমূহ জনসাধাৰণৰ বাবে কল্যাণকৰ হ'ব। এইখন ৰাজ্যত ইতিমধ্যে বহুত অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হৈ গৈছে। সামাজিক অৰ্থনৈতিক ক্ষেত্ৰত ক্ষতিও হ'ল বহুত। উন্নতিৰ গতি স্থবিৰ হৈ গৈছে। এই পৰিস্থিতিত নতুন চৰকাৰখনে অলপ ধীৰ সুস্থিৰ পৰিবেশত যদি কাম কৰি যাব পাৰে তেনেহলে ৰাজ্যখনৰ কাৰণে হয়তো কিছু সাফল্য লাভ কৰিব পৰা হ'ব। সেয়ে অসমত আজি আটাইতকৈ বেছি প্ৰয়োজন হৈছে সুস্থিৰতাৰ আৰু শান্তিপূৰ্ণ পৰিবেশৰ।

অতি বিচক্ষণ ৰাজনীতিজ্ঞ হিচাপে শ্ৰীহিতেশ্বৰ শইকীয়াই দ্বিতীয়বাৰৰ বাবে পোৱা, মুখ্যমন্ত্ৰিত্বৰ গধুৰ দায়িত্ব বহণ কৰোতে, ৰাজ্যখনৰ বিভিন্ন দিশত সুষ্ঠ প্ৰভাৱ পেলোৱাৰ চেষ্টা নকৰাকৈ নাথাকে। অসমৰ ৰাজনীতিত শ্ৰীশইকীয়া এজন বহু চৰ্চিত ব্যক্তি। দলটোক পুনৰ ক্ষমতালৈ অনাত শ্ৰীশইকীয়াৰ দক্ষতা আৰু নৈপুণ্যই ক্ৰিয়া কৰিছে। এইবাৰ এনে অমূল্য সুযোগ শ্ৰীশইকীয়াই ৰাজ্যখনৰ সৰ্বাংগীন উন্নতিৰ বাবে ব্যৱহাৰ কৰিব বুলি ধাৰণা কৰিব পাৰি। অগপ, নতুন অগপ-ই (১৯+৬) ৰাজ্যখনৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত গঠনমূলক বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰিব পাৰিব। গণতন্ত্ৰত শক্তিশালী বিৰোধী পক্ষৰ বিশেষ ভূমিকা আছে আৰু থাকিব। ক্ষমতাৰ পৰা আঁতৰি অহা অগপ-ই আত্মবিশ্লেষণ কৰি চোৱা উচিত। এইটোও ঠিক যে ভাবমূৰ্তি অত্যন্ত ধূসৰ হৈ পৰাৰ বাবে আৰু দলটো দ্বিধা বিভক্ত হৈ দুৰ্বল হোৱাৰ হেতুকে অগপ-ই এইবাৰ ক্ষমতাৰ পৰা উফৰি পৰিল। নিকা তথা উজ্জ্বল ভাবমূৰ্তি বৰ্তমান আৰু ভৱিষ্যতেও ৰাজনৈতিক দলসমূহৰ বাবে মূলধন হৈ থাকিব। অগপ হাৰিল অত্যন্ত কলংকিত ভাবমূৰ্তি আৰু দুৰ্বল জনসম্পৰ্কৰ বাবে। এইখিনিতে এটা ব্যক্তিগত অভিজ্ঞতাৰ দৃষ্টান্ত দাঙি ধৰিছোঃ নিৰ্বাচনৰ আলেখলেখ চাবলৈ শোণিতপুৰ জিলাত ভ্ৰমণ কৰিছিলো। চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিকে সেইখন জিলাৰ সৰহভাগ সমষ্টিতে প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰে। কিন্তু চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিকেও প্ৰাৰ্থীৰ ব্যক্তিত্ব আৰু ছবিলৈ চোৱা হৈছে এটা সমষ্টিৰ এজন প্ৰাৰ্থীৰ অনুজ্জ্বল ভাবমূৰ্তি, অতি দৰিদ্ৰ অৱস্থাৰ পৰা অহা সেই প্ৰাৰ্থীজনে কেইবাটাও বিল্ডিং বন্ধাৰ কথা চাহ শ্ৰমিক সকলৰ মুখতো শুনি আচৰিত হৈছিলো। তেতিয়া আৰু বুজিবলৈ বাকী নাছিল যে চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিকেও প্ৰাৰ্থীৰ ভাল বেয়া বিচাৰ কৰি চোৱা হৈছে। নতুন মন্ত্ৰীসভাখন গঠন কৰোতে দলীয় দৃষ্টিভংগীৰ লগতে ভাবমূৰ্তি কথাটোলৈও শ্ৰীশইকীয়াই দৃষ্টি দিয়া উচিত হ'ব।

আমি এই কথা মনে প্ৰাণে বিশ্বাস কৰো যে অসমৰ একাংশ খবৰৰ কাগজে কংগ্ৰেছ আই দলটো আৰু এই দলৰ সদস্য সকল আৰু বিশেষকৈ শ্ৰীশইকীয়াৰ বিৰুদ্ধে প্ৰণালীবদ্ধভাৱে উদ্দেশ্য প্ৰণোদিত মিছা কথাৰ প্ৰচাৰ চলাই জনমানসত সেই দলটো আৰু দলীয় নেতা সকলৰ বিৰুদ্ধে ক্ষোভৰ সৃষ্টি কৰিছিল। লাহে লাহে মানুহে প্ৰকৃত কথা বুজি পোৱা হৈছে। সেই কাগজবোৰৰ ভূমিকাও লক্ষ্য কৰিছে। বামুণ আৰু তিনিজন ঠগৰ সাধুৰ দৰে 'মিছা কথা বাৰে বাৰে ক'লে সঁচাৰ দৰেই লাগে' – এই কায়দা আৰু প্ৰয়োগ কৰা কঠিন হ'ব। সচেতনতাৰ অভাৱৰ সুযোগ একাংশ বাতৰি কাকতে নোলোৱাকৈ থকা নাছিল। সেইবোৰ বাতৰি কাকতৰ পক্ষপাতদুষ্টতা এতিয়া আৰু কাৰো অজনা হৈ থকা নাই। তেনেবোৰ কাকতে বিশ্বাস হেৰুৱাই পেলাইছে। কিন্তু ক্ষতি কৰি গ'ল বহুত।

আৰু এটা কথা আমি নতুন মন্ত্ৰীসভাৰ সদস্য সকলৰ দৃষ্টিগোচৰ কৰিব খোজো। তেওঁলোকে যেন সুযোগ সন্ধানী আৰু দালাল শ্ৰেণীৰ লোকক ওচৰ চাপিবলৈ নিদিয়ে। নানা নামাৱলী গাত মেৰিয়াই লোৱা সেই সকল সন্দেহজনক চৰিত্ৰৰ লোকে চৰকাৰ, মন্ত্ৰী আৰু দলৰ বদনাম আনে। লগতে বিভিন্ন চৰকাৰী, অৰ্দ্ধ চৰকাৰী অনুষ্ঠান, কমিটী, ব'ৰ্ড আদিৰ সদস্য নিয়োগ কৰাৰ ক্ষেত্ৰতো চৰকাৰ সাৱধান হোৱা উচিত। বহু সংস্থানহীন লোকে (যিসকলে সেই কথা গোপন কৰি ৰাখে) কমিটী, ব'ৰ্ড আদিত সোমাই নানা দুৰ্নীতি আদি কৰাৰ অতীত উদাহৰণ আছে। সেই এমুঠি ধুৰন্ধৰ লোক লাভবান হয় যদিও চৰকাৰখনৰ দুৰ্নাম হয় আৰু বহু ক্ষেত্ৰত ৰাজহুৱা স্বাৰ্থৰ হানি হয়। তেনেবোৰ লোকে যিকোনো চৰকাৰৰে বদনাম আনে। এইবোৰ কথাত নতুন চৰকাৰ নিশ্চয় সতৰ্ক হ'ব বুলি আমাৰ বিশ্বাস। নতুন চৰকাৰখনৰ নেতা জনৰ ইতিমধ্যে বিচিত্ৰ অভিজ্ঞতা হৈছে। মানুহ দেখিলে তেওঁ চিনি পায়। বহু বাধা বিঘিনি, ঘাত-প্ৰতিঘাত আৰু অনুকূল-প্ৰতিকূল পৰিস্থিতি পাৰ হৈ অহা এইজন দক্ষ প্ৰশাসকে এখন কাৰ্যক্ষম আৰু নিকা চৰকাৰ ৰাইজক উপহাৰ দিব পাৰিব বুলি ভাবো।

নিৰ্বাচনৰ আগে আগে প্ৰায়বোৰ ৰাজনৈতিক দলে ইস্তাহাৰ প্ৰকাশ কৰি ক্ষমতালৈ আহিলে দলটোৱে কি ভূমিকা গ্ৰহণ কৰিব তাৰ বিস্তৃত কাৰ্যসূচী ভোটাৰ ৰাইজৰ সমুখত দাঙি ধৰিছিল। আটাইবোৰ ইস্তাহাৰৰ ভিতৰত কংগ্ৰেছ আই দলৰ ইস্তাহাৰখন বিশেষ মনোগ্ৰাহী হৈছিল। এই কাৰণেই যে তাত চৰকাৰে বিভিন্ন দিশত কি কি কাম কৰিব দ্বিধাহীনভাবে প্ৰকাশ কৰিছে। ক্ষমতালৈ অহাৰ প্ৰথম বছৰতে দুই লাখ নিবনুৱাক কৰ্ম-সংস্থান দিব খুজিছে। প্ৰাথমিক স্কুলৰ শিক্ষা উন্নত কৰাৰ বাবে প্ৰাইমাৰী স্কুলত পাঁচজনকৈ শিক্ষক নিযুক্ত কৰিব খুজিছে। শিক্ষকতাৰ ক্ষেত্ৰত মহিলা সকলক অগ্ৰাধিকাৰ দিব। চৰকাৰী কৰ্মচাৰী সকলক কেন্দ্ৰীয় চৰকাৰৰ হাৰত দৰমহা দিব। এনে বহুতো মনোগ্ৰাহী কাৰ্যসূচী ইস্তাহাৰত সন্নিবিষ্ট কৰা হৈছে যিবোৰ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰিব পাৰিলে অসমৰ আৰ্থ-সামাজিক অৱস্থাৰ বিশেষ উন্নতি হ'ব বুলি আমি আশা কৰিব পাৰো।

নতুন চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি সমূহ নিষ্ঠা সহকাৰে কাৰ্যকৰী কৰিবলৈ ল'লেই দেশখনৰ আৰ্থ-সামাজিক ক্ষেত্ৰলৈ প্ৰাণ চাঞ্চল্য আহিব আৰু জনসাধাৰণেও বিভিন্ন দিশত আস্থাৰ ভাব পোষণ কৰিব পাৰিব। ইয়াৰ আগৰবাৰ ১৯৮৩ চনৰ ২৭ ফেব্ৰুৱাৰীৰ পৰা ১৯৮৫ চনৰ ২৩ ডিচেম্বৰলৈ প্ৰথম বাৰৰ বাবে শ্ৰীশইকীয়াই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ সময়তকৈ বৰ্তমানৰ পৰিস্থিতি বহুত উন্নত। অৱশ্যে জটিলতা আছে আৰু থাকিবও। তথাপি শ্ৰীশইকীয়াই তেওঁৰ প্ৰতিভা আৰু নৈপুণ্যক দেশৰ সেৱাত উৎসৰ্গীকৃত কৰাৰ এক অনবদ্য সুযোগ লাভ কৰিছে। দিল্লীত শ্ৰীশইকীয়াৰ বিশেষ প্ৰভাৱ আছে। তেওঁ তেওঁৰ আগৰ মুখ্য মন্ত্ৰিত্বৰ কাৰ্যকালৰ ভিতৰত যিমান ধন কেন্দ্ৰৰ পৰা আদায় কৰিব পাৰিছিল তাৰ আগলৈকে কোনেও পৰা নাছিল। সমস্যাবহুল এই ৰাজ্যখনলৈ অধিক আবণ্টন দিয়াৰ বাবে শ্ৰীশইকীয়াই দিল্লীত আৰু বেছি তৎপৰতা অৱলম্বন কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ আনবোৰ ৰাজ্যক দিয়া ৯০ শতাংশ মঞ্জুৰী আৰু ১০ শতাংশ ঋণৰ সুযোগ শ্ৰীশইকীয়াই পূৰ্ণমাত্ৰাই গ্ৰহণ কৰি অসমৰ আৰ্থ সামাজিক উন্নতিৰ দিশত অভিলেখ সৃষ্টি কৰক আমি তাকেই কামনা কৰিছো। ■

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া ৰৰঙণি: ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া ৰৰঙণি: ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ ৰৰঙণি ডিমাণ্ড ড্ৰাফট অথবা চেক যোগে পূৰ্বৰী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউছ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

OKDISCD

# ট্ৰাইবুনেলৰ ৰায় আৰু ফেনী কমিটীৰ ফন্দি

অনেক হৈ-চৈ কৰি গণ পৰিষদ চৰকাৰে ১৯৮৬ চনত গঠন কৰি দিয়া এজনীয়া ফেনী তদন্ত কমিটীৰ প্ৰতিবেদনখনত শইকীয়া চৰকাৰৰ দিনত ৰাজ্যৰ বন বিভাগত 'অনিয়ম' হোৱাৰ যুক্তি এই বুলি দিয়া হৈছিল যে ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহৰ শেহৰ ফালে এৰাতিৰ ভিতৰতে খনীন্দ্ৰ কুমাৰ বৰুৱাক মুখ্য বন সংৰক্ষক (সাধাৰণ) আৰু দুৰ্গা প্ৰসাদ নেওগক মুখ্য বন সংৰক্ষক (সামাজিক বনানিকৰণ) পদত নিযুক্তি দিয়া হৈছিল। পুৰস্কাৰ হিচাপে তেতিয়াৰ বন আয়ুক্ত আৰু বিশেষ সচিব আৰিফ আলী অসম লোক সেৱা আয়োগৰ চেয়াৰমেন পদত অধিষ্ঠিত কৰা হয়।

"It is alleged that as Shri Ali was accommodating and did not raise any awkard issues against these adhoc allotments (and also proved helpful in the virtual over-night induction of accommodative Shri K. K. Baruah as C. C. F.(G) and Shri D. P. Neog as C. C. F.(S.F) towards the end of February, 1984), Shri Ali was rewarded with the Chairmanship of the Assam Public Service Commission."

সেই সময়ত ফেনীৰ উক্ত মন্তব্যৰ বিৰুদ্ধে শ্ৰীবৰুৱাই হওক বা শ্ৰীনেওগেই হওক কিংবা শ্ৰীআলীয়েই হওক, কোনো এগৰাকী বিষয়াই প্ৰতিবাদ কৰাৰ সাহস গোটাব পৰা নাছিল। কিন্তু ফেনী কমিটী গঠন হোৱাৰ পূৰ্বেই ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহত বন বিভাগৰ অন্য দুগৰাকী জ্যেষ্ঠ বিষয়াই কিয় তেওঁলোকক চেৰাই গৈ খনীন্দ্ৰ কুমাৰ বৰুৱা আৰু দুৰ্গা প্ৰসাদ নেওগক যথাক্ৰমে মুখ্য বন সংৰক্ষক (সা) আৰু মুখ্য বন সংৰক্ষক (সাঃ বনানিকৰণ) পদলৈ পদোন্নতি দিলে, তাৰ বাবে প্ৰত্যাহ্বান জনাই আদালতৰ আশ্ৰয় লোৱা দেখা গৈছিল। বিষয়া দুগৰাকীয়ে পোন প্ৰথমে গুৱাহাটীৰ মুনচীফ আদালতত এটা গোচৰ ৰুজু কৰে। গোচৰ ৰুজু কৰা বিষয়া দুগৰাকী আছিল তৰুণ চন্দ্ৰ গোস্বামী আৰু ললিত কুমাৰ হাজৰিকা। কিন্তু পিছলৈ যেনিবা গোচৰটো 'দি এডমিনিষ্ট্ৰেটিভ ট্ৰাইবুনেল এক্ট, ১৯৮৫'ৰ ২৯ ধাৰা মতে গুৱাহাটীৰ মুনচীফ আদালতৰ পৰা কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণলৈ বিধিগত ভাবেই স্থানান্তৰ কৰা হয়।

কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণত সেই সময়ত উপ সভাপতি (Vice-Chairman) আছিল ন্যায়াধীশ ডম্বৰুধৰ পাঠক আৰু সদস্য (প্ৰশাসনিক) (Member, Administrative) আছিল শৈলেন্দ্ৰ প্ৰসাদ হাজৰিকা। গোচৰটো নিষ্পত্তি হয় ১৯৮৭ চনৰ ১৮ ডিচেম্বৰত। ৰায় এই বুলি দিয়া হয় যে খনীন্দ্ৰ কুমাৰ বৰুৱা আৰু দুৰ্গা প্ৰসাদ নেওগৰ পদোন্নতি আছিল অবৈধ। ৰায়টোত আৰু কোৱা হয় যে ক্ষমতাশীল কৰ্তৃপক্ষই (Competent Authority) পদোন্নতি দিয়াৰ বাবে ২৮-২-১৯৮৪ তাৰিখলৈ উপযুক্ত ব্যক্তিৰ মাজৰ পৰা বাছনি কৰিব লাগে। যোগ্য ব্যক্তি সকলৰ ভিতৰত গোচৰীয়া আৰু পদকীয়া পক্ষৰ বিষয়া কেইগৰাকীও থাকিব লাগিব। গোচৰীয়া পক্ষৰ দুয়ো গৰাকী বিষয়াই ইতিমধ্যে অৱসৰ পালেও ২৮-২-৮৪ তাৰিখৰ পৰাই পেঞ্চন জনিত সা-সুবিধাকে আদি কৰি সকলো ধৰণৰ সা-সুবিধা পোৱাৰ ব্যৱস্থা কৰিব লাগিব ইত্যাদি ইত্যাদি।

উল্লেখযোগ্য যে উক্ত গোচৰটোৰ ৰায় প্ৰদান কৰাৰ কিছুদিনৰ পিছতেই ২৩-২-৮৮ তাৰিখে খনীন্দ্ৰ কুমাৰ বৰুৱাই আৰু ১৯-২-৮৮ তাৰিখে দুৰ্গা প্ৰসাদ নেওগে উক্ত ৰায় পুনৰ বিবেচনাৰ বাবে দুখন আবেদন (Review Petition) কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণত পৃথকভাবে দাখিল কৰে। শ্ৰীনেওগৰ পৰা জানিব পৰা মতে গোচৰটো নিষ্পত্তিৰ বাবে মুনচীফ আদালতৰ পৰা কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণলৈ স্থানান্তৰ কৰা সম্পৰ্কত কোনো জাননী তেওঁলোকক দিয়া হোৱা নাছিল। দ্বিতীয়তে গোচৰটোত নেওগ আৰু বৰুৱাই আত্মপক্ষ সমৰ্থন কৰাৰ পৰা বঞ্চিত হৈছে। তৃতীয়তে গোচৰটোৰ ৰায়টোৱে বিষয়া দুগৰাকীৰ পদোন্নতিত আঘাত হানিছে। চতুৰ্থতে ৰায়টোৰ কপিও তেওঁলোকক দিয়া নাছিল ইত্যাদি ইত্যাদি।

সেই সময়ত ন্যায়াধিকৰণৰ বিচাৰকৰ আসনত থকা ভাইচ-চেয়াৰমেন শ্ৰীডম্বৰু-ধৰ পাঠক আৰু মেম্বাৰ শ্ৰী বি মুখোপাধ্যায় গঠিত ন্যায়াধিকৰণে আবেদনত উল্লিখিত কাৰণ সমূহ পৰ্যালোচনা কৰে আৰু ২৯-৪-৮৮ তাৰিখে পূৰ্বৰ ৰায়টো পুনৰ বিবেচনাৰ বাবে আবেদন দুখন গ্ৰহণ কৰে। ইয়াৰ পৰিণাম হিচাপে ন্যায়াধিকৰণৰ পৰৱৰ্তী বিচাৰক ভাইচ-চেয়াৰমেন শ্ৰী কে, পি, আচাৰ্য আৰু মেম্বাৰ শ্ৰী জে, চি ৰয় গঠিত ন্যায়াধিকৰণে উক্ত ৰায়টো নাকচ কৰিব লগা হয়।

ন্যায়াধিকৰণে গোচৰটোৰ শুনানিত দুয়ো পক্ষৰ পৰা সাক্ষী লয় আৰু চলিত বছৰৰ ২৫ এপ্ৰিলৰ দিনা ৰায় প্ৰদান কৰে। ৰায়ত কোৱা হয় যে খনীন্দ্ৰ কুমাৰ বৰুৱা, মুখ্য বন সংৰক্ষক (সা) আৰু দুৰ্গা প্ৰসাদ নেওগ মুখ্য বন সংৰক্ষক (সাঃ বনানিকৰণ) হিচাপে দিয়া পদোন্নতি অবৈধ ভাবে হোৱা নাছিল। অৰ্থাৎ বিভাগীয় নীতি-নিয়মৰ মাজেৰেই পদোন্নতি দিয়া হৈছিল। ৰায়টোত কোৱা হৈছে ".....As stated earlier the Government having found M/s D. P. Neog and K. K. Baruah to be suitable for the post of Chief Conservator of Forests and the Plaintiffs-petitioners having been found to be unsuitable, the court cannot lay its hands for interference except in cases where malafide and bias have been pleaded."

উল্লেখযোগ্য যে ন্যায়াধিকৰণত দাখিল কৰা কিছুমান নথিয়ে (Photo copy) শ্ৰীবৰুৱা আৰু শ্ৰীনেওগৰ পদোন্নতি অবৈধ ভাবে হোৱা নাছিল বুলি প্ৰমাণ কৰে। উক্ত নথি এই লেখাৰ লগতে প্ৰকাশিত হৈছে।

নথিবোৰৰ পৰা দেখা যায়, যোৱা ১৭-২-১৯৮৪ তাৰিখে তেতিয়াৰ ৰাজ্যিক বন মন্ত্ৰী দীননাথ ৰাজখোৱাই এটা টোকা যোগে বন



February 17, 1984

Commissioner & Spl Secy. Forest U.O.

Please send the file regarding appointment of CCF to-day positively.

Sd/- 17/2/84
( D. N. Rajkhowa )
Minister of State Forest etc.

M.S.F.

The file is submitted as desired
Sd/- 17/2/84.

Commr. & Spl. Secy.
File put up to me with all relevant A.C.Rs of the officers on or before 20-2-84 for necessary orders.
Sd/- 18/2/84

M.S.F.

Orders above. In this connection my notes to the Chief Secretary and Chief Secretary's notes at 3-4/N and 5/N respectively may kindly be seen. C.M. was pleased to discuss the matter further and it was desired that instead of any stop-gap arrangement regular posting should be processed and made. Accordingly I submit the position as below :

2. Selection to the post of C.C.F. should be based on merit with due regard to seniority. As has been stated earlier, in the Joint Assam-Meghalaya I.F.S. Cadre, Shri P.S. Ingti is presently the senior most officer and he is already holding the post of C.C.F. in Meghalaya. He is also due for retirement on 31.10.84 i.e. after 8 months from now. Next senior officer is Shri P.C.Das and he is also holding a post of C.C.F(Wildlife) and it is desired that Shri P.C.Das should not be disturbed from this post and the post should be continued. The State Govt. created this post for one year as permissible under the Rules and for continuance more than a year Govt. of India's approval should have to be obtained.

3. Next senior officer is Shri N. Goswami. He is now holding the post of C.F. in Meghalaya and he is the next senior most officer in Meghalaya after Shri P.S. Ingti. Shri Goswami has practically been working in Meghalaya from the beginning and he would be the obvious choice for the post of C.C.F. in Meghalaya after the superannuation of Shri Ingti by end of October, 1984. If Shri N. Goswami comes to Assam now, some senior officer from Assam wing will have to go to Meghalaya as other I.F.S. officers now serving in Meghalaya are fairly junior. While it is not intended to cause any supercession of Shri N. Goswami, it will at the same time create some dislocations which can be avoided if Shri N. Goswami is accommodated in equal rank and status for next 8 months till he is appointed the C.C.F. in Meghalaya. C.M. has kindly agreed to write to Chief Minister, Meghalaya to make suitable arrangement for Shri N. Goswami in Meghalaya itself and therefore we may perhaps make the selections from the officers now serving in Assam.

4. After Shri N. Goswami, Shri T.C. Goswami is the next senior officer and he is serving as Conservator of Forests, Central Assam Circle, Guwahati. He is due to retire on 22.9.84 and has thus about six months only to go. His ACRs are placed below. There are some adverse remarks in the year 1979-1980, and 1980-81 in the A.C.Rs. It is therefore for orders if Shri T.C. Goswami should be appointed the C.C.F. for the next 6 months only.

5. Shri L.K. Hazarika is next to Shri T.C. Goswami. He will be retiring in September, 1986. His ACRs are placed below. There are adverse remarks for several years, and on merit, it is difficult to recommend him for a post of such responsibility as the C.C.F.

6. The next senior officer is Shri D.P. Neog. His ACRs are uniformly very good and on merit, he deserves consideration for promotion even out of turn. In a separate file, it is proposed to create a post of C.C.F. for Social Forestry in Assam and Shri D. Neog will be [illegible]ntly suitable for this post of C.C.F., Social Forestry.

7. After Shri Neog, the next senior officer is Shri K.K. Barua, who is the present Conservator of Forests in the Eastern Assam Circle. His ACRs are placed below and from a perusal of the ACRs, it will appear that his record of service also has been uniformally very good and he can also unhesitatingly be recommended for higher responsibility.

8. Next senior is Shri Deb Roy, now Field Director, Tiger Project. His records also are very good and he has almost expertised in Wildlife conservation. He will be a good C.C.F.(Wildlife) in due course. Since there are other officers senior to him with good records, his case may not come up for consideration to the post of C.C.F. just now.

9. We may therefore make the selection from the above. If it is decided not to appoint Shri T.C. Goswami and Shri L.K. Hazarika for their records not being satisfactory, and Shri Goswami having only six months to go, the choice will be on Shri D.P. Neog and Shri K.K. Barua. As a post of C.C.F. for Social Forestry is being created, Shri Neog on promotion may be appointed as C.C.F., Social Forestry, and Shri K.K. Barua as the C.C.F. vice Shri Nath, retiring. Shri D.P.Neog being the next senior to Shri Barua, Shri Neog may be appointed the C.C.F., Social Forestry first by creating a post immediately and Shri K.K. Barua may be appointed the C.C.F. to take over from Shri H.K.Nath on retirement.

If Shri K.K.Barua is appointed C.C.F., Shri S.K. Chetia, senior most D.F.O. [illegible] Assam may hold the temporary charge of the C.F., [illegible] Assam Circle in addition to his own duties till a C.F. is posted at Jorhat.

C.M. also may kindly see and pass necessary orders.

Submitted
Sd/-
Commissioner & Secretary
21. 2. 84.

C.M.
Submitted for orders
HF may see. Sd/- 21.2.84

Post of C.C.F. Social Forestry may be created and Sri D.P. Neog be appointed as C.C.F. Social Forestry. Sri K.K. Barua may be appointed C.C.F. vice Sri Nath.
Sd/- 21.2.84

বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিবক মুখ্য বন সংৰক্ষকৰ নিযুক্তিৰ ফাইলটো তেওঁলৈ পঠিয়াই দিবলৈ নিৰ্দেশ দিয়ে। উক্ত ফাইলটো মন্ত্ৰীয়ে পোৱাৰ পিছত পুনৰ তেওঁ বন আয়ুক্ত আৰু সচিবক নিৰ্দেশ দিয়ে যে ২০-২-৮৪ তাৰিখ বা তাৰ আগতেই বিষয়া সকলৰ বছৰেকীয়া গোপন প্ৰতিবেদনৰ (A.C.R) সৈতে ফাইলটো তেওঁৰ সমুখত হাজিৰ কৰিব লাগে। মন্ত্ৰীৰ নিৰ্দেশ অনুযায়ী বন আয়ুক্ত আৰু বিশেষ সচিব আৰিফ আলীয়ে উক্ত ফাইলটো ২১-২-৮৪ তাৰিখে ৰাজিক বন মন্ত্ৰীলৈ পেচ (Put up) কৰে। বন আয়ুক্ত গৰাকীয়ে ফাইলত দিয়া টোকাৰ পৰা এটা কথা ঠাৱৰ কৰিব পাৰি যে বিষয়া গৰাকীয়ে মুখ্য বন সংৰক্ষক হ'ব পৰা বিষয়া সকলৰ নাম আৰু তেওঁলোকৰ বছৰেকীয়া গোপন প্ৰতিবেদন সমূহ পুংখানুপুংখ ভাবে পৰ্যালোচনা কৰি চাইছিল আৰু পদোন্নতিৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিল। ফাইলত দিয়া টোকাৰ সাৰাংশ হ'ল এনে ধৰণৰঃ

শ্ৰী পি এছ ইংতিয়েই হ'ল আটাইতকৈ জ্যেষ্ঠ বিষয়া আৰু তেওঁ মেঘালয়ত মুখ্য বন সংৰক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁৰ অৱসৰৰ দিন হ'ল ৩১-১০-৮৪ অৰ্থাৎ এতিয়াৰ পৰা ৮ মাহৰ পিছত। শ্ৰীইংতিৰ পিছতেই হ'ল প্ৰফুল্ল চন্দ্ৰ দাস। তেওঁ মুখ্য বন সংৰক্ষক (বন্য প্ৰাণী) পদত কাৰ্যনিৰ্বাহ কৰি আছে। আৰু তেওঁক সেই পদবীতেই কাৰ্যনিৰ্বাহ কৰিবলৈ দিব লাগে। এই ক্ষেত্ৰত তেওঁক বিৰক্ত কৰিব নালাগে। শ্ৰীদাসৰ পিছতেই জ্যেষ্ঠ বিষয়া হ'ল নিৰঞ্জন গোস্বামী। মেঘালয়ত তেওঁ বন সংৰক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীইংতিৰ পিছতেই শ্ৰীগোস্বামী আটাইতকৈ জ্যেষ্ঠ বিষয়া আৰু তেওঁ আৰম্ভণিৰ পৰাই মেঘালয়ত চাকৰি কৰি আছে। মেঘালয়ত তেওঁ দেখাদেখিকৈয়ে মুখ্য বন সংৰক্ষক পদবীলৈ বাছনি হ'ব। যদি শ্ৰীগোস্বামী অসমলৈ আহে, তেতিয়া অসমৰ পৰা কোনোবা এজন জ্যেষ্ঠ বিষয়া মেঘালয়লৈ যাব লাগিব। যিহেতু মেঘালয়ত সম্প্ৰতি কাৰ্যনিৰ্বাহ কৰি থকা বিষয়া সকল অসমৰ বিষয়াতকৈ কনিষ্ঠ। মেঘালয়ত শ্ৰীগোস্বামীৰ পদোন্নতিৰ বেলিকা যাতে কোনো হকাবধা নহয়, তাৰ বাবে অসমৰ মুখ্য মন্ত্ৰীয়ে মেঘালয়ৰ মুখ্য মন্ত্ৰীৰ লগত যোগাযোগ কৰিব লাগে।

শ্ৰীগোস্বামীৰ পিছতেই তৰুণচন্দ্ৰ গোস্বামী জ্যেষ্ঠ বিষয়া আৰু তেওঁ কেন্দ্ৰীয় অসম মণ্ডলত কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁৰ অৱসৰৰ দিন ২২-৯-৮৪ অৰ্থাৎ অৱসৰলৈ মাত্ৰ ৬ মাহহে আছে। ১৯৭৯-১৯৮০ আৰু ১৯৮০ ১৯৮১ বছৰ কেইটাত তেওঁৰ বছৰেকীয়া গোপন প্ৰতিবেদনত প্ৰতিকূল মন্তব্য আছে। যদি শ্ৰীগোস্বামীক ৬ মাহৰ বাবে মুখ্য বন সংৰক্ষক হিচাপে পদোন্নতি দিব লাগে, তাৰ বাবে আদেশৰ প্ৰয়োজন হ'ব।

শ্ৰীগোস্বামীৰ পিছতেই ললিত কুমাৰ হাজৰিকা। তেওঁ ১৯৮৬ চনৰ চেপ্টেম্বৰত অৱসৰ পাব। তেওঁৰ বছৰেকীয়া গোপন প্ৰতিবেদন দাখিল কৰা হ'ল। কেইবাবছৰো ধৰি প্ৰতিকূল মন্তব্য আছে। মুখ্য বন সংৰক্ষকৰ দৰে গুৰুত্বপূৰ্ণ পদৰ বাবে চুপাৰিশ কৰা কঠিন।

ইয়াৰ পিছতেই জ্যেষ্ঠ বিষয়া হ'ল দুৰ্গা প্ৰসাদ নেওগ। তেওঁৰ বছৰেকীয়া গোপন প্ৰতিবেদন পৰ্যায়ক্ৰমে অতি ভাল আৰু গুণত তেওঁ প্ৰমোচন পোৱাৰ লায়ক। অসমত মুখ্য বন সংৰক্ষকৰ (সামাজিক বনানিকৰণত) পদ এটা সৃষ্টি কৰিবলৈ সুকীয়াকৈ অন্য এটা ফাইলত প্ৰস্তাৱ দিয়া হৈছে আৰু শ্ৰীনেওগেই উক্ত পদৰ বাবে যোগ্য বিষয়া হ'ব।

শ্ৰীনেওগৰ পিছতেই জ্যেষ্ঠ বিষয়া হ'ল খনীন্দ্ৰ কুমাৰ বৰুৱা। যিজন সম্প্ৰতি পূৱ অসম মণ্ডলৰ বন সংৰক্ষক। তেওঁৰ বছৰেকীয়া গোপন প্ৰতিবেদন দাখিল কৰা হ'ল। প্ৰতিবেদন অধ্যয়ন কৰিলে দেখা যায় যে তেওঁৰ চাকৰিৰ কাৰ্যকালৰ মন্তব্য তাৰতম্য নঘটাকৈ অত্যন্ত ভাল আৰু ততালিকে উচ্চ দায়িত্বপূৰ্ণ পদৰ বাবে চুপাৰিশ কৰিব পাৰি।

শ্ৰীবৰুৱাৰ পিছতেই সঞ্জয় দেবৰয়। সম্প্ৰতি তেওঁ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক। তেওঁৰো চাকৰিৰ কাৰ্যকাল খুব ভাল আৰু তেওঁ বন্যপ্ৰাণী সংৰক্ষণত অভিজ্ঞ। উচ্চ দায়িত্বপূৰ্ণ পদৰ বাবে তৎক্ষণাৎ চুপাৰিশ কৰিব পাৰি। যিহেতু বছৰেকীয়া গোপন প্ৰতিবেদনত অনুকূল মন্তব্যৰ সৈতে তেওঁতকৈ জ্যেষ্ঠ বিষয়া আছে; তেনেস্থলত তেওঁৰ নাম এতিয়াই মুখ্য বনসংৰক্ষকৰ বাবে বিবেচনা হ'ব নোৱাৰে। গতিকে ওপৰত নাম উল্লেখ কৰা বিষয়া সকলৰ পৰাই বাছনি কৰিব লাগিব। যদি তৰুণচন্দ্ৰ গোস্বামী আৰু ললিত কুমাৰ হাজৰিকাৰ চাকৰিৰ কাৰ্যকাল সন্তোষজনক নহয় বুলি ধৰা হয়; আৰু শ্ৰীগোস্বামী অৱসৰ পাবলৈ মাত্ৰ ৬ মাহহে আছে, সেই ক্ষেত্ৰত শ্ৰীবৰুৱা আৰু শ্ৰীনেওগকেই পদোন্নতিৰ বাবে বাছনি কৰিব লাগিব।

দেখা যায়, টোকাটোত বন আয়ুক্ত গৰাকীয়ে জ্যেষ্ঠতানুসাৰে বিষয়া সকলৰ বছৰেকীয়া গোপন প্ৰতিবেদন সমূহ পৰ্যালোচনা কৰিহে পদোন্নতিৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিল।

গোচৰটোৰ শুনানিৰ সময়ত ইয়াৰ লগত প্ৰকাশ কৰা নথিৰ হাতৰ আখৰ আৰু স্বাক্ষৰ ন্যায়াধিকৰণে সাক্ষীৰ জৰিয়তে প্ৰমাণ কৰি চায়। উল্লেখযোগ্য যে নথিত থকা হাতৰ আখৰ আৰু স্বাক্ষৰ সম্পৰ্কে পদকীয়া পক্ষৰ পৰা কোনো আপত্তি উত্থাপন কৰা নাছিল বুলি ৰায়টোত কোৱা হৈছে। কাৰণ নথিটো সন্দেহজনক অথবা কৃত্ৰিম নাছিল। যদিও ন্যায়াধিকৰণত উক্ত নথিৰ ফাইলটো অসম সচিবালয়ৰ বন বিভাগে দাখিল কৰিব নোৱাৰিলে(File No. FRE 50/79)।

ন্যায়াধিকৰণে প্ৰদান কৰা ৰায়টোৰ পৰা এটা কথা প্ৰমাণিত হ'ল যে ১৯৮৩ চনত গঠিত হোৱা তথাকথিত 'দুৰ্নীতি'ৰ তদন্তৰ বাবে, গণ পৰিষদ চৰকাৰে শশীধৰ ফেনীক যি দায়িত্ব দিছিল, সেই দায়িত্ব পালন কৰিবলৈ গৈ চৰকাৰী বিষয়াজনে পক্ষপাতিত্বহে অৱলম্বন কৰিছিল। সেয়ে নোহোৱা হলে বিষয়া দুজনৰ পদোন্নতি নিয়মীয়া ধৰণেৰে হৈছিল নে নাই তাৰ তন্নতন্ন বিচাৰ নকৰি তেওঁ 'এৰাতিৰ' ভিতৰতে পদোন্নতি দিয়াৰ কল্পিত কাহিনী প্ৰতিবেদনত লিপিবদ্ধ নকৰিলেহেঁতেন।

মুঠৰ ওপৰত, ফেনী কমিটী গঠনৰ যোগেদি গণ পৰিষদ চৰকাৰে বিগত চৰকাৰৰ দিনত কিবা অনিয়ম হৈছিল নেকি তাৰ অনুসন্ধান কৰাতকৈ তেতিয়াৰ মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক কৰায়ত্ত কৰাৰ বাবেহে যে বেছি আগ্ৰহান্বিত আছিল, সেই কথা ইতিমধ্যে প্ৰমাণিত হৈ গৈছে। প্ৰতিবেদনত কোনো ধৰণৰ দুৰ্নীতিৰ স্পষ্ট প্ৰমাণ নোলাল আৰু আনকি প্ৰতিবেদনৰ পৰামৰ্শাৱলীও তেতিয়া গণ পৰিষদ চৰকাৰে নেমানিলে। ৰাজহুৱা ধনৰ শৰাধ কৰি ৰাজনৈতিক আক্ৰোশ আৰু প্ৰতিহিংসা পূৰণ কৰাৰ নিৰ্লজ্জ প্ৰচেষ্টা হিচাপেই অসমৰ প্ৰশাসনৰ বুৰঞ্জীত ফেনী কমিটীৰ প্ৰতিবেদন চিৰকাল চিহ্নিত হৈ ৰ'ব।

**হৰেন বুঢ়াগোহাঞি**





# 'অস্ত গ'ল দিনমনি ভৰ দুপৰত'

প্ৰহলাদ বৰুৱা

সদ্য সমাপ্ত অসম বিধান সভাৰ নিৰ্বাচনে অসমৰ প্ৰচাৰ মাধ্যম, বুদ্ধিজীৱী আৰু সমস্ত ৰাজনৈতিক দলৰ সমস্ত হিচাপ-নিকাচ ওলট-পালট কৰি দেখুৱালে। অসমৰ জনসাধাৰণে মনে মনে এবাৰ তাত্ত্বিক সকলক বুজাই দিলে কোন হ'ব লাগে আৰু কোন হ'ব নালাগে, তাৰ বিচাৰক আমিহে, তোমালোক নহয়। এই ৰায় দানৰ যোগেদি আমি ভবা মতে বহুতকে বহুতৰ পৰা কাৰ্য্যতঃ অব্যাহতি লবলৈ ৰাইজে নিৰ্দ্দেশ দিছে। ব্যক্তিগত জীৱনত আটাইতকৈ ভালপোৱা মানুহ কেইজনক যেনেকৈ কলমৰ জোৰেৰে মালা পিন্ধাবলৈ বাধ্য কৰাব নোৱাৰি, ঠিক সেই দৰে ব্যক্তিগত ভাবে বেয়া পোৱা সকলক ৰাইজেও ঘৃণাৰ চকুৰে চাবই লাগিব বুলি অহৰহ টেটু ফালি থকাসকলক আত্মসমালোচনাৰ সময় হৈছে বুলি ৰাইজে এইবাৰ কৈ গৈছে।

নিৰ্বাচনৰ আগতে অসমৰ একাংশ বাতৰি কাগজে ৰাইজক সকীয়াই আছিল যে অসমৰ মানুহৰ শত্ৰু কংগ্ৰেছ (ই) আৰু ভাৰতীয় জনতা পাৰ্টি, এওঁলোক যাতে কোনোমতেই ক্ষমতালৈ নাহে তাৰ ব্যৱস্থা হ'ব লাগে ; কিন্তু সদ্য সমাপ্ত নিৰ্বাচনৰ যোগেদি ৰাইজে তাৰে এটা দলক শাসনৰ দায়িত্ব দিলে আৰু অন্য এটা দলক তৃতীয় বৃহত্তম দল হিচাবে নিৰ্বাচিত কৰিলে। অৰ্থাৎ, আওপকীয়াকৈ হলেও ৰাইজে, সকীয়নি দি থকা সিয়ান নেতা আৰু বুদ্ধিজীৱী সকলক তেওঁলোকৰ দায়িত্বৰ পৰা অব্যাহতি লবলৈ কোৱা নাইনে ? অসমত যি বাম- গণতান্ত্ৰিক মৰ্চ্চাৰ কথা কোৱা হৈছিল জনসাধাৰণৰ মাজত তেওঁলোকৰ স্থিতি কি আছিল ? বাঁওসকলে বিভিন্ন সময়ত, কেৱল অসমতে নহয় ভাৰতবৰ্ষৰ অন্য ৰাজ্যতো, তেওঁলোকৰ দলৰ স্থিতিৰ বাবে তেওঁলোকৰ আদৰ্শৰ লগত মিল নথকা বিভিন্ন সিদ্ধান্তৰে সময়ে সময়ে জনসাধাৰণক স্তম্ভিত কৰি তুলিছিল। আৰু যি সকলক অসমত গণতান্ত্ৰিক বুলি কোৱা হৈছিল তেওঁলোক কোন ? প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহ আৰু গোলাপ বৰবৰাৰ কথা কবলৈ যাওঁতে দুয়োকো একেলগে সাঙুৰি পেলোৱা হৈছিল যিটোৰ বাবে গোলাপ বৰবৰাৰ ভয়ংকৰ ক্ষতি হ'ল। জৰুৰী অৱস্থা প্ৰবৰ্ত্তনৰ দৰে অগণতান্ত্ৰিক সিদ্ধান্তৰ সমৰ্থক শৰৎ সিংহক, সেই অগণতান্ত্ৰিক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি জেলত সোমাই থকা গোলাপ বৰবৰাক কিছু ব্যক্তিৰ নিজৰ স্বাৰ্থ পূৰণৰ বাবেই, একেকাৰ কৰি পেলোৱাটোত ৰাইজ বিভ্ৰান্ত হ'ল। এনে উদাহৰণ বহুত দিব পাৰি ; সৰ্ব্ব ভাৰতীয় ৰেল শ্ৰমিকৰ আন্দোলনৰ সমৰ্থক গোলাপ বৰবৰা আৰু চি, আৰ, পি লগাই ৰেল শ্ৰমিকৰ আন্দোলনত ভাগ লোৱা সকলক ৰেলৱে প্লেটফৰ্মৰ ওপৰত উলঙ্গ কৰি অত্যাচাৰ কৰা সকলৰ সৈতে একেকাৰ কৰি ভোট দিবলৈ কোৱাৰ যুক্তি কৰবাত আছেনে ? এফালে প্ৰমাণ পত্ৰ জাল কৰাৰ বাবে গণ পৰিষদৰ এজনক ৰাজহুৱা ভাবে গৰিহণা দি থকাৰ কথা আৰু চি, পি, আই দলৰ এগৰাকী প্ৰখ্যাত নেতাই ( সম্প্ৰতি তেওঁ ইউ, চি, পি, আই দলত) প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই জাল কৰা তথ্যৰে মুক্তি যুঁজাৰুৰ পেঞ্চন লোৱা ঘটনা সবিস্তাৰিত ভাবে দাঙি ধৰাৰ পিছতো বাতৰিটোক ইচ্ছাকৃতভাবে প্ৰগতিশীল (?) সাংবাদিকসকলে লুকুৱাই পেলোৱা কাণ্ড জনসাধাৰণে সমানে লক্ষ্য কৰি আছিল। চি, পি, আই দলটোৰ শেহতীয়া কাণ্ডই অসমৰ গণতন্ত্ৰত বিশ্বাসী সকলকো স্তম্ভিত কৰিলে, তেওঁলোকে তেওঁলোকৰ বিভিন্ন স্থিতিৰ যোগেদি জনসাধাৰণৰ মাজত খেলিমেলিৰ সৃষ্টি কৰিলে। এজন প্ৰবীণ সাহিত্যিকে ৰাজহুৱা ভাবেই ঘোষণা কৰিলে যে এতিয়া ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নামটো Confused Party of India কৰি পেলোৱাৰ সময় সমাগত। অৱশ্যে ভোট বিভাজনৰ মাজেদি সৰকি এই দলৰ পৰা নিৰ্ব্বাচিত হোৱা ব্যক্তি কেইজনৰ ব্যক্তিত্ব জনমানসত উজ্জ্বল। শ্ৰী হেমেন দাসক বিৰোধী পক্ষৰ চকিত দেখিবলৈ মানুহ ইচ্ছুক আছিল। যদিও সমষ্টিৰ মানুহে লোৱা সিদ্ধান্তক সন্মান জনোৱাই ভাল। সেই মৰ্চ্চাৰ বাকী কেইটা দলৰ আলোচনা নকৰিলেও হ'ব – কাৰণ তেওঁলোক অসমৰ সমূহ জনসাধাৰণৰ সৈতে পৰিচিত নহয়। কৰবাত যদি কোনোবা জিকি আহিছেও, তেন্তে সেইয়া ব্যক্তিত্বৰ জোৰত দলৰ আদৰ্শ বুলি ফটোৱা জাৰি কৰাৰ হাবিয়াস পৰিহাৰ কৰাই ভাল।

এইবাৰ নিৰ্ব্বাচনত আই, পি, এফ দলে কিছু কিছু আসনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত হোৱা আন্দোলন, সুস্থ সংগ্ৰামী চেতনাৰ মানুহখিনিক এক লগ কৰি জনসাধাৰণক শোষণ মুক্ত কৰাৰ এক প্ৰতিশ্ৰুতি বোলে এখেত সকলৰ আছে ; কিন্তু কাণ্ড কাৰখানাই তাৰ কোনো ইঙ্গিত নিদিয়ে। দেশত নিৰ্ম্মিত বন্দুক এটাৰে সৈতে এই দলৰ সম্পাদক জন পুলিচৰ হাতত ধৰা দিয়াৰ পিছত পৰিবৰ্ত্তিত পৰিস্থিতিত মানুহে সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰাটো স্বাভাৱিক আৰু সেয়ে সম্পাদক গৰাকীৰ শোচনীয় পৰাজয়ো হ'ল। সাধাৰণতে অসমত আজি কালি প্ৰায় মানুহেই লগত বন্দুক বাৰুদ ৰাখে আলফাৰ ভয়ত ; কিন্তু যিটো দলৰ আলফা বন্ধু, সেইটো দলৰ সম্পাদকজনে বন্দুক লৈ ফুৰিব লগা হ'ল কিয় ? ইত্যাদি প্ৰশ্নবোৰৰ আলোচনা কৰাৰ সময় সমাগত। কাৰ্বি আংলঙৰ জয়ন্ত ৰংপীহঁতো বোলে – এওঁলোকৰ বন্ধু। গণতান্ত্ৰিক অধিকাৰৰ কথা তেওঁলোকে



OKDISCD

গলা ফুলাই কয়। কিন্তু কাৰ্বি আংলঙৰ নগৰ কমিটিৰ নিৰ্বাচনহে ইমান দিনে নেপাতিলে। নিৰ্বাচনৰ, দাবীত আনে আন্দোলন হে কৰিব লাগে। কাৰ্বি ৰাইজেও যে এদিন অসম গণ পৰিষদক দাঙি নি পিছলৈ পিতনিত পেলাই দিয়াৰ দৰে তেওঁলোককো পেলাই দিবগৈ তাত কোনো সন্দেহ নাই। মাত্ৰ সময়ৰ বাবে অপেক্ষা কৰিলেই হ'ল। এতিয়া যি সকলে নিজৰ স্বাৰ্থত জয়ন্ত ৰংপীক লৈ টনা-আঁজোৰা কৰিছে সেই সকলেও তেওঁলোকক অকলশৰীয়া কৰিব। এইয়া ভৱিষ্যতবাণী নহয়, ইতিহাসৰ সত্য।

এইবাৰ নিৰ্বাচনত ৰাইজে জাত-পাতৰ ভিত্তিত অসমত গঢ়ি উঠা কিছুমান ৰাজনৈতিক দলক এশিকনি দিলে। এই দলবোৰ গঠন কৰোতে ৰাইজক কৈছিল যে এইবোৰ সামাজিক অনুস্থান, অসমৰ বিভিন্ন সম্প্ৰদায়ৰ তথা জনগোষ্ঠীৰ পিচপৰা মানুহৰ আশা-আকাঙ্খাৰ দাবীক প্ৰয়োজনীয় স্থানত প্ৰতিফলিত কৰোৱাৰ অঙ্গীকাৰ আছিল এওঁলোকৰ। হঠাতে এওঁলোকে ভাবিলে আছু যদি এ,জি,পি হৈ একঠা খাব পাৰে তেন্তে আমিও পাৰিম। ললে নিৰ্ব্বাচনত ভাগ। ফল ? শাওনমহীয়া দুপৰীয়া এৰাল চিঙা গৰু কোবোৱাদি ৰাইজে হালোৱা এছাৰিৰে কোবাই পিঠি চিৰাচিৰ কৰিলে।

অসম গণ পৰিষদ দল গঠন হোৱাৰ পাচত মহন্ত বোপাৰ উচ্ছিষ্ট খাবলৈ নেপাই কুৰিটামান দল গঠন কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ খাচ অসমীয়া সকলক (তেওঁলোকৰ ভাষাত) , কাপোৰ কানি খুলি আনি শাহু বোৱাৰী ককাই ভনী সকলোকে একেকাৰ ১৯৭৯ - ৮৫ দৰে 'আহ অ' আহ, ওলাই আহ' বুলি কৈ দিশপুৰ দখল ' কৰিবলৈ উদ্যত হোৱাসকল – এইবাৰ উলঙ্গ। এই দৃশ্য কি ভয়াবহ আৰু কৰুণ। মনৰ দুখতে গাড়ী স্কুটাৰৰ ব্যৱস্থা নথকা সকলে পান বজাৰৰ পৰা যি সকলৰ গাড়ী স্কুটাৰ আছে সেই সকলে খানাপাৰাৰ পৰা – আনি লৈ টেটুলৈকে সুমুৱাই এতিয়া ৰাইজে বিট্ৰে কৰিলে, কংগ্ৰেছে ৰিগিং কৰিলে বুলি ৰাওচি ধৰিছে। এনে বাতৰিৰ তাপত থাকিব নোৱাৰা হৈছে, আকৌ এতিয়া একলগ হৈ কিবা এটা কৰাৰ ঠিক কৰিছে বোলে। যি সকলে ইতিহাস আৰু বাস্তৱ দুয়োটাৰ পৰাই শিক্ষা লবলৈ নাৰাজ হৈ আবেগত সিদ্ধান্ত লয় তেখেত সকলৰো শেষ এখেতৰ সকলৰ দৰেই – । এইসকলৰ মাজৰ পৰাই এজনে সকলোৰে অজ্ঞাতে মাজতে চিমৰনজিৎ সিংহ মান নামৰ এজনৰ লগ হৈ দিল্লীত এটা সংগঠনো কৰি আহিলেগৈ। ৰাইজে বাতৰি কাগজতহে গম পালে। কি সাংঘাতিক এইজনৰ কাণ্ড। ৰাইজৰ অজ্ঞাতে আৰু যে ক'ত কি কৰি আছে সেইবোৰ চাগৈ পোহৰলৈ আহিবলৈ আছেই। এজনে ফাটি গৈ কিছুদিন ৰঙা সূৰ্য্যৰ বাবে অপেক্ষা কৰি কৰি এইবাৰ হাতত পদুম ফুল লৈ গেৰুৱা বসন পৰিধান কৰিছিল। দিলে এসেকা বাপেকে ? এইজনৰ যোগেদি ৰাইজে টাংটিঙালি মৰা কথা কোৱা সকলক সাৱধান কৰি দিছে। কৰিম বুলি ভাবি থকা সকল হুচিয়াৰ হোৱাই ভাল। অৱশ্যে ৰঙা ঝাণ্ডা এৰি হাতত পদুম লোৱা এখেতেই সম্ভৱ ভাৰতবৰ্ষত অন্যতম ব্যতিক্ৰম। শইকীয়া হিতেশ্বৰ বোলাজনৰ বিৰুদ্ধে কলেই অসমৰ মুখ্যমন্ত্ৰী হৈ খাবগৈ বুলি ভাবি লোৱা জনচেৰেকে কংগ্ৰেছ (ই) দলৰ পৰা ফাটি গৈ নতুন এটা দল খুলিছিল আৰু তাৰ মাজৰে মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখা-জনক ঘৰুৱা সমষ্টিৰ ৰাইজেই এইবাৰ চতুৰ্থ স্থানতহে ৰাখিলেগৈ। সেইটোৰ যোগেদি ৰাইজে বুজাই দিছে বোপা য'ৰ মানুহ ততে থাকা। খেলাধূলাৰ যোগেদিও দেশ সেৱা কৰিব পাৰি, মুখ্যমন্ত্ৰীৰ চকীখন নহলেও হয়। অৱশ্যে সপোন দেখাতো তোমাৰ মৌলিক অধিকাৰ তাত আমি বাধা দিব নোৱাৰো। শিক্ষাহে এপালি দিব পাৰো।

শেহতীয়াকৈ উচ্চন্যায়ালয়ৰ চাৰিবেৰৰ ভিতৰৰ পৰা জনচেৰেকে মানৱ অধিকাৰৰ কথাৰে আৰম্ভ কৰি, 'আলফা' আমাৰ লগত আছে বুলি গোপনে জাহিৰ কৰি ভাৰতীয় সংসদলৈ যোৱাৰ যো- জা চলাইছিল। সময়ত আলফাই কথাটো চমজিব পাৰি, আমি শুনামতে হুমকি দিলে, ভয়ত থৰ হৰি কম্পমান হৈ বোলে কাপোৰে কানিয়ে সিবিধ কৰি পেলালে। অন্যই জানেনে নেজানে নাজানো, আমাৰ হাতত থকা খবৰ মতে কিন্তু এখেতসকলৰ এজনে নিজৰেই পত্নীক সৌকাৰে কোবাই পুলিচ থানা পহুচাই দিছিল। এজনে এগৰাকীৰ অবৈধ সন্তানৰ পিতৃ হঁও হঁও অৱস্থাতে এৰি আন এগৰাকীক বিয়া কৰালে। হে ঃ হেঃ, এইসকলৰ মানৱ অধিকাৰৰ কথা কোৱাৰ অধিকাৰ আছেনে ? এনে দোষত 'আলফাই' বহুতক দণ্ডিত কৰিছে এই কেইজনে প্ৰফুল্ল মহন্তহঁত সাৰি যোৱাদি সাৰি যোৱাই নহয়, মানুহকো কৈ ফুৰে তেওঁলোক বোলে আলফাৰ বিপদৰ বন্ধু। পৰেশে মোৰ ঘৰত সোমাই গৈছে, সিদ্ধাৰ্থই আমাক নোসোধাকে ষ্টেটমেন্ট নিদিয়ে, সুনীল নাথে বাতৰি কাগজলৈ দিয়া প্ৰবন্ধবোৰ আমাক দেখুৱাই লয়, ইত্যাদি ইত্যাদি। এজনে আকৌ জালৰ বাহিৰৰ পৰা শাসনাধিষ্ঠ দলৰ সান্নিধ্য বিচাৰি ফুৰে, মাজতে বোলে, তেল শোধনাগাৰৰ মেনেজাৰক আলফাই অপহৰণ কৰি অথন্তৰখন ঘটাওঁতে তেওঁক মুকলি কৰি অনাৰ বাবে মধ্যস্থতা কৰিবলৈও প্ৰস্তুত বুলি পুলিচ পক্ষক জনাইছিল।

এতিয়া আহো অসমৰ বৃহত্তম ( তেখেত সকলে দাবী কৰা মতে পৃথিৱীৰ বৃহত্তম) অৰাজনৈতিক সংগঠন সদৌ অসম ছাত্ৰ সন্থা নামৰ অনুষ্ঠানটোৰ ভূমিকালৈ। অসমত নিৰ্ব্বাচন হোৱাৰ আগে আগে বিভিন্ন বাতৰি কাগজত প্ৰকাশ পালে ছাত্ৰ সন্থাৰ ওপৰৰ কোনো কোনো নেতাই নিৰ্ব্বাচনত অসম গণ পৰিষদৰ টিকেট লৈ নিৰ্ব্বাচনত নামিব। বাতৰি দেখি স্পষ্টীকৰণ দিলে ছাত্ৰ সন্থাৰ কোনো নেতাই নিৰ্ব্বাচনত ভাগ নলয়। তেওঁলোকে ভাবিছিল আমি ভাগ নলওঁ বুলি কলে অসমৰ জন-সাধাৰণে আমাক ভাগ লবলৈ অনুৰোধ কৰিব আৰু তেতিয়াই ৰাইজৰ দাবীতহে নিৰ্ব্বাচনত নামিলো বুলি কৈ নামি পৰিব। কিন্তু তেনে কোনো প্ৰতিক্ৰিয়া দেখা নাপাই ক্ষন্তেকৰ বাবে লোভ সম্বৰণ কৰিলে। তেখেত সকলৰ লগত জড়িত যি দুই এজনে নিৰ্ব্বাচনত ভাগ লৈছিল জন-চক্ষুত ধুলি দিবলৈকে বহিস্কাৰ কৰি দেখুৱালে। কিন্তু কিমান- দিনলৈ কাউৰীয়ে ম'ৰাৰ পাখি গুজি থাকিব। ম'ৰাৰ পাখি সৰি পৰিল কাউৰী আকৌ কাউৰী হ'ল। ৰাতিটোৰ ভিতৰতে সত্ৰাধিকাৰ মহন্তৰ নিৰ্দ্দেশত ছাত্ৰ সন্থাই অসমৰ জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰত হাত দি পেলালে। ভোট কাক দিব লাগিব তাৰ নিৰ্দ্দেশ জাৰি কৰি দিলে। মহন্ত ডাঙৰীয়াৰ ধনেৰে ৰঙীন পষ্টাৰ ৰাতিটোৰ ভিতৰতে




ছপা কৰি সত্ৰাধিকাৰে প্ৰতিদ্বন্দ্বিতা কৰা দুয়োটা সমষ্টি ওপচাই পেলালে। ৰাইজৰ বুজিবলৈ বাকী নাথাকিল যে ছাত্ৰ সন্থা নামৰ সংগঠনটো এটা ভেৰোনীয়া অনুষ্ঠান। ( আমাৰ বিশ্বাস ছাত্ৰ সন্থাত এতিয়াও বহুত গণতান্ত্ৰিক তথা সুস্থ চিন্তা-চৰ্চ্চা কৰা ছাত্ৰ-ছাত্ৰী আছে। তেওঁলোকে ওলাই আহি এইসকলক খেদাই দি অনুষ্ঠানটো গঢ় দিয়ক। ) সেয়েহে ৰাইজে তেওঁলোকৰ নিৰ্দ্দেশ প্ৰত্যাখান কৰি নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিলে। ফলাফল চাই ৰাইজে ছাত্ৰ সন্থাক এনেদৰে কোৱা যেন অনুমান হৈছে তোমালোকক প্ৰহৰীৰ পদৰ পৰা আমি অব্যাহতি দিছো, এতিয়া নিজৰ নিজৰ পঢ়া - টেবুললৈ ঘূৰি যোৱা। সভাপতি, সম্পাদকৰ দায়িত্ব লৈ ভৱিষ্যত অসমৰ মুখ্যমন্ত্ৰী, গৃহমন্ত্ৰী হোৱাৰ আকাংক্ষাৰে অসমৰ দুখীয়া অভিভাৱকৰ কোটি কোটি টকা পানীত পেলাই, অপসংস্কৃতিৰ নিচা খুৱাই লাখ লাখ সম্ভাৱনা পূৰ্ণ ছাত্ৰক বিপথে নিনিবা।

অসমত এইবাৰ চৰকাৰ গঠন কৰিছে কংগ্ৰেছ (ই) দলে। গণ পৰিষদ দলৰ সোণৰ অসমত তিতা লাগি ৰাইজে এই দলক ভোট দিছে। এইবাৰ ছাত্ৰ সন্থাক প্ৰহৰীৰ দায়িত্বৰ পৰা অব্যাহতি দি ৰাইজ নিজে প্ৰহৰী। ৰাইজে কি কি বস্তুৰ প্ৰতিবাদ কৰিছে তেখেতসকলে নিশ্চয় গম পাইছে। মন্ত্ৰী, এম, এল, এৰ ঘৰত বাহিৰ ভিতৰ কৰি থাকি, লাগ বুলিলেই পইছা আনি দিয়া সকলেই অসমৰ ৰাইজ নহয়। তেওঁলোকে অসমৰ দৰিদ্ৰ জন-সাধাৰণৰ হা- হতাশা, আশা-আকাংক্ষাৰ কোনো ইঙ্গিত বহন কৰি আনিব নোৱাৰে। ইতিমধ্যেই শেষ হোৱা খিনিৰ কিছু কিছু ঘূৰাই অনাটো ৰাইজে বিচাৰে। ক্ষমতা পালেই অতীত পাহৰি যাবলৈ আৰম্ভ কৰিলে ৰাইজে কংগ্ৰেছ (ই) ৰো বিচাৰ আৰম্ভ কৰিবলৈ দিনবাৰ গণনা কৰি ল'ব নালাগে। সময় কম। কৰিবলৈ আছে বহুত। এইয়া ৰাইজৰ মৌন আদেশ।

গণ পৰিষদক আলোচনালৈ নানো, কাৰণ ৰাইজে ইতিমধ্যে বিচাৰৰ ৰায় দিলে। যুদ্ধত ধাৰাশায়ী হোৱা সৈনিকক যিমান পাৰি আতিথ্য আগবঢ়োৱাতো আমাৰ পৰম্পৰাৰ শিক্ষা। ভৰ দুপৰতো দিনমনি এনেকৈয়ে অস্ত যায়। ■



# বৰাক উপত্যকাৰ বিজেপি'ৰ বিজয়

**ৰবিজিৎ চৌধুৰী**

অসমৰ ৰাজনীতিত এটা বৃহৎ শক্তি হিচাপে বিজেপি'ৰ আৱিৰ্ভাৱ সাম্প্ৰতিক নিৰ্বাচনৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ ঘটনা। বিজেপি'য়ে বৰাক উপত্যকাত কংগ্ৰেছ (ই)ৰ দুৰ্গ ভাঙি পেলাইছে। তাত নিৰ্বাচন হোৱা চৈধ্যটা সমষ্টিৰ ভিতৰত ন'টা সমষ্টিতে বিজেপি'য়ে আধিপত্য বিস্তাৰ কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকাত বিজেপি'য়ে পোৱা একমাত্ৰ সমষ্টি হ'ল ধুবৰী। কিন্তু ধুবৰী জিলাৰ উপৰিও বিজেপি'য়ে গোৱালপাৰা আৰু নগাওঁ জিলাৰ কেইবাটাও সমষ্টিত যথেষ্ট ভোট পাইছে। বিজেপি'ক উপেক্ষা কৰি অন্ততঃ এই মুহূৰ্তত অসমৰ কোনো ৰাজনৈতিক হিচাপ যে হ'ব নোৱাৰে সেই কথাই নিৰ্বাচনৰ ফলাফলে প্ৰমাণ কৰিলে।

বিজেপি'য়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলত প্ৰভাৱ বিস্তাৰৰ বাবে বহু দিন ধৰি প্ৰস্তুতি চলাই আছিল। সীমান্তবৰ্তী এই অঞ্চলৰ ভৌগোলিক আৰু ৰাজনৈতিক গুৰুত্বৰ পৰিপ্ৰেক্ষিতত বিজেপি'য়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলত তাৰ নিজৰ ধ্যান-ধাৰণা অনুসৰি এটা নিৰাপত্তা বেষ্টনী গঢ়ি তুলিব বিচাৰে। কোৱা বাহুল্য যে বিজেপি'ৰ চকুত অহিন্দু মাত্ৰেই সন্দেহ ভাজন। মুছলমান আৰু খৃষ্টানৰ সংখ্যাধিক্যই এই অঞ্চলৰ নিৰাপত্তা বিঘ্নিত কৰি তুলিছে বুলি বিজেপি'য়ে ভাবে। আনহাতে, বিজেপি'য়ে কমিউনিষ্ট সকলক শত্ৰু বুলি চিহ্নিত কৰিছে। কিয়নো, বিজেপি'য়ে জানে, মাৰ্ক্সবাদী-লেনিনবাদী চিন্তাই তেওঁলোকে প্ৰচাৰ কৰা হিন্দুত্ব আৰু ভাৰতীয়ত্বৰ তত্ত্বটো দুৰ্বল কৰি পেলায়। সেয়েহে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনীতিক মুছলমান, খৃষ্টান আৰু কমিউনিষ্ট প্ৰভাৱৰ পৰা মুক্ত ৰখাই বিজেপি'ৰ প্ৰধান লক্ষ্য, আৰু এই উদ্দেশ্য সিদ্ধিও ঘোষিত শত্ৰুবিলাকৰ প্ৰতি বৈৰী মনোভাবাপন্ন আটাইকে এক জোট কৰাৰ কৌশল এই দলে গ্ৰহণ কৰিছে।

কলিকতাত বিজেপি'ৰ জাতীয় পৰিষদৰ শেহতীয়া বৈঠকত এই গোটেই বিষয়টোক কেন্দ্ৰ কৰি চিন্তাচৰ্চা কৰা দেখা হৈছিল। সম্পাদকীয় প্ৰতিবেদনত উত্তৰ পূৰ্বাঞ্চলৰ বিজেপি'ৰ ৰাজনৈতিক উদ্দেশ্যৰ ৰূপৰেখাৰ ওপৰত এটা অনুচ্ছেদ আছিল যদিও, এই অঞ্চলত ৰাজনৈতিক প্ৰভাৱ বৃদ্ধিৰ কৌশলটো কি হ'ব, সেই সম্পৰ্কত প্ৰকাশ্যে কোনো আলোচনা হোৱা নাছিল। কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ সংগঠনৰ দায়িত্বত থকা সুন্দৰসিং ভাণ্ডাৰী (বৰ্তমান সহ-সভাপতি) আৰু বিজেপি'ৰ উত্তৰ পূৰ্বাঞ্চলীয় সংগঠক বংশীলাল শেৱানীয়ে এই সম্পৰ্কত অসমৰ প্ৰতিনিধি সকলৰ লগত বিতংভাবে আলোচনা কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতি সমূহৰ যি অংশটোৱে এতিয়াও খৃষ্টধৰ্ম গ্ৰহণ কৰা নাই, বিজেপি-য়ে সেই গোষ্ঠীবিলাকৰ ভিতৰত এটা সামাজিক ভিত্তি বাছি উলিয়াব বিচাৰে। বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বৈপৰীত্যক মূলধন কৰি অগ্ৰসৰ হোৱাৰ সিদ্ধান্তও কলিকতাতেই লোৱা হৈছিল। পশ্চিমবংগ, অসম আৰু ত্ৰিপুৰাত বিজেপি'য়ে সীমান্ত অঞ্চলতেই প্ৰথম জংগী সংগঠন গঢ়ি তোলাৰ পক্ষপাতী। কিয়নো, বাংলাদেশৰ সীমান্তত অনুপ্ৰবেশৰ সমস্যা কম-বেছি পৰিমাণে আছে। অনুপ্ৰবেশৰ প্ৰশ্নক কেন্দ্ৰ কৰি ইচ্ছু তৈয়াৰ কৰি জনমত গঠনৰ সুযোগ বিজেপি'য়ে আন যি কোনো দলতকৈ বেছিহে লব পাৰে। দৰাচলতে, ৰাজনৈতিক বিচৰণভূমি হিচাপে বিজেপি'য়ে বৰাক

উপত্যকাক বাছি উলিয়াইছে। বৰাক উপত্যকাত হিন্দু-মুছলিম সম্পৰ্কই কেতিয়াও সংঘৰ্ষৰ ৰূপ লোৱা নাই সঁচা, কিন্তু তাত সন্দেহ আৰু অবিশ্বাসৰ এটা বাতাবৰণ আছে। কংগ্ৰেছ (ই) বৰাক উপত্যকাৰ প্ৰধান ৰাজনৈতিক শক্তি। কিন্তু বিজেপি'ৰ বাবে সৌভাগ্যৰ কথা হ'ল যে বৰাক উপত্যকাৰ বিভিন্ন ঠাইত ৰাজনীতিৰ বেলেগ বেলেগ সাম্প্ৰদায়িক চৰিত্ৰ বাহাল আছিল। নিৰ্বাচনৰ সময়ছোৱাত প্ৰাৰ্থীৰ ৰাজনৈতিক অৱস্থানতকৈ তাৰ ধৰ্মীয় পৰিচিতিয়েই যে একমাত্ৰ অগ্ৰাধিকাৰ লাভ কৰিছিল, এনে নহয়, নিৰ্বাচনী ভাগ্য বহুলাংশত পীৰৰ নিৰ্দেশ অথবা আশ্ৰমৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰশীল আছিল। কোৱা বাহুল্য মাত্ৰ যে এনেধৰণৰ সম্প্ৰদায় ভিত্তিক সিদ্ধান্তৰ সুফল ইতিপূৰ্বে কংগ্ৰেছ (ই)য়ে আটাইতকৈ বেছি লাভ কৰি আছিল। ফলস্বৰূপে তাৰ নিৰ্বাচনী বিজয় সুনিশ্চিত হৈছিল, সঁচা, কিন্তু লগে লগে বৰাক উপত্যকাৰ কংগ্ৰেছী ৰাজনীতি একেবাৰেই ৰাজনৈতিক অন্তঃসাৰশূণ্য হৈ পৰে। সাম্প্ৰদায়িক জোট বন্ধনৰ ভিত্তিত সাময়িক সাফল্য সহজসাধ্য হ'ব পাৰে, কিন্তু প্ৰকৃত সাম্প্ৰদায়িক ৰাজনীতিৰ আক্ৰমণৰ সমুখীন হবলগীয়া হলে যথাৰ্থ অংগীকাৰ থকা দৰকাৰ। বৰাক উপত্যকাত কংগ্ৰেছ (ই)ৰ দুৰ্গ যে অকস্মাত তাচৰ ঘৰৰ দৰে ভাঙি পৰিছে, তাৰ কাৰণ যোৱা এক দশক ধৰি বৰাক উপত্যকাত কংগ্ৰেছ (ই)য়েই আটাইতকৈ বেছি সাম্প্ৰদায়িকতাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল।

বৰাক উপত্যকাত বিজেপি'ৰ এই বিপুল জয় সেয়েহে কোনো বিচ্ছিন্ন ঘটনা নহয়। যোৱা এক দশক বিজেপি'য়ে ক্ৰমে ধীৰ আৰু দৃঢ়ভাবে সাংগঠনিক শাখা-প্ৰশাখা বিস্তাৰ কৰি আছে। লোক সভা আৰু বিধান সভাৰ নিৰ্বাচনত বিজেপি'য়ে ইতিপূৰ্বে যথেষ্ট ভোট সংগ্ৰহ কৰিব নোৱাৰিলেও এটা ৰাজনৈতিক গাঁথনি প্ৰস্তুত কৰিবলৈ সক্ষম হৈছিল। প্ৰত্যক্ষভাবে নহলেও পৰোক্ষভাবে বিজেপি'য়ে গুৰুত্বপূৰ্ণ সমবায় কেইটা দখল কৰি লৈছে, ব্যৱসায়ী সমিতিৰ নেতৃত্ব হাতত লৈছে, পৰিবহণ সন্থাৰ কৰ্তৃত্ব হাতত পাইছে। চাহবাগিচা সমূহত আই এন টি ইউ চি'ৰ নিয়ন্ত্ৰণ শিথিল হৈ পৰাৰ লগে লগে চাহ কৰ্মচাৰী সন্থাই বি এম এচ পৃষ্ঠপোষকতা আৰম্ভ কৰিছে। শিক্ষক সন্থা, অধ্যাপক সমিতিত বিজেপি'ৰ প্ৰভাব বাঢ়িছে। কলেজ ইউনিয়নৰ নিৰ্বাচনত বিদ্যাৰ্থী পৰিষদৰ প্ৰাৰ্থী জয়ী হৈছে। এই আটাইবোৰ ঘটনা যোৱা কেইবছৰ ধৰি সকলো লোকৰ চকুৰ সমুখতেই ঘটিছে। কিন্তু তাৰ ৰাজনৈতিক তাৎপৰ্য কোনেও অনুধাবন কৰি কোৱা নাই। বৰং প্ৰায় অধিকাংশ ক্ষেত্ৰতেই কংগ্ৰেছ (ই) প্ৰচ্ছন্ন সহযোগীৰ ভূমিকাহে লৈছিল। বৰাক উপত্যকাৰ জনগণৰ সামগ্ৰিক হতাশাইও বিজেপি'ৰ জয়লাভৰ ক্ষেত্ৰত বৰঙণি যোগাইছে। নিবনুৱা সমস্যাই বৰাক উপত্যকাত চূড়ান্ত ৰূপ পাইছেগৈ। অগপ চৰকাৰৰ আমোলত এই ক্ষেত্ৰত নতুন এটা প্ৰৱণতা দেখা দিছে। জিলা পৰ্যয়ৰ অফিচ-

দৰাচলতে, ৰাজনৈতিক বিচৰণ ভূমি হিচাপে বিজেপি'য়ে বৰাক উপত্যকাক বাছি উলিয়াইছে। বৰাক উপত্যকাত হিন্দু-মুছলিম সম্পৰ্কই কেতিয়াও সংঘৰ্ষৰ ৰূপ লোৱা নাই সঁচা, কিন্তু তাত সন্দেহ আৰু অবিশ্বাসৰ এটা বাতাবৰণ আছে।

আদালতত তৃতীয় আৰু চতুৰ্থ শ্ৰেণী সমূহৰ পদসমূহ সদায় স্থানীয়ভাবে পূৰণ কৰা হৈ আছিল। কিন্তু বৰাক উপত্যকা হ'ল এই ক্ষেত্ৰত ব্যতিক্ৰম। ব্ৰহ্মপুত্ৰ উপত্যকাত নিযুক্তি দি নৱনিযুক্ত প্ৰাৰ্থী সকলক বৰাক উপত্যকালৈ বদলি কৰি তাত স্থানীয় নিযুক্তিৰ বাট গণ পৰিষদ চৰকাৰৰ দিনত প্ৰায় বন্ধ কৰি দিয়া হ'ল। কাছাৰ চেনি কল দীৰ্ঘদিন ধৰি বন্ধ হৈ আছে। এই কল চালু কৰাৰ কোনো চেষ্টাই চৰকাৰে নকৰিলে। বিজুলীৰ অৱস্থা অতি ভয়াবহ। কিন্তু বৰাক উপত্যকাত যে বিজুলী যোগানৰ দায়িত্ব চৰকাৰৰ, তেনে ধৰণৰ কৰাৰ কোনো থলেই নাই। বাৰিষাৰ দিনত বৰাক বহিঃপৃথিৱীৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ থাকে। যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ কোনো চেষ্টা চৰকাৰে নকৰে। কৰিমগঞ্জত অষ্টম যোজনাৰ কালছোৱাত এটা আই টি আই হোৱাৰ কথা আছিল। কিন্তু সেইটোও নহ'ল। কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ বাবে আইন হৈছে। কিন্তু ৰাজ্য চৰকাৰে মাটিৰ ব্যৱস্থা নকৰে। প্ৰশাসনে ঔপনিবেশিক শাসনৰ দৰে ব্যৱহাৰ কৰে। কিন্তু কোনো বিচাৰ নহয়। ক্ৰমাগতভাবে এক বৈষম্যমূলক মানসিকতাৰ চিকাৰ হৈ বৰাক উপত্যকাৰ এক বৃহৎ সংখ্যক লোক পৰিপ্ৰেক্ষিতবোৰ বোধ হেৰুৱাই অস্থিৰ হৈ উঠিছে। প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ বিপৰীতে নৱতৰ বিকল্পৰ সন্ধানত এওঁলোক বিভ্ৰান্তিৰ চিকাৰ হৈছে। বঞ্চনাৰ বেদনা, বৈষম্যৰ দুঃখ, লাঞ্ছনাৰ যাতনা আৰু প্ৰতিৰোধৰ অক্ষমতাই যি পূঞ্জীভূত ক্ষোভৰ সৃষ্টি কৰিছে, উপযুক্ত নেতৃত্বৰ অবিহনে আৰু কোনো সংঘবদ্ধ আন্দোলন সংগঠিত নোহোৱা বাবে সি এক আত্মঘাতী ভ্ৰাতৃ-বিৰোধৰ ৰূপ লব ধৰিছে। নিৰ্বাচনী ৰাজনীতিৰ সাম্প্ৰদায়িকীকৰণ (communalisation of electoral politics) তাৰেই অনিবাৰ্য ফলশ্ৰুতি। বৰাক উপত্যকাত এটা জনগোষ্ঠীক আন জনগোষ্ঠীৰ বিৰুদ্ধে ব্যৱহাৰ কৰাৰ পৰম্পৰা যোৱা তিনি দশক ধৰি অসমৰ আটাইকেইটা চৰকাৰে অনুসৰণ কৰি আছে – তাত কংগ্ৰেছ আৰু গণ পৰিষদৰ মাজত কোনো পাৰ্থক্য নাই। বৰাক উপত্যকাত বিজেপি'ৰ এই নিৰ্বাচনী সাফল্য ধাৰাবাহিক ভাবে চলি থকা 'ডিভাইড এন্ড ৰুল' (Divide and Rule) নীতিৰ এক প্ৰত্যুত্তৰৰ লেখিয়াহে। কিন্তু বোধকৰো আত্মপ্ৰতিষ্ঠাৰ নামত আত্মবিস্মৃতিৰ এই পৰ্যায়টো এটা অন্তৰ্ৱৰ্তীকালীন ঘটনামাত্ৰ। সাম্প্ৰদায়িক ৰাজনীতিৰ এই আধিপত্যই নতুনকৈ বৰাক উপত্যকা জনগণৰ মাজত আত্মানুসন্ধানৰ সূচনা কৰিব।

আপাতদৃষ্টিত বৰাক উপত্যকাত বিজেপি'ৰ বিজয়ৰ অন্তৰালত কেইবাটাও স্থানীয় ঘটনাৰ প্ৰভাৱ লক্ষ্য কৰা যায়। শিলচৰ লোক সভাৰ যোৱা দুটা নিৰ্বাচনত কংগ্ৰেছ (ই) বিজয়ী হলেও তাত চি পি আই (এম) মুছলমান প্ৰাৰ্থীৰ বিৰুদ্ধে, হিন্দু প্ৰাৰ্থীৰ সপক্ষে সাম্প্ৰদায়িক সমৰ্থন বিচৰা হৈছিল– ৰাজনৈতিক সমৰ্থন নহয়। এই বাৰৰ নিৰ্বাচনতো শক্তিমান কংগ্ৰেছী প্ৰাৰ্থীৰ অনুপস্থিতিত বিজেপি'ৰ প্ৰাৰ্থীয়ে সেই একেই আৰ্হিত নিৰ্বাচন পৰিচালনা কৰে।



১৯৮০ আৰু ১৯৮৫ চনত যিবোৰ সামাজিক শক্তিয়ে কংগ্ৰেছ (ই) প্ৰাৰ্থীৰ সপক্ষে সক্ৰিয় ভূমিকা লৈছিল এইবাৰৰ নিৰ্বাচনত সেই একেই শক্তিবোৰক বিজেপি'ৰ সহযোগীৰ ৰূপত দেখা গ'ল। সাংগঠনিক ভাবে বিজেপি'ৰ সৈতে কোনো ধৰণৰ পোনপটীয়া বুজাপৰাৰ সুযোগ কংগ্ৰেছ (ই)ৰ নাই, কিন্তু শিলচৰৰ গোটেই কংগ্ৰেছী নিৰ্বাচনী সংগঠনটো বিজেপি'ৰ লগত প্ৰকাশ্যে একাত্ম হৈ পৰাটো এটা বিচ্ছিন্ন ঘটনা হ'ব নোৱাৰে। নিজৰ নাক কাটি পৰৰ যাত্ৰা ভংগ কৰাৰ নিচিনাকৈ চি পি আই (এম)ক (অথবা মুছলমানক) পৰাজিত কৰিবলৈ কংগ্ৰেছ (ই)ৰ স্থানীয় নেতৃত্বই বিজেপি'ৰ জয়ৰ বাট দৰাচলতে বহু পূৰ্বেই সুগম কৰি দিছে।


শিলচৰ লোক সভা সমষ্টিৰ অন্তৰ্গত তিনিটা বিধান সভা সমষ্টিত – উদাৰবন্দ, লক্ষীপুৰ আৰু বৰখলা – বিজেপি পৰাজিত হৈছে। উদাৰবন্দত কংগ্ৰেছ (ই)য়ে এইবাৰ বিশেষভাবে চাহ বাগিচা অঞ্চলত দলীয় অৱস্থান দৃঢ় কৰি লৈছিল। তথাপি বিজেপি'ৰ ভোট বিজেপি'ৰ প্ৰাৰ্থীয়েই পোৱা হলে বোধকৰো জনতা দলৰ মুছলমান প্ৰাৰ্থীৰহে বিজয় সম্ভাৱনা বাঢ়িলেহেঁতেন। কিন্তু বিজেপি'ৰ নিজা ভোটৰেই এক বুজন অংশ কংগ্ৰেছ (ই)য়ে পালে। ইয়াৰ বিনিময়ত লোক সভাৰ বিজেপি প্ৰাৰ্থীয়ে চাহ বাগিচাৰ ভালেমান সংগঠিত ভোট আদায় কৰি লয়। বৰখলাত চি পি আই (এম) নিয়ন্ত্ৰিত চাহ বাগিচাৰ বনুৱাৰ ভোট জনতা দলৰ মুছলমান প্ৰাৰ্থীয়ে নাপালে তেওঁ জিকিব নোৱাৰিলেহেঁতেন। লক্ষীপুৰত মণিপুৰী-হিন্দুস্তানী বিৰোধ বিজেপি'ৰ বিৰুদ্ধে গৈছে। এটা উল্লেখযোগ্য ঘটনা হৈছে যে কাছাৰ জিলাৰ বাওঁপন্থী নেতৃত্বই প্ৰচন্ড সাম্প্ৰদায়িক উচটনিৰ বিৰুদ্ধে থিয় হৈ সাম্প্ৰদায়িক ভিত্তিত ভোট বিভাজন বহুলাংশত ৰোধ কৰিবলৈ সক্ষম হৈছিল। কাটিগড়া সমষ্টিত কেইবাজন মুছলিম প্ৰাৰ্থী থকা সত্ত্বেও মুছলমান সমাজৰ বুজন অংশই চি পি আই (এম)ৰ তৰুণ প্ৰাৰ্থীক সমৰ্থন কৰা দেখা গৈছে। কৰিমগঞ্জ জিলাত কিন্তু এইটো হোৱা নাই। তাত স্থানীয় বাওঁপন্থী নেতৃত্বই সময়ে সময়ে ৰাজনৈতিক সুবিধাবাদৰ আশ্ৰয় লৈ সাম্প্ৰদায়িকতাৰ সৈতে আপোচ কৰি থাকে বুলিয়েই সংখ্যালঘু ৰাইজৰ আস্থাভাজন তেওঁলোক হ'ব নোৱাৰিলে। কৰিমগঞ্জ জিলাত মুছলমান সম্প্ৰদায়ে শেষ পৰ্যন্ত বিজেপি'ৰ ঢৌ'ৰ বিপৰীতে অগপ-ৰ আশ্ৰয় লয়। ১৯৮৫ চনৰ নিৰ্বাচনত হিন্দু-প্ৰধান কৰিমগঞ্জ সমষ্টিত তিনিজন হিন্দু প্ৰাৰ্থীৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাৰ সুযোগ লৈ জনৈক মুছলিম প্ৰাৰ্থীয়ে অকল মুছলমান ভোট সংগঠিত কৰি জয়যুক্ত হৈছিল। (তেওঁ পিছত অগপ'ত যোগ দিয়ে আৰু যোৱা পাঁচ বছৰ ধৰি তেওঁ সৰহভাগ নিৰ্বাচক মন্ডলীৰ সম্পূৰ্ণভাবে উপেক্ষা কৰে) এই ঘটনাই কৰিমগঞ্জত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰে। বিজেপি'ৰ বাবে অনুকূল ক্ষেত্ৰও এই ঘটনাই বহুলাংশে সৃষ্টি কৰি দিয়ে। নিৰ্বাচনী পৰ্যয়ৰ অন্তিম পৰ্বত চি পি আই (এম) আৰু

বৰাক উপত্যকাৰ জনগণৰ সামগ্ৰিক হতাশাইও বিজেপি'ৰ জয়লাভৰ ক্ষেত্ৰত বৰঙণি যোগাইছে। নিবনুৱা সমস্যাই বৰাক উপত্যকাত চূড়ান্ত ৰূপ পাইছেগৈ। অগপ চৰকাৰৰ আমোলত এই ক্ষেত্ৰত নতুন এটা প্ৰৱণতা দেখা দিছে।

কংগ্ৰেছ (ই) প্ৰাৰ্থী দুগৰাকীয়ে সাম্প্ৰদায়িক ভিত্তিত ভোট বিভাজনৰ বিৰুদ্ধে যুটীয়াভাবে প্ৰচাৰ কৰাটো এটা তাৎপৰ্যপূৰ্ণ ঘটনা। হাইলাকান্দি জিলাত যোৱা বছৰ যি সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল, নিৰ্বাচনত তাৰেই প্ৰতিফলন হৈছে। উদাৰপন্থী, যুক্তিবাদী সকলো বক্তব্যবোৰে অভূতপূৰ্ব উত্তেজক পৰিস্থিতিত তাৰ প্ৰাসঙ্গিকতা হেৰুৱাই পেলায়। সৎ আৰু সচেতন নাগৰিক সকল এই অৱস্থাত অসহায় দৰ্শক হৈ পৰিবলৈ বাধ্য হয়।


বৰাক উপত্যকাত বিজেপি'ৰ জয়যাত্ৰাত স্থানীয় প্ৰশাসনৰ নিৰ্বিকাৰ অৱস্থানে চূড়ান্ত পৰ্যায়ত নিয়ামক ভূমিকা ললে। শিলচৰ চহৰত বিজেপি'ৰ ধুমুহা বাহিনীক নিৰ্বিচাৰে বুথ দখল কৰিবলৈ দিয়া হৈছিল। স্থানীয় নিৰ্বাচনী কৰ্তৃপক্ষই নিশ্চিত ভাবে পক্ষপাতমূলক ভূমিকা লৈছিল। হাইলাকান্দিত ভোট গ্ৰহণৰ নিৰ্দিষ্ট সময়ৰ আগতেই বহু কেইটা বুথ দখল হৈ গৈছিল। ধলাই, কৰিমগঞ্জ, কাটলিছৰাত একেই ধৰণৰ ঘটনা ঘটিছিল, নিৰ্বাচনী কৰ্তৃপক্ষ পুলিচ প্ৰশাসন, অধিকাংশ বুথ দখলৰ ঘটনাতেই নীৰৱ দৰ্শক হৈ আছিল। প্ৰতিপক্ষ সকলে বাৰম্বাৰ প্ৰতিবাদ কৰিও কোনো প্ৰতিকাৰ নেপালে। নিৰ্বাচনী কৰ্তৃপক্ষৰ পৰা নিৰপেক্ষতা প্ৰত্যাশা কৰাৰ থল আৰু নাই বুলিয়েই প্ৰমাণিত হ'ল।

বিজেপি'ৰ বৰাক উপত্যকা দখলৰ তাৎপৰ্য নুই কৰিব নোৱাৰি। বঙালী হিন্দু আৰু চাহ বাগিচাৰ বনুৱা আৰু প্ৰাক্তন বনুৱা সকলৰ বিপুল সমৰ্থন বিজেপি'য়ে লাভ কৰিছে। বিশেষভাবে বঙালী হিন্দুৰ মাজত প্ৰভাৱ বিস্তাৰ কৰাটো বিজেপি'ৰ বাবে কৃতিত্বৰ পৰিচায়ক এই কাৰণেই যে বিজেপি'য়ে অসম আন্দোলনৰ সপক্ষে দৃঢ় সমৰ্থন ঘোষণা কৰিছিল, আৰু তেতিয়া আশীৰ দশকত অসমীয়া হিন্দু মানসিকতাৰ সৈতে সংগতি ৰাখি পূৰ্ব পাকিস্তানৰ পৰা অহা বঙালী শৰণাৰ্থী সকলৰ স্বাৰ্থ আৰু অধিকাৰ বিসৰ্জন দিবলৈ সাজু আছিল। বঙালী হিন্দুসকল অসম আন্দোলন তথা অসম চুক্তি সম্পৰ্কত বঙালী হিন্দু দৃষ্টিভংগীৰ কোনো সলনি হোৱা নাই, আনহাতে বিজেপি'য়ে অসম আন্দোলনৰ অসমাপ্ত দায়িত্ব সমাপন কৰিবলৈ অংগীকাৰবদ্ধ। সেয়েহে বিজেপি'য়ে বঙালী হিন্দুৰ সমৰ্থন পোৱাটো এটা সাঁথৰ যেন লাগে। নিৰ্বাচনী বিজয়ৰ লগে লগে বিধান সভাত একান্তভাবে বঙালী হিন্দু আৰু বৰাক উপত্যকাৰ দল হিচাপে বিজেপি'ৰ আৱিৰ্ভাবৰ ফলস্বৰূপে অন্ততঃ বিধান সভাৰ মজিয়াত বিজেপি'ৰ অসম আন্দোলন সক্ৰান্ত অৱস্থান তৰল (diluted) হৈ যোৱাৰ সম্ভাৱনা নুই কৰা নেযায়। উপত্যকাটোৰ হিন্দু-মুছলিম বৈপৰীত্যক মূলধন কৰি ৰাইজৰ অসতৰ্কতাৰ সুযোগ লৈ বিজেপি জয়ী হলেও বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ হিন্দুত্ববাদী সেতু বন্ধনৰ পৰীক্ষা চলোৱা ইমান সহজ নহ'ব। আনহাতে বৰাক উপত্যকাৰ ৰাইজেও এই দুঃস্বপ্নৰ প্ৰহৰ অতিক্ৰম কৰি অনতিপলমে যে আত্মানুসন্ধানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব, তাত কোনো সন্দেহ নাই।



# নৰসিংহলৈ নাম্বুদিৰিপদৰ চিঠি

# হৈ চৈ লগোৱাৰ মূল উদ্দেশ্য কি?



হিতেন মহন্ত

কংগ্ৰেছ আৰু কমিউনিষ্ট। এই দুটা ৰাজনৈতিক শক্তিৰ মাজৰ সম্পৰ্কক কেন্দ্ৰ কৰি সম্প্ৰতি ৰাষ্ট্ৰীয় পৰ্যয়ত পুনৰ এক তুমুল বিতৰ্কৰ সৃষ্টি হৈছে। এইবাৰ এই বিতৰ্কৰ গুৰি হৈছে ৰাজীৱ গান্ধীৰ হত্যাৰ পিছত ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক ই এম এছ নাম্বুদিৰিপদে কংগ্ৰেছৰ নতুন সভাপতি নৰসিংহ ৰাওলৈ লিখা এখন চিঠি।

যিখন চিঠিক কেন্দ্ৰ কৰি দেশজুৰি এই বিতৰ্কৰ সৃষ্টি হৈছে, কমিউনিষ্টে কংগ্ৰেছৰ সৈতে হাত মিলালে বুলি হৈ চৈ লগোৱা হৈছে, সেই চিঠিখনৰ সাৰাংশ হ'ল– "ৰাজীৱ গান্ধীৰ মৃত্যুৰ পিছত ভাৰতীয় ৰাজনীতি এটা সন্ধিক্ষণত উপস্থিত হৈছে। এই অৱস্থাৰ পটভূমিত আপোনাৰ দলে বাওঁপন্থী দলবোৰৰ প্ৰতি লোৱা মনোভাব নতুনকৈ পৰীক্ষা কৰিব নোৱাৰিনে? আপোনাৰ দলে পশ্চিমবংগ, কেৰালা আৰু ত্ৰিপুৰাৰ বাওঁপন্থীৰ নেতৃত্বত চলা মিত্ৰ শক্তিৰ প্ৰতি' তথা ৰাষ্ট্ৰীয় মৰ্চাৰ প্ৰতি বৰ্তমানে লোৱা আক্ৰমণাত্মক নিৰ্বাচনী কৌশলে কংগ্ৰেছ (ই) অথবা দেশখনক সহায় কৰিব জানো? এই আক্ৰমণাত্মক মনোভাব ১২ জুনৰ নিৰ্বাচনৰ আগেয়ে সলনি কৰিব নোৱাৰিনে?"

চিঠিখনৰ বক্তব্যৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে এটা বিশেষ পৰিস্থিতিৰ পটভূমিতহে নাম্বুদিৰিপদে উক্ত চিঠিখন কংগ্ৰেছৰ সভাপতিলৈ লিখিছিল। ৰাজীৱ গান্ধীৰ হত্যাই ভাৰতবৰ্ষত এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰাই নহয়, ভাৰতৰ ঐক্য, সংহতি আৰু গণতন্ত্ৰৰ বিৰুদ্ধে এক অশুভ ইংগিত কঢ়িয়াই আনিছিল। ভাৰতক খন্ড-বিখন্ড কৰি দিয়াৰ বাবে বাহিৰ আৰু ভিতৰৰ পৰা চলা ষড়যন্ত্ৰৰ বিষয়ে এতিয়া কাৰো অবিদিত নহয়। পশ্চিমৰ দেশত এচাম ৰাজনৈতিক সমীক্ষকে উদ্দেশ্য প্ৰণোদিত ভাবে প্ৰচাৰ কৰিছে যে ভাৰত হিচাপে দেশখন খন্ড-বিখন্ড হোৱাৰ এইটোৱে উপযুক্ত সময়। আনকি লন্ডনৰ পৰা প্ৰকাশিত 'চান দে টাইমছ' নামৰ বাতৰি কাকতখনে এখোপ চৰি গৈ মন্তব্য কৰিছে যে বৃটিছৰ ৰাজত্ব শেষ হোৱাৰ পিছতেই আচলতে ভাৰতবৰ্ষ ১০০ খন হংকঙত ভাগ হ'লহেঁতেন। কেৱল বৃটিছ শাসক সকলেই ইয়াক এনেদৰে ভাগ হ'ব নিদিলে। এনেধৰণৰ প্ৰচাৰৰ আঁৰত যে গভীৰ আন্তৰ্জাতিক ষড়যন্ত্ৰ নিহিত হৈ আছে সেই বিষয়ে বহলাই কোৱা নিষ্প্ৰয়োজন।

কেৱল বহিঃদিশৰ ফালৰ পৰা নহয়, আভ্যন্তৰীণ ক্ষেত্ৰতো ভাৰতৰ ঐক্য আৰু সংহতি বিনষ্ট কৰাৰ বাবে সাম্প্ৰদায়িক শক্তিবোৰে নতুন ৰূপত মূৰ দাঙি উঠিছে। ভাৰতীয় জনতা পাৰ্টিয়ে 'হিন্দু ৰাষ্ট্ৰৰ' ধ্বনি দি সাম্প্ৰদায়িক শক্তিবোৰক সাৰ পানী যোগাইছে। আজিৰ পৰিস্থিতিত ভাৰতবৰ্ষক বলপূৰ্বক ভাবে হিন্দু ৰাষ্ট্ৰ কৰিবলৈ গ'লে ভাৰতত যে এক অৰাজকতাৰ পৰিস্থিতিৰ সৃষ্টি হ'ব সি ধ্ৰুপ। এই অৰাজকতাৰ পৰিস্থিতি সৃষ্টি কৰাৰ বাবেই সাম্প্ৰদায়িক শক্তিবোৰে অহোপুৰুষাৰ্থ কৰিছে। কোৱা বাহুল্য মাথোন যে এনে অৰাজকতাৰ পৰিস্থিতি সৃষ্টি কৰাৰ মূল উদ্দেশ্য হ'ল ভাৰতক খন্ড-বিখন্ড কৰা। ভাৰতক খন্ড বিখন্ড কৰিব পৰা যি কোনো ষড়যন্ত্ৰ ওফৰাই পেলোৱাৰ উদ্দেশ্যেই নিশ্চয় প্ৰবীণ কমিউনিষ্ট নেতাগৰাকীয়ে কংগ্ৰেছৰ সভাপতিজনলৈ উক্ত চিঠি লিখিছিল। চিঠিখনৰ উদ্দেশ্য হ'ল অন্তত ভাৰতৰ ঐক্য সংহতিৰ স্বাৰ্থতেই ভাৰতৰ বাওঁপন্থী দল আৰু কংগ্ৰেছে একেলগে কাম কৰিব পাৰে।

কিন্তু সেই চিঠিখন ৰাজহুৱা ভাবে প্ৰকাশ পোৱাৰ পিছতেই পুনৰ হৈ চৈ লগাই দিয়া হ'ল যে কমিউনিষ্টে পূৰ্বৰ দৰে পুনৰ নৈতিক লুটি-বাগৰ মাৰিছে। কিন্তু পৰিবৰ্তিত ৰাজনৈতিক পৰিস্থিতিত এটা ৰাজনৈতিক দলে অন্য এটা ৰাজনৈতিক দলৰ সম্পৰ্কত দৃষ্টিভংগী সলনি কৰাটো একো নতুন কথা নহয়। বৰং ৰাজনৈতিক কৰ্মক্ষেত্ৰত ই অতি স্বাভাৱিক ঘটনা। স্বাধীনোত্তৰ কালৰ পৰা সত্তৰ দশকলৈ ভাৰতীয় ৰাজনীতিৰ ধাৰা আৰু আশী দশকৰ পিছত ভাৰতীয় ৰাজনীতিৰ ধাৰাৰ মাজত গুণগত পাৰ্থক্য আছে। আশী দশকৰ পিছৰ পৰা ভাৰতৰ ঐক্য সংহতিৰ বিৰুদ্ধে যি প্ৰচন্ড ভাবুকি আহিছে, সত্তৰ দশকৰ শেষ পৰ্যন্ত সেই ভাবুকিৰ অস্তিত্বই বিচাৰি পোৱা নগৈছিল। এইটো ঠিক যে কংগ্ৰেছ দলৰ দীৰ্ঘদিনীয়া শাসনৰ বহুতো ভুল নীতিৰ বাবেই দেশৰ বিভিন্ন প্ৰান্তৰত বিচ্ছিন্নতাবাদী শক্তিয়ে আশী দশকৰ আৰম্ভণিৰ পৰা বিশেষভাবে মূৰ দাঙি উঠে। কিন্তু এইটোও ঠিক যে কংগ্ৰেছ দলে নিজৰ ভুল নীতি উপলব্ধি কৰিব পাৰি বিচ্ছিন্নতাবাদী শক্তিবোৰৰ লগত যুঁজ দিয়াৰ বাবে সংকল্পবদ্ধ হৈ সৰ্বস্ব ত্যাগ কৰিবলৈ আগবাঢ়ি আহিছে। প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু তেওঁৰ পুত্ৰ ৰাজীৱ গান্ধীয়ে এই শক্তিবোৰৰ বিৰুদ্ধে যুঁজ দিয়েই নিজৰ প্ৰাণ বিসৰ্জন দিলে। এনেবোৰ ঘটনাৰ দ্বাৰাই দেশৰ ৰাজনৈতিক ধাৰা বা পৰিস্থিতিৰ পৰিবৰ্তন ঘটে। এই পৰিবৰ্তিত ৰাজনৈতিক ধাৰা আৰু ভাৰতক খন্ড-বিখন্ড কৰিব পৰা সুপৰিকল্পিত ষড়যন্ত্ৰৰ বিৰুদ্ধে ঐক্যবদ্ধ ভাবে যুঁজ দিয়াৰ হকেই প্ৰবীণ মাৰ্ক্সবাদী নেতাগৰাকীয়ে কংগ্ৰেছ দলৰ প্ৰতি আহ্বান জনাইছে। আচলতে দেশৰ অখন্ডতা ৰক্ষাৰ হকে চি পি এম দল যে সকলো ত্যাগ কৰিবলৈ প্ৰস্তুত নাম্বুদিৰিপদৰ চিঠিখনৰ মাজেৰে সেই কথাই প্ৰতিপন্ন হৈছে।

কিন্তু দুৰ্ভাগ্যবশতঃ নাম্বুদিৰিপদৰ চিঠিখনে যে কেৱল কংগ্ৰেছ (ই), ৰাষ্ট্ৰীয় মৰ্চাৰ মহলতেই জোঁকাৰণিৰ সৃষ্টি কৰিছে এনে নহয়, আনকি চি পি এম দলৰ মাজতো বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চি পি এম দলৰ একাংশৰ ধাৰণা হৈছে যে কংগ্ৰেছ দলৰ প্ৰতি নৰম মনোভাবে দলৰ বিপ্লৱী চৰিত্ৰত খহনীয়াৰ সৃষ্টি কৰিব। চি পি এম দলৰ নেতৃবৃন্দই চিঠিখনৰ যথাৰ্থতা ব্যাখ্যা নকৰি বিষয়টো নাম্বুদিৰিপদৰ অতি ব্যক্তিগত বুলি কৈ এৰাই চলিছে। চিঠিখনক কেন্দ্ৰ কৰি দলৰ মাজত সৃষ্টি হ'ব পৰা ভুল বুজাবুজি এৰাই চলাৰ উদ্দেশ্যতে হয়তো হৰকিষাণ সিং সুৰজিত, জ্যোতিবসুৰ দৰে জ্যেষ্ঠ মাৰ্ক্সবাদী নেতা সকলে চিঠিখনৰ সম্পৰ্কত আনুষ্ঠানিক ভাবে কোনো ধৰণৰ মন্তব্য কৰাৰ পৰা বিৰত আছে।

উল্লেখযোগ্য যে ১৯৬২ চনত চীনা আক্ৰমণক কেন্দ্ৰ কৰি হোৱা মতভেদৰ বাবেই অৱশেষত ১৯৬৪ চনত ভাৰতৰ কমিউনিষ্ট পাৰ্টি দুটা ভাগত বিভক্ত হৈছিল। যি সকল কমিউনিষ্ট নেতাই চীনা সকলক আক্ৰমণকাৰী বুলি গণ্য কৰিবলৈ অস্বীকাৰ কৰিছিল, তেওঁলোকেই ১৯৬৪ চনত কমিউনিষ্ট পাৰ্টিৰ পৰা ফালৰি কাটি গৈ ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি জন্ম দিছিল। সেইদৰে সকলো ক্ষেত্ৰতেই ইন্দিৰা কংগ্ৰেছ দলৰ প্ৰতি সমৰ্থন জনাই ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ অন্যতম জন্মদাতা প্ৰয়াত শ্ৰীপদ অমৃত ডাঙেই অৱশেষত কমিউনিষ্ট পাৰ্টিৰ পৰা বহিষ্কৃত হৈ নিখিল ভাৰত কমিউনিষ্ট পাৰ্টি গঠন কৰিছিল। সত্তৰ দশকৰ আৰম্ভণিৰ পৰা ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে ইন্দিৰা কংগ্ৰেছৰ প্ৰতি গ্ৰহণ কৰা নৰম মনোভাৱৰ ফলত দলটো বহু ধৰণৰ সমালোচনাৰ সন্মুখীন হৈছিল। বিশেষকৈ জৰুৰীকালীন অৱস্থাৰ প্ৰতি সমৰ্থন জনাই চি পি আই দলে সেই সময়ত দালাল বুলি আখ্যা পাইছিল।

এতিয়া এই অভিযোগ উঠিছে মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে। চি পি এম দলে আদৰ্শ আৰু নীতিৰ প্ৰশ্নত কংগ্ৰেছ দলৰ সৈতে আপোচ কৰাৰ অভিযোগ উঠিছে। চি পি এম দলে আদৰ্শ আৰু নীতিৰ প্ৰশ্নত কংগ্ৰেছ দলৰ সৈতে আপোচ কৰিবলৈ ওলাইছে নে নাই সেইটো ভাৰতৰ পৰিবৰ্তিত ৰাজনৈতিক ধাৰাই প্ৰমাণ কৰিব। কিন্তু কেৱল এখন চিঠিক কেন্দ্ৰ কৰি ইমানকৈ হৈ চৈ লগোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। অন্ততঃ ভাৰতৰ অখন্ডতাৰ ৰক্ষাৰ স্বাৰ্থতেই যদি চি পি এম দলে কংগ্ৰেছ দলৰ প্ৰতি সহায়ৰ হাত আগবঢ়াব বিচাৰিছে, তেনেহলে এইটো কেতিয়াও দোষণীয় কাম হ'ব নোৱাৰে। কিন্তু চিঠিখনক কেন্দ্ৰ কৰি ভাৰতীয় জনতা পাৰ্টিয়ে বেছিকৈ হৈ চৈ লগোৱাতহে সন্দেহৰ সৃষ্টি কৰিছে। কিয়নো দেশৰ প্ৰগতিশীল আৰু বাওঁশক্তি ঐক্যবদ্ধ হ'লে ভাৰতীয় জনতা পাৰ্টিৰ দৰে মৌলবাদী আৰু প্ৰতিক্ৰিয়াশীল শক্তিবোৰ নিঃসংগ হৈ পৰাটোৱে স্বাভাৱিক। ইতিমধ্যে ভাৰতৰ বাওঁপন্থী দলবোৰে ঘোষণা কৰিছে যে বিজেপি-ৰ দৰে মৌলবাদী আৰু সাম্প্ৰদায়িক শক্তিৰ উত্থানক বাধা দিয়াৰ উদ্দেশ্যে প্ৰয়োজন হ'লে এই দলবোৰে কংগ্ৰেছ দলক চৰকাৰ গঠনত সমৰ্থন জনাব। আনকি জনতা দলৰ নেতা বিশ্বনাথ প্ৰতাপ সিঙেও অলপতে সেই একেই ঘোষণা কৰিছে। আচলতে ৰাজীৱ গান্ধীৰ মৃত্যুৰ পিছত ভাৰতৰ পৰিবৰ্তিত ৰাজনৈতিক ধাৰাৰে ই এটা অংগ। এনে পৰিবৰ্তিত ৰাজনৈতিক ধাৰাত মৌলবাদী আৰু প্ৰতিক্ৰিয়াশীল শক্তিবোৰ নিঃশেষ হৈ যাব বুলি আশংকা কৰিয়েই আচলতে চিঠিখনক কেন্দ্ৰ কৰি সুপৰিকল্পিত ভাবে বাওঁ পন্থীৰ শক্তিৰ বিৰুদ্ধে কুৎসা ৰটনাত লিপ্ত হৈছে। এই মৌলবাদী শক্তিবোৰৰ মূল উদ্দেশ্য ভাৰতৰ ৰাজনীতিৰ প্ৰগতিশীল আৰু বাওঁশক্তিবোৰৰ মাজত বিভাজন আনি সেই শক্তিবোৰক নিঃশেষ কৰি দিয়া। মৌলবাদী আৰু সাম্প্ৰদায়িক শক্তিবোৰ গা কৰি উঠাটো ভাৰতৰ অখন্ডতা আৰু গণতন্ত্ৰৰ প্ৰতি শুভ লক্ষণ নহয়। এই শক্তিবোৰক প্ৰতিহত কৰাৰ বাবেই ভাৰতৰ বাওঁপন্থীদলবোৰে যিকোনো গণতান্ত্ৰিক দলৰ সৈতে একেলগে কাম কৰাৰ বাবে আগবাঢ়ি আহিছে। পৰিবৰ্তিত ৰাজনৈতিক পৰিস্থিতিত ই এম এছ নাম্বুদিৰিপদৰ চিঠিখন তাৰেই প্ৰতিফলন। ■


**ৰঙীন বেটুপাতৰ সুন্দৰকৈ পকা বন্ধা**

**শ্ৰীমতী প্ৰণীতা বুঢ়াগোহাঞিৰ ৰচিত**

**'জীৱন স্বপ্ন বাস্তৱ'** (১৬টি গল্পৰ সংকলন স্কেচ সহ)
মূল্য ১৫ টকা

**'ভক্তি অঞ্জলি'** (ধৰ্মপুথি) মূল্য ৫ টকা; প্ৰকাশ হৈ ওলাল। কিতাপ কিনোতা আৰু বিক্ৰেতা সকলৰ বাবে নগদ 40% কমিছনত কিতাপ যোগান ধৰা হ'ব। ডাক খৰচ গ্ৰাহকে বহণ কৰিব।

তলৰ ঠিকনাত ডাকযোগে যোগাযোগ কৰক

পি, পি, প্ৰকাশন
শাখা কাৰ্যালয় পানবজাৰ
গুৱাহাটী, অসম

# আতঙ্কিত আৰু প্ৰতাৰিত মানুহৰ বিজয়

সচ্চিদানন্দ ভৰালী

জন গাথঁনিৰ বিভিন্নতাই অসমৰ ৰাজনৈতিক চৰিত্ৰক একে সময়তে এক বিচিত্ৰতা আৰু জটিলতা প্ৰদান কৰিছে। ধৰ্ম, ভাষা, আৰু গোষ্ঠী চেতনাই সময়ে সময়ে এই ৰাজনৈতিক চৰিত্ৰৰ সাল-সলনি ঘটাই আহিছে। এইটো হবলৈ পাইছে এই কাৰণেই যে ৰাজনৈতিক মতাদৰ্শৰ প্ৰতি বেছি মনোযোগ দিয়াতকৈ ধৰ্মীয় ভাষিক আৰু এথ্‌লিনক জনগোষ্ঠীসমূহে নিজ নিজ ভাষা সাহিত্য সংস্কৃতিৰ শ্ৰীবৃদ্ধিৰ বাবে আৰু আৰ্থ সামাজিক উৎকৰ্ষ উন্নয়নৰ বাবে নিজস্ব আবেগ উচ্ছ্বাসতে দৃষ্টি নিবদ্ধ কৰি আহিছে। দূৰ ভৱিষ্যতলৈ দৃষ্টিপাত কৰাতকৈ সকলো যেন আজিৰ সমস্যা সমাধানতেই ব্যস্ত !

১৯৭১ চনলৈ অসমৰ শাসকীয় কংগ্ৰেছ সংগঠনটো সামগ্ৰিক ভাবে অসমীয়া বৰ্ণ হিন্দু মধ্যবিত্ত শ্ৰেণীৰ আধিপত্যবাদী অংশটোৰ দখল তথা নেতৃত্বত আছিল। কিন্তু সেই বছৰটোতে শ্ৰীশৰৎ চন্দ্ৰ সিংহ অসমৰ মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হোৱাৰ লগে লগেই সেই অৱস্থাৰ সলনি ঘটিছিল আৰু কেই বছৰমানৰ ভিতৰতে মাধ্যম আন্দোলন আৰু বহিৰাগত বিদেশী বিতাড়ন আন্দোলনৰ মাজেৰে এই বৰ্ণ হিন্দু মধ্যবিত্ত শ্ৰেণীয়ে নিজৰ ৰাজনৈতিক স্থিতি মজবুত কৰি ক্ষমতা দখলৰ পিনে অগ্ৰসৰ হৈ সাফল্য লাভ কৰিছিল। উক্ত সময়ছোৱাত তথাকথিত গণতান্ত্ৰিক সমাজবাদত ( Democratic Socialism ) বিশ্বাসী অথচ সাম্যবাদ বিৰোধী মাৰ্কিন পন্থী বুদ্ধিজীৱী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু তথাকথিত মাৰ্ক্সবাদী পণ্ডিত ব্যক্তি কেন্দ্ৰীক বিপ্লৱী সংগ্ৰামী দেৱ প্ৰসাদ বৰুৱা আদিয়ে অসমীয়া বৰ্ণ হিন্দু শ্ৰেণীৰ "বিশ্ববিখ্যাত" হোৱা (?) সংগ্ৰামী লোক সকলৰ মাজতেই শাৰী পূৰাই আসন কৰি লৈছিল।

কিন্তু জন গাঁথনিয়ে প্ৰদান কৰা অসমৰ ৰাজনৈতিক বিচিত্ৰতা আৰু জটিলতাই সেই নেতৃত্ব দীৰ্ঘস্থায়ী নকৰিলে। অসমৰ থলুৱা তথা খিলঞ্জীয়া এথনিক্ জনগোষ্ঠী, অভিবাসী মুছলমান সম্প্ৰদায়, বঙালী হিন্দু সম্প্ৰদায়, নেপালী প্ৰব্ৰজনকাৰী হিন্দু এই সম্প্ৰদায় জনগোষ্ঠীয়ে নিজ নিজ জনগোষ্ঠীৰ ৰক্ষণাবেক্ষণৰ বাবেও সুকীয়া সুকীয়াকৈ চেষ্টা কৰিবলৈ লৈছিল বা কৰিবলৈ বাধ্য হৈছিল। ফলত ৰাজ্যখনত ৰাজনৈতিক মেৰুভবনৰ ( Polarisation ) প্ৰক্ৰিয়া দ্ৰুত গতিত চলিছিল। অসমীয়া বৰ্ণ হিন্দু মধ্যবিত্ত শ্ৰেণীৰ দ্বাৰা সংগঠিত আৰু তেওঁলোকৰ দ্বাৰা নিয়ন্ত্ৰিত সদৌ অসম ছাত্ৰ সন্থা ( আছু ) যদি ব্ৰহ্মপুত্ৰ উপত্যকাৰ কেইখনমান জিলাত সীমিত হৈ থাকিও 'বিশ্ব বিখ্যাত' আখ্যাৰে আখ্যায়িত হ'ব পাৰে, তেনেহলে নেপালৰ পৰা প্ৰব্ৰজনকাৰী নেপালীসকলৰ ছাত্ৰ সংগঠন সদৌ অসম নেপালী ছাত্ৰ সন্থাক (আনছু) নিশ্চয় তাতকৈও ডাঙৰ কিবা অভিধাৰে বিভূষিত কৰিব লাগিব। এই ঐতিহাসিক ব্যস্ততাক আজি অস্বীকাৰ কৰাৰ কোনো উপায় নাই।

সি যি কি নহওক ৰাজ্যখনৰ থলুৱা তথা খিলঞ্জীয়া এথনিক জনগোষ্ঠী কাৰ্বি, বড়ো আদিয়ে পৃথকে পৃথকে নিজস্ব গৃহ ভূমিৰ দাবীত আন্দোলনৰ পথ বাছি লৈছিল। কাৰ্বিসকলে স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতি গঠন কৰি তেওঁলোকৰ বাবে সুকীয়া গৃহ ভূমিৰ দাবী কৰিছে। বড়োসকলেও আবছু ( সদৌ অসম বড়ো ছাত্ৰ সন্থা ) বি পি এ চি গঠন কৰি তেওঁলোকৰ বাবে গৃহ ভূমিৰ দাবীত আন্দোলন চলাইছে। এই সকলৰ বাদেও অসমৰ বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বনুৱা সম্প্ৰদায়ৰ মাজতো অসম গণ পৰিষদৰ শাসন কালত বিভিন্ন কাৰণত ব্যাপক অসন্তুষ্টিয়ে দেখা দিয়ে আৰু তাৰ ফলশ্ৰুতিত তেওঁলোকৰ মাজতো গোষ্ঠীগত প্ৰৱণতা গঢ়ি উঠে। আটছাক কেন্দ্ৰ কৰি ৰাজনৈতিক মেৰুভবন প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ পৰে আৰু ই সময়ত গণ পৰিষদ বিৰোধী শিবিৰৰ এক বিশ্বস্ত সহযোগী হৈ পৰে। কাজেই নিৰ্বাচনৰ সময়-তাৰিখ ঘোষিত হোৱাৰ লগে লগেই অসমীয়া বৰ্ণ হিন্দু মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্ব তথা অসম গণ পৰিষদ বাকী আন সকলোৰে ৰাজনৈতিক আক্ৰমণৰ কেন্দ্ৰীয় লক্ষ্যত পৰিণত হৈ পৰে।

তাৰো নিশ্চয় কেইটামান প্ৰধান কাৰণ আছে। সেইবিলাক হ'ল, অসম গণ পৰিষদৰ মন্ত্ৰী বিধায়ক কৰ্ম কৰ্ত্তাসকলৰ অভিলেখ সৃষ্টিকাৰী দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ ; আলফাৰ প্ৰতি থকা এই দলৰ সহানুভুতি তথা পৃষ্ঠপোষকৰ ভূমিকা ; সমগ্ৰ ৰাজ্যখনতে আলফাই সৃষ্টি কৰা নিৰ্বিচাৰ হত্যাকাণ্ড ; অশান্তি, নিৰাপত্তাহীনতা আৰু তদ্‌জনিত আতঙ্ক ; অসম গণ পৰিষদ দলৰ মন্ত্ৰী বিধায়ক আৰু কৰ্মকৰ্তাসকলৰ মাজত গঢ়ি উঠা দাম্ভিক মনোবৃত্তি আৰু তাৰেই ফলশ্ৰুতিত শাসকদল আৰু জনসাধাৰণৰ মাজত গঢ়ি উঠা মানসিক দূৰত্ব তথা বিচ্ছিন্নতাবোধ ; দ্ৰুত ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা সমাধানৰ প্ৰতি অগপ চৰকাৰৰ অনীহা তথা অমনোযোগিতা ইত্যাদি। এইবোৰৰ ওপৰিও আলফাই অসমক ভাৰতৰ পৰা স্বাধীন কৰিবলৈ উত্থাপন কৰা দাবী আৰু তাৰ প্ৰতি অসম গণ পৰিষদৰ গোপন সমৰ্থন থকা বুলি জনসাধাৰণৰ মাজত গঢ়ি উঠা সন্দেহে অসম গণ পৰিষদৰ নিৰ্বাচনী পৰাজয়ত বহুলাংশে বৰঙণি যোগালে।

অসমৰ সদ্য সমাপ্ত নিৰ্বাচনে অকল সমুখৰ পাঁচ বছৰৰ বাবে শ্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন অসমৰ কংগ্ৰেছ (ই) দলৰ হাতত দিশপুৰৰ শাসনৰ বাঘজৰি তুলি দিয়া নাই, লগতে এই নিৰ্বাচনে অসমৰ বাবে সুদূৰ প্ৰসাৰী কেইটামান গুৰুত্বপূৰ্ণ ৰায়দানো কৰিলে। ৬৭ শতাংশতকৈ অধিক হাৰত ভোট দান কৰি অসমৰ জনসাধাৰণে ভাৰতীয় সংবিধান স্বীকৃত আৰু প্ৰদত্ত গণতান্ত্ৰিক সংসদীয় পদ্ধতি পৰম্পৰাৰ প্ৰতি নিজৰ আস্থা প্ৰতিপন্ন কৰাৰ লগতে আলফাৰ



দ্বাৰা উত্থাপিত স্বাধীনতাৰ দাবীটোও নাকচ কৰিছে। কামৰূপ জিলাক বাদ দি আলফাৰ প্ৰতিপত্তি থকা বুলি ভাবি অহা জিলাকেইখনত বিশেষকৈ, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাওঁ, শোণিতপুৰত কংগ্ৰেছ (ই) ক ব্যাপক হাৰত ভোট দান কৰি এই কথা নিৰাঙ্কুঁশ ভাবে প্ৰতিপন্ন কৰাৰ লগতে অসম গণ পৰিষদৰ প্ৰতি তেওঁলোকৰ দীৰ্ঘদিনীয়া আৰু পঞ্জীভূত ক্ষোভৰে প্ৰমাণ দিছে। উদাহৰণ হিচাপে গোলাঘাটত কংগ্ৰেছ (ই) প্ৰাৰ্থীজনে জনতা দলৰ প্ৰাৰ্থীজনক ৫,৭৬৬ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰোতে অগপৰ প্ৰাৰ্থীজন তৃতীয় স্থানলৈ যাবলৈ বাধ্য হৈছে। ঠিক সেইদৰে পূব গোলাঘাট সমষ্টিত কংগ্ৰেছ (ই) প্ৰাৰ্থীয়ে অগপৰ প্ৰাৰ্থীক ৪,৬৭১ টা ভোটৰ ব্যৱধানত, চাবুৱাত ১৫,০৭৯ টা ভোটৰ ব্যৱধানত, দুলিয়াজানত ১২,৯২২ টা ভোটৰ ব্যৱধানত, মাহমৰাত নঅগপক ১০,৫১৩ টা ভোটৰ ব্যৱধানত, সোণাৰীত অগপক ১২,৫৫৬ টা, ডিগবৈত ২২,৭৪৫ টা, মাৰ্ঘেৰিটাত ৮,৫২৪ টা, মৰাণত ৫,৫২৩ টা, তিনচুকীয়াত ২১,২৩০ টা, ঢেকিয়াজুলিত ২৪,৪৮৮ টা, তেজপুৰত অগপক ২৪,১৭৭ টা আৰু ন অগপক ১০,৫৩০ টা, বৰছলাত অগপক ১৬,১৭২ টা আৰু নঅগপক ১৮,০২৯ টা, লাহোৱালত অগপক ১২,৯৫২ টা, কলিয়াবৰত ৭,৩৮৪ টা, লক্ষীমপুৰত ৪,৮৪৮ টা, নাওবৈছাত ২৪,২৭৪ টা, বোকাখাটত ৮,৬৫৮ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰিছে। আলফাৰ দ্বাৰা আতঙ্কিত আৰু অগপৰ দ্বাৰা বহুল ভাবে প্ৰতাৰিত মানুহে এইদৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি এক গুৰুত্বপূৰ্ণ ৰায়দান কৰিছে।

ব্ৰহ্মপুত্ৰ উপত্যকাত এই চিত্ৰৰ বিপৰীতে অগপৰ দ্বাৰা প্ৰতাৰিত কাৰ্বি আংলঙৰ লোকে তেওঁলোকৰ বাবে এখন গৃহভূমিৰ দাবীত সংগ্ৰামৰ সংগঠন স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ কৰ্মকৰ্তাসকলক বিপুল ভোটৰ ব্যৱধানত নিৰ্বাচিত কৰি নিজৰ ৰাজনৈতিক স্থিতিৰ প্ৰতি অটল হৈ থকাৰ সাক্ষী দাঙি ধৰিছে। কাৰ্বি আংলঙৰ চাৰিওটা বিধানসভা আৰু একমাত্ৰ লোক সভাৰ আসনখনত এ,এছ,,ডি,ছি,ৰ প্ৰাৰ্থী নিৰ্বাচিত হোৱাতো ৰাজনৈতিক ভাৱে নিতান্তই তাৎপৰ্যৰ কথা।

ঠিক সেইদৰে আবছু বি পি এ চি ৰ প্ৰভাৱাধীন এলেকা বিশেষকৈ কোকৰাঝাৰ জিলাত তেওঁলোকৰ সমৰ্থিত প্ৰাৰ্থীসকল নিৰ্বাচিত হৈছে। চিদলী, গোঁসাইগাও, কোকৰাঝাৰ পূৱ আৰু পশ্চিম এই চাৰিওটা সমষ্টিতে তেওঁলোকৰ সমৰ্থিত প্ৰাৰ্থী নিৰ্বাচিত হোৱাৰ লগতে কোকৰাঝাৰ সংসদীয় সমাষ্টিতো তেওঁল্মোকৰেই প্ৰাৰ্থীজন নিৰ্বাচিত হৈছে। দৰং জিলাৰ পানেৰী সমষ্টিটো আবছু বিপিএচি সমৰ্থিত প্ৰাৰ্থীজন নিৰ্বাচিত হৈছে। এই বিজয়ে যথাৰ্থভাৱেই বড়োলেণ্ডৰ দাবীক এক ৰাজনৈতিক স্থিতি আৰু মৰ্যদা প্ৰদান কৰিছে।

ইমানদিনে কংগ্ৰেছ (ই)ৰ দুৰ্গ বুলি স্বীকৃত হৈ অহা বৰাক উপত্যকাৰ লোকে কংগ্ৰেছ (ই)ক এইবাৰ প্ৰত্যাখ্যান কৰিছে। মনত ৰখা দৰ্কাৰ যে ১৯৮৫ৰ নিৰ্বাচনত কংগ্ৰেছ (ই) য়ে লাভ কৰা ২৫ খন আসনৰ ১১ খন আসনেই আহিছিল কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ পৰা। বঙালী ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুৰ দ্বাৰা অধ্যুষিত এই জিলা দুখনৰ ৰাজনৈতিক মেৰুভৱন এইবাৰ ধৰ্মৰ ভিত্তিত হৈছে। আৰু বঙালী ভাষিক জনগোষ্ঠীয়ে সম্প্ৰতি তেওঁলোকৰ ৰাজনৈতিক আনুগত্য সলনি কৰিছে। বোধহয় অসম বিধানসভাত পুনৰ অগপৰ সংখ্যাধিক্য আশঙ্কা কৰি আৰু আনহাতে দিল্লীত লালকৃষ্ণ আদাবাণীয়ে প্ৰধান মন্ত্ৰিত্বৰ গাদীত উপবিষ্ট হোৱাৰ দুৰাকাংখা কৰি বৰাকৰ বঙালী হিন্দুসকলে অসম বিধানসভালৈ নজন ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীক প্ৰতিনিধি হিচাপে পঠিয়াইছে আৰু লগতে শিলচৰ আৰু কৰিমগঞ্জৰ সংসদীয় সমষ্টি দুটাৰ পৰা সেই একে দলৰেই প্ৰাৰ্থীদুজনক নিৰ্বাচিত কৰি ৰাজনৈতিক বিস্ময়ৰ সৃষ্টি কৰাৰ লগতে অসমৰ ৰাজনীতিত ধৰ্মীয় সাম্প্ৰদায়িকতাৰ আমদানী কৰি এক ভীষণ বিপদ আৰু আশঙ্কাৰ আগ জাননী কঢ়িয়াই আনিলে। তাৎপৰ্যপূৰ্ণ কথা যে ধুবুৰী বিধানসভা সমষ্টিতো ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীজন নিৰ্বাচিত হোৱাত হিন্দু সাম্প্ৰদায়িকতাৰ বিষ বা ক্ষপুত্ৰ উপত্যকালৈও সম্প্ৰসাৰিত হ'ল। ই অসমৰ ৰাজনৈতিক জীৱনৰ বাবে শুভ লক্ষণ নহয়।

অসম আন্দোলনৰ সময়ৰ পৰাই অসমৰ অভিবাসী মুছলমান আৰু বঙালী হিন্দুসকলৰ কিছু সংখ্যক লোক বাওঁপন্থী মতাদৰ্শৰ প্ৰতি আকৰ্ষিত হোৱাতো দেখা গৈছিল। ১৯৮৫ ৰ নিৰ্বাচনৰ আগে আগে বাওঁপন্থী মতাদৰ্শৰ প্ৰতি এই জনগোষ্ঠী দুটাৰ মাজত গঢ়ি উঠা তীব্ৰ আনুগত্যই অসমত বামপন্থী দল কেইটাৰ বিশেষকৈ চি পি আই (এম) ৰ নিৰ্বাচনী তথা ৰাজনৈতিক স্থিতি যথেষ্ট শক্তিশালী কৰিব বুলি ভবা হৈছিল। কিন্তু নিৰ্বাচনৰ ঠিক প্ৰাক্ মুহূৰ্ত্তত সংগঠিত হোৱা সংযুক্ত সংখ্যালঘু মৰ্চাৰ আৰ্বিভাৱে বাওঁপন্থী সংগঠনৰ অগ্ৰগতিত যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল, নিজস্ব ঘোঁৰা সন্মুখত সাজু হোৱাত বাওঁপন্থীসকলক আদবাটতে এৰি এওঁলোকে তাতেই উঠি নিৰ্বাচনী যুঁজত জঁপিয়াই পৰে আৰু ১৭খন আসনত জয়লাভ কৰি অভিলেখ সৃষ্টি কৰে।

তাৎপৰ্যৰ কথা যে যি সময়ত চি পি আই (এম)ক বঙালীৰ দালাল বুলি অসম আন্দোলনৰ সময়ৰ পৰাই আখ্যা দি ব্যাপক নিৰ্যাতন চলাই অহা হৈছে, সেই সময়তেই অসমৰ চহৰ কেন্দ্ৰিক বঙালী ভদ্ৰলোকসকলে চি পি আই (এম)ক 'দুটো টাকা' আৰু সেই দলৰ বিৰোধী দলবোৰক ভোটটি দিয়াৰ কৌশল অবলম্বন কৰি অহাটো পৰিলক্ষিত হৈছে। এইটো অসমৰ ১৯৬৭ চনৰ নিৰ্বাচনৰ পৰা চলি অহা ঘটনা। এইবাৰো তাৰ পুনৰাবৃত্তি ঘটা বুলি বহুতে কব খোজে। নিৰ্বাচনোত্তৰ কালত এইদলে সংখ্যালঘূসকলৰ প্ৰতি কি দৃষ্টিভঙ্গী লয় সেইটো নিশ্চয় ভবিষ্যত ৰাজনীতিৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিব বুলি ভাবিব পাৰি। ক'ব পাৰি যে অসমত ধৰ্মীয় আৰু ভাষিক সংখ্যালঘূসকলে বাওঁ শিবিৰ তথা চি, পি, আই (এম)ৰ সম্পদ নহৈ আপদ ( liability ) ( liability ) হে হৈ পৰিছে। এই ক্ষেত্ৰত বাওঁপন্থীসকলৰ প্ৰতি নেপালীসকলৰো দৃষ্টিভঙ্গী একেই পৰ্যায়ৰ।

আমাৰ পূৰ্বৰ নিবন্ধতেই ( ১-১৫ জুন সংখ্যা সূত্ৰধাৰ ) কৈ থৈছিলো যে অসমৰ নিৰ্বাচনত আঞ্চলিক ৰাজনীতিৰ তথা অসমীয়া জাতীয়তাবাদৰ বিপৰীতে সৰ্বভাৰতীয় ৰাজনীতিৰ বিজয় সুনিশ্চিত হ'ব আৰু 'আগত দিনত অসমৰ ৰাজনীতিয়ে এটি নতুন সৰ্বভাৰতীয় মোৰ ল'ব। "নিৰ্বাচনৰ ফলাফলে আমাৰ এই উপলব্ধি সচাঁ বুলি প্ৰমাণিত কৰিলে। আৰু এতিয়াৰ পৰা অসমৰ ৰাজনীতিয়ে কি ৰূপ লয় তাৰ প্ৰতিয়েই সকলোৰে আগ্ৰহ। ■





OKDISCD

# ‘নতুন চৰকাৰৰ পৰা আমি কি বিচাৰো’

"নতুন চৰকাৰৰ পৰা আমি কি বিচাৰো" এই শীৰ্ষক প্ৰশ্নৰ উত্তৰৰ ভিত্তিত অসমৰ বিভিন্ন শ্ৰেণীৰ, বিভিন্ন বৃত্তিৰ, বিভিন্ন বয়সৰ নাগৰিকৰ সৈতে হোৱা অন্তৰংগ আলাপ আলোচনাৰে এই বিস্তৃত পৰ্যালোচনাটি সূত্ৰধাৰৰ পাঠকৰ বাবে যুগুত কৰিছে ভাস্কৰ জ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাসে।

অৱশেষত বিভিন্ন জল্পনা-কল্পনা, হত্যা সংঘৰ্ষ, শংকা-সন্দেহৰ অৱসান ঘটাই ভাৰতৰ ১০ম সংসদীয় নিৰ্বাচন অনুষ্ঠিত হৈ গ'ল। লোকসভাৰ মুঠ ৫৪৩ আসনৰ ভিতৰত কাশ্মীৰ আৰু শেষ মুহূৰ্তত মুখ্য নিৰ্বাচনী আয়ুক্তৰ পুনৰ বিতৰ্কিত সিদ্ধান্তেৰে পাঞ্জাৱত নিৰ্বাচন স্থগিত ৰখাৰ পিছত লোকসভাৰ ৫১১ খন আসনৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনে আৰু এখন ত্ৰিশংকু সংসদৰ সৃষ্টি কৰিলে।

নিৰ্বাচনটোৰ কেইটামান অন্যতম গুৰুত্বপূৰ্ণ দিশ হ'ল– হিন্দুত্বৰ শ্লোগানেৰে তথাকথিত ৰাষ্ট্ৰীয় বিষয় সূচীৰ অৱতাৰণাৰে বিজেপি-ৰ অভূতপূৰ্ব সাফল্য আৰু সংসদত দ্বিতীয় বৃহৎ সংখ্যাগৰিষ্ঠ দল হিচাপে স্বীকৃতি, উত্তৰ ভাৰতত কংগ্ৰেছ-ইৰ বিপৰ্যয় আৰু বাওঁ গণতান্ত্ৰিক মৰ্চাৰ ব্যৰ্থতা।

সংসদত মিত্ৰ দলবোৰৰ সৈতে প্ৰায় ২৪০ খন আসন লাভ কৰি কংগ্ৰেছ-ই দলে পি ভি নৰসিংহ ৰাওৰ নেতৃত্বত কেন্দ্ৰত এখন সংখ্যালঘু চৰকাৰ ইতিমধ্যে গঠন কৰিছে। এই চৰকাৰে এতিয়ালৈকে আস্থা-ভোটৰ বিষয়টোত কোনো দলৰ পৰা ইতিবাচক সঁহাৰি পোৱা নাই আৰু সেই হেতু দেশৰ ৰাজনৈতিক প্ৰেক্ষাপট আৰু আৰ্থ-সামাজিক ভৱিষ্যতৰ সন্দৰ্ভত শংকা আৰু অনিশ্চয়তা এতিয়াও বিৰাজমান। নিৰ্বাচনটোৰ পৰা জনসাধাৰণে উপলব্ধি কৰিব লগীয়া গুৰুত্বপূৰ্ণ কথাটো হ'ল যোৱা তিনিটা বছৰত দুবাৰকৈ অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনৰ কোটি কোটি টকাৰ ব্যয় অনাগত দিনবোৰত জনসাধাৰণেই বহণ কৰিব লাগিব। সুস্থিৰতাৰ ধ্বনিৰে নিৰ্বাচনী ৰণত অৱতীৰ্ণ হোৱা কংগ্ৰেছ-ই দলে নিৰংকুশ সংখ্যা গৰিষ্ঠতাৰ অভাৱত এখন সংখ্যা গৰিষ্ঠ চৰকাৰ গঠন কৰিব নোৱাৰিলেও ৰাজনৈতিক বুজাবুজি আৰু আলাপ-আলোচনাৰে এই সমস্যাৰ এক সমাধান হব বুলি আশা কৰিব পাৰি কিয়নো দেশখনৰ বৰ্তমানৰ প্ৰবল অৰ্থনৈতিক সংকটৰ কালত পুনৰ মধ্যবৰ্তী নিৰ্বাচন ৰাইজে কেতিয়াও মানি নলয় আৰু সেয়ে হ'লে সি ভাৰতীয় গণতন্ত্ৰৰ ভৱিষ্যত সম্বন্ধেই এক অনিশ্চয়তা আৰু ভাবুকিৰ জন্ম দিব।

বৰ্তমান দেশৰ সমুখত অলেখ সমস্যাই ঠাহ খাই আছে। অৰ্থ সংকট, বৈদেশিক ঋণৰ অস্থিৰতা, বৈদেশিক মুদ্ৰাৰ ঘাটি বাজেটৰ পৰ্বত-সদৃশ পৰিসৰ, দেশজুৰি চলা সাম্প্ৰদায়িক সংঘৰ্ষ, অসম-পাঞ্জাৱ-কাশ্মীৰ সমস্যাই সৃষ্টি কৰা দেশৰ অখণ্ডতাৰ প্ৰতি ভাবুকি, মূল্যবৃদ্ধি, নিবনুৱা সমস্যা ইত্যাদি।

এনে ক্ষেত্ৰত নৱ নিৰ্বাচিত সদস্যসকলে কেনেকুৱা স্থিতি লয়, তাৰ ওপৰতে দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। অহা ৫ বছৰ দেশৰ বাবে আটাইতকৈ সংকটপূৰ্ণ সময়। পূৰ্বে লোকসভাই কেতিয়াও এনেকুৱা জটিল সমস্যাৰ সমুখীন হোৱা নাছিল। যদি উল্লিখিত সময়ৰ ভিতৰত অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনত চৰকাৰ ব্যৰ্থ হয় তেতিয়া হ'লে দেশখন আন্তঃৰাষ্ট্ৰীয় বজাৰত দেউলীয়াত পৰিণত হব আৰু সেই সময়ৰ শেষত হয়তো দেশৰ সামগ্ৰিক ঋণৰ পৰিমাণ হবগৈ দুই লাখ কোটি টকাৰ ওচৰা-ওচৰি।

সমগ্ৰ দেশৰ লগতে ভাৰতবৰ্ষৰ ৭খন ৰাজ্যত বিধান সভাৰ নিৰ্বাচনো অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও মূৰকত গৈ পাঞ্জাৱক বাদ দি কেৰালা, তামিলনাডু, উত্তৰ প্ৰদেশ, হাৰিয়ানা, পশ্চিমবংগ আৰু অসমত নিৰ্বাচন সুকলমে অনুষ্ঠিত হৈ যায়।

আশ্বৰ্যজনক ভাবে কোনো অশান্তিৰ অৱতাৰণা নোহোৱাকৈ পাৰ হৈ যোৱা অসমৰ ৰাজ্য বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ-ই দলে ৬৫ খন আসনত জয়লাভেৰে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছে আৰু এই দলে লোকসভাৰো ৮ খন আসন দখল কৰিছে। ইতিমধ্যে ৰাজ্যখনত কংগ্ৰেছ-ই দলৰ নেতা শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত এখন নতুন মন্ত্ৰী সভা গঠিত হৈছে।



ৰাজ্যখনৰ নিৰ্বাচনৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ হ'ল– এক জাতীয় বিষয়ৰ অৱতাৰণাৰে ১৯৮৫ চনত ৰাজ্যৰ ক্ষমতাৰ বাঘজৰি দখল কৰা আঞ্চলিক শক্তি অসম গণ পৰিষদ আৰু ইয়াৰ পৰা ফালৰি কাটি গৈ সৃষ্টি হোৱা ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন আন আঞ্চলিক দল সমূহৰ শোচনীয় পৰাজয়। জাতীয় চেতনাক জাতীয়তাবাদৰ এক সবল ধাৰালৈ ৰূপান্তৰিত কৰাত ব্যৰ্থতা, প্ৰশাসনীয় অযোগ্যতা, আত্ম-সমালোচনাহীন মনোভাব, দুৰ্নীতি, স্পষ্ট নীতি আৰু আদৰ্শগত ভেটিৰ অভাৱ, ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নত ব্যৰ্থতা আৰু সৰ্বোপৰি দলীয় খোৱা-কামোৰাই এই দলসমূহক পৰাজয়ৰ পথলৈ ঠেলি দিলে। ইতিমধ্যে অসমত গা কৰি উঠা উগ্ৰপন্থী আন্দোলন আদিৰ দ্বাৰা ৰাজ্যখনৰ ক্ৰমবৰ্ধমান অশান্তি আৰু অস্থিৰতাই পুনৰবাৰ (বিকল্পৰ সন্ধানতেই হওক বা নিৰাপত্তাৰ খাতিৰতেই হওক), শান্তি আৰু সুস্থিৰতাৰ বিষয়টোৰ প্ৰতি মনোযোগ দিয়েই এসময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাইজে চিৰশত্ৰু বুলি গণ্য কৰা কংগ্ৰেছ-ই দলক নিৰংকুশ সংখ্যা গৰিষ্ঠতাৰে ক্ষমতালৈ আনিলে। ৰাজ্যখনৰ নিৰ্বাচনৰ আন দুটা গুৰুত্বপূৰ্ণ আৰু লক্ষণীয় বিষয় হ'ল বড়ো জনজাতি অধ্যুষিত অঞ্চল আৰু স্বায়ত্ত-শাসিত জিলাত প্ৰথমবাৰৰ বাবে দুটা নতুন আঞ্চলিক শক্তিৰ অভ্যুদয়। সেই দৰে কংগ্ৰেছৰ ঘাটি বুলি ইতিপূৰ্বে জনাজাত বৰাক উপত্যকাত প্ৰায় ১০ খন বিধানসভা আসন আৰু দুখন লোকসভা আসনেৰে বিজেপিৰ উত্থানো অসমৰ ৰাজনীতিত প্ৰথম ঘটনা আৰু এই সমূহ ঘটনাই ৰাজ্যখনৰ ৰাজনৈতিক প্ৰেক্ষাপটত অদূৰ ভৱিষ্যতে এক সুদূৰপ্ৰসাৰী প্ৰভাৱ নিশ্চয় পেলাব।

যি কি নহওক নিৰ্বাচন শেষ হ'ল, চৰকাৰ গঠন হ'ল, সুশোভিত দেৱাল লিখন আৰু প্ৰচাৰ অভিযানৰ উদ্যম নাটকীয় হ'ল– কিন্তু সমস্যাবোৰ আগেয়েও আছিল আৰু এতিয়াও আছে। সমস্যাৰ শেষ নাই, চাৰিওফালে কেৱল সমস্যাই সমস্যা। আৰু আছে দেশৰ সাধাৰণ মানুহৰ আশা যি আশাৰে আজিও সঞ্জীৱিত হৈ আছে ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰৰ ৰাজনীতি।

ৰাইজে আশা কৰে, নতুন চৰকাৰ হৈছে বহু সমস্যাৰ ওৰ পৰিব। দেশলৈ শান্তি-সমৃদ্ধি ঘূৰি আহিব আৰু একবিংশ শতিকাক আদৰিবলৈ যোৱাৰ এই প্ৰাকমুহূৰ্ততো কুকুৰ-মেকুৰীৰ দৰে জীয়াই থকা দেশৰ মানুহে ন্যূনতম প্ৰয়োজনীয়খিনি লাভ কৰিব প্ৰগতিৰ জোৱাৰে সুখৰ প্লাবন আনিব নোৱাৰিলেও দুখৰ বোজা পাতলাব। কিন্তু ইয়াকে নকৰি কেৱল আঁচনি আৰু শব্দৰ ফুলজাৰিৰে গণপ্ৰতাৰণা বেছি দিন নচলিব আৰু সেয়ে হ'লে সমগ্ৰ দেশেই হৈ পৰিব অৰ্থনৈতিক ভাবে পংগু, ঋণফান্ডৰ বন্দী আৰু গৃহযুদ্ধৰ প্ৰবল আশংকাৰ কেন্দ্ৰস্থল। বহু দিনৰ মূৰত ৰাইজৰ আস্থা ভোট লাভ কৰি শাসনাধিষ্ঠ হোৱা কংগ্ৰেছৰ বাবেও এয়া শেষ সুযোগ কিয়নো এইবাৰ যদি কংগ্ৰেছ চৰকাৰ দেশৰ জনগণৰ প্ৰকৃত



সন্ত্ৰাসবাদ পৰিচিত দৃশ্য

মংগলৰ অৰ্থে আত্মনিয়োজিত নহয়, তেন্তে অদূৰ ভৱিষ্যতে জনসাধাৰণে হয়তো নিজেই নিজৰ ভাগ্য নিয়ন্ত্ৰণৰ পথো বাছি লব।

এনে সন্ধিক্ষণত "নতুন কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ পৰা আমি কি আশা কৰো" এই শীৰ্ষক পৰ্যালোচনাটি দাঙি ধৰা হৈছে।

ৰাজ্যখনৰ বিভিন্ন শ্ৰেণীৰ, বিভিন্ন বৃত্তিৰ আৰু বিভিন্ন বয়সৰ নাগৰিকৰ মতামত সাপেক্ষে প্ৰস্তুত কৰা এই নিবন্ধত এইসমূহ আশা পূৰণ কৰিবলৈ যাওঁতে চৰকাৰৰ দায়িত্ব আৰু ভূমিকা কি হোৱা উচিত আৰু এইক্ষেত্ৰত জনসাধাৰণৰ দায়িত্ব-কৰ্তব্য কি হব তাৰ ওপৰতো বিশেষ ভাবে আলোকপাত কৰা হৈছে। অনুসন্ধানমূলক অন্তৰংগ আলাপৰ ভিত্তিত প্ৰস্তুত কৰা এই আলোচনাত জনসাধাৰণৰ আশা-আকাংক্ষাক সংঘবদ্ধ ৰূপত প্ৰকাশ কৰাৰ লগতে চৰকাৰৰ কাম-কাজ যাতে ৰাইজৰ প্ৰতি দায়বদ্ধতাৰ চিন স্বৰূপ হয় তাৰ বাবেও কিঞ্চিৎ পৰামৰ্শৱলী সন্নিবিষ্ট কৰা হৈছে।

## শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী, *(৯০)*

*প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, মুক্তি যুঁজাৰু, তেজপুৰ*

"এই ৯০ বছৰ বয়সত আমাৰ আশা-আকাংক্ষাৰে বা কি মূল্য আছে। এতিয়া ৰাজনীতিৰ পৰাও বহু দূৰত আৰু ঘৰখন বা আত্মীয় স্বজনক বাদ দি ৰাইজৰ পৰাও প্ৰায় নিলগত। তথাপি কাকতে-পত্ৰই, ৰেডিঅ'ই-টিভিয়ে যি শুনো, দেখো তাৰ ওপৰত ভিত্তি কৰি ক'ব বিচাৰো যে দেশখন বৰ অশান্তি-জৰ্জৰিত হৈছে আৰু এনে অৱস্থাত শান্তি-সুস্থিৰতাই সকলোৰে একান্ত কাম্য।"

## প্ৰণৱ সিংহ, *(৪০)*

*সাহিত্য-সংবাদসেৱী, তেজপুৰ*

"দেশৰ প্ৰতিৰক্ষা ব্যয় অত্যধিক হৈছে। প্ৰতিৰক্ষাৰ অতিৰিক্ত ব্যয় হ্ৰাস কৰিব লাগিব। দেশখন বৰ্তমান যি অৰ্থ সংকটত ডুব গৈ আছে তাৰ পৰা আশা কৰিব নোৱাৰিলে মূল্যবৃদ্ধি হ্ৰাস পাব। তথাপি দেশৰ মধ্যবিত্ত আৰু সাধাৰণ শ্ৰেণীৰ মানুহৰ ওপৰত কৰৰ বোজা কমাই



OKDISCD

অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাটো বাঞ্চনীয় আৰু তেনে ক্ষেত্ৰত চৰকাৰে অতি বিস্তৃত বিশ্লেষণৰ দ্বাৰা এক জন উপযোগী বাজেট প্ৰস্তুত কৰিব লাগে।

দেশৰ লগতে ৰাজ্যখনৰ কৃষিখণ্ডত অধিক গুৰুত্ব দি উৎপাদিকা শক্তি বৃদ্ধিৰ লগতে উৎপাদন বৃদ্ধিৰ ব্যৱস্থা হাতত লব লাগে আৰু কৃষি ভিত্তিক উদ্যোগৰ লগতে বৃত্তিমুখী শিক্ষাৰে স্বনিয়োজনৰ সুবিধা প্ৰদান কৰিব লাগে। ইয়াৰ দ্বাৰা নিবনুৱা সমস্যা বহু পৰিমাণে সমাধান হব।

অসমৰ নিৰ্বাচনত ভোটৰ গোষ্ঠীগত বিভাজন স্পষ্ট হৈ পৰিছে আৰু অতিশয় বেয়া লক্ষণ। অসমৰ বিভিন্ন জনগোষ্ঠীৰ আৰ্থিক উন্নয়নৰ লগতে মানসিক বিকাশৰ বাবে চৰকাৰ অধিক তৎপৰ হব লাগে আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰয়োজনীয় কাৰিকৰী আৰু প্ৰযুক্তি কৌশল ৰাজ্যখনতে আৱিষ্কাৰ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।"

## হেম দাস, *(৭৪)*

*সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া, তেজপুৰ*

"ৰাইজে চৰকাৰ পাতিছে। চৰকাৰৰ কাম-কাজত ৰাইজে চকু দিব লাগিব। মানুহে প্ৰধানতঃ শান্তি, সুস্থিৰতা আৰু অৰ্থনৈতিক উন্নয়নৰ বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখিয়েই নিজৰ ৰায়দান কৰিছে। নতুন চৰকাৰে ৰাজ্যখনত শান্তি আৰু সুস্থিৰতা আনিবলৈ হিংসা আৰু সন্ত্ৰাসবাদৰ মূল কাৰণ সমূহ ফঁহিয়াই চাই আলাপ-আলোচনীৰে, সৌহাৰ্দ্যমূলক ভাবে নিষ্ঠাৰে এইবোৰৰ সমাধানত ব্ৰতী হওক- এয়াই আমাৰ কাম্য।

প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ ঘটাই প্ৰকৃতাৰ্থত জন চেতনাৰ বিকাশ সাধনৰ দ্বাৰাহে গণতন্ত্ৰৰ ভেটি সুদৃঢ় হয়। সেয়াও চৰকাৰৰ পৰা আশা কৰিম। প্ৰত্যেককে নিজৰ নিজৰ ভাগৰ কাম নিষ্ঠাৰে পালনত ব্ৰতী কৰক- চৰকাৰ আৰু প্ৰশাসনৰ এনে বিচক্ষণতাই উন্নতি নিশ্চয় আনিব পাৰিব।"

## সুভাষ বিশ্বাস, *(৪০)*

*অধিবক্তা, তেজপুৰ*

"কেন্দ্ৰীয় মন্ত্ৰীসভাৰ গঠনত কেন্দ্ৰৰ বৈষম্যবাদী নীতিৰ পুনৰ প্ৰতিফলন ঘটিল। উত্তৰ-পূব অঞ্চলৰ প্ৰায়বোৰ ৰাজ্যতে কংগ্ৰেছ-ইৰ অভূতপূৰ্ব সাফল্যৰ পিছতো এই অঞ্চলৰ এজনো সাংসদক কেবিনেট পৰ্যায়ৰ মন্ত্ৰী কৰা নহ'ল। অৱশ্যে তিনিজনক স্বতন্ত্ৰভাবে ৰাজ্য মন্ত্ৰীৰ ভাৰ দিয়া হৈছে। আশা ৰাখিম এই সকলে যেন অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক প্ৰগতিৰ দিশটোত গুৰুত্ব আৰোপ কৰে আৰু অসমক শোষণ কৰা নীতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত গণমুখী পৰিকল্পনাৰে দ্ৰব্য মূল্যবৃদ্ধি ৰোধ কৰক আৰু অৰ্থনৈতিক কাৰণতে জন্ম হোৱা উগ্ৰপন্থী কাৰ্যকলাপ সমূহৰ সমাধানত আলোচনা আৰু পাৰস্পৰিক সহযোগিতাৰে আগবাঢ়ক– এয়াই কাম্য।"

## সুজিত শৰ্মা, *(৩২)*

*অভিনেতা শিল্পী, শোণিতপুৰ*

"ৰাজ্যখনত কংগ্ৰেছ-ই দল কেৱল ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু বা গোষ্ঠীগত ভোট পাই জিকি আহিছে বুলিলে ভুল হব। অসম চুক্তিৰ বাস্তৱিক ক্ষেত্ৰত সাৰশূন্যতা, প্ৰায় সকলোবোৰ দিশতে অগপ-ৰ শোচনীয় ব্যৰ্থতা আৰু আঞ্চলিক দলসমূহৰ মাজৰ বিভাজনে কংগ্ৰেছ-ইক এক বিকল্প চৰকাৰৰ ৰূপত অধিষ্ঠিত কৰিলে। দেশ তথা ৰাজ্যখনৰ সকলো সমস্যাৰ মূলতে আছে অৰ্থনৈতিক অনগ্ৰসৰতা আৰু নিবনুৱা সমস্যা। কৃষি আৰু উদ্যোগ ক্ষেত্ৰৰ সুসমন্বিত বিকাশ সাধনৰ দ্বাৰা, ঋণ-সুবিধা সম্প্ৰসাৰণ আদিৰ যোগে নতুন চৰকাৰে নিজৰ ইস্তাহাৰত কোৱাৰ দৰে যুৱক সকলৰ সংস্থাপনৰ দিহা কৰি নিবনুৱা সসম্যা সমাধান কৰিব লাগে।"

## দিলিপ বৰা, *(৩২)*

*থলুৱা উদ্যোগী, নতুন অসম গণ পৰিষদৰ জিলা পৰ্যায়ৰ সদস্য*

"মূলত চৰকাৰে অসম চুক্তি ৰূপায়ণ কৰিব লাগে আৰু ইয়াৰ উল্লিখিত অৰ্থনৈতিক ব্যৱস্থা সমূহ কাৰ্যত পৰিণত কৰিব লাগে। ৰাজ্যখনৰ নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে ক্ষিপ্ৰতৰ অৰ্থনৈতিক উন্নয়নৰ দ্বাৰা ৰাজ্যখনৰ প্ৰগতিৰ দিশত নতুন জোৱাৰ অনাটো বিচাৰো। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ উন্নতি সাধনেৰে আঞ্চলিক অসমতা দূৰীকৰণো অতিশয় গুৰুত্বপূৰ্ণ।

## ভাৰত শৰ্মা, *(৬০)*

*অধ্যক্ষ, তেজপুৰ অকাডেমী*

"মূল বিষয়টো হ'ল শান্তি স্থাপন। শান্তি আৰু সুস্থিৰতা অবিহনে অৰ্থনৈতিক কাম-কাজ প্ৰায় অসাৰ। আলোচনাৰ বাবে সুস্থ পৰিবেশ সৃষ্টি কৰি 'আল্‌ফা'ৰ সৈতে আলাপ-আলোচনাৰে ৰাজ্যখনলৈ শান্তি ঘূৰি অহাটো কামনা কৰো। জনসাধাৰণে চৰকাৰৰ গঠনমূলক কাম-কাজত সহযোগিতা কৰিব লাগে। একবিংশ শতিকাৰ দুৱাৰডলিত ভৰি দিবলৈ যোৱাৰ সময়ত ভাৰতবৰ্ষ বিভিন্ন বাদানুবাদেৰে আক্ৰান্ত। এই সমূহৰ বাবে কেৱল বাহিৰা শক্তিকে জগৰীয়া কৰি নাথাকি, কংগ্ৰেছে অতীতত কৰি অহা তোষণ-শোষণৰ ৰাজনীতি পৰিহাৰ কৰি শান্তি আৰু সুস্থিৰ পৰিবেশৰ মাজত শিক্ষাৰ অনুকূল বাতাবৰণ গঢ়ি তোলাটোকেই অতিশয় আশাৰে কামনা কৰো।"

## গিৰিমুকুট কেওঁট, *(৩৫)*

*ব্যৱসায়ী, তেজপুৰ, বাওঁপন্থী চিন্তাৰে প্ৰভাৱিত*

"জনসাধাৰণৰ ৰাজনৈতিক চেতনাৰ অপৰিমেয় অভাৱ আৰু বাওঁ গণতান্ত্ৰিক দলসমূহৰ অপৰিপক্ক ৰাজনৈতিক চিন্তাৰ সুযোগত ৰাজ্য আৰু কেন্দ্ৰত কং-ই চৰকাৰ হৈছে। স্বাধীনতাৰ পিছৰ পৰাই কংগ্ৰেছৰ ভুল অৰ্থনীতিৰ ফলতে দেশত উগ্ৰজাতীয়তাবাদী আৰু সাম্প্ৰদায়িক শক্তিসমূহৰ শ্ৰীবৃদ্ধি হ'ল। তথাপি বহু বিপৰ্যয়ৰ মূৰকত নব গঠিত কং-ই চৰকাৰৰ পৰা কিছু কাম-কাজ আশা কৰাটো গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে মোৰ অন্যায় নহব নিশ্চয়।

ৰাজীৱ গান্ধীৰ দুখঃজনক হত্যাকাণ্ডৰ পিছত কং-ই দল আৰু চৰকাৰত ব্যক্তি একনায়কত্ববাদৰ ওৰ পৰিব আৰু দল আৰু চৰকাৰৰ বিভিন্ন পৰ্যায়ত আভ্যন্তৰীণ গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব আৰু পূৰ্বৰ ভুল নীতি পৰিবৰ্তন কৰিবলৈ নেতৃবৃন্দ তৎপৰ হব বুলি মই প্ৰথমেই আশা কৰিম।

দেশৰ সমুখত দেখা দিয়া বিচ্ছিন্নতাবাদ সাম্প্ৰদায়িকতাবাদ আৰু উগ্ৰপন্থী শক্তিসমূহ নিৰ্মূল কৰা, কৰ্ম সংস্থান তৈয়াৰ কৰা আৰু মূল্যবৃদ্ধি ৰোধ কৰাই হব নতুন চৰকাৰৰ প্ৰাথমিক কৰ্তব্য। ইয়াকে কৰিবলৈ যাওঁতে চৰকাৰে সমূহ ৰাজনৈতিক দল, বুদ্ধিজীৱী সকল আৰু বিভিন্ন গণতান্ত্ৰিক সংগঠনৰ লগত আলাপ-আলোচনা কৰা আৰু গঠনমূলক পৰামৰ্শ গ্ৰহণ কৰা উচিত।"

## শ্ৰীমতী লতিকা দেৱী, *(৩০)*

*মাতৃ, গৃহিনী, ছাত্ৰী, কামাখ্যা গেট, গুৱাহাটী।*

শ্ৰীমতী লতিকা দেৱীৰ মতে, নতুন চৰকাৰখনে পোন প্ৰথমে ৰাজ্যৰ অস্থিৰ শিক্ষানীতিৰ ওপৰত চকু দিব লাগে। ঘনাই সলনি হৈ থকা স্কুলীয়া পাঠ্যক্ৰম যাতে পুনৰ সলনি নহয় অথবা নিৰ্দিষ্টকৈ যুগুত কৰা পাঠ্যক্ৰম সহকাৰে প্ৰথমেই বিচাৰ কৰিব লাগে আৰু সেই মতে আইন প্ৰণয়ন কৰি হ'লেও ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## শ্ৰীলালু বাচফোৰ, *(৪০)*

*হৰিজন, জালুকবাৰী*

এওঁৰ কোনো ৰাজনৈতিক আনুগত্য নাই। আমি শ্ৰীবাচফোৰক নতুন চৰকাৰখনৰ প্ৰথম কাম কি হব বুলি সুধিছিলো– তেওঁৰ মতে, "চৰকাৰ সকলো সমান। নতুনত্ব একো নাই; চৰকাৰ আহিছে আৰু চৰকাৰ গৈছে। নিম্ন শ্ৰেণীৰ কেতিয়া ক'তো উন্নতি হোৱা নাই। নিৰ্বাচনৰ বাবেহে জনগণৰ সহায়ৰ প্ৰয়োজন হয়, ক্ষমতালৈ আহিলে চৰকাৰে প্ৰতিশ্ৰুতি, পাহৰি যায়- যোৱা দেখি আহিছো। তথাপিও এইখন চৰকাৰে প্ৰথমে বস্তুৰ দাম কমাওক। 'পেহলেতো বহুত কাম কৰনা হ্যয়– ফিৰ ভী ইয়ে চাফ বাত হ্যয় কি হমাৰা জেইসা লোগো কে লীয়ে সামান কা ইতনা মেহংগাই বিলকুল বে-ইনচাফী হ্যয়।"

## শ্ৰীগনেশ কলিতা *(৩০)*

*গেলামালৰ ব্যৱসায়ী, জালুকবাৰী, ৰাজনৈতিক আনুগত্য নাই।*

শ্ৰীকলিতাই কয়– "আগৰ চৰকাৰে যিবোৰ কাম আধৰুৱা কৰি এৰি থৈ গ'ল এই চৰকাৰে সেইবোৰ সম্পূৰ্ণ কৰিব লাগে। অসম চুক্তিক চৰকাৰে প্ৰাধান্য দিয়া উচিত-সৰ্ব প্ৰথমে।"

## শ্ৰীৰামনাথ সিং, *(৪৫)*

*নাপিত খানাপাৰা, ৰাজনৈতিক আনুগত্যা নাই*

শ্ৰীসিঙৰ মতে নতুন চৰকাৰে 'দুই-নম্বৰী' নোহোৱা কৰিব লাগে। দেশত চলি থকা চোৰাং কাৰবাৰ বন্ধ কৰিব লাগে।

## শ্ৰীমতী জুৰি জখৰীয়া *(৩৫)*

*গৃহিনী, মাতৃ, শান্তিপুৰ, গুৱাহাটী।*

এখেতৰো ৰাজনৈতিক আনুগত্য নাই। শ্ৰীমতী জখৰীয়াই কয় যে– নতুন চৰকাৰে ৰাজ্যত পোন প্ৰথমে শান্তি স্থাপন কৰিব লাগে। সকলোকে নিৰাপত্তা প্ৰদান কৰাটোৱে চৰকাৰখনৰ প্ৰথম আৰু প্ৰধান কাম বুলি শ্ৰীমতী জখৰীয়াই আমাক জানিবলৈ দিয়ে। শ্ৰীমতী জখৰীয়াই আৰু কয় যে ৰাজ্যৰ ঔদ্যোগিক দিশটোৰ প্ৰতিও চৰকাৰে প্ৰথমেই চকু দিব লাগে।

## শ্ৰীসমুজ্জল ভট্টাচাৰ্য, *(২৯)*

*সাধাৰণ সম্পাদক, সদৌ অসম ছাত্ৰ সন্থা, গুৱাহাটী বিশ্ববিদ্যালয়*

শ্ৰীভট্টাচাৰ্যক আমি আমাৰ প্ৰশ্ন সোধাত তেখেত কয় যে– নতুন চৰকাৰখনে সৰ্ব প্ৰথমে তেওঁলোকৰ নীতি সন্দৰ্ভত স্পষ্ট বক্তব্য দাঙি ধৰক। অসমৰ 'ইচ্যু' সমূহৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী আৰু প্ৰয়াস পোনতেই ব্যক্ত কৰক।

## শ্ৰীজগদিন্দ্ৰ নাৰায়ণ ৰয়, *(৪৮)*

*হাইস্কুল শিক্ষক, কাছখানা, ধুবুৰী।*

এখেতৰ কোনো ৰাজনৈতিক দলৰ প্ৰতি আনুগত্য নাই। শ্ৰীৰয়ক আমাৰ প্ৰশ্ন সোধাত ক'লে "অসমৰ ৰাইজৰ আশীষ লৈ অহা চৰকাৰখনে সৰ্বপ্ৰথম অসমীয়াৰ জাতীয় ঐক্য সংহতি বিনষ্ট হোৱাৰ ভয় দূৰ কৰিব লাগে। অসমীয়াৰ জাতীয় ঐক্য আৰু সংস্কৃতি অটুট ৰাখিবলৈ অসমৰ বিভিন্ন অঞ্চলত থকা জাতি জনজাতি, জনগোষ্ঠীৰ সমভাবে প্ৰগতিৰ ক্ষেত্ৰত আঁচনি লৈ অসমক সমৃদ্ধিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। অসমৰ বিভিন্ন জাতি-উপজাতি আৰু জনজাতিৰ মানুহৰ প্ৰতি থকা অসম চৰকাৰ বিলাকৰ পক্ষপাতিত্বমূলক ৰাজনৈতিক নীতি সমূহেই হৈছে অসমীয়াৰ জাতীয় ঐক্য সংহতিৰ একমাত্ৰ অন্তৰায়। এই অন্তৰায় আঁতৰ কৰাটোৱে চৰকাৰখনৰ প্ৰথম কাম বুলি ভাবো।"

## শ্ৰীইন্দ্ৰদেও ৰজক *(৩৮)*

*ধোবা, আজাৰা।*

শ্ৰীৰজকক আমি লগ ধৰি সুধিছিলো আমাৰ প্ৰশ্ন। শ্ৰীৰজকে ক'লে– যে দেশৰ বৰ্তমান যি অশান্তিময় পৰিবেশ গঢ় লৈ উঠিছে– এই পৰিবেশক শান্ত কৰি শান্তি স্থাপন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## ড০ এচ, চি, দেৱ, *(৫০)*

*প্ৰফেচৰ আৰু মুৰব্বী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*

ড০ দেৱক আমি সুধিছিলো– নতুন চৰকাৰখনৰ সন্দৰ্ভত। তেখেতে প্ৰথমেই আমাক পৰিষ্কাৰ কৰি দিয়ে যে তেখেতৰ কোনো ৰাজনৈতিক অভিজ্ঞতা অথবা কোনো দলৰ প্ৰতি আনুগত্য নাই। এজন শিক্ষাবিদ হিচাপে তেখেতে আমাক আমাৰ প্ৰশ্নৰ উত্তৰত জনায় এই দৰে– "প্ৰতিখন চৰকাৰেই প্ৰায়েই কিছুমান বিষয়ক আওকাণ কৰি যায়। নতুন চৰকাৰখনে অন্ততঃ এই শিক্ষাৰ বিষয়টোক চকু দিব লাগে।

কেৰালাখন যদি ভাৰতৰ ভিতৰত শিক্ষাৰ ক্ষেত্ৰত আগ বঢ়া হব পাৰে অসমখন কিয় নোৱাৰে। আচল কথা হ'ল আমাৰ ৰাজ্যৰ মানুহৰ শিক্ষা সম্পৰ্কে থকা অজ্ঞতা। স্কুল, কলেজ, বিশ্ববিদ্যালয় পৰ্যায়তো অনুষ্ঠানবোৰৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা জনগণৰ মাজত শিক্ষাৰ জাগৰণ কাৰ্যসূচী গ্ৰহণ কৰিব পৰা যায়। লগতে পৰিবেশ সম্পৰ্কেও ৰাইজক সচেতন কৰিব লাগে। এই পৰিবেশ, শিক্ষাৰ প্ৰতি থকা অজ্ঞতাই আমাৰ জাতিটোক ক্ৰমান্বয়ে তললৈ লৈ গৈছে। নতুন চৰকাৰৰ প্ৰথম আৰু প্ৰধান কাম হওক- ৰাইজক সচেতন কৰাৰ।

OKDISCD

শিক্ষাক কাৰণমুখী (Purpose Oriented) কৰাৰ বাবে প্ৰচেষ্টা লওক আৰু এয়াই চৰকাৰখনৰ প্ৰতি পৰামৰ্শ।

## শ্ৰীমতী দীপ্তিদেৱী (২২)

*ছাত্ৰী, মালিগাঁও।*

শ্ৰীমতী দীপ্তি দেৱীৰ মতে, নতুন চৰকাৰখনে সামগ্ৰিক পৰিস্থিতিক নিয়ন্ত্ৰণ কৰক। পৰিস্থিতি নিয়ন্ত্ৰণাধীন হ'লেহে সকলো কাম সুচাৰু ৰূপে কৰিব পৰা যাব বুলি শ্ৰীমতী দেৱীয়ে ভাবে।

## শ্ৰীদেবজিত বৰদলৈ (২৪)

*ছাত্ৰ, ডিফু।*

শ্ৰীবৰদলৈৰ মতে নতুন চৰকাৰখনে যুৱ সমাজৰ সংস্থাপনৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উন্নয়নক এক নতুন গতি প্ৰদান কৰিব পৰা যাব। ঔদ্যোগিক উন্নয়নৰ বাবে সুস্থ আৰু অনুকূল বাতাবৰণৰ সৃষ্টি কৰি ৰুগ্ন উদ্যোগ সমূহক পুনৰ সঞ্জীৱিত কৰি নিয়োগ সম্ভাৱনা বৃদ্ধি কৰাৰ লগতে স্বনিয়োজনৰ বাবে বৃত্তিমুখী শিক্ষাৰ অগ্ৰাধিকাৰ দিয়াটোও চৰকাৰখনৰ বাবে উচিত কাৰ্যপন্থা হব। সমবায় আন্দোলনৰ শক্তি বৃদ্ধি, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ উন্নতি সাধন, কৃষিজাত সামগ্ৰীৰ বিনিময় মূল্য বৃদ্ধি দ্বাৰা বৃহত্তৰ কৃষি-সমাজৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনৰ লগতে ঋণ-সুবিধাৰো সম্প্ৰসাৰণ ঘটোৱাটো বাঞ্চনীয়। জনসাধাৰণে চৰকাৰৰ কাম-কাজৰ ওপৰত সুতীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে গুৰুত্বপূৰ্ণ বিষয় সমূহত চৰকাৰক ইতিবাচক বা নেতিবাচক ভাবে হেঁচা দিবলৈ নিৰ্বাচনৰ সময়ত দেখুওৱা বিচক্ষণ সচেতনতাৰে সংঘবদ্ধ ভাবে ভূমিকা লৈ প্ৰবল জনমত গঠন কৰিব লাগিব। কিন্তু সৰ্বোপৰি লাগিব পাৰস্পৰিক সহযোগিতা আৰু এক বিশ্বাসৰ ভাব যাক গঢ়ি তোলাৰ দায়িত্বৰ সিংহ ভাগো চৰকাৰৰেই। উপযুক্ত শিক্ষানীতি গ্ৰহণৰ দ্বাৰা।

## *সামৰণিত*

ৰাজ্যখনৰ বিভিন্ন শ্ৰেণীৰ, বিভিন্ন বৃত্তিৰ লোকসকলৰ মতামতৰ পৰা এইটো স্পষ্ট হৈ পৰে যে বৰ্তমান ভাৰতবৰ্ষৰ সমুখত দেখা দিয়া প্ৰধান সমস্যাসমূহ হৈছে



প্ৰতি বছৰে প্ৰলয়ংকৰী ৰূপ ধৰা ব্ৰহ্মপুত্ৰৰ বিধ্বংসী বানপানী

ৰাজনৈতিক অশান্তি আৰু অস্থিৰতা, সাম্প্ৰদায়িকতা আৰু বিচ্ছিন্নতাবাদ, প্ৰবল অৰ্থনৈতিক সংকট আৰু ইয়াৰ লগতে আনুষংগিক ভাবে জড়িত প্ৰবল মূল্যবৃদ্ধি আৰু নিবনুৱা সমস্যা। কংগ্ৰেছ-ইয়ে প্ৰবীণ নেতা নৰসিংহ ৰাওক ভাৰতৰ নৱম প্ৰধান মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰিছে। মন্ত্ৰী সভা গঠন কৰোতে তেওঁ সমস্যালাৰ মুখত পৰাটো স্পষ্ট হ'ল, বিশেষকৈ আঞ্চলিক প্ৰতিনিধিত্বৰ বিষয়টোৰ বাবে এখন ৫৪ জনীয়া চাৰিখলপীয়া মন্ত্ৰী সভাই চৰকাৰৰ দায়িত্বৰ গ্ৰহণ কৰিলে। মন্ত্ৰী সভাখন ডাঙৰ কৰি লোৱাৰ পৰা এটা শংকা দৃঢ় হ'ল যে কংগ্ৰেছে প্ৰকৃতে সন্মিলিত চৰকাৰৰ স্থিতিত বিশ্বাসী নহয়। মন্ত্ৰী সভাৰ কলেবৰৰ বিষয়লৈ লক্ষ্য কৰি এটা কথাই ক'ব পাৰি যে ডাঙৰ মন্ত্ৰী সভাৰ বোজা বহণ কৰিবৰ ক্ষমতা এতিয়া ভাৰতবাসীৰ নাই– কামৰ পিনৰ পৰা শূন্য হ'লে এই বোজা সঁচাকৈয়ে অসহ্য হৈ পৰিব। কাম-কাজেও নতুন কেন্দ্ৰীয় মন্ত্ৰী সভাৰ একমাত্ৰ পৰিচয় হব। অৱশ্যে ড০ মনোমহন সিঙৰ দৰে বিচক্ষণ লোকক বিত্ত মন্ত্ৰীৰ দায়িত্ব দি নৰসিংহ ৰাওৱে যথেষ্ট বিচক্ষণতাৰ পৰিচয় দিছে। আঞ্চলিক প্ৰতিনিধিত্বৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৫ জন সদস্যই মন্ত্ৰিত্ব পোৱাটো এইবাৰৰ নতুন মন্ত্ৰী সভাৰ বিশেষত্ব বুলি ক'বই লাগিব। এই ক্ষেত্ৰত নতুন কেন্দ্ৰীয় মন্ত্ৰী সভাই অসমকে ধৰি সমগ্ৰ অঞ্চলটোৰ প্ৰতি বিশেষ মনোযোগ দিব বুলি আমি আশা কৰিম।

দেশৰ অৰ্থ সংকট দূৰ কৰিবৰ বাবে নতুন বিত্ত মন্ত্ৰীয়ে জুলাই মাহত উত্থাপন কৰিব লগীয়া বাজেটত কি নীতি সন্নিবিষ্ট কৰে সেয়াও লক্ষণীয় বিষয় হব। বিত্ত আয়োগ, পৰিকল্পনা আয়োগৰ লগতে দেশৰ বিভিন্ন খণ্ডৰ গুণী-জ্ঞানী, নিষ্ঠাবান লোকসকলৰ সৈতে আলাপ-আলোচনা কৰি এক সুসংহত বিশ্লেষণৰ দ্বাৰা নতুন বাজেটখন উত্থাপন কৰিব লাগিব। অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত অধিক কৰৰ বোজা সাধাৰণ মানুহৰ ওপৰত পৰিব আৰু দ্ৰব্য মূল্য আৰু বৃদ্ধি কৰিব। বিলাসপূৰ্ণ বস্তুৰ ধাৰণাটো অতি তুলনামূলক বাবে পৰিবৰ্তিত পৰিস্থিতিত তাহানিৰ কেতবোৰ বিলাস-সামগ্ৰী বৰ্তমান মধ্যবিত্ত সমাজৰ অত্যাৱশ্যকীয় বস্তু হৈ পৰিছে। এইসমূহৰ কথাও চৰকাৰে দেশৰ সংখ্যাগৰিষ্ঠ মধ্যবিত্ত শ্ৰেণীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কৌশলপূৰ্ণ ভাবে পৰিচালিত কৰিব লাগিব। মুদ্ৰাক পৰিবৰ্তনশীল (Convertible) কৰিও মুদ্ৰা স্ফীতিৰ হাৰ কিছু ৰোধ কৰিব পৰা যাব। কিন্তু সৰ্বোপৰি থাকিব অংগ ৰাজ্যসমূহৰ উন্নয়ন আৰু অসমতা দূৰীকৰণ আৰু দেশৰ সৰ্বাংগীন প্ৰগতিৰ কথাটো। বিস্তৃত আৰু সুসংহতগণমুখী পৰিকল্পনা কেন্দ্ৰ-ৰাজ্য সমূহৰ উন্নতিকৰণ, আঞ্চলিক অসমতা দূৰীকৰণ, কৃষি ক্ষেত্ৰৰ প্ৰকৃতাৰ্থত আধুনিকীকৰণ আৰু কৃষি ভিত্তিক ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগৰ বিকাশ, ন্যূনতম প্ৰয়োজনীয় সামগ্ৰীৰ সুষম বিতৰণাৰ্থে সবল ৰাজহুৱা বিতৰণ ব্যৱস্থা, বিদেশী মূলধনৰ বিনিয়োগ, গুণগত উৎকৰ্ষ সাধনেৰে ভোক্তা সামগ্ৰী ৰপ্তানি বৃদ্ধি, ছদ্মবেশী নিবনুৱা সমস্যাৰ সমাধানাৰ্থে অতিৰিক্ত মানৱ শক্তিৰ অপসাৰণৰ দ্বাৰা এহাতে উৎপাদিকা শক্তি বৃদ্ধি আৰু অপচয় ৰোধ আৰু বিস্তৃত মানৱ সম্পদ পৰিকল্পনাৰে চৰকাৰ এই সমূহ দিশত অগ্ৰসৰ হব পাৰে। পুথিগত উচ্চ শিক্ষাৰ অপচয় ৰোধ কৰি বৃত্তিমুখী শিক্ষা ব্যৱস্থাৰে স্বনিয়োজনৰ ব্যৱস্থা, প্ৰযুক্তি বিদ্যাৰ উন্নতি দেশীয় কৌশল উদ্ভাৱন আৰু সৰ্বোপৰি মগজুৰ প্ৰব্ৰজন বা ব্ৰেইন-ড্ৰেইনো ৰোধ কৰিব লাগিব। কিন্তু এই সমূহৰ বাবে সৰ্বোপৰি লগিব এক শক্তিশালী আৰু উন্নত প্ৰশাসন ব্যৱস্থা আধুনিক ব্যৱস্থাপনা আৰু শক্তিশালী সংগঠন। সম্পদৰ পূৰ্ণ বিকাশৰ মাজেৰে, গণমুখী পৰিকল্পনাৰে কৰ্মস্পৃহা আৰু নতুন কৰ্ম সংস্কৃতিৰ জন্ম দি নিষ্ঠা, সততাৰে এখন দুৰ্নীতিমুক্ত প্ৰগতিশীল সমাজ গঢ়িবলৈ যোৱাৰ পথত সবল ব্যৱস্থাপনাৰ ভূমিকা কোনেও নুই কৰিব নোৱাৰে।

বিদেশী শক্তিৰ উচটনিত দেশত অশান্তিৰ সৃষ্টি কৰিব বিচৰা শক্তি কঠোৰ ভাবে দমন কৰিব লাগিব যদিও প্ৰতিৰক্ষাৰ অতিৰিক্ত ব্যয় হ্ৰাসো মন কৰিব লগীয়া কথা হব। আঞ্চলিক বৈষম্যৰ বাবে জন্ম লাভ কৰা অসন্তুষ্টিয়ে সৃষ্টি কৰা উত্তৰ-পূৰ্বাঞ্চলৰ সশস্ত্ৰ সংগ্ৰামৰ বেলিকা অৱশ্যে এই কথা অনুৰূপ ভাবে সত্য নহয় কিয়নো এই অঞ্চলৰ ক্ষোভৰ যথেষ্ট বাস্তৱ পটভূমি আছে। স্বাধীনতাৰ চল্লিশ বছৰে এই অঞ্চলসমূহক সম্পদ শোষণৰ থলী হিচাপে ব্যৱহাৰ কৰি ঔপনিবেশিকতাবাদী ভূমিকা লোৱাৰ বাবেই অৰ্থনৈতিক প্ৰক্ৰিয়াটোৱে জন্ম দিয়া নিৰাপত্তাহীনতাৰ সৃষ্টি আল্‌ফা, এন এছ চি এন আদিৰ ক্ষোভৰ উৎস বিচাৰি উলিয়াই সুস্থ বাতাবৰণ সৃষ্টিৰ দ্বাৰা পাৰস্পৰিক বুজাবুজিৰে এই সমস্যাসমূহ সমাধান কৰিব লাগিব। কেন্দ্ৰ-ৰাজ্য সমূহৰ পুনৰবিন্যাস, প্ৰয়োজন হ'লে সংবিধান সংশোধনৰ দ্বাৰাও প্ৰকৃত ফেডাৰেল ভিত্তিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰি ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু স্বায়ত্তশাসনৰ দ্বাৰা আঞ্চলিক অসমতা দূৰ কৰিব লাগিব। কেৱল বন্দুক-বাৰুদৰ দ্বাৰা সমস্যা সমাধান নহয়। এই কথা উগ্ৰপন্থী সকলক সকীয়াই দিয়াৰ আগমুহূৰ্তত চৰকাৰেও ভাবি চাব লাগিব। নহ'লে অংগ ৰাজ্যসমূহৰ পৃথকতাবাদী প্ৰৱণতাই জন্ম দিয়া অস্থিৰতাৰ ফলত অনাগত ভৱিষ্যতত বন্দুক-বাৰুদ, হত্যা-লুণ্ঠন, গৰিহণা-ষড়যন্ত্ৰ আদিৰে আক্ৰান্ত হৈ গৃহ যুদ্ধৰ বিভীষিকাৰে ভাৰাক্ৰান্ত হৈ পৰিব লগীয়া ভাৰতবৰ্ষত দেশীয় ৰাজনীতি বুলি একো বস্তু নাথাকিব আৰু পুনৰবাৰ দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি কৰিব। কিন্তু কামৰ ধৰণবোৰে জনসাধাৰণৰ প্ৰচলিত ব্যৱস্থাটোৰ প্ৰতি বা তাৰ প্ৰয়োজনীয় সংস্কাৰ সমূহৰ বিষয়ে পতিয়ন নিয়াব লাগিব– নহ'লে কেৱল মাত্ৰ বিজেপি সাম্প্ৰদায়িক শক্তি ...... ধৰ্মৰ ভিত্তিত ভাৰত ৰাষ্ট্ৰ চলিব নোৱাৰে জাতীয় কথাৰে দেশৰ জনসাধাৰণ পতিয়ন নাযায় কিয়নো ভাৰতবৰ্ষ এনেকুৱা এখন গণতান্ত্ৰিক গণৰাজ্য 'য'ত জনসাধাৰণে সাৰ্বজনীন প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰৰ দ্বাৰা নিজৰ প্ৰতিনিধি নিৰ্বাচিত কৰে যদিও ১৯৯১ চনতো দেশৰ মাত্ৰ ৪০ শতাংশ লোকহে স্বাক্ষৰ। প্ৰাথমিক শিক্ষা আৰু প্ৰাথমিক স্বাস্থ্য গণতন্ত্ৰৰ অবিচ্ছেদ্য অংগ আৰু ইয়াৰ পৰিসৰ বৃদ্ধিৰে চৰকাৰে জনসাধাৰণৰ মাজত অন্তৰ্নিহিত শক্তিৰ বিষয়ে তেওঁলোকক উপলব্ধি কৰোৱাৰ লগতে ৰাজনৈতিক ধ্যান-ধাৰণাৰ প্ৰাথমিক জ্ঞানেৰে তেওঁলোকক সচেতন কৰি তুলিব লাগিব। ইয়াৰ বিপৰীতে "জী হীজুৰ ......" প্ৰথাৰে ভাৰতীয় গণতন্ত্ৰ আৰু শ্লোগানধৰ্মী নীতিৰে ধৰ্ম নিৰপেক্ষতাৰ প্ৰকৃত চৰিত্ৰ উদ্ভাসিত নহয়।

অসমৰ ক্ষেত্ৰতো নতুন ৰাজ্য চৰকাৰে গণমুখী বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰাটো ৰাজ্যখনৰ ভৱিষ্যতৰ বাবে নিতান্তই অপৰিহাৰ্য। অৰ্থনৈতিক শোষণৰ ফলস্বৰূপে নিৰাপত্তাহীনতা আৰু হতাশাৰ দ্বাৰা অস্ত্ৰ তুলি লোৱাসকলক কেৱল– "উগ্ৰপন্থী আৰু বিচ্ছিন্নতাবাদী" আখ্যা দিলেই সমস্যাৰ সমাধান নহয়। শান্তি আৰু সুস্থিৰতাৰ বাবে অসমৰ জনসাধাৰণ এতিয়া অতি উগ্ৰীৱ। সদ্যসমাপ্ত নিৰ্বাচনেই ইয়াৰ প্ৰমাণ। তেনে ক্ষেত্ৰত ৰাজ্য চৰকাৰে আল্‌ফা সমস্যাটোৰ এক স্থায়ী সমাধানৰ বাবে পৰিস্থিতিৰ সৃষ্টি কৰি পাৰস্পৰিক আলাপ-আলোচনাৰ বাবে নিষ্ঠা আৰু সততাৰে আগবাঢ়ি আহিব লাগিব। "স্বায়ত্ত শাসনৰ দাবী"ৰ সমস্যাটো অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অতি গুৰুত্বপূৰ্ণ কিয়নো ইয়াত জাতীয় সমস্যাসমূহৰ লগতে বহুতো ভাষিক আৰু উপজাতিগত সমস্যাইও আলোড়নৰ সৃষ্টি কৰিছে। কংগ্ৰেছ চৰকাৰে ৰাষ্ট্ৰীয়তা বজাই ৰখাত আপত্তি নাই কিন্তু–অসমৰ আঞ্চলিক সমস্যাসমূহ আৰু বিভিন্ন জাতি-গোষ্ঠীৰ আভ্যন্তৰীণ সমস্যাসমূহ ৰাজনৈতিক কৌশলৰ বাবে ব্যৱহাৰ নকৰি আঞ্চলিকতাবাদী দৃষ্টি ভংগীৰে সমাধানৰ বাবে চৰকাৰ আগ্ৰহী হব লাগিব। কেন্দ্ৰ-ৰাজ্য সমূহৰ পুনৰ্গঠন, শোষণৰ নীতি পৰিহাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰেই কেন্দ্ৰক বাধ্য কৰাব লাগিব। ৰাজ্যখনৰ প্ৰধানতঃ কৃষি ভিত্তিক অৰ্থনীতিৰ পুনৰ বিকাশৰ বাবে গণমুখী পৰিকল্পনা, উন্নত প্ৰযুক্তি কৌশল ব্যৱহাৰ কৰি অৰ্থনৈতিক শিক্ষাৰ ক্ষেত্ৰত সৃষ্টি হোৱা নৈৰাজ্যিক ধাৰণাৰ অৱসান ঘটাই এক সুস্থ বাতাবৰণ গঢ়ি তুলি সু-ব্যৱস্থাপনাৰ আধাৰ ৰাজ্যখনতেই গঢ়ি তোলাটো সম্ভৱপৰ আৰু বহু দিশৰ পৰা অপৰিহাৰ্যও। সুব্যৱস্থাপনাই সকলো উন্নতিৰ মূল। এনে ব্যৱস্থাপনাই সবল আৰু নিষ্ঠাবান প্ৰশাসনৰ জন্ম দি কৰ্মস্পৃহা বৃদ্ধি কৰাৰ লগতে এক নতুন কৰ্ম-সংস্কৃতিৰ জন্ম দি উৎপাদিকা শক্তি বৃদ্ধি কৰাৰ লগতে সম্পদৰ অপচয় ৰোধ কৰে আৰু এখন সমাজক প্ৰগতিৰ এক নতুন দিশলৈ ধাবিত কৰে। প্ৰাকৃতিক দুৰ্যোগৰ পৰা বিশেষকৈ বানপানীৰ পৰা ৰক্ষা পাবলৈ ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ আৰু ইয়াক অধিক গভীৰ কৰাৰ দ্বাৰা বহুমুখী উন্নয়ন সাধিব পৰাৰ লগতে সম্পদৰ সদব্যৱহাৰো বাস্তৱিকতে কৰিব পৰা যাব। কিন্তু সৰ্বোপৰি প্ৰয়োজনীয় কথা হব এক উন্নত বাস্তৱমুখী পৰিকল্পনা যাক প্ৰস্তুত কৰিব লাগিব ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ স্বাৰ্থত আৰু ৰাজ্যখনৰ গুণী-জ্ঞানী লোকসকলৰ পৰামৰ্শানুসাৰে আৰু এইসমূহ ৰূপায়ণৰ দায়িত্বত থকা প্ৰশাসন আৰু কাৰ্যপালিকাক প্ৰকৃতাৰ্থত জন-সাধাৰণৰ কামত অহাকৈ নিষ্ঠাবান আৰু কৰ্মক্ষম কৰি তুলি জ্ঞান বিজ্ঞান, কলা সংস্কৃতি আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশেৰে সুসমন্বিত, কৃষি আৰু উদ্যোগৰ ভিত্তিত পুৰুষ আৰু মহিলাৰ শ্ৰমৰ সমস্যাৰ সমমৰ্যাদাৰে এখন শোষণহীন সমাজ ৰচনা কৰাৰ প্ৰত্যয় আৰু প্ৰতিশ্ৰুতি পালন কৰিব লাগিব– জনসাধাৰণ আৰু চৰকাৰ উভয়েই। সু

# হুই ফাঁও

অনিল বৰুৱা

# কংগ্ৰেছ-আইৰ চৰকাৰ

অসমত কংগ্ৰেছ-আইৰ চৰকাৰ হৈছে, অথবা জনপ্ৰিয় ভাষাত হিতেশ্বৰ শইকীয়াৰ চৰকাৰ হৈছে আৰু এই চৰকাৰ কংগ্ৰেছ-আইৰ অৰ্থাৎ শইকীয়াৰ যি বিশিষ্ট ৰাজনৈতিক ৰীতি আৰু সংস্কৃতি তাৰে পৰিচালিত হ'ব ; সেইটোৱেই অতি স্বাভাৱিক কথা। ৰাইজে যে ভোট দি ৬৫ খন আসন শইকীয়াক দিলে আৰু প্ৰফুল্ল-ভৃগুহঁতেও পোনতে লগেৰে আৰু পাছত ভাগে ভাগে প্ৰায় পাঁচবছৰীয়া সাধনেৰে চহাই, মৈয়াই, হাল-কোৰ বাই ক্ষেত্ৰখন প্ৰস্তুত কৰিলে – ঠিক সেইটো সম্ভৱ আৰু অনিবাৰ্য কৰিবলৈকে। অৰ্থাৎ কংগ্ৰেছ-আইক দিছপুৰলৈ ওভতাই আনিবলৈ সকলোৰে চেষ্টা এটা আছিল। তেওঁলোক আহিল, তেওঁলোকৰ ৰাজনীতিৰ বিশেষ ধাৰাৰ ৰীতি-নীতি-সংস্কৃতি লৈ। কেনেবাকৈ তাৰ কিবা ব্যতিক্ৰম ঘটিলেহে, শইকীয়াই ঘটনাক্ৰমে পৃথক ফল দেখুৱালেহে আচৰিত হ'ব লগা কথা হ'ব।

সেইটো ভাল হ'লনে বেয়া হ'ল, সেই বিষয়ে মোৰ মন্তব্য নাই। থাকিলেও নকৰো। নিৰ্বাচনত ৰাইজৰ যি ৰায় সেয়ে চূড়ান্ত আৰু শেষ কথা – শ্ৰদ্ধাৰে শিৰ পাতি গ্ৰহণ কৰিবলগীয়া। ভুল নুবুজিব, মোৰ খেলখন অৰ্থাৎ মোৰ সাংবাদিকতা যিহেতু ভাৰতত বৰ্তমান চলি থকা গণতন্ত্ৰৰ বৃহৎ চাৰ্কাছখনৰ ভিতৰতে ; গতিকে মই যি খেলা দেখুৱাম তম্বুটোৰ তলতে থাকিয়ে দেখুৱাম।

আমাৰ বৃত্তিগত সমস্যা এটাৰ কথা এইখিনিতে নক'লেই নহয়। কোনখিনিত সাংবাদিক হিচাপে ভূমিকা শেষ হয় আৰু নাগৰিক হিচাপে ভূমিকা আৰম্ভ হয় অথবা নাগৰিক হিচাপে ভূমিকা শেষ হয় আৰু সাংবাদিক হিচাপে ভূমিকা আৰম্ভ হয় – সেইটো থিৰ কৰোতে আমি প্ৰায়ে খেলিমেলি কৰো, গণ্ডগোল কৰো। সকলোৱে কৰে। ময়ো কৰো। ধৰক, অমুক আহিল যেতিয়া অসমৰ সৰ্বনাশ হ'ল বুলি বা তমুক আহিল যেতিয়া অসম উদ্ধাৰ হ'ল বুলি আমি নভবা-নিচিন্তাকৈ নিৰ্বিবাদে লিখি দিওঁ। কিন্তু তেওঁলোক অহাত অৰ্থাৎ তেওঁলোকক অনাত ভোটদাতা ৰাইজৰ যে এটা সক্ৰিয় আৰু গণতান্ত্ৰিক ভূমিকা আছে সেইটো পাহৰি যাওঁ। সেইদৰে লিখি যে পাকে প্ৰকাৰে ভোটদাতা ৰাইজক অতি অবিবেচক আৰু নিৰ্বোধ বুলিয়েই কৈ দিওঁ, সেই কথালৈ মন নকৰো। অথচ দিনে নিশাই 'ৰাইজ ৰাইজ' কৰি, 'গণতন্ত্ৰ গণতন্ত্ৰ' কৰি লিখিয়েই আমি কলম শুকুৱাই খৰিকা কৰি আহিছো। ৰাইজ বস্তুটো পাকঘৰৰ ডাঁৰত ওলোমাই থোৱা হাত মোচা ফটাকানিখন নেকি যে হাতৰ লেতেৰা ময়লা ইফালৰ পৰা যাওঁতেও তাতে মচিব আৰু সিফালৰ পৰা আহোঁতেও তাতে মচিব ?

বোধকৰো আচল কথা সেইটোৱেই, ৰাজনৈতিক বাসনা এটা – বিশেষকৈ ক্ষমতা-ৰাজনীতিৰ লগত লাটিপুটি কৰি উঠা বহা কৰি থাকিবলৈ বিচৰা বাসনা এটা ক'ৰবাত আমাৰ মনৰ গহনত সোমাই থাকে আৰু প্ৰায়ে সময়-অসময় নুবুজি ভোটোঙাই ওলাই মূধত উঠি বহে। এই বাসনাই বৰ কাতৰ কৰি তোলে, বৃত্তিৰ চৰ্ত পাহৰাই দিয়ে বহুতকে। ■

## বহুতৰ অনুমান ব্যৰ্থ হ'ল

নিৰ্বাচনত পৰাজিত হৈ 'ৰাইজে মোক বা আমাক নিবিচাৰিলে, মোৰ বা আমাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিবোৰ বিশ্বাস নকৰিলে, গতিকে হাৰিলো' বুলি কৈ স্বাভাৱিক সৌষ্ঠৱেৰে ৰাইজৰ ৰায় মানি লোৱা ৰাজনীতিক খুব কম আছে। এইবাৰো পৰাজিত দলবোৰে আৰু প্ৰাৰ্থীসকলে বিজয়ী দলটোৰ হেন তেন বহু অন্যায় আৰু অনীতিৰ কাৰণেহে তেওঁলোক হাৰিব লগা হ'ল বুলি কৈছে। নিজৰ প্ৰাৰ্থিত্ব সম্পৰ্কে কিছুমান অতিৰঞ্জিত ধাৰণা আৰু সমষ্টিটোৰ ভোটদাতা ৰাইজৰ নাড়ীজ্ঞান সম্পৰ্কে ধাৰণাৰ অভাৱ যে তেওঁৰ পৰাজয়ৰ কাৰণ হ'ব পাৰে সেইটো প্ৰাৰ্থীজনে কোনো পধ্যেই মানি ল'ব নোখোজে। পচাঁশীৰ নিৰ্বাচনত সৰ্বাধিক ভোটৰ ব্যৱধানত জয়লাভ কৰা ৰেকৰ্ডৰ অধিকাৰী হোৱাজনে এইবাৰ কিয় নিজৰ সমষ্টিত সোমাব পৰাৰ সম্ভাৱনাকে নেদেখি আন সমষ্টিত সোমাবহি লগা হ'ল আৰু তাত আমানতৰ টকা কেইটাও ৰক্ষা কৰিব নোৱাৰিলে তাৰ কাৰণ হিচাপে বিজয়ী পক্ষৰ হেন তেন অন্যায় অনীতি বুলি মানিব ? অগপ আৰু ন অগপই তেওঁলোকৰ বিপৰ্যয়ৰ কাৰণ কংগ্ৰেছ-আইৰ ভোট কাৰছাজি ( ৰিগিং ) বুলি ক'বলৈ লৈছে। তেতিয়া হ'লে তেওঁলোকে লগতে ইয়াকো কোৱা উচিত হ'ব যে যিটো কৌশলেৰে পচাঁশীত তেওঁলোক ক্ষমতাত বহিছিল সেই একেটা কৌশলেৰে কংগ্ৰেছ-আয়ো এইবাৰ ক্ষমতাত বহিছে !

কিছুমান বাতৰি কাকত আৰু এমখা সাংবাদিকো ঘটনা কি হ'বলৈ গৈছে সেই বিষয়ে অনুমান কৰাত ব্যৰ্থ হ'ল। অগপ আৰু ন অগপৰ লগত সনা-পোটকা হৈ থকা সকলৰ বাবে নিৰ্বাচনৰ ফল বজ্ৰাঘাতৰ দৰেই হৈছে। বাতৰি কাকত আৰু সাংবাদিকৰ মূল্যায়নত ভুল হয়, সকলোৰে হয়, সকলো দেশতে সকলো সময়তে হৈ আহিছে। তাত আচৰিত হ'ব লগা একো নাই। আচৰিত হ'ব লগা হয় তেতিয়াহে, যেতিয়া তেওঁলোকৰ অনুমান নফলিওৱাৰ ব্যাখ্যা দিবলৈ গৈ তেওঁলোকে অত্যন্ত বাজে কথাবোৰ ক'বলৈ যায়। চাৰ্চিলৰ বহু চৰ্চিত কথাষাৰ এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। তেওঁ কৈছিল, ৰাজনৈতিক সামৰ্থ্য হৈছে কাইলৈ, অহা সপ্তাহত, অহা মাহত আৰু অহা বছৰত কি ঘটিবলৈ গৈছে সেই বিষয়ে ভৱিষ্যদ্বাণী কৰাৰ সামৰ্থ্য আৰু পাছত কিয় সেইদৰে নঘটিল সেইটো ব্যাখ্যা কৰাৰ সামৰ্থ্য ( Political ability is the ability to foretell what is going to happen tomorrow,



next week, next month and next year. And to have the ability after ward to explain why it didn't happen. )। সাংবাদিকৰ সামৰ্থ্যও বোধকৰো প্ৰায় তেনেকুৱাই। মই ওপৰত উল্লেখ কৰা আমানত ৰাখিব নোৱাৰা প্ৰাৰ্থীজনে যেতিয়া দলত্যাগ কৰি 'বিদ্ৰোহ' ঘোষণা কৰিছিল তেতিয়া তেৱেঁই অসমৰ ৰাইজৰ আশা-ভাৰসাৰ থল, তেৱেঁই অসমখন দাঙি ধৰি থাকিব বুলি কিছুমান কাকতে দেখনিয়াৰকৈ লিখিছিল। সেইদৰে ন অগপ হওঁতে তেওঁলোকৰ নিৰ্বাচনী সম্ভাৱনা সম্পৰ্কেও আকাশে-বতাহে খলকনি লগাই প্ৰচাৰ কৰা হৈছিল। পাছত এতিয়া সমান সামৰ্থ্যৰে ব্যাখ্যাও দি থকা হৈছে। ■

## প্ৰফুল্ল-ভৃগুহঁতৰ ভৱিষ্যৎ

মই হ'লে প্ৰফুল্ল-ভৃগুহঁতৰ ভৱিষ্যৎ সম্পৰ্কে একেবাৰে আশা এৰি দিবলৈ ৰাজী নহয়। ক্ষমতাই তেওঁলোকক নষ্ট কৰিলে, কিন্তু সকলো ক্ষতি পূৰণ কৰি দিব পৰাকৈ বয়সটো তেওঁলোকৰ অনুকূলে আছে। ক্ষমতাৰ পৰা কিছুদিন নিলগ হৈ থকাৰ পাছত আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰনিৱাস আৰু দিছপুৰৰ মন্ত্ৰী নিৱাসৰ মাজৰ পৃথিৱীখনত কিছুদিন অৱস্থান কৰাৰ পাছত তেওঁলোকৰ বোধোদয় হ'ব পাৰে। তেওঁলোক যথেষ্ট উচ্চ শিক্ষিত। তদুপৰি তেওঁলোক আন বহু ৰাজনীতিকৰ নথকা এটা বিৰল সম্পদৰ অধিকাৰী : এটা অতি দীঘলীয়া গণ-আন্দোলন কৰাৰ অভিজ্ঞতা। অপচয়ৰ এটা প্ৰবণতা থাকে যৌবনৰ, তেওঁলোকৰ বহুতেই তাৰ বলি হ'ল। কিছু লম্ফজম্ফ, কিছু বঢ়াটুটা, কাৰোবাক গেঙেৰি, কাৰোবাক ভেঙুচালি, ক'ৰবাত অবাইচ, ক'ৰবাত ওভত, কেতিয়াবা প্ৰবৃত্তিৰ তাড়না, কেতিয়াবা ধন সম্পত্তিৰ লোভ, কাৰোবালৈ চোচা, কাৰোবালৈ চিগাৰেটৰ ধোঁৱা, অলপ অশালীন, অলপ অসৎ – এইবোৰ এনে এটা বয়সৰ আনুষঙ্গিক বিকাৰ যিটো অতি অদ্ভুত বয়স, ভুল কৰাৰ আৰু ভুল কৰি পিছ পাকতে শুধৰাই ল'ব পৰা বয়স। এইটো বয়সে কাক গৰকা নাই ? প্ৰফুল্ল-ভৃগুহঁতৰ দলটোৱে সময়ত জবাবদিহি কৰিব লগা হ'ব বুলি ভয় কৰি থাকিবলৈ তেওঁলোকৰ তেনেকুৱা এটা 'হাই কমাণ্ড' নাছিল। তেওঁলোকক অভিভাৱকত্ব কৰাৰ নামত এনে কিছু লোক আছিল যাৰ একমাত্ৰ ধান্দা আছিল পাৰিলে ক্ষমতাৰ উচ্ছিষ্ট খাই নোদোকা হোৱা, পাৰিলে বঁটা-বানচ সৰকাই লোৱা, পাৰিলে মৰ্যাদাসম্পন্ন পদত নিযুক্তি আদায় কৰি লোৱা, পাৰিলে ঋণ আৰু ধনৰিত ঘটি লোৱা।

এতিয়া মোৰ এটা ধাৰণা হৈছে, আকৌ যদি প্ৰফুল্ল-ভৃগু লগ লাগিব পাৰে তেতিয়াহ'লে তেওঁলোক হয়তো অহা পাঁচ বছৰৰ ভিতৰত যি কোনো সময়ত হঠাৎ প্ৰবল বেগেৰে ৰাজ্য-ৰাজনীতিৰ কেন্দ্ৰলৈ উভতি আহিব। সময় আৰু পৰিস্থিতি এতিয়াও পূৰা মাত্ৰাই তেওঁলোকৰ অনুকূলে হৈ যোৱা নিৰ্বাচনটোক কংগ্ৰেছ-আইৰ পক্ষে আস্থাৰ ভোট বুলি ধৰাতকৈ অসম গণ পৰিষদৰ বিৰুদ্ধে প্ৰতিবাদৰ ভোট বুলি গণ্য কৰাটোহে অধিক যুক্তি সঙ্গত কথা হ'ব।

অৱশ্যে তেওঁলোক উভতিব পাৰিব কেইটামান চৰ্ত পূৰণ কৰি ল'লেহে। কিছুমান বিষয় তেওঁলোকে অধিক স্পষ্ট আৰু বিজ্ঞান সন্মত কৰি দাঙি ধৰিব লাগিব। অধিক স্বায়ত্ত শাসনৰ কথা যে কয়, কাৰ কাৰণে বিচাৰিছে, অকল দিছপুৰত থকা জাকৰ কাৰণেই বিচাৰিছে বা গাওঁ ভুঁইত থকা তেওঁলোকৰ দালাল কেইটাৰ কাৰণেই বিচাৰিছে নে গাওঁ ভুঁইত থকা সাধাৰণ মানুহখিনিৰ কাৰণেও বিচাৰিছে ? আঞ্চলিকতাবাদ কথাটো ৰাৰু বুজিছো, কিন্তু তাত 'সৰ্বভাৰতীয় দৃষ্টিভঙ্গি সম্পন্ন' বোলা কথাষাৰৰ মোখনি ৰাঙ্কটো কিয় পিন্ধোৱা হৈছে ? 'Right of self determination' বোলোতে লেনিনীয় ব্যাখ্যাটোকে বুজাইছে তো ? অসমলৈ হোৱা হোৱে হোৱা বহিৰাগতৰ প্ৰব্ৰজনটো সমস্যা ন'হৈ অকল বিদেশীৰ অনুপ্ৰৱেশটোহে কিয় সমস্যা হ'ল ?

'উলফা'ই তেওঁলোকৰ যিটো ৰাজনৈতিক দৰ্শন বুলি কৈছে, যিবোৰ ৰণনীতি আৰু কৌশল দেখুৱাইছে সেইবোৰৰ সম্পৰ্কত দুয়োটা গণ পৰিষদৰ অভিমত কি ? কোনবোৰ সমৰ্থন কৰে আৰু কোনবোৰ নকৰে ? কৰা বা নকৰাৰ যুক্তিবোৰ কি ? ■

## কংগ্ৰেছ-আইৰ সঁহাৰি ক'ত!

মন কৰিবলগীয়া যে অসমত এতিয়া ১৯৭৭/৭৮ চনৰ অৱস্থাটো নাই। ইতিমধ্যে সমাজত নতুন নতুন শক্তিৰ উত্থান ঘটিছে আৰু আগৰ শক্তিবোৰৰ নতুন নতুন বিন্যাস ঘটিছে। আন্দোলনে ভালো কৰিলে – মই, আপুনি, তেওঁ ক'ত থিয় হৈ আছো কেনেকৈ থিয় হৈ আছো জনাই দিলে আৰু বেয়াও কৰিলে – গঠনৰ প্ৰক্ৰিয়াত থকা অৱস্থা এটা লৰাই ছেদেলি ভেদেলি কৰি দিলে।

কিন্তু দেখা গৈছে এই পৰিবৰ্তিত অৱস্থাটোৰ সন্মুখীন হ'বৰ জোখাৰে বৰ্তমান ক্ষমতাত অধিষ্ঠিত হোৱা কংগ্ৰেছ-আই প্ৰস্তুত হৈ অহা নাই। আগেয়ে এটা সময়ত কংগ্ৰেছৰ সকলোৰে বাবে কিবা নহয় কিবা অকণ আছিল – ক্ষেত্ৰবিশেষে অতি তাকৰীয়াকৈ হ'লেও ; এতিয়াও আগৰে পৰা থকাসকলৰ বাবে সেইখিনি সেই দৰেই আছে, কিন্তু নতুনকৈ মূৰ দাঙি উঠা সকলৰ বাবে কংগ্ৰেছৰ একো নাই। স্বাধীনতাৰ কল্লোলত যিবোৰ মাত তল পৰি ৰৈছিল, কল্লোল মাৰ যোৱাৰ পাছত সেইবোৰ মাত এতিয়া ডাঙৰ হৈ বাজিছে। ধৰক, অসমীয়া ভাষী মানুহখিনিৰে জাতীয়তাৰ চেতনাটো এতিয়া অকল সাহিত্য সভাৰ মঞ্চতহে গোৱা বছৰেকীয়া বিলাপ হৈ থকা নাই। কিন্তু ক'তা, এই নতুন পৰিস্থিতিৰ জোখাৰে কংগ্ৰেছ-আইৰ সঁহাৰি ক'ত ? সিদিনা দেখিলো, নতুন এটা চৰকাৰ কৰিবলৈ লৈ হিতেশ্বৰ শইকীয়াই পূৰ্বাপৰ ৰীতিৰেই এতিয়াও সন্তোষ মোহন দেৱৰ পেন্টটোতে ধৰি ফুৰিছে ! বোধকৰো, ৰাজ্যখনৰ মানুহখিনিৰ বুজন ভাগ এটাক উত্তপ্ত আৰু প্ৰৰোচিত কৰি লৈ শাসনকাৰ্য পৰিচালনা কৰিবলৈ পালেহে শইকীয়াৰ সুত লাগে। ■



OKDISCD

## অগপ আৰু নঅগপ-ৰ মাজতহে কাজিয়া

অসমৰ এইবাৰৰ নিৰ্বাচন তুলনামূলক ভাবে আটাইতকৈ বেছি মুক্ত আৰু নিকা হোৱা বুলি কোৱা হৈছে। তুলনামূলকভাবে অসমৰ নিৰ্বাচন শান্তিপূৰ্ণ হৈছে।

অ'তত'ত যি দুই এটা সৰু-সুৰা মাৰপিটৰ ঘটনা ঘটিছে, সেয়া ঘাইকৈ অগপ আৰু নঅগপ-ৰ সমৰ্থকৰ মাজতহে। ধুবুৰীত বিজেপি আৰু চি পি এম দলৰ সমৰ্থকৰ মাজত হোৱা সংঘৰ্ষৰ বাহিৰে বেছিভাগ ঠাইতে অগপ আৰু নঅগপ-ৰ সমৰ্থকৰ মাজত মাৰপিটৰ ঘটনা ঘটে। উত্তৰ গুৱাহাটীত অগপ দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ যাওঁতে অগপ নেতা প্ৰফুল্ল মহন্তৰ অতি ঘনিষ্ঠ সহযোগী দুজনক নঅগপৰ কৰ্মীয়ে দহঘন্টা সময় বান্ধি ৰখাৰ পিছত এৰি দিয়ে। সেইদৰে মৰিগাৱঁত অগপ-ৰ কৰ্মীয়ে নঅগপৰ কৰ্মীক মাৰপিট কৰি গুৰুতৰভাৱে আহত কৰে।

## টকা লৈও কাম নকৰিলে

এইবাৰৰ নিৰ্বাচনত পূৰ্ব গুৱাহাটীৰ সমষ্টিৰ অগপ প্ৰাৰ্থী বিৰাজ কুমাৰ শৰ্মাক বহুতেই ঠগিলে। তেওঁৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ প্ৰতিশ্ৰুতি বহু সংখ্যক যুৱকে টকা-পইছা অনাৰ পিছতেই প্ৰাৰ্থী জনক দ্বিতীয় বাৰৰ বাবে দেখা নিদিলে। এই পইছাৰে বহু সংখ্যক যুৱকে ভোজ-ভাত খালে। যুৱক সকলৰ বক্তব্য এয়ে যে মন্ত্ৰী হৈ থকা অৱস্থাত শৰ্মাই যিখিনি কৰিছিল, তাৰেই সামান্য পৰিমাণ তেওঁলোকে খালে।

বিগত ১৯৮৫ চনৰ নিৰ্বাচনত প্ৰাক্তন মন্ত্ৰী বিৰাজ কুমাৰ শৰ্মাৰ হৈ দেহে কেহে লগা বহু সংখ্যক যুৱকে এইবাৰ শৰ্মা পৰাজিত হোৱাৰ লগে লগে আনন্দত ফটকা ফটায়।

## বিবিচি-ৰ জৰীপ আৰু চোৰাংচোৱাৰ প্ৰতিবেদন সঁচা প্ৰমাণিত হ'ল

অপ্ৰত্যাশিতভাৱে অসমত কংগ্ৰেছ (ই) দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিলে। ৰাজনৈতিক মহলৰ কথাতো বাদেই আনকি কংগ্ৰেছ (ই) মহলেও এই বিপুল জয় বা নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিব বুলি ফলাফল ঘোষণা কৰাৰ মুহূৰ্তলৈকে হিচাপ নিকাচ কৰি উলিয়াব পৰা নাছিল।

কিন্তু নিৰ্বাচনৰ আগমুহূৰ্তত অসম আৰক্ষী বিভাগৰ চোৰাংচোৱা বিভাগে এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সেই প্ৰতিবেদনত কোৱা হৈছিল যে অসমৰ নিৰ্বাচনত এইবাৰ কংগ্ৰেছ (ই) দলে নিৰংকুশ বা একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব। আনহাতে পাঁচ বছৰকাল ৰাজ্যখনৰ শাসন ক্ষমতাত থকা অগপ দলে ৩০ খনকৈ অধিক আসন নাপায়। নিৰ্বাচনৰ ফলাফলে আৰক্ষী বিভাগৰ সেই প্ৰতিবেদন সঁচা প্ৰমাণিত কৰিলে।

সেইদৰে অসমৰ নিৰ্বাচনৰ সময়ত বিবিচি (বৃটিছ ব্ৰডকাষ্টিং কৰ্পোৰেচন)য়ে কোনদলে কিমান সংখ্যক আসন লাভ কৰিব সেই সম্পৰ্কে জৰীপ চলাইছিল। বিবিচি-য়ে প্ৰকাশ কৰিছিল যে অসমত এইবাৰ কংগ্ৰেছ (ই) দলে ৭৩খন লাভ কৰিব। আনহাতে অগপ দলত হোৱা বিভাজনৰ বাবে ৰাজ্যখনৰ আঞ্চলিকতাবাদে চৰম বিপৰ্যয়ৰ সন্মুখীন হ'ব। বিবিচি-ৰ সেই জৰীপৰ প্ৰায় ৯০ শতাংশ সঁচা প্ৰমাণিত হ'ল।

## কোন সাংবাদিক হিতেশ্বৰ শইকীয়াৰ ঘৰলৈ যায়?

এইবাৰৰ নিৰ্বাচনত অগপ-ৰ বিপৰ্যয়ৰ বাবে নেতা সকল হতাশগ্ৰস্ত হৈ উৰহৰ খং ফটা ধাৰিত মৰা সাংবাদিক সকলকে ইন্ধনৰ বাবে ঘাইকৈ জগৰীয়া কৰিছে। অগপ নেতা সকলৰ বক্তব্য এয়ে যে সাংবাদিক সকলে অগপ চৰকাৰৰ বিৰুদ্ধে লেখাৰ বাবেই আঞ্চলিক দলটোৰ অৱস্থা এনে হ'ল। নিৰ্বাচনৰ ফলাফল ঘোষণাৰ আগমুহূৰ্তত অগপ নেতা সকলে বিপৰ্যয়ৰ সম্পৰ্কে অনুমান কৰিব পাৰি গুৱাহাটীস্থ কেইজনমান সাংবাদিকৰ সন্মুখত সাংবাদিকৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিলে। অগপ-ৰ নেতা কেইজনমানে প্ৰলাপ বকাদি ক'লে যে শতকৰা ৯৯ ভাগ সাংবাদিকে অগপ চৰকাৰৰ পৰা টকা খাইছে আৰু এতিয়া অগপ দলৰ বিৰুদ্ধে লেখিছে। নেতা কেইজনে সতৰ্ক কৰি দিছিল যে যদিহে অগপ চৰকাৰ পুনৰ শাসন ক্ষমতালৈ আহে, তেনেহলে এইবাৰ সাংবাদিক সকলে লুকুৱাবলৈ ঠাই নাপাব। প্ৰাক্তন মন্ত্ৰী মফিদুল ইছলাম বৰাৰ পৰা সাংবাদিক সকলে শ্ৰীবৰাক দেওলীয়া কৰা বুলিও অগপ নেতা দিগেন বৰা আৰু নগেন শৰ্মাই অভিযোগ আনিলে।


ইয়াৰ পিছত সাংবাদিক কেইজনমানে একত্ৰিত হৈ অগপ নেতাকেইজনে সাংবাদিকৰ বিৰুদ্ধে যি অভিযোগ উত্থাপন কৰিছিল, তাৰ প্ৰমাণ দিবলৈ প্ৰত্যাহ্বান জনায়।

কথা বিষম দেখি সাংবাদিকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰখা মফিদুল ইছলাম বৰাই সাংবাদিক মেল আহ্বান কৰি সাংবাদিক সকলক শান্ত কৰাৰ বাবে দলৰ উৰ্দ্ধতম নেতৃবৃন্দক পৰামৰ্শ দিয়ে। সেই মৰ্মে উৰ্দ্ধতম নেতৃবৃন্দই সাংবাদিক মেল আয়োজন কৰাৰ বাবে মফিদুল ইছলাম বৰাক পৰামৰ্শ দিয়ে। পৰামৰ্শ মতে কাম। অগপ-ৰ মুখ্য কাৰ্যালয়ৰ পৰা গুৱাহাটীস্থ কেইজনমান সাংবাদিকক টেলিফোন কৰা হ'ল যে বিষয়টোৰ সন্দৰ্ভত ভুল বুজাবুজি আঁতৰ কৰাৰ বাবে তেওঁলোকে এখন সাংবাদিক মেল আয়োজন কৰিছে আৰু প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সাংবাদিক মেলত ভাষণ দিব।

ইয়াৰ পিছত সাংবাদিক মেলত উপস্থিত থকাৰ উদ্দেশ্যে সাংবাদিক কেইজন অগপ-ৰ মুখ্য কাৰ্যালয়লৈ যায়। সাংবাদিক কেইজনে বহু সময় অপেক্ষা কৰাৰ পিছতো বিধান সভাৰ মজিয়াত সাংবাদিকৰ বিৰুদ্ধে অশালীন মন্তব্য কৰি উচিত শিক্ষা লাভ কৰা মহন্তই সাংবাদিক মেলত ভাষণ দিবলৈ নাহিল। বৰং সাংবাদিক সকল উপস্থিত হোৱাৰ কিছু সময়ৰ পিছতে তেওঁ অগপ-ৰ কাৰ্যালয়ৰ পৰা ওলাই যায়। ইয়াৰ পিছত মফিদুল ইছলাম বৰাই সাংবাদিক সকলৰ আগত কমলপুৰ সমষ্টিত বেলট কাগজ কাঢ়িলৈ যোৱা ঘটনাৰ সন্দৰ্ভত নিজ বক্তব্য দাঙি ধৰি সাংবাদিক সকলক বিদায় দিয়ে।

জানিব পৰা মতে কমলপুৰৰ নিৰ্বাচনৰ ঘটনাক কেন্দ্ৰ কৰি অগপ যি বিপৰ্যয়ৰ সন্মুখীন হৈছিল, তাৰ পৰা উদ্ধাৰ পোৱাৰ উদ্দেশ্যেই এনেদৰে মহন্তই সাংবাদিকৰ সৈতে কাৰচাজি কৰিছিল।

কেৱল সেয়ে নহয়, নগাৱঁত নিৰ্বাচনৰ কাম-কাজত ব্যস্ত থকাৰ সময়ত গুৱাহাটীস্থ এজন ডেকা সাংবাদিকক মাতি নি প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্তই বৰ্তমান কোন সকল সাংবাদিক হিতেশ্বৰ শইকীয়াৰ ঘৰলৈ যায় সেই বিষয়ে জানিব বিচাৰিলে। ডেকা সাংবাদিক জনে মহন্তৰ উদ্দেশ্যৰ কথা জানিব পাৰি বিষয়টো কৌশলৰে এৰাই চলিলে। মহন্তকে ধৰি অগপ নেতৃবৃন্দৰ ধাৰণা যে কেৱল সাংবাদিকেই তেওঁলোকৰ সান্দহ খোৱা বালি তল পেলালে।




## নগাওঁ জিলা প্ৰশাসনৰ একাংশই মহন্তৰ হৈ কাম- কাজ কৰিছিল

নিৰ্বাচনৰ সময়ত নগাওঁ জিলাৰ প্ৰশাসনৰএকাংশ বিষয়া কৰ্মচাৰীয়ে ইচ্ছাকৃতভাৱে আৰু একাংশই ভয়তে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ নিৰ্বাচনী অভিযানত প্ৰত্যক্ষভাৱে সহায়-সহযোগ আগবঢ়াইছিল। ইচ্ছাকৃতভাৱে মহন্তৰ প্ৰতি সহায় সহযোগ আগবঢ়োৱা বিষয়া কৰ্মচাৰী সকলে অগপ-ৰ শাসনকালত চৰকাৰৰ পৰা যথেষ্ট সা-সুবিধা আদায় কৰিছিল। মহন্তৰ সমৰ্থনত বলীয়ান হৈ এই বিষয়া কৰ্মচাৰী সকলে নগাওঁ জিলাত দিনক ৰাতি আৰু ৰাতিক দিনত পৰিণত কৰিছিল।

সেয়ে মহন্ত যাতে নগাওঁ সমষ্টিৰ পৰা পুনৰ নিৰ্বাচিত হৈ আহে তাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। আনকি কংগ্ৰেছ (ই) আৰু নঅগপ-ৰ মাজত গোপন বুজাবুজি হ'ব বুলি মহন্তৰ সমৰ্থক সকলে জাল চিঠিৰ প্ৰতিলিপি বিতৰণ কৰা দেখিও নগাওঁ প্ৰশাসনৰ শক্তিশালী সেই মহলটোৱে চকু মুদি আছিল। জানিব পৰা মতে প্ৰশাসনৰ সেই মহলটোৰ সহায় সহযোগেৰে আছুৰ একাংশ কৰ্মীয়ে সেই জাল চিঠিৰ প্ৰতিলিপি খোলাখুলিভাৱে ৰাইজৰ মাজত বিতৰণ কৰিছিল।

এইকৌশলৰ পিছতো ক্ষান্ত নাথাকি প্ৰশাসনৰ সেই মহলটোৱে ভোট গণনাৰ সময়ত মহন্তৰ সমৰ্থক বুলি জনাজাত অধিকাংশ বিষয়া কৰ্মচাৰীক ৰিটাৰ্নিং আৰু পুলিং বিষয়া হিচাপে কামত নিয়োগ কৰিছিল। এই কৌশলক তেওঁলোকৰ উদ্দেশ্য সিদ্ধিৰ বাবে শেষ অস্ত্ৰ হিচাপে প্ৰয়োগ কৰিছিল।

আনহাতে প্ৰশাসনৰ এটা মহলে ভিতৰি এইবোৰ কথা ভালপোৱা নাছিল যদিও খোলাখুলি ভাবে এইবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সাহস কৰা নাছিল।

নগাওঁ জিলাৰ একাংশ বিষয়া কৰ্মচাৰীৰ সেই কূট-কৌশল ব্যৰ্থ হোৱাৰ লগে লগে উক্ত বিষয়া-কৰ্মচাৰী সকলে এতিয়া প্ৰমাদ গণিছে। ইতিমধ্যে সেই বিষয়া কৰ্মচাৰী সকলে গোপনে নগাৱঁত বিজয়ী হোৱা কংগ্ৰেছ (ই) দলৰ প্ৰাৰ্থী মুকুট শৰ্মাৰ ঘৰলৈ অহা-যোৱা আৰম্ভ কৰিছে। তেওঁলোকৰ পূৰ্বৰ কুকীৰ্তি যাতে ধৰা নপৰে তাৰ বাবেই এতিয়া কৌশল সলনি কৰিছে।

ত্ৰিনয়ন

OKDISCD

# অঘৰীৰ আত্মকথা

## সমীৰ তাঁতী

অতীত

ইয়াত এজোপা গছ আছিল, তাত নদী নাছিল। তাত এখন গাঁও আছিল, ইয়াত বজাৰ নাছিল। ইয়াত জাকে জাকে চৰাই পৰিছিল, পাহাৰ নাছিল। তাত ফুলৰ বাগিচা আছিল, ইয়াত দলং নাছিল। ইয়াত আমাৰ পথাৰ আছিল, তাত পুখুৰী নাছিল।

কতকাল পাৰ হৈ গৈছে। পানীত চামনি বান্ধিছে। মাটিৰ পুতলা, বাঘৰ খেল হেৰাই গৈছে। আধা ছাঁ আধা পোহৰৰ লুকাভাকু। বতাহ, বেদনাকাতৰ বতাহ। আৰু সন্ধিয়াৰ নিৰ্জনতা। এই আন্ধাৰ শোকৰ পাণ্ডুলিপি। উৰি যায় মৰা পখিলাৰ দেশলৈ। চকুৰ কাজল মাদলৰ মাত, শিশুৰ ধেমালি মই যেন আকউ নাঙঠ হৈ বিচাৰি যাম। কোনে আহি মচি থলে চউপাশৰ অৰণ্যৰ সোঁৱৰণি। ধোঁৱা উৰে, কলঘৰৰ ধোঁৱা, আকাশলৈ উৰি যোৱা সাপৰ লয়লাস ভংগী।

তাত অজগৰ আছিল, ইয়াত বেংছতা ফুলা নাছিল। ইয়াত পনিয়ল পকিছিল, তাত এটাও মাছ নাছিল। তাত ধনগুলৈ জ্বলিছিল, ইয়াত ডাউকে মাতিছিল। ইয়াত কৰম পূজা হৈছিল, ম'হৰ খুঁটি নাছিল। তাত বুঢ়া ডাঙৰীয়া ওলাইছিল, ইয়াত উলুৱনি নাছিল।

কুঁৱলি পৰিছে। কুঁৱলি নুবুজা সাঁথৰ। মই তাৰ উত্তৰ বিচাৰি পাম। মেঘ যায়, নদী যায়, পিতনিত পোত যায় খৰিকটীয়াৰ কুঠাৰ। বিশ্বাস কৰা বা নকৰা ৰাতি দুফাল কৰা সেই হৰিণাজনীৰ চিঁয়ৰ মই আজিও নকল কৰি দেখুৱাব পাৰো। ক'লৈ গ'ল মাৰ্ডি চাহাব, ঘোঁৰাত উঠি অহা ল'ৰালিৰ বিস্ময় আৰু কাষলৈ মতা মৰমিয়াল মেমজনী? পৰব আহে, সেউজীয়া আশীৰ্বাদ হৈ আহে, ঘূৰি নাহে লাইনৰ নিচা। মই যদি মাতো নামাতিবনে বাৰু? এই কপালত চুমা খোৱা মোৰ বিদ্ৰোহী দেৱতাসকল।

ইয়াত এজন বুঢ়া আছিল। বুঢ়াই জৰা-ফুকা জানিছিল। বুঢ়াৰ বেজালিত মৰাৰ পৰা বাচি অহা মানুহ মই নিজ চকুৰেই দেখিছো। বুঢ়াৰ এডাল লাখুটি আছিল। লাখুটিৰ মূৰটো আছিল ফেঁটী সাপৰ দৰে। আমি ভয়তে ওচৰ চপা নাছিলো। মাইঁতে কৈছিল বুঢ়াৰ আজু ককাকে হেনো সেইডাল শিৱৰ পৰা পাইছিল। বুঢ়া এতিয়া নাই। আমি দ্বিতীয়মান পাওঁতে বুঢ়াই হেনো কায়া সলাই মায়া এৰি গুচি গ'ল। সেই বুঢ়াই এবাৰ কৈছিল – তয়ো এদিন যুঁজৰ আখৰা হবি.....

বৰ্তমান

নিতউ একোটাকৈ ৰাতিক হত্যা কৰি ওলাই আহে বেলি। তাৰ হাতৰ তেজ ঘাঁহ-বনৰ গালে-মুখে। মই যেতিয়া সাৰ পাওঁ পাতালৰ বিছনাত টুপ্ টুপকৈ সৰি থাকে গছৰ শিপায়েদি। তেজ মোৰ সেমেকা চকুত, তেজ মোৰ শুকান ওঁঠত তেজ মোৰ বুকুৰ শিল ভেদি বৈ যায় শিৰা-উপশিৰাৰ নদীয়েদি। এই উষ্ণতা মোৰ নে বেলিৰ তাকেলৈ মই কাহানিও বেলিৰ স'তে তৰ্ক কৰা নাই। বেলিৰ তেজ, পাতালৰ কয়লা। মই দুই ভাবেই গ্ৰহণ কৰো ৰং। দিনটোত দুবাৰেই সলাওঁ কাপোৰ, দুবাৰেই নগ্নতা। মোৰ কাপোৰতো বেলিৰ চকু। আচলতে চকু দিবলৈকো জানিব লাগে। য'ত মই আছো মুঠতে তাত নাই। তাত থকাটো উচিত নে অনুচিত নিজকো সোধা নাই। নোসোধাখিনি মোৰ। পাৰিলে শূন্যত থৈ যাম। নাজানো সেইখিনি কোন নাস্তিক আৰু ধৰ্মভীৰুৰ কপালত জুটিব। যিসকল নাৰী-পুৰুষৰ বাসনা নাই, যিসকলে দিনৰ শেষত ৰাতিৰ মৰিশালিলৈ উভতি আহে মই তেওঁলোকৰ লগতো নাই। মই নাভাবো যে বেলি কেৱল আশাবাদৰেই প্ৰতীক হব লাগে। বেলিৰ বাহিৰেওতো অনেক জড় আৰু জীৱ আছে। কিয় তাৰ পৰাই বাছি ললেনো ক্ষতি কি? যাৰ কপালত হত্যাৰ কালিমা নাই তেনে এটা, ঠিক তেনে এটা প্ৰতীকৰ কথাকেই কৈছো। যাৰ স'তে থাকিব উত্তৰ আধুনিকতাৰ ঢউ বেলি যেতিয়া আহি মোৰ মূৰৰ ওপৰত থাকে, মই তেতিয়া থিয় হৈ থাকো ছাঁৰ ওপৰত মোৰ। মোৰ ছাঁত কোনো বেলিৰ তেজৰ চেকুৰা নাই। ছাঁ মোৰ বেপৰোৱা। নামানে কোনো কথা। মই ক'ৰবালৈ ওলাব খুজিলেই মেলানি মাগে বেলি। যাব খোজা মানুহক মইতো ধৰি ৰাখিব নোৱাৰো। জীৱন যদি নিয়মৰ অধীন হ'লহেঁতেন তেতিয়াও কথা বেলেগ।

ভৱিষ্যত

মানুহে এইবাবেই সপোন দেখে যে মৰাৰ পাছত সপোনৰ সুবিধা নাই। সকলো অসম্ভৱেই সম্ভৱ হৈ উঠে সপোনৰ ৰাজ্যত। উৰি ফুৰাৰ সুখ, অৰ্থবান হোৱাৰ সুখ, সুন্দৰী নাৰীৰ স'তে ৰতিক্ৰিয়াৰ সুখ, প্ৰশংসিত হোৱাৰ সুখ, নেতৃত্বৰ সুখ। সপোনৰ যি সুখ সি দেৱতাতকৈ কোনো গুণে কম নহয়। মানুহৰ অৰ্থ আছে, দেৱতা অৰ্থহীন। তথাপি মানুহে দেৱতাৰ সমকক্ষ হব খোজে। সাঁচিব খোজে সময়, সময়ৰ দাপোণত নিজৰ মুখ আৰু নিজৰ অজ্ঞাতে ভৰি দিয়ে নিজৰে দুখৰ ফান্দত। পৰিকল্পনাৰ কতযে শিল্প কলা। ৰাইফলৰ নলীত সপোন, কলমৰ চকুত সপোন, ভাষণত সপোনৰ প্ৰতিশ্ৰুতি................ হাজাৰ চকু ভাহে। বেশ্যা, মগনীয়া, কাৰাগাৰৰ বন্দী, মাউৰা শিশু, ছিন্নমূল খেতিয়ক, নিবনুৱা প্ৰেমিক, ধৰ্মগুৰু....... সপোনৰ হাজাৰ বাট। এই সপোনৰ বাটেদি খোজকাঢ়ি যায় মানুহ, সপোন বিলাসী আত্মা। তাৰ আগে পাছে মৃত্যুৰ দেৱদূত।



তাৰ পাছত পিক পেলাই মানুহজনে কৈ গ'ল–

মাত এটা শুনা যাব। বাটবোৰ গৈ লগ লাগিছে য'ত ঠিক তাৰে পৰাই মাতিব। এখন অদৃশ্য খিৰিকি খোল খাব। কোনোকালে বন নগজা ঠাইত গছ এজোপা গজিব। এই গছত থাকিব সংসাৰৰ অত্যাচাৰী সকলৰ নাম। ডালত আহি বহিব এটা ফেঁচা, তিনি চকুৱা, সোণালী বৰণৰ। কোনোবা অসম্ভৱ নৈ এখনৰ পাৰত শুনা যাব সুৰবোৰ। আকউ নতুনকৈ লিখা হব আখৰ, তলৰ পৰা ওপৰলৈ। ৩০০০ চনত যেতিয়া লাও খোলাবোৰ মাটি ফুটি ওলাব, সেই মাতটো শুনা যাব। শূন্যত জ্বলি থাকিব এগছি চাকি, ধৰ্ষিতা নাৰীৰ যোনিৰ তেজেৰে। মাতটো ক্ৰমশঃ বাঢ়ি যাব, কবিতা আবৃত্তিৰ দৰে। □



# ৰাতিৰ কবিতা

## বৈকুণ্ঠ ৰাজবংশী

আজি ৰাতিয়েই দেহৰ সমস্ত আৱৰণ খুলি নগ্ন হৈ লম
বুকুখন দুফাল কৰি কলিজাটো সেকি লম জোনৰ পোহৰত
মোৰ তেইশ গৰাকী প্ৰেমিকাৰ দেহৰ ভাঁজে ভাঁজে
বুলাই যাম মোৰ দহোটি আঙুলি।

আজি ৰাতিয়েই দেহৰ সমস্ত আৱৰণ খুলি নগ্ন হৈ লম
সাবটি লম সকলো মাতৃৰ কাঙাল হাত
যি হাতেৰে ডাঙৰ দীঘল কৰে মোৰ শত্ৰু আৰু মোক
যি স্তন পান কৰি ডাঙৰ হৈছো মই অথবা মোৰ শত্ৰু
আকৌ এবাৰ মোৰ খহটা হাতেৰে চুই চাম সেই শীৰ্ণ
স্তন।

আজি ৰাতিয়েই দেহৰ সমস্ত আৱৰণ খুলি নগ্ন হৈ লম
নিশ্চুপ হৈ অকলে বহি ৰ'ম বট বৃক্ষৰ তলত
নদীয়ে ক'ব সময়ে আঁচোৰা পুৰণি দিনৰ ইতিহাস
[মই শুই থাকিম গোটেই ৰাতি তাইৰ চুলিৰ সুবাস বুকুত
সিঁচি]
আজি ৰাতিয়েই ঘাটকৰ হাতত তুলি দিম মোৰ নগ্ন শৰীৰ □

# বিমূৰ্ত চিন্তা

## প্ৰদীপ শইকীয়া

এখন কঁপি থকা নদীত এটা চেঁচা জোন
বেতনিৰ তলে- তলে ডাউকৰ এটা কৰুণ চিঞৰ
কৃষ্ণা প্ৰতিপদৰ এটা শীতসনা ৰাতি
বা-লাগি কঁপা সৰিয়হৰ কোমল ফুলবোৰ
আৰু
এন্ধাৰৰ ফলৰ সুগন্ধ
এইবোৰ শিলত কাটিব পৰাহেঁতেন
সাজিব পৰা হ'লে শিলৰ এটা ডাউক
এটা শিলৰ জোন এটা শিলৰ চিঞৰ

এজাক উঁই চিৰিঙাৰ চিঞৰত
উটি গৈ আছো চিঞৰৰ এখন নদীত
হাত দুখন মেলি দিছো, আঙুলিত সোঁত
ক্ৰমে দীঘল হৈ গৈ আছে ভৰি দুখন
গোটেই গাত বৰফ
চকু দুটাত মাথো মাজনিশাৰ অন্ধকাৰ
বৰফৰ এইখন ৰাতিৰ নদী নেকি

কোনোবাই বাঁহী বজোৱা শুনি বুৰ মাৰিছো
ওপৰলৈ শিপা মেলি
এডাল লঠঙা গছ আহি আছে
জোনাকত শিপাবোৰ উজ্জ্বল হয়নে
মই একো দেখা নাই
এদিন পানীত উটি অহা এটা সপোনত দেখিছিলো-

এটা শিলৰ নঙঠা ল'ৰাই
দিগন্তত সেউজীয়া দুখন ওঁঠেৰে
তামৰ বিউগল এটা ফুৱাই আছিল
সি হেনো সূৰ্যৰ উপাসক

তাৰ পাছত বিউগলৰ শৱদত
অন্ধ আকাশতে
গছবোৰ সেউজীয়া হ'ল
নদীৰ পানীত সোঁত বলে
আৰু উঁইচিৰিঙাবোৰে চিঞৰিবলৈ শিকিলে। □

# ধ্ৰুৱজ্যোতি দাসৰ কবিতা

## নলিনীধৰ ভট্টাচাৰ্য

উত্তৰ-আধুনিক অসমীয়া কবিতাৰ পটভূমিত, নতুন মুখ বহুতো দেখিছো, কিন্তু সেই অনুপাতে নতুন চিন্তা, নতুন আংগিকৰ পৰীক্ষা-নিৰীক্ষা বৰ বেছি হোৱা নাই। কবিতা দৃশ্যমান বাস্তৱৰ পুঞ্জীভূত বিৱৰণ নহয়, সেই কথা সকলোৱেই জানে, কিন্তু আমাৰ মাজৰ বহুতেই কবিতাৰ ভাষা সম্বন্ধে সচেতন নহয়। দৈনন্দিন ভাষাৰ পৰাই সমল বুটলিব লাগিব যদিও, কবিতাত সেই ভাষাৰ ৰূপ বেলেগ হৈ পৰে। কবিতা মৰ্মৰ বস্তু, বিজ্ঞাপনৰ নহয়। কবিতাৰ ভাষা বস্তুগত জীৱনৰ সতে জড়িত, কেৱল বিশুদ্ধ আত্মমগ্নতাৰ প্ৰকাশ নহয়। বৰ্হিজগতৰ লগত জড়িত হ'লেও, কবিতা তাৰ ব্যঞ্জনাময় প্ৰতিবিম্বহে, আৰু ভাষাত এই প্ৰতিবিম্বহে ধৰা পৰে। আমি এই কথা পাহৰি গ'লে নচলিব যে, কবিতা সৃষ্টি এটা বিশেষ মানসিক প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াৰ ফলত যি বিচিত্ৰ অন্তৰ্প্ৰবাহৰ সৃষ্টি হয়, তাৰ পৰাই উদ্ভৱ হয় উপমা, চিত্ৰকল্প। অভিজ্ঞতাৰ পৰা সমৃদ্ধ হোৱা কবি এই উপমাৰ ভাষাৰ সজাগ প্ৰহৰী। সেইবাবে, কবি-হৃদয় মানৱ-প্ৰপঞ্চৰ লীলা-বৈচিত্ৰ্য প্ৰকাশৰ মাধ্যম- কিন্তু সি সচেতন মাধ্যম।

তৰুণ কবি ধ্ৰুৱজ্যোতিৰ কবিতা পঢ়ি ধাৰণা হৈছে, তেওঁ কবিতাৰ ভাষা সম্পৰ্কে সজাগ হবলৈ যত্ন কৰিছে। তেওঁৰ কবিতাবোৰৰ নাতিদীৰ্ঘ অৱয়বেও আমাক আকৰ্ষণ কৰে। এজৰা পাউণ্ডেই তাহানি এনে ধৰণৰ কবিতাৰ আৰ্হি দেখুৱাই গৈছে। অৰ্থক ঘনীভূত কৰাৰ ই নিদৰ্শন। ঘনীভূত কৰাৰ উপায় হ'ল চিত্ৰকল্প বা প্ৰতীকৰ প্ৰয়োগ। জাপানী কবিতাৰ মাজতো এনে অৰ্থঘন স্তৱকৰ উদাহৰণ পাওঁ। ধ্ৰুৱজ্যোতিৰ "মৰুৱা ফুলৰ ৰ'দ" নামৰ পুথিৰ পৰা আমি কেইটামান স্তৱক দাঙি ধৰিছোঃ

(১) জাৰৰ আবেলিৰ চৰাইজাক–
উত্তাল মাতৰ




কিযে প্ৰতিবাদ
আনন্দ-বিমুখতাৰ নতুন সংলাপ.............

(২) কলিজাৰ কাঁইট উভালি মই মচি লৈছো
তেজ
বসন্তৰ নতুন বিহ্বলনত

(৩) আজিৰ ৰাতিৰ বতাহেই
দেখুৱাই যাব তোক-মোক
পানীৰ তলৰ মৰা-জোন.............

(৪) এতিয়া শিল হৈ পৰি আছে পখিলা
বুকুত তাইৰ ভোগী দাঁতৰ দ দাগ–

এই স্তৱক কেইটাৰ ভাষাত এহাতে বাস্তৱ-সচেতনতা যেনেকৈ আছে, ঠিক তেনেকৈ একোটি চিত্ৰকল্পৰ মাজত সংবেদনশীলতাও পৰিস্ফুট হৈছে। স্তৱক কেইটাৰ মূল সুৰ, বিষাদৰ কিয়নো, সৌন্দৰ্য এতিয়া ধৰ্ষিত। শীতৰ চৰাইৰ মাত, ৰাতিৰ পানীত মৰা জোন, কলিজাৰ কাঁইট আৰু তেজ– এইবোৰ কবিৰ দুখৰ প্ৰতিধ্বনি। অৱশ্যে এই দুখ নিবস্তুক (abstruct) নহয়, কবিৰ দুখ-বেদনাৰ সতে বৰ্হিজগতত ক্ৰমে হেৰাই যোৱা প্ৰেম, সৌন্দৰ্য আৰু মানৱতাবোধৰ সম্পৰ্ক আছে।

ধ্ৰুৱজ্যোতিৰ কবিতাৰ এইবোৰ ভাল গুণ। এইবোৰে আমাৰ মনত আশাৰ সঞ্চাৰ কৰে। তেওঁ অৱশ্যে, অগ্ৰজ কবিৰ প্ৰভাৱৰ পৰা মুক্ত হব পৰা নাই। প্ৰসংগ আৰু প্ৰকৰণ উভয় ক্ষেত্ৰতে এনে প্ৰভাৱ কেতিয়াবা অনুভৱ কৰিছো। তলৰ স্তৱক কেইটাত নৱকান্ত বৰুৱা আৰু হীৰেণ ভট্টাচাৰ্যৰ ভাষাৰ ধ্বনি-প্ৰতিধ্বনি আছে যেন অনুভৱ হয়ঃ

(১) শিৰাই শিৰাই শুই আহে শস্যভূমি

(২) মোৰ হৃদয়খন খুলি চোৱা
ওঠৰটা শীতত টোপনি যোৱা
এটি মাত্ৰ তৰা

(৩) মোক আৰু নুসুধিবা। মৃত কাল।
শান্তি কল্যাণ মূলতঃ মানুহ?

'মাতৃঃ সত্বাঃ ভৱিষ্যৎ' এই শিৰোনামাটোৱে আমাক বঙালী কবি বিষ্ণু দেৰ 'স্মৃতি সত্বা ভৱিষ্যৎ' নামৰ পুথিলৈ মনত পেলায়। অৱশ্যে, ধ্ৰুৱজ্যোতিৰ কবিতাটোৰ প্ৰসংগত সম্ভৱতঃ ধৰ্ষিতা নাৰীৰ ইংগিতহে আছে। সি যি কি নহওক, এনেবোৰ প্ৰভাৱ তৰুণ কবিৰ ক্ষেত্ৰত স্বাভাৱিক, – কিন্তু ক্ৰমান্বয়ে তেওঁ স্বকীয় ভাষা এটিৰ আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হব লাগিছে। স্মৃতি, দুখ, ল'ৰালি, শান্তি, কল্যাণ, আশা, মানৱতা এইবোৰ প্ৰসংগই ধ্ৰুৱজ্যোতিৰ কবিতাৰ পৰিধি বিস্তাৰ কৰিছে। তাতেই তেওঁৰ প্ৰতিশ্ৰুতিময় ভৱিষ্যতো লুকাই আছে। আমি আশা কৰিছো, তেওঁ এদিন স্বকীয় ভাব-ভাষাৰে অসমীয়া কবিতাৰ সভাত অভিনন্দিত হব।

**মৰুৱা ফুলৰ ৰ'দ**
*ধ্ৰুৱজ্যোতি দাস*
প্ৰকাশকঃ কৰুণা ডেকা/পি এন চি পথ, নলবাৰী
পৰিবেশকঃ ত্ৰিকাল/শোণিতপুৰ
অৱিহণাঃ দহ টকা মাথোন ■






# মোৰ স্মৰণীয়

## মিতা চক্ৰৱৰ্তী



মেট্ৰিক পৰীক্ষাৰ আগেয়ে মই মোৰ পেহীদেউক সুধিছিলো– "যদি পৰীক্ষাত 'তোমাৰ স্মৰণীয় ঘটনা' এই বিষয় লৈ ৰচনা আহে তেনেহ'লে মই দেউতাৰ মৃত্যু হোৱা ঘটনাটো লৈ ৰচনা লিখিব পাৰিম নে?" অকণমান সময় চিন্তা কৰি পেহীদেউৱে কৈছিল– 'নিশ্চয় পাৰা। কিন্তু সেই ঘটনাটো কিয় লিখিবা?' মই কৈছিলো 'কিয় নিলিখিম, মোৰ জীৱনৰ সেইটোৱেই স্মৰণীয় ঘটনা।' মেট্ৰিক পৰীক্ষাত সেই ৰচনাখন নাহিল। আনকি উচ্চ মাধ্যমিক স্নাতক, স্নাতকোত্তৰ কোনো পৰীক্ষাতেই স্মৰণীয় ঘটনাৰ ৰচনা লিখা মোৰ নহ'ল।

১৯৭৪ চনৰ কথা। মই তেতিয়া ক্লাচ ফাইভৰ ছাত্ৰী। নবেম্বৰ মাহৰ ২৩ তাৰিখৰ দিনা সন্ধ্যা বেলা মই আমাৰ কাষৰ মানুহ ঘৰৰ ঘৰত আছিলো। ২৪ মে'ত সেই ঘৰৰ এখন বিয়া আছিল। হঠাৎ মোৰ সৰু ভন্টী তালৈ গৈ মোক ক'লে– দেউতাৰ হেনো তেজ বমি হৈছে। কোনো মতে নপৰাকৈ দৌৰি আহি ঘৰ পালোহি। লগত মোৰ বান্ধৱী গৰাকীও আহিছিল। (যাৰ বাইদেৱেকৰ বিয়া আছিল) গৈ দেখিলো দেউতাৰ কোঠাত ঘৰৰ আটাইবোৰ মানুহ থিয় হৈ আছে। ক'তো কিন্তু তেজ পৰি থকাৰ চিন নাই। ঘৰত সোমাওঁতেই দেউতাই ক'লে– 'তুমি গুচি আহিলা কিয় মা-তো। যোৱা বিয়া ঘৰলৈ যোৱা।' মাক সুধিলো 'মা ক'ত দেউতাৰ তেজ বমি হৈছে। মইতো একো দেখিবলৈ পোৱা নাই।' মায়ে ক'লে– সেইটো ৰাখি থোৱা আছে, ডাক্টৰ আহি চাবহি। মাৰ কথা শুনি মই হাওহাওকৈ কান্দিব ধৰিলো। আচৰিত কথা যে যিজন দেউতাই মাত্ৰ কেইমিনিটমান আগেয়ে তেজ বমি কৰিছিল তেখেতে নিজে বিছনাৰ পৰা উঠি গৈ মোক বুজাবলৈ চেষ্টা কৰিলে। 'কিয় মিছাতে কন্দা-কটা কৰিছা, বেঙী ছোৱালী, মোৰ একো হোৱা নাই নহয়। হাজৰিকা ডাক্টৰ আংকলক খবৰ দিছো নহয়। তেখেতে এতিয়াই আহি মোক চাবহি। লগতে ঔষধো দিব, আৰু মই ভাল হৈ যাম। তুমি বিয়া ঘৰলৈ যোৱাগৈ।' মোক জোৰ কৰি বিয়া ঘৰলৈ পঠিয়াই দিয়া হ'ল। ডঃ পি এন হাজৰিকা তেতিয়া আমাৰ পাৰিবাৰিক ডাক্টৰ আছিল। মোৰ গভীৰ বিশ্বাস আছিল যে তেওঁ আহি পালেই সকলোৰে অসুখ ভাল হৈ যায়। ইয়াৰ বাহিৰে তেতিয়া বুজিবই শিকা নাছিলো যে তেজ বমি কিমান ভয়াবহ হব পাৰে। দেউতাই মাক খুব বকিলে কিয় এনেদৰে খবৰ পঠিয়ালে? এতিয়া যদি মোৰ ল'ৰা-ছোৱালীৰ লগত কোনেও খেলা-ধূলা নকৰে? দেউতাই ভাবিছিল তেওঁৰ যক্ষ্মা হৈছে।

দিনৰ পাছত দিন মাহৰ পাছত মাহ এটাৰ পিছত এটাকৈ ডাক্টৰ লগোৱা হ'ল। এক্স-ৰে, ঔষধ, পথ্য চলি থাকিল সমানেই। মেডিচিন বিভাগৰ ডাক্টৰৰ পৰা আৰম্ভ কৰি যক্ষ্মাৰ ডাক্টৰ কোনো বাদ নপৰিল। এই ডাক্টৰ সকলৰ বেছি ভাগেই দেউতাৰ গ্ৰেষ্টিক আলচাৰৰ চিকিৎসা কৰিছিল। লাহে লাহে দেউতাৰ বুকুৰ ফালে এটা বিষ আৰম্ভ হ'ল।

১৯৭৩ চনত দেউতাৰ জীৱনত আৰু এটা ঘটনা ঘটিছিল। সেই ঘটনাৰ লগত দেউতাৰ অসুস্থতাৰ সম্পৰ্ক থকা বুলি চিকিৎসক সকলে চিন্তা কৰিছিল। দেউতাই হাওৰাৰ ইঞ্চিৰেঞ্চ কোম্পানীত চাকৰি কৰিছিল। নেচনেলাইজদ হোৱাৰ সময়ত কৰ্তৃপক্ষই দেউতাক Branch Manager-ৰ পদৰ পৰা Inspector পদলৈ ডিমোচন কৰে। এই পদত যোগ দিবলৈ অমান্তি হোৱাত দেউতাক চাকৰিৰ পৰা বৰ্খাস্ত কৰে। ইয়াৰ পাছত তেওঁলোকে বহুবাৰ দেউতাক Branch Manager-ৰ পদত যোগ দিবৰ বাবে অনুৰোধ কৰিছিল কিন্তু দেউতাই তেওঁলোকক কৈ পঠিয়ালে যে তেওঁলোকে যে তেওঁলোকৰ ভুল দেউতাৰ ওচৰত স্বীকাৰ কৰিছে সেই কথা বাতৰি কাকতত প্ৰকাশ কৰে। তেওঁলোক অমান্তি হ'ল। দেউতাই চাকৰিত আৰু যোগ নিদিলে। তেওঁলোকৰ বিৰুদ্ধে দেউতাই মোকৰ্দমাও কৰিছিল। দেউতা বৰ আত্মমৰ্যাদাবোধ সম্পন্ন ব্যক্তি আছিল। ফলত তেওঁলোকৰ ওচৰত শিৰ নত নকৰিলে।

সম্পূৰ্ণ এমাহ বিশ্ৰামৰ অন্তত ১৯৭৪ চনৰ ৩১ ডিচেম্বৰত অসুস্থ অৱস্থাতেই দেউতাই শিলিগুৰিলৈ যায় অইন এটা কামত যোগ দিবৰ বাবে। তাতো প্ৰায় সকলো ডাক্টৰৰ লগতেই যোগাযোগ কৰে। এই চিকিৎসক সকলে দেউতাৰ গ্ৰেষ্টিকৰ চিকিৎসাই কৰিছিল। ১৯৭৫ চনৰ জানুৱাৰী মাহত দেউতা কেইদিনমানৰ বাবে ঘৰলৈ আহে। আকৌ কৰ্ম ক্ষেত্ৰলৈ উভতি যায়। ৬ জুনত আকৌ ঘৰলৈ আহে। ঘৰলৈ আহি কয় ১২ জুনত আকৌ কামলৈ উভতি যাব লাগিব। কিন্তু ঘৰত থকা কেইদিন খুব খোৱা বোৱা কৰিব। বিশেষকৈ দৈ আৰু আম। ঘৰত থকা সময়খিনিত তেওঁ অৱশ্যে মাত্ৰ এদিনহে আম আৰু দৈৰে ভাত খাইছিল। দেউতাৰ বুকুৰ বিষ এনেদেৰে বৃদ্ধি পালে যে ঢোক গিলোতেও কষ্ট পোৱা হ'ল। এই ফালে তেওঁ এনেদৰে কৰিছিল যে তেওঁ আৰু কোনো ডাক্টৰকে নেদেখুৱায়। তেওঁৰ জীৱনত যি হব লগা আছে হব। ইয়াৰ মাজতেই New India Insurance-ৰ (আগৰ Hawrah Insurance nationalised হোৱাৰ পাছৰ নাম নহয় The New India Insurance Company) মিঃ দাসগুপ্ত নামৰ এজন বন্ধুৱে দেখা কৰিবলৈ আহিল। তেখেতে ৰেলেৱেত চাকৰি কৰে। তেখেতেই ৰেলৱেৰ ডাঃ চক্ৰৱৰ্তীৰ কথা দেউতাক কলে আৰু ইয়াকো ক'লে যে দেউতাই যেন এবাৰ ডাঃ চক্ৰৱৰ্তীক দেখুৱায়। বহু কষ্ট কৰি দেউতাক ৰাজী কৰোৱা হ'ল। দাসগুপ্তৰ সৈতেই গ'ল। ডাক্টৰক দেখুৱাৰ পিছত তেওঁ এক্সৰে কৰিবলৈ দিলে। আগৰ ২০/২৫ খন এক্সৰে ৰিপোৰ্ট দেউতাৰ লগত আছিল। আকৌ এক্সৰে কৰা হ'ল। দেউতাই ক'লে এইখনেই মোৰ শেষ এক্সৰে। মই আৰু



OKDISCD

কেতিয়াও এক্সৰে নকৰো। পিছদিনা ৰিপোৰ্ট লৈ পুনৰ ডাক্টৰক দেখা কৰাৰ কথা। মায়ে ক'লে–'মই লগত যাওঁ।' পেহীয়ে ক'লে 'মই যাওঁ।' দেউতাই কিন্তু ক'লে– 'কোনেও যাব নেলাগে। মই চৌধুৰী আৰু দাসগুপ্তৰ লগত অকলে যাম। (দেউতাৰ আন এজন পৰিচিত ব্যক্তি) তেওঁলোক দুজন দেউতাৰ লগত গ'ল। পৰীক্ষা কৰাৰ পাছত দেউতাক ডাক্টৰে সুধিলে 'আপোনাৰ লগত কোনো অহা নাই নেকি?' দেউতাই ক'লে 'মোৰ দুজন বন্ধু আহিছে।' তেওঁ ডাক্টৰজনক আকৌ সুধিলে– 'আপুনি মোক কওঁকচোন মোৰ বাৰু কি হৈছে।' ডাক্টৰে ক'লে 'আপোনাৰ একো হোৱা নাই। খাদ্যনলীত এটা সৰু টিউমাৰ হৈছে। আপুনি সোনকালে কলিকতালৈ গুচি যাওক। তাত গৈ ভালদৰে চিকিৎসা কৰি সুস্থ হৈ ঘূৰি আহকগৈ।' তেওঁ কোনো ধৰণৰ ঔষধ নিদিলে। দেউতাই ক'লে মোৰ বুকুৰ খুব বিষ। কোনো ধৰণৰ ঔষধ দিলে ভাল হয়। ডাক্টৰে ক'লে মই একো ঔষধ নিদিওঁ। আপুনি কালি পৰহিমানে কলিকতালৈ যোৱাৰ ব্যৱস্থা কৰক। আগেয়ে খোৱা ঔষধবোৰ বন্ধ কৰি দিয়ক। ডাক্টৰৰ নিৰ্দেশ মতে দেউতাই বাহিৰলৈ আহি দাসগুপ্ত আৰু চৌধুৰীক ডাক্টৰৰ কাষলৈ পঠিয়ালে। তেখেত সকলক ডাক্টৰে ক'লে কেন্সাৰ হৈছে। অৱস্থা বৰ ভাল নহয়। বাহিৰলৈ ওলাই অহাৰ পাছত দেউতাই তেওঁলোকক সুধিলে ডাক্টৰে তেওঁৰ অসুখ সম্পৰ্কে কিনো ক'লে। তেওঁলোকে ক'লে যে টিউমাৰ হৈছে। যিমান সোনকালে সম্ভৱ বাহিৰলৈ লৈ যোৱা দৰকাৰ। দেউতাই মুখেৰে একো নক'লে। দেউতাই যেন জানিছিল তেখেতৰ কি হৈছে।

ঘৰলৈ ঘূৰি আহি হাঁহি হাঁহি সকলোকে ক'লে যে মোৰ একো হোৱা নাই। মাথো সৰু টিউমাৰ এটা হৈছে। সেইটো চিকিৎসা কৰিলে কমি যাব। মায়ে যেন একো বুজি পোৱা নাছিল। পেহীয়ে কিন্তু ৰাতি আমাৰ অজ্ঞাতে কান্দিছিল।

দেউতাক ভেলোৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিলে পেহীদেউৱে। কিন্তু চাকৰিৰ একো মীমাংসা নোহোৱা পৰ্যন্ত তেওঁ কোনোপধ্যেই যাবলৈ মান্তি নহ'ল। অৱশেষত দুবাৰ reservation বাতিল কৰাৰ পাছত ১৭ আগষ্টত দেউতাই ট্ৰেইনত উঠিল। তেখেতৰ সৈতে মা, দুবছৰীয়া সৰু ভনীজনী আৰু জেঠা। যোৱাৰ সময়ত বাৰান্দাত আইতাক সেৱা কৰি ক'লে– অকণমানো কন্দা কটা নকৰিবা। মই খুব সোনকালে ঘূৰি আহিম। অদ্ভূত মনৰ জোৰ আছিল তেখেতৰ।

শিলিগুৰি হৈ দেউতা ভেলোৰলৈ ৰাওনা হ'ল। ট্ৰেইনেৰে গৈ থকা সময়ত মাক দেখুৱাই কয়– সেই মাটিখিনি মই কিনিম। তাৰ পৰা কাঞ্চনজংঘাৰ শৃংগ দেখা যায়। শিলিগুৰিত দেউতাই যি ভদ্ৰলোকৰ লগত কাম কৰিছিল তেখেতে দেউতাক আমেৰিকালৈ পঠিয়াবলৈ খুজিছিল। কিন্তু টকা পইছা খৰচ হোৱাৰ বাহিৰে যে অইন একো লাভ নহয় সেই কথা বুজাই দিয়াৰ পাছত তেখেতে মত সলনি কৰি ক'লে যে দেউতাৰ চিকিৎসাৰ বাবে যিমান টকাৰ প্ৰয়োজন হয় তেখেতক যেন জনোৱা হয়।

ভেলোৰত দেউতাৰ চিকিৎসা আৰম্ভ হ'ল। তাৰ চিকিৎসক সকল খুব ভাল চিকিৎসাবিদ বুলিয়েই সকলোৱে জানে। তাত তেওঁলোকৰ নিয়ম অনুযায়ী খোৱাৰ পৰা আৰম্ভ কৰি এক্সৰে পৰ্যন্ত পৰীক্ষা কৰাৰ পাছত চিকিৎসা আৰম্ভ হ'ল। তাত দেউতাৰ অপাৰেচন হ'ল। জিভাৰে খাদ্য খোৱা নিৰাপদ নহয় বুলি পেটত এটা টিউব লগাই দিয়া হ'ল। অপাৰেচনৰ আগেয়ে আমাৰ ডাঙৰ মামা, মাজুমাহী আৰু সৰু মহা ভেলোৰলৈ গ'ল। অপাৰেচন হ'ল। প্ৰথমেই চিকিৎসকৰ লগত চুক্তি আছিল যে তেওঁলোকে যেন বেছি অংশ নাকাটে। অপাৰেচন কৰাৰ ক্ষেত্ৰত দেউতাৰ খুব আপত্তি আছিল। তেখেতৰ মতে অপাৰেচন কৰাৰ পাছত যে দাগ ৰৈ যায় সেইটো শৰীৰৰ বাবে এটা খুঁত। চিকিৎসকসকল সন্মত হ'ল। জ্ঞান ঘূৰি অহাৰ পাছত নিজৰ পেটলৈ চাই দেউতাই ডাক্টৰক মাতি পঠিয়ালে। ক'লে– 'তুমি মোৰ কথা নাৰাখিলা। মোক কথা দিছিলা যে অলপ কাটিম বুলি। এতিয়া দেখোন গোটেই পেটটোতেই মস্ত এটা দাগ।' দেউতাৰ কথা শুনি এটা শিশুক বুজোৱাৰ দৰে ডাক্টৰে দেউতাক বুজাবলৈ চেষ্টা কৰিলে। দেউতাই মানি ল'লে। আৰু এদিনৰ ঘটনা। ভেলোৰৰ এগৰাকী ধাত্ৰীয়ে ড্ৰেছিং কৰাৰ সময়ত দেউতাই মন কৰিলে যে ড্ৰেছিং কৰাৰ পাছতো অপাৰেচন কৰা ঠাইখিনিৰ পৰা তেজ ওলাই থাকে। তেখেতে তৎক্ষণাত মুখ্য চিকিৎসকক মাতি পঠিয়ালে আৰু ক'লে 'তোমাৰ নাৰ্চে ড্ৰেছিং কৰিব নাজানে। চোৱা, মোৰ শৰীৰৰ পৰা কিমানবোৰ তেজ উলিয়ালে। তেওঁ যদি আৰু এদিন মোৰ ড্ৰেছিং কৰিবলৈ আহে নহয় মই একচৰত দাঁত সৰাই দিম। তেওঁ মোৰ শক্তি নোহোৱা বুলি ভাবিছে নেকি? এতিয়াও যদি মই তেওঁক এক চৰ দিওঁ তেওঁ মাটিৰ পৰা উঠিবই নোৱাৰিব।' সেইজন দেউতাই এইবোৰ কথা কৈছিল যাৰ শৰীৰ সেই সময়ত ইমান বেছি দুৰ্বল আছিল যে ইকাটি সিকাটি কৰিবলৈ অইনৰ আশ্ৰয় লব লাগিছিল। ডাক্টৰজনে কথা দিছিল তেওঁ নিজেই আহি ড্ৰেছিং কৰি দিব। তেওঁ কথা ৰাখিছিলো। মাথোন এদিন তেওঁ আহিব নোৱাৰি অইন এজনক সেই দায়িত্ব দিছিল।

১৯৭৫ চনৰ ১৫ নবেম্বৰত দেউতা ঘৰলৈ ঘূৰি আহিল। হস্পিটেল সম্বন্ধে খুব ভয় আছিল বাবে ভেলোৰৰ পৰা তেখেতক জোৰ কৰিয়েই ঘৰলৈ পঠিয়াই দিয়া হ'ল। ঘৰলৈ অহাৰ পাছত পেহীদেউৱে সুধিলে 'ভেলোৰত কেনেকুৱা লাগিল?' তেখেতে ক'লে– 'সেইখন হস্পিটেল নহয় যেনিবা স্বৰ্গ। কিন্তু এটা প্ৰশ্নৰ উত্তৰ মই বিচাৰি পোৱা নাই। তেখেতসকলে যে কোনো ৰোগীৰ চিকিৎসাৰ পাছত আকৌ এবাৰ Check up-ৰ বাবে মাতি পঠিয়াই মোক তেনেদৰে মাতি নপঠিয়ালে।' পেহীদেউৱে ক'লে– 'যাক তেওঁলোকে মুখেৰে সময় নিদিয়ে তেওঁলোকক চিঠিৰে মাতি পঠিয়ায়। মই বাৰু সুধি লম।' পাছত জেঠাক সুধি জানিব পৰা গৈছিল যে তেওঁলোকে দেউতাক মাথোন দুমাহ সময় দি পঠিয়াইছে।

ভেলোৰৰ পৰা ঘূৰি অহাৰ পথত কলিকতাত আমাৰ এজন সম্পৰ্কীয় ডাক্টৰক দেউতাক দেখুৱাইছিল। তেখেতে কৈছিল যে দেউতাৰ যি খাবলৈ মন যায় তাকেই খায় যেন? জ্বলা আৰু মছলাৰ বাহিৰে বাকী সকলো বস্তুৱেই তেওঁ দেউতাক খাবলৈ ক'লে। ইয়াত অহাৰ পাছত পেটৰ টিউবৰ ঠাইডোখৰ নিয়মিত পৰিষ্কাৰ কৰিব ধৰিলে। প্ৰথম দিনা এজন কম্পাউন্ডাৰ আহি পৰিষ্কাৰ কৰোতে খুব বেছি ৰক্তপাত হয়। দেউতাৰ বৰ খং উঠে। ইয়াৰ পাছৰ পৰা এজন এম বি বি এচ ফাইনেলৰ ছাত্ৰ মাজে সময়ে আহি পৰিষ্কাৰ কৰি দি যায়। বুকু আৰু পিঠিৰ বিষ একে ধৰণেই থাকিল। লাহে লাহে দেউতাই বিছনাৰ পৰা উঠি বেছি সময় বহি থাকিবও নোৱৰা হ'ল। ইয়াৰে ডাঃ পি এন হাজৰিকা আৰু ধীৰব্ৰত দাস মাজে সময়ে আহি দেউতাক দেখা শুনা কৰে। দিন বাগৰিব ধৰিলে আৰু দেউতাইও ক্ৰমে মৃত্যুৰ পথলৈ আগবাঢ়িব ধৰিলে। মই একো বুজি নেপাওঁ। দেউতাই প্ৰায়ে আমাৰ চাৰিজন ভাই-ভনীকে মৰম কৰে আৰু



কান্দে কিন্তু কেতিয়াও তেওঁ তেওঁৰ অসুখ আৰু অসুখৰ পৰিণতি সম্বন্ধে আলোচনা নকৰে। ১৯৭৬ চনৰ ৯ জানুৱাৰীৰ দিনা পেহীক হাতত ধৰি তেওঁ কৈছিল–'তোমাৰ কাৰণে বৰ কষ্ট হয়, তোমাৰ ওপৰত মই বৰ ডাঙৰ দায়িত্ব দি গ'লো।' ১০ জানুৱাৰীৰ দিনা পেহীয়ে ডঃ পাটোৱাৰীক লৈ আনিলে। কিছুদিনৰ পৰা দেউতাক টিউবেৰে খুৱালেও কাহ উঠে। কাহৰ লগতে তেজৰ জুলীয়া বস্তুৰ দৰে কিবা বস্তু ওলায়। ডাক্টৰে পৰীক্ষা কৰিলে। তাৰ পাছত দেউতাই ক'লে 'তোমালোক সকলোৱে বাহিৰলৈ যোৱা। মোৰ ডাক্টৰবাবুৰ সৈতে কথা আছে।' দেউতাক পৰীক্ষা কৰি পলমকৈ উভতি অহা ডাক্টৰক পেহীয়ে সুধিলে। 'দাদাই আপোনাক কি ক'লে?' ডাক্টৰ পাটোৱাৰীয়ে উত্তৰ দিলে 'আপোনালোকৰ মাজত লুকাভাকু খেল খেলা আৰম্ভ হৈছে। আপোনালোকে ভাবিছে যে ৰোগীক অসুখটো সম্পৰ্কে একো নজনাব আৰু ৰোগীয়ে ভাবিছে যে আপোনালোকে গম নাপাওক যে ৰোগীয়ে তেওঁৰ কি হৈছে সেই কথাটো যে জানে।' ডাক্টৰ ইয়াকো ক'লে যে ৰোগী ইমান বেছি বুধিয়ক যে মোৰ নিজৰে বিপদত পৰি যোৱা যেন লাগে। সেইদিনাই ডাক্টৰে পেহীক জনাই দিলে যে দেউতাৰ আয়ুস মাত্ৰ আৰু দুই তিনি দিনহে আছে। যদি বেছি জ্বৰ আহে বা বমি হয় বা টিউবেৰে খুৱাই থকা সময়ত কাহৰ সৈতে তেজ মিশ্ৰিত খেকাৰ ওলায় তেতিয়া হ'লে বুজিব লাগিব যে আৰু মাত্ৰ দুই বা তিনি ঘন্টাহে ৰোগীয়ে জীয়াই থাকিব। অৱশ্যে বহু সময় চিন্তা কৰি ডাক্টৰে দুটা ঔষধ সেইদিনা লিখি দি থৈ গ'ল। প্ৰথমটো খুৱালে বমি হব পাৰে বুলি বন্ধ কৰাৰ আনটো ঔষধ। লগতে এটা ইন্‌জেকচনো দিলে। কিন্তু সেইটো ঘৰতে পুচ কৰিলে বিপদৰ আশংকা আছে। গতিকে ৰোগী চিকিৎসাৰ বাবে ভৰ্তি হব লাগিব। পেহীয়ে দেউতাক বুজাবলৈ চেষ্টা কৰিলে তেখেতে যেন হস্পিটলত ভৰ্তি হব ৰাজী হয়। বহু কথা বতৰাৰ পাছত দেউতাই ক'লে যে মোক হস্পিটলত ভৰ্তি কৰিলে তোমালোকৰ সুবিধা হয় যদি তাকেই কৰা যাওক। দেউতাৰ কথা শুনি পেহীয়ে ক'লে যে যিদৰেই হওক দেউতাক ঘৰতেই ইন্‌জেকচন দিয়াৰ ব্যৱস্থা কৰা হওক। ১২ জানুৱাৰী সোমবাৰে মহৰমৰ বন্ধ। ৰাতিপুৱা টোপনিৰ পৰা উঠি দেখিলো যে দেউতাক টিউবেৰে খুওৱাৰ পাছত কাহৰ লগত তেজ মিশ্ৰিত খেকাৰ ওলাইছে। ঘৰৰ আটাইবোৰেৰে মন খুব বেছি বিষণ্ণ যেন অনুমান হ'ল। ডাঙৰবোৰে সৰু সৰুকৈ নিজৰ মাজতে কথা পাতিছে। দুপৰীয়া ১২ বজাত মোক বেদানা এৰাই দিব ক'লে। মই বেদানা এৰোৱাত লাগিলো। ১২-৩০ বজাত দেউতাক আধাকাপ গাখীৰ আৰু এক প্লেট বেদানা খুওৱা হ'ল। তেতিয়া দুপৰীয়া দেৰ বাজিছে। মই গা ধুই পূজা কৰা ঘৰত পূজা কৰিছো। সৰু পেহী ৰান্ধনী ঘৰত। মাজু পেহীও ৰান্ধনী ঘৰত। মা দেউতাৰ কাষত। জেঠাই ইতিমধ্যে এবাৰ ডাক্টৰৰ ওচৰৰ পৰা ঘূৰি আহিছে। আইতা আৰু জেঠা সমুখৰ বাৰান্দাত। মায়ে দেউতাক ঔষধটো খুৱাইছে। বমি বন্ধ কৰা ঔষধটো টেবুলৰ ওপৰত গুলি থোৱা আছে। ঔষধ খাই দেউতাই শুলে। ক'লে ঠান্ডা লাগিছে। মায়ে গাত হাত দি দেখিলে ভৰিৰ তল দুখন একেবাৰেই ঠান্ডা। লেপ গাত দি ৰূম হিটাৰ জ্বলাই দিয়া হ'ল। দেউতাই ক'লে– ঔষধটো এনেদৰে গুলি ৰাখিলা কিয়? বমি নহ'লে এনেয়ে নষ্ট হৈ যাব। মায়ে ক'লে– 'আজি প্ৰথম দিন বাবেই গুলি ৰাখিলো। এটা ঔষধ নষ্ট হলে একো নহয়।' এইদৰে কিমান মুহূৰ্ত পাৰ হৈছে মায়ে ক'ব নোৱাৰে। কিন্তু হঠাৎ দেউতাই জাঁপ মাৰি বহি পৰিল। দেউতাই কি ক'লে বুজিব পৰা নগ'ল। বিছনাৰ তলৰ পৰা চৰিয়াটো আনিব খোজোতেই মায়ে দেখিলে বিছনাৰ ওপৰত এসোপা কেঁচা তেজ পৰি আছে। মায়ে জেঠাক চিঞৰি মাতিলে– 'ডাঙৰ দাদা, ডাঙৰ দাদা সোনকালে আহক।' জ্ঞান হোৱাৰে পৰা মই কোনোদিনে মাক জেঠাৰ সৈতে কথা বতৰা পতা দেখা নাই। তাৰ উপৰি মাৰ কণ্ঠস্বৰ ইমান ভয়বিহ্বল আছিল যে ময়েই সকলোৰে আগেয়ে জেঠাক মাতিবলৈ বাহিৰৰ বাৰান্দালৈ দৌৰ দিলো। আমাৰ ঘৰৰ পাছফালে আমাৰেই আত্মীয় এজন বন্ধুৰ সৈতে মেছ পাতি থাকিছিল। সেই ভদ্ৰলোককেই সকলোৱে মেনেজাৰ বুলি মাতিছিল। এই মেনেজাৰৰ পিনে চাই দেউতাই ক'লে– 'এইবোৰ কি হৈ গ'ল মেনেজাৰ'? এইষাৰেই দেউতাৰ শেষ কথা। পিছ মুহূৰ্ততে মাৰ হাতৰ ওপৰত মূৰটো পেলাই দিলে। ইমান তেজ জীৱনত মই কেতিয়াও দেখা নাই। দুখত নহয় ভয়ত কন্দা আৰম্ভ কৰি দিছিলো। চকুৰ সমুখত কি মৰ্মস্পৰ্শী দৃশ্য। আইতাই দেউতাৰ মূৰত হাত থৈ ইষ্ট দেৱতাক স্মৰণ কৰিছে। মায়ে অনবৰত দুৰ্গাৰ নাম জপ কৰিছে আৰু দেউতাৰ মুখত লাগি থকা তেজবোৰ পৰিষ্কাৰ কৰি দিছে। তেওঁলোকে এতিয়াও বুজি পোৱা নাই যে প্ৰাকৃতিক নিয়মত এইবোৰ দেৱী দেৱতাৰ কঠোৰ নীৰৱতাৰ বাহিৰে আন কোনো ভূমিকা নাই। পানী পানী বুলি কোনোবাই চিঞৰা শুনি এবাল্টি পানী লৈ গৈছো। মূৰত পানী দিয়া হৈছে। মাজু পেহীয়ে লগে লগে মাটিত পৰি থকা তেজবোৰ পৰিষ্কাৰ কৰাত লাগি গৈছে। ককায়েকৰ জ্ঞান ঘূৰি অহাৰ পাছত ইমানবোৰ তেজ দেখিলে ভয় খাব। মুখত কোৰামিনৰ পানী দিয়া হৈছে। কোৱাৰিৰে সেই পানী বাগৰি আহিছে। পুনঃ চেষ্টা কৰা হৈছে কিজানিবা এটোপা পানীও মুখৰ ভিতৰলৈ যায়। জেঠাই ডাক্টৰ মাতিবলৈ বাহিৰলৈ ওলাই গৈছে। কোনেও বুজিব পৰাই নাছিল যে দেউতা বহুত আগেয়ে আমাৰ মাজৰ পৰা আঁতৰি গৈছে। আমি তেতিয়া ইমান সৰু আছিলো যে দুখ প্ৰকাশ কৰাৰ ক্ষমতাও আমাৰ হোৱা নাছিল। মোতকৈ সাত বছৰৰ সৰু মোৰ ভাইটিয়ে দেউতাৰ কষ্ট প্ৰকাশ কৰিছিল এইবুলি– 'তেওঁৰ বুকুৰ ভিতৰত হাড়ৰ জইনবোৰ খুলি গৈছে বুলি মোৰ ধাৰণা হৈছে।' মোৰ পিছৰ ভনীজনী আৰু মই হতভম্ব হৈ বহি আছো। সেইদিনা দেউতাৰ ওচৰলৈ যাবলৈ আমাক যে কিমান মতা হৈছিল। কিন্তু ভয়ত আমি চাৰিওটাৰ এটাইও ওচৰলৈ যোৱা নাই। ইয়াৰ কিছু দিনৰ পিছতেই আমি গম পাইছো দেউতাৰ কেন্সাৰ হোৱা বুলি। আমাৰ সৰু ভনীজনীৰ বয়স তেতিয়া মাত্ৰ চাৰে তিনি বছৰ। তাই বুজিবই পৰা হোৱা নাই– মৃত্যু কাক বোলে। প্ৰশ্ন কৰিছে, 'দেউতাক ক'লৈ লৈ যোৱা হৈছে।' তাইক কোৱা হৈছে ভেলোৰৰ দৰে ডাঙৰ হস্পিটললৈ। তাই জেদ কৰিছে তাইও যাব। আকৌ বুজাই দিয়া হৈছে– 'সেইখন আৰু ডাঙৰ হস্পিটল।' তাই পতিয়ন গৈছে। কোনো শিশুক দেউতাকে মৰম কৰা দেখিলে সতৃষ্ণ নয়নেৰে তাই চাই থাকে। হাতত দিন গণে দেউতা কেতিয়া আহিব। কিমান দিন যে মামাই অফিচৰ পৰা ফোন কৰি তাইক জনাইছে দেউতাৰ সৈতে কথা হোৱা বুলি। দেউতা ভালেই আছে। ওভতোতে পলম হব। লাহে লাহে তাই নিজেই বুজি পাইছে দেউতা আৰু ঘূৰি নাহে।

চকুৰ সমুখত প্ৰচন্ড পৰিশ্ৰমী, সাহসী আৰু ব্যক্তিত্বসম্পন্ন এজন লোকে তিলতিলকৈ অসহায়ভাবে মৃত্যুৰ ওচৰত আত্মসমৰ্পণ কৰিলে। সূ

# অৱসৰ বিনোদন শিবিৰ

পবিত্ৰ কুমাৰ শৰ্মা

যোৱা কেইবছৰমানৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ স্তৰত এখন শৈক্ষিক পঞ্জী প্ৰস্তুত কৰি শ্ৰেণী সমূহ আৰু পৰীক্ষা পতা নিয়মীয়া কৰাৰ প্ৰচেষ্টা লোৱা হৈছে। ১৯৮৯-৯০ শিক্ষা বৰ্ষৰ পৰা অসমৰ কলেজ সমূহৰ বাবেও এখন শৈক্ষিক পঞ্জী প্ৰবৰ্তন কৰা হৈছে। কলেজ আৰু বিশ্ববিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমত বছৰত অন্ততঃ ১৮০ দিন শ্ৰেণী সমূহ হব লাগে বুলি বিশ্ববিদ্যালয় অনুদান আয়োগে কৈ আছে। কলেজ আৰু বিশ্ববিদ্যালয় সমূহত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সংশোধিত দৰমহা দিয়াৰ পিছত ১৯৮৯ চনত কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰী দপ্তৰে শৈক্ষিক পঞ্জী, নূ্যনতম শিক্ষাদানৰ দিন আৰু ঘাইকৈ পৰীক্ষা পদ্ধতি সংশোধনৰ ওপৰত গুৰুত্ব দি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সকলৰ সন্মিলনলৈ এখন নীতি নিৰ্দেশিকা পঠাইছিল। সেই নিৰ্দেশিকাত ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬-ৰ পৰা দিয়া উদ্ধৃতি তুলত দিয়া হৈছে–

"Education needs to be managed in an atmosphere of utmost intellectual rigour, seriousness of purpose and, at the same time, of freedom essential for innovation and creativity. While far reaching changes will have to be incorporated in the quality and range of education, the process of introducing discipline into the system will have to be started, here and now, in what exists."

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ কাৰ্যকাৰিতাৰ ওপৰত চকু দিয়া শিক্ষাৰ কেন্দ্ৰীয় উপদেষ্টা বৰ্ডে প্ৰতিখন বিশ্ববিদ্যালয়ে শৈক্ষিক পঞ্জীৰ আধাৰত শ্ৰেণীসমূহ চলাই, পৰীক্ষাৰ ফলাফল সময় মতে ঘোষণা কৰি ছাত্ৰসকলক শিক্ষা প্ৰশাসন আৰু শিক্ষকে উপযুক্ত নেতৃত্ব দিবলৈ সকীয়াই দিছে। এই অনুসৰি নূ্যনতম শিক্ষাদানৰ দিন আৰু শিক্ষকসকলৰ কামৰ দিন নিৰ্দিষ্ট কৰি দিছে। প্ৰতিজন শিক্ষকে সপ্তাহত ৪০ ঘন্টা কলেজ বা বিশ্ববিদ্যালয়ত কাম কৰিব লাগে। নূ্যনতম শিক্ষাদান বছৰত ১৮০ দিন হব লাগে। ১৯৮৯ চনত লোকসভাতো বিশ্ববিদ্যালয় অনুদান আয়োগে এই ক্ষেত্ৰত নিৰ্দেশ দিয়াৰ বাহিৰে বিশ্ববিদ্যালয় সমূহে এনে ব্যৱস্থা কাৰ্যকৰী কৰাত কেনেদৰে অগ্ৰসৰ হৈছে সেই বিষয়ে তথ্য নোলোৱাত আক্ষেপ কৰিছিল।

শৈক্ষিক পঞ্জীৰ আধাৰত পাঠদানৰ লগত পৰীক্ষা পদ্ধতিৰ সংশোধনো জড়িত কৰা হৈছিল। কৃষি, আভিযান্ত্ৰিক বিজ্ঞান, চিকিৎসা বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু ব্যৱহাৰিক বিজ্ঞানৰ বিষয় সমূহৰ বাহিৰে বিশ্ববিদ্যালয়ৰ কলা, বিজ্ঞান আৰু বাণিজ্য বিভাগত পৰীক্ষা পদ্ধতি সংশোধনৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ বিভাগ সমূহে কোনো ব্যৱস্থা লোৱা নাই। অষ্টম লোকসভাৰ নিৰ্ণায়ক সমিতিৰ ৬৬তম প্ৰতিবেদনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ এনে হেমাহিত গভীৰ উদ্বেগ প্ৰকাশ কৰা হৈছিল। সেই সমিতিয়ে অতি ক্ষিপ্ৰতাৰে প্ৰতিখন বিশ্ববিদ্যালয়তে পৰীক্ষা পদ্ধতি সংশোধনত গুৰুত্ব দিছিল।

বিশ্ববিদ্যালয় অনুদান আয়োগে সদৌ ভাৰত কলেজ আৰু বিশ্ববিদ্যালয় ফেডাৰেছনৰ (AIFECTO) লগত আলোচনা কৰি শিক্ষকসকলৰ পাৰদৰ্শিতা বৃদ্ধিত খতিয়ানৰ এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল ১৯৮৮ চনতে। মেহৰোট্ৰা সমিতিৰ বিশ্ববিদ্যালয় আৰু কলেজ শিক্ষকৰ দৰমহা আয়োগৰ প্ৰতিবেদনতো শিক্ষকসকলক মূল্যায়ন কৰি তেওঁলোকৰ অৰ্হতা বঢ়োৱাৰ পদ্ধতি উলিওৱাৰ পৰামৰ্শ আছিল। ইয়াৰ আধাৰতে বিশ্ববিদ্যালয় অনুদান আয়োগে এখন কৰ্ম নিৰ্দেশনা সমিতি গঠন কৰি দিয়ে। এই সমিতিৰ নীতি নিৰ্দেশিকাৰ ভিত্তিত AIFECTO-ই আঞ্চলিক আলোচনাচক্ৰ পাতি তেওঁলোকৰ পৰামৰ্শ দাঙি ধৰে। তাৰ ফলত শিক্ষক সকলৰ মূল্যায়নৰ বাবে এখন ফৰ্ম তৈয়াৰ কৰা হয়। এই ফৰ্মখন প্ৰতিবছৰে শিক্ষকসকলে পূৰাই দাখিল কৰাৰ কোনো ব্যৱস্থা গুৱাহাটী বিশ্ববিদ্যালয়ত হোৱা দেখা নাই। এই ফৰ্মখনত শিক্ষকসকলৰ যিখিনি কাৰ্য সন্নিবিষ্ট কৰা হৈছে সেই মতে প্ৰতিজন শিক্ষকে বৰগুণি যোগালে বিশ্ববিদ্যালয় আৰু কলেজ শিক্ষকসকলৰ পৰা ছাত্ৰসকল বেছি লাভবান হ'লহেঁতেন।

গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৮৯-৯০ শৈক্ষিক বৰ্ষৰ শৈক্ষিকপঞ্জীত ১৮৯ দিন শিক্ষাদানৰ দিন নিৰ্দেশিত হৈছিল। যোৱা বছৰ ছাত্ৰসকলৰ ফালৰ পৰা মুঠতে ৫ দিন বন্ধ হৈছিল। ইয়াৰ বাহিৰে যুৱ ক্ৰীড়াৰ বাবে যোৱা মাৰ্চ মাহত এসপ্তাহ শ্ৰেণী হোৱা নাছিল। শৈক্ষিক পঞ্জী মতে ১২ এপ্ৰিললৈ শ্ৰেণী সমূহ চলি মে' মাহৰ তৃতীয় সপ্তাহৰ পৰা পৰীক্ষা পতাৰ কথা। ইয়াৰ বাহিৰেও শৈক্ষিক পঞ্জীত ৭৫% বিষয়হে শ্ৰেণীত পাঠদানৰ যোগেদি আৰু বাকীখিনি ছাত্ৰসকলে ঘৰত দিয়া কাম, পুথি ভঁৰালৰ পুথি ব্যৱহাৰৰ যোগেদি দিয়া কাম, ছেমিনাৰত অংশ গ্ৰহণ আদিৰ মাজেদি সামৰিব খোজা হৈছিল। কেইটামান বিভাগৰ বাহিৰে এই পদ্ধতি প্ৰয়োগ নহ'ল বুলি ছাত্ৰসকলৰ পৰা জনা গৈছে। ইতিমধ্যে পৰীক্ষাৰ দিন ঘোষণা কৰাৰ লগে লগে একাংশ ছাত্ৰই পৰীক্ষা পিছুৱাবলৈ কৰ্তৃপক্ষক দাবী জনালে। তেওঁলোকৰ অভিযোগ ছাত্ৰাবাসত ছিট সময় মতে নিদিয়া আৰু শিক্ষকসকলে পাঠদান নকৰা বুলি জনা গৈছে। ছাত্ৰসকলে শিক্ষকে শ্ৰেণী নললে যিদিনা শ্ৰেণী নহয় সেই দিনাই কিয় বিভাগীয় মুৰব্বী বা প্ৰশাসনক নজনায় বুলি সোধাত ছাত্ৰসকলৰ কোনো সদুত্তৰ পোৱা নগ'ল। অভিভাৱক সকলৰো বহুতৰ পৰাই বিশ্ববিদ্যালয়ত শিক্ষকে শ্ৰেণীত পাঠদান নকৰাৰ অভিযোগ শুনা যায়। ছেমিনাৰ বা পুথি ভঁৰালত পুথি অধ্যয়ন সম্পৰ্কে তেওঁলোকক শিক্ষকে দিহা নিদিয়া বুলিও ছাত্ৰই জনাইছে। কলেজ সমূহত প্ৰতি বছৰত শ্ৰেণীৰ সংখ্যা কেইবাজনো অধ্যক্ষই ১৩০ দিনৰ বেছি নহয় বুলি জনাইছে। ইয়াৰ কাৰণ হ'ল কলেজত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বাবে ১৫ দিন, বছৰেকীয়া পৰীক্ষাৰ বাবে ১০ দিন, বি এ, বি এছ চি, বি কম পৰীক্ষাৰ বাবে ৩৮ দিন মুঠ ৬৩ দিন খতি হয়। সেই বাবেই পৰীক্ষা, পদ্ধতিৰ বিকেন্দ্ৰীকৰণ আৰু ফলাফল ঘোষণাৰ ক্ষেত্ৰত সংশোধন নঘটালে শৈক্ষিক পঞ্জী এক অৰ্থশূন্য প্ৰয়াস হৈ থাকিব।

বিশ্ববিদ্যালয় অনুদান আয়োগে নীতি নিৰ্দেশনা প্ৰস্তুত কৰোতে কলেজ সমূহত কেৱল তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম আছে বুলিয়েই ধৰি লয়। কিন্তু অসমৰ কলেজত অসমৰ শিক্ষা বিভাগে ছাত্ৰসকলক +২ স্তৰৰ কাৰণে কোনো দায়বদ্ধতা নোলোৱাকৈ শ্ৰেণী সমূহ চলাবলৈ কলেজক বাধ্য কৰাইছে। অসমত কেৱল তিনি বছৰীয়া পাঠ্যক্ৰম থকা এখনহে কলেজ আছে। সেইখন যোৰহাট বিজ্ঞান কলেজ। বাকী সকলো কলেজতে ২+৩ পাঁচ বছৰ পাঠদানৰ ব্যৱস্থা। অসম চৰকাৰে +২ স্তৰত কোনো শিক্ষক নিয়োগ কলেজত কৰা নাই। আনহাতে +৩-ৰ বাবে লগা অতিৰিক্ত শিক্ষক, অতিৰিক্ত শ্ৰেণী কোঠা আৰু অন্যান্য আনুষংগিক সুবিধাৰ বাবে যিখিনি অনুদান দিয়া উচিত সেইখিনি দিয়া নাই। এই সম্পৰ্কত চৰকাৰৰ কোনো স্পষ্ট নীতি নাই। বিশ্ববিদ্যালয়ে স্বীকৃতি দিওঁতে যি কেইখন শিক্ষকক স্নাতক স্তৰৰ কাৰণে আছে বুলি প্ৰতিবেদন পায় সেই কেইজনকে উচ্চতৰ মাধ্যমিক সংসদেও তেওঁলোকৰ +২ স্তৰৰ শিক্ষক বুলি গণ্য কৰে। এনে দুৱলীয়া জন প্ৰতাৰণাৰ ব্যৱস্থাক পৰিবৰ্তন নকৰাকৈ ৰখাৰ ফলতে কলেজীয়া শিক্ষানুষ্ঠান সমূহ অৱসৰ বিনোদন শিবিৰত পৰিণত হৈছে। এবছৰত মাথোন ১৩০ দিন শ্ৰেণীৰ জৰিয়তে ছাত্ৰসকলক পাঠদানেৰে কেনেকৈ পাঠ্যক্ৰম শেষ কৰা হয় সিও দুৰ্বোধ্য। হয় পাঠ্যক্ৰম সম্পূৰ্ণ পঢ়োৱা নহয়, নহয় পাঠ্যক্ৰমত বিষয় বস্তু তিনি বছৰীয়া স্নাতক পৰ্যায়ৰ বাবে যথেষ্ট নহয়।

এনে ধৰণৰ প্ৰতাৰণামূলক শিক্ষা ব্যৱস্থাৰ দ্বাৰা ছাত্ৰসকলক প্ৰকৃততে শিক্ষিত নকৰাৰ বাবে যুৱশক্তিৰ মাজত এতিয়া যি বিক্ষোভ আৰম্ভ হৈছে তাৰেই পৰিণতিত ছাত্ৰসকলে নিজৰ হাতৰ মুঠিলৈ কৰ্তৃত্ব নিবলৈ প্ৰয়াস কৰা নাইনে? দায়িত্বজ্ঞান সম্পন্ন অভিভাৱক আৰু শিক্ষকসকলৰ এই ক্ষেত্ৰত একো কৰিব লগা নাই নে? শৈক্ষিক পঞ্জীৰ অৰ্থশূন্য প্ৰয়াসৰ মাজতো পুনৰ ১৯৯১-৯২ শিক্ষা বৰ্ষৰ এখন পঞ্জী তৈয়াৰ কৰা হৈছে। ইয়াৰ ফলতে কলেজত শিক্ষাদান নাবাঢ়ে। পৰীক্ষাত কাম কৰা দিন দেখুৱাই শিক্ষক সকলৰ কৰ্মদিন বঢ়োৱা হৈছে যদিও পৰীক্ষাৰ কাৰণে বেলেগ বানচ দিয়া হয় বাবে সি শিক্ষকৰ কাৰণে বাধ্যতামূলক নহয়। পৰীক্ষাৰ কামত সকলো শিক্ষকক দায়িত্বও দিয়া নহয়। এনে স্থলত শৈক্ষিক পঞ্জীত সেই কৰ্মদিন দেখুৱা উচিতনে?

কিছুমান কলেজত স্থায়ী ভাবে জনেল অফিচ পাতি মাহৰ পাছত মাহ অকল কেন্দ্ৰীয় পৰীক্ষাৰ কাম চলাই থকা হয়। কেন্দ্ৰীয় পৰীক্ষা সম্পূৰ্ণ উঠাই পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ ছাৰ্টিফিকেট দিলে আৰু পাঠদান বঢ়ালে ছাত্ৰসকলৰ বিষয় জ্ঞান বৃদ্ধি পাব। চৰকাৰে কলেজ সমূহত শিক্ষকৰ পদবী বঢ়োৱাকৈ +২ স্তৰৰ বাবে উচ্চতৰ মাধ্যমিক স্কুল সমূহতহে অধিক মনোনিবেশ কৰা আৱশ্যক। কলেজ সমূহত ছাত্ৰৰ মাছুল বৃদ্ধি কৰি শিক্ষক নিয়োগৰ সমুদায় ধন উলিওৱাৰ ব্যৱস্থা হব লাগে। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় শিক্ষা বৰ্ডৰ অধীনৰ ৩৫০০ স্কুলৰ ১৩ খনক স্বায়ত্ত শাসন দিবলৈ ব্যৱস্থা লৈছে। ৰামমূৰ্তি আয়োগৰ প্ৰতিবেদনতো শিক্ষাৰ বাবে পুঁজি যোগাবলৈ ছাত্ৰৰ মাছুল বৃদ্ধি আৰু ব্যক্তিগত দান অনুদানৰ পৰিসৰ বঢ়াবলৈ কোৱা হৈছে। বিশ্ববিদ্যালয় আৰু কলেজ সমূহত অৰ্থনৈতিক স্বাবলম্বিতা নহ'লে শিক্ষাত গতানুগতিকতাৰ সলনি নহয়। গতানুগতিক শিক্ষা ব্যৱস্থাই যি সকলে শিক্ষানুষ্ঠানত চাকৰি কৰি আছে তেওঁলোকক কিমান দিনলৈ নিৰাপত্তা দিব পাৰিব সিও সন্দেহজনক। অহা দহ বছৰৰ ভিতৰত বৰ্তমান শিক্ষা পদ্ধতিয়ে ভাৰতত ১০ কোটি শিক্ষিত নিবনুৱাৰ সৃষ্টি কৰিব। তেতিয়া পৰিস্থিতি নিয়ন্ত্ৰণৰ ভিতৰত থাকিবনে? শিক্ষক, অভিভাৱক আৰু ছাত্ৰসকলে এই সম্পৰ্কে প্ৰকৃত কাৰ্যপন্থা প্ৰস্তুত কৰিবলৈ এতিয়াই চিন্তা কৰা প্ৰয়োজন।


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেকস কিলনিক**

এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**

এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

# আবুৰ

উষা চৌধুৰী

আজিকালি সততে ঘৰে বাহিৰে সমনীয়া দুই চাৰিজনেৰে আলোচনা কৰিলে এষাৰ কথা সাধাৰণতে ওলায়। এইষাৰ কথা হ'ল "আজিকালি একোতে আবুৰ নোহোৱা হ'ল।" আবুৰ শব্দৰ প্ৰয়োগ ক্ষেত্ৰ বহল। যেনে কোনো বস্তু ঢাকি ৰখা, শীত তাপৰ পৰা নিজক আগুৰি ৰখা, পৰিয়ালৰ বিধি ব্যৱস্থা আনৰ চকুত নপৰাকৈ ৰখা এনেধৰণৰ। আমি কিন্তু ইমান ব্যাপকতালৈ নগৈ আবুৰ বুলিলে সতকাই আমাৰ মনলৈ যি ভাব আহে তাকে আলোচনা কৰিবলৈ বিচাৰিছো।

অলপতে এখন বিবাহ উৎসৱলৈ গৈ এনে অভিজ্ঞতা হৈছিল। এনেবোৰ অনুষ্ঠানত সহজতে লগ নোপোৱা লোকক লগ পোৱাৰ এটা সুবিধা হয়। সেই দিনাও তাকেই হৈছিল। আমি সমনীয়া কেইবাগৰাকী লগ হৈ আলাপ আলোচনা কৰিছিলো। বিভিন্ন কথাৰ মাজত ঘাইকৈ আমাৰ মহিলাসকলৰ আজিৰ সাজ পাৰৰ কথাই উঠিছিল। আমাৰ অসমীয়া মহিলাৰ ঐতিহ্যপূৰ্ণ সাজ হ'ল ৰিহা, মেখেলা, চাদৰ, ব্লাউজ কিন্তু আজিৰ সমাজত সেই সাজ আমি সেইদিনা লক্ষ্য কৰি দেখিলো আমাতকৈ বয়োজ্যেষ্ঠাসকলে পাটৰ ৰিহা, মেখেলা চাদৰ পৰিধান কৰি মূৰত ওৰণি লৈ এক ঐতিহ্যপূৰ্ণ সভ্যতা আৰু সাজ পাৰৰ চানেকি বহণ কৰি আহিছে। আমাৰ চামে অৰ্থাৎ ৬০ বছৰৰ কাষ চপাসকলে সেই ধৰণে সাজ পাৰ কৰিছে যদিও ৰিহাখন নাছিল আৰু দুই এজনৰ মূৰত ওৰণিও নাছিল। আৰু তাৰ পিছৰ বোৱাৰী চামৰ কিছুমানে শাৰী পিন্ধি আহিছে। গাভৰু চামৰ পৰিধানত কিন্তু কোনো সামঞ্জস্য নাই। বিভিন্নজনে বিভিন্ন ৰুচিৰ সাজ পাৰ কৰি আহিছে।

তিৰোতাৰ চুলিকোছাই এক সৌন্দৰ্যৰ প্ৰতীক বুলি অতীজৰ পৰা স্বীকৃতি পাই আহিছে। সেই চুলি লৈ কত কথা উপকথা সমাজত প্ৰচলিত আছিল আৰু আজিও আছে। সেইবোৰ এতিয়া খীণ হ'লেও একেবাৰে ম্লান হৈ যোৱা নাই। সেই চুলিৰ সংৰক্ষণ আৰু প্ৰসাধনৰ ক্ষেত্ৰতো বিভিন্ন ধৰণে আঁচোৰ পৰিছে। খোপা বন্ধা, বিবাহিতা সকলে খোপাত ওৰণি লোৱা, আবিয়ৈ গাভৰু সকলে খোপাত ফুল গুঁজি প্ৰসাধন কৰি সৌন্দৰ্যৰ সেৱিকা স্বৰূপে নিজক চিনাকি দিছিল। এই সকলোতে এটা কথা প্ৰমাণিত হৈছিল যে বিভিন্ন বস্ত্ৰেৰে




শৰীৰৰ অংগ প্ৰতংগ আবৰি ৰাখি সৌন্দৰ্যৰ স্বকীয়তা ৰক্ষা কৰা। সেয়ে এই বস্ত্ৰ সজ্জাক থূপতে আবৰণ বুলিছিল। এই আবৰণৰ পৰাই আমাৰ আজিৰ আলোচ্য আবুৰৰ উৎপত্তি বুলি ধৰিব পাৰি।

আজিৰ যুগৰ মনীষী মহাত্মা গান্ধীয়ে আমাৰ নাৰী সমাজৰ ঘাইকৈ আজিৰ আধুনিক গাভৰুসকলৰ বিষয়ে এটি মন্তব্য কৰিছিল। তেওঁ লেখিছিল যে আজিৰ গাভৰুৱে শৰীৰ ৰক্ষাৰ কাৰণে নকৰি মানুহৰ মন আকৰ্ষণ কৰিবলৈহে বস্ত্ৰ পৰিধান কৰা হৈছে। কথাষাৰ ভাৰতৰ স্বাধীনতাৰ আগতেই কোৱা যদিও আজি স্বাধীনতাৰ ৪০ বছৰৰ পিছতো এই কথাষাৰে সম্যক আদৰ পোৱা নাই। পৰিপাটিকৈ সাজ-পাৰ পিন্ধি ওলালে পিন্ধোতাৰ গাম্ভীৰ্য বাঢ়ে। বিশেষকৈ নাৰী সমাজৰ পৰিধান এক উল্লেখযোগ্য আকৰ্ষণ। এই বিষয়ে অতীজৰ মহাকাব্যৰ মহাভাৰত ৰামায়ণতো দ্ৰৌপদী আৰু সীতাৰ ক্ষেত্ৰত বিশেষ ভাবে উল্লেখ আছে। পিতৃ সত্য পালনৰ কাৰণে ৰামচন্দ্ৰই ৰাজ আবৰণ্ ত্যাগ কৰি সাধাৰণ তপস্বীৰ বেশেৰে বনবাস খাটিছিল। আৰু তেওঁৰে ভাৰ্য্যা সীতাই সেই ব্ৰত লৈ ৰামচন্দ্ৰৰ অনুগামিনী হ'ল। তেৰোঁ ৰাজ কন্যা বা ৰাজ মহীষীৰ বেশভূষা ত্যাগ কৰি সন্যাসিনীৰ বেশেৰে বনবাসৰ কঠোৰ ব্ৰতত ব্ৰতী হ'ল। বনবাসত থকা কালত বিভিন্ন ঠাই ভ্ৰমণ কৰি ৰাম, লক্ষ্মণ, সীতা অত্ৰি মুনিৰ আশ্ৰমত উপনীত হ'লগৈ। অত্ৰি মুনিৰ পৰিবাৰ সতী সাধ্বী অনুসূয়া তেতিয়া বৃদ্ধা অৱস্থা। সতী অনুসূয়াৰ সতীত্বৰ মহিমাৰে স্বৰ্গ মৰ্ত্য পাতাল সকলোতে সমানে সুপৰিচিতা। তেওঁ সীতাৰ এই বেশ দেখি তেওঁৰ সমীপলৈ মাতি নিলে। আৰু সীতাৰ অবয়ব আবুৰ কৰাৰ মানসেৰে দেৱাংগ বস্ত্ৰ আৰু প্ৰসাধনৰ সামগ্ৰী দিব্য অলংকাৰ আগবঢ়াই দি ক'লে– "তোমাৰ এই সৌন্দৰ্য আবৰিবলৈ মই এই বস্ত্ৰমালা আৰু প্ৰসাধনৰ সামগ্ৰী দান কৰিলো। দান ৰক্ষা কৰাতো তাপস তাপসিনীৰ ধৰ্ম। সেয়েহে তুমি সন্যাসিনীৰ বেশৰ পৰিবৰ্তে এই বস্ত্ৰ পৰিধান কৰি উপযুক্ত প্ৰসাধনেৰে স্বামীৰ সমীপলৈ যোৱা। স্বামীৰ সুৱাগী হৈ বসবাস নিৰ্বাহ কৰাগৈ।" সতী অনুসূয়াই নাৰীৰ মৰ্যাদা বুজে। তাৰ পৰাই বুজিব পাৰি সতী অনুসূয়াই আবুৰৰ কথাকেই সীতাদেৱীক সোঁৱৰাই দিছিল।

বুৰঞ্জীতো বিশেষকৈ অসম বুৰঞ্জীত চীনা পৰিব্ৰাজক হিউয়েনচাঙৰ টোকাত অসমৰ শিপিনীৰ বয়ন বিদ্যাৰ পাৰ্গতালিৰ কথা আৰু অসমৰ নাৰী সমাজৰ অপৰূপ সাজ পাৰৰ কথা লিপিবদ্ধ কৰা আছে। হিউয়েনচাঙৰ এই টোকাত অসমীয়া শিপিনীয়ে সোণালী সূতা উলিয়াই কাপোৰ বোৱাৰ কথাও উল্লেখ আছে। এইবোৰ বস্ত্ৰ যুগমীয়া নহ'লেও আজিৰ কল-কাৰখানাত উৎপাদিত কাপোৰৰ দৰে ক্ষণভংগু নহয়। আহোম স্বৰ্গদেৱ সকলৰ মহীষীসকলে আৰু অসমৰ আঢ্যৱন্ত লোকৰ পৰিবাৰসকলে ব্যৱহাৰ কৰা এনে বস্ত্ৰ আজিও বহুতৰ ঘৰত প্ৰদৰ্শনৰ বস্তু হিচাপে আছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰ পৰা অসমীয়া মহিলাৰ সাজ পাৰৰ কথা প্ৰচলিত হৈ আছে। আবুৰৰ ঘাই আহিলা সাজ পাৰ। আবুৰে সৌন্দৰ্য বঢ়ায় নে টুটায় সেইটো আজি আলোচনাৰ বিষয় হৈ পৰিছে। নাৰী সমাজত আবুৰৰ প্ৰয়োজনীয়তা ঐতিহ্যৰ কাৰণে প্ৰয়োজন বুলি সহজে ক'ব পাৰি। আমাৰ সমাজত এটা কথা প্ৰচলিত আছে "লাজেই নাৰীৰ ভূষণ" সি আজিৰ সমাজত অচল হৈ পৰিলেও মূল অৰ্থ নিঃশেষ হৈ যোৱা নাই। আজিৰ আধুনিক যুগত সকলো ক্ষেত্ৰত নাৰীয়ে পুৰুষৰ সমানে ফেৰ মাৰিছে। ভাৰতৰ দৰে এখন দেশতো ইন্দিৰা গান্ধীয়ে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ আসনত দক্ষতাৰে বহু বছৰ ধৰি শাসন কৰি গ'ল। সাহিত্য সংস্কৃতি ক্ষেত্ৰতো বিভিন্ন দেশৰ মহিলাই নিজৰ স্বকীয় প্ৰতিভাৰ স্বীকৃতি পাবলৈ সক্ষম হৈছে।

সেইদৰে আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য পাকিস্তানৰ নাগৰিকসকল ঘাইকৈ ইচলাম ধৰ্মী মানুহ। মহিলাই বোৰ্খা পৰিধান কৰাতো এটা সামাজিক নীতি। সেই দেশতো বেনাজীৰ ভূট্টো প্ৰধান মন্ত্ৰী হৈছিল। তেওঁ সামাজিক নীতিৰ প্ৰতি শিৰ দোঁৱাই আনকি বিশ্ব সভাতো ওৰণি ব্যৱহাৰ কৰি ঐতিহ্য আৰু সৌন্দৰ্যৰে সকলোকে আকৰ্ষিত কৰিছিল। আজি কেইমাহমান আগতে বাংলাদেশত হৈ যোৱা সাধাৰণ নিৰ্বাচনত জয়ী হৈ খালেদা জিয়াই প্ৰধান মন্ত্ৰীৰ পদত উঠিছে। তেৰোঁ সেই ঐতিহ্য ৰক্ষা কৰি মাতৃসুলভ ওৰণিৰে কাৰ্যভাৰ চলাই আছে।

ইন্দিৰা গান্ধীয়েও অনুৰূপ ব্যৱস্থাই গ্ৰহণ কৰিছিল। ৰাজনৈতিক ক্ষেত্ৰত নহ'লেও সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এইসকল মহিলাৰ আদৰ্শ আমাৰ মহিলাসকলেও গ্ৰহণ কৰাটো উচিত বুলি বিবেচনা কৰো। এইটো অৱশ্যে স্বীকাৰ কৰিব লাগিব যে সাজ পাৰৰ পৰম্পৰা ৰক্ষা কৰাত পুৰুষতকৈ মহিলাসকলে আদৰ্শনীয় উদাহৰণ ৰক্ষা কৰি আহিছে। এই সন্দৰ্ভত অলপতে মহিলা শিৰোমণি বঁটা উৎসৱ অনুষ্ঠিত হৈছিল। সেই সভাত ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত বিশেষ বৰঙণি যোগোৱা শ্ৰীমতী হেপাতুল্লাই কৈছিল যে ভাৰতীয় সভ্যতা সংস্কৃতিৰ পৰম্পৰা নাৰীসকলেহে অব্যাহত ৰাখিছে। পোছাক পৰিচ্ছদৰ ক্ষেত্ৰতেই পুৰুষসকল সবাতোকৈ বেছি বৃটিছ ঔপনিবেশিক সকলৰ দ্বাৰা প্ৰভাৱান্বিত হ'ল। পশ্চিমীয়া আৰ্হিৰ পোছাক পৰিচ্ছদ নিমিষতে আঁকোৱালি ল'লে। কিন্তু নাৰীসমাজে ভাৰতীয় পৰম্পৰাৰ সাজ-পোছাক আজিলৈকে অব্যাহত ৰাখিছে। অসমীয়া সমাজতো এই পৰিবেশ পোৱা যায়। শ্ৰীমতী হেপাতুল্লাই কোৱাৰ দৰে আমাৰ অসমীয়া মহিলাসকলেও গৌৰৱ অনুভৱ কৰিব পাৰে কিন্তু আমাৰ সমাজতো ইয়াৰ বিজুতি লগোৱা সকলোৰে চকুত পৰিছে। আমাৰ শিক্ষিতা মহিলা সমাজত বিশেষকৈ ইংৰাজী শিক্ষা পোৱা মহিলা বা গাভৰু সকলৰ মাজত ইয়াৰ প্ৰভাৱ যথেষ্ট পৰা দেখা গৈছে। সেয়ে অসমীয়া সাজ পাৰৰ পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত এক সংকটে আজি দেখা দিছে। সেই কাৰণে আজিয়েই বা এতিয়াই এক পথ নিৰ্দেশৰ সময় উপস্থিত হৈছে নহ'লে আৰু পলম হ'লে সংশোধনৰ বা সংৰক্ষণত বেছি আউল লাগিব।

আজি সাত আঠ বছৰৰ আগতে ভাৰতৰ অগ্ৰণী সাধক ওমকাৰনাথ বাবা কেইদিনমানৰ কাৰণে গুৱাহাটীলৈ আহিছিল। তেওঁৰ আগমনৰ কথা আমাৰ অজ্ঞাত আছিল। কিন্তু কিবা ভাগ্য সুপ্ৰসন্ন হ'ল। এদিন ৰাতি ১১ মান বজাৰ সময়ত এটা ফোন আহিল। তেতিয়া জাৰকালি। ঠেঁটুৱা লগা জাৰ পৰিছিল। ফোনটো ধৰি এটা বিশেষ বাৰ্তা পালো। ওমকাৰনাথ বাবা পিছদিনা পুৱা আমাৰ ওচৰৰে এঘৰ মানুহৰ ঘৰলৈ অহাৰ কথা আছিল। কিন্তু হঠাৎ কাৰ্যসূচী সলনি হ'ল। বাবা পুৱা কলিকতালৈ যাব সেয়ে আজি ৰাতিয়েই এক ঘন্টামান পিছতে বাবা তেওঁৰ ঘৰলৈ আহিব। বাতৰিটো জৰুৰী। যেনে তেনে তেওঁলোকক খবৰ দিব বুলি এজন অচিনাকি ভদ্ৰলোকে আমাক জনালে। চৌধুৰীয়ে ততাতৈয়াকৈ খবৰ দিবলৈ গ'ল কিন্তু তাত বহুলোক পান্ডু, মালিগাঁৱৰ পৰা আহি পুৱা দৰ্শন পাবলৈ ঠাহ খাই আছিল। বাবাৰ আগমনৰ বাতৰি পাই তেওঁলোকৰ হুৱা দুৱা লাগি পৰিল। মুহূৰ্ততে পদূলিত কলগছ পুতি ধূপ ধূনা বন্তি জ্বলাই বাবাক আদৰিবলৈ সাজু হ'ল। বাবাৰ দৰ্শন লাভ কৰিবলৈ আমাৰো মন উচপিচালে। সেয়ে আমিও ওচৰ চুবুৰীয়া দুই এগৰাকী মহিলাৰে সৈতে যাবলৈ ওলালো। ঠেঁটুৱা লগা জাৰ, বৰষুণ পৰাদি নিয়ৰ পৰিব ধৰিছে। আমি প্ৰকৃতপক্ষে ঠান্ডাৰ কাৰণে গৰম চালো ওৰণিৰে কাণমূৰ ঢাকি গৈ একাষত থিয় হ'লোগৈ। সময় মতেই তিনি চাৰিখন গাড়ীৰে বাবা আহি উপস্থিত হ'ল। শংখধ্বনি আৰু উৰুলিৰ জোকাৰত অঞ্চলটো মুখৰিত হৈ পৰিল। সাজু হৈ থকা পুৰুষ মহিলাসকলে কোষা অৰ্ঘ ধূপ ধূনা বন্তি জ্বলাই বাবাক আদৰিবলৈ পদূলিৰ মুখত থিয় হ'ল। আমিও বাবাৰ দৰ্শনৰ কাৰণে একাষৰীয়া হৈ থিয় হৈ ৰ'লো। বাবা গুজৰি উঠিল "ঘুঙতা কঁহা" "ঘুঙতা কঁহা" বুলি আমাৰ ফালে হাত দেখুৱাই এনে ধৰণে ওৰণি লবলৈ আদেশিলে। এনে উগ্ৰমূৰ্তি আমি কেতিয়াও আশা কৰা নাছিলো। তেওঁৰ বয়স অনুমান কৰিব নোৱাৰি যদিও তেওঁৰ চুলিৰ জঁটাৰ পৰা তেওঁৰ বয়স যে এশৰো ওপৰ হব সঠিক ধৰিব নোৱাৰিলেও অনুমানহে কৰিব পাৰি। পকা ঠেকেৰাৰ দৰে ৰঙৰ সেই মহাপুৰুষ জনলৈ চাই এক দিব্য দৰ্শন হোৱা যেন অনুভৱ হ'ল।

প্ৰকৃতিস্থ হৈ তেওঁ ভাৰতীয় ঐতিহ্যত নাৰীৰ স্থান আৰু ব্যৱহাৰৰ কথা কৈ ততাতৈয়াকৈ পুনৰ গাড়ীত উঠি উভতিল।

মহাসাধক ওমকাৰনাথজী যুগ জয়ী মহাপুৰুষ। তেওঁলোকে নিশ্চয় যুগ যুগৰ কাৰণেই আমাৰ ভাৰতীয় মহিলাসকলক এনেদৰে সকীয়াই গৈছে। কিন্তু সেয়ে আমি ভাবো বেশভূষা আৰু সাজ পাৰৰ প্ৰতি নাৰী সমাজে আৱশ্যকীয় সতৰ্কতা অৱলম্বন কৰা উচিত। সেই ক্ষেত্ৰত কথাছবি দূৰদৰ্শন আদিয়ে আমাৰ উঠি অহা চাম যুৱতী বা মহিলাক প্ৰভাৱান্বিত কৰা দেখা গৈছে। ইয়াৰ প্ৰতিকাৰ বিচাৰি আমাৰ অসমৰ মহিলা সমাজেও বিক্ষোভ প্ৰদৰ্শন কৰা আমি পাইছিলো কিন্তু ফলাফল শুভ নহ'ল। এই দুই মাধ্যমে পেলোৱা প্ৰভাৱ আজি সমাজত বেছি হোৱাটো পৰিলক্ষিত হৈছে। ইয়াৰ দ্বাৰা অসমীয়া সমাজত বিশেষকৈ নাৰী সমাজৰ ঐতিহ্যপূৰ্ণ সাজ পাৰৰ সমূলাঞ্চে বিনষ্ট হব। সম্পূৰ্ণ পুৰণিলৈ উলটি নগৈ কিছু সংস্কাৰেৰে আমাৰ সুকীয়া সাজ পাৰ সংৰক্ষণ কৰাটো সংৰক্ষণবাদী নহৈ প্ৰগতিশীলেই হব বুলি আমাৰ বিশ্বাস। ■

# সংবাদদাতা

অতুলানন্দ গোস্বামী



কৰুণাই টুনটুনৰ হাতত দহটকীয়া নোটখন দি কাবৌ কৰিলে গা-ধোৱা চাবোন এটুকুৰা আনি দিবলৈ। কনক ডেকাৰ দোকান খুলিছেই চাগৈ। 'সোনকালে যা দেই, মই গা ধুবলৈ বৈ আছো' বুলি এবাৰ সকীয়াই দিলে।

টুনটুনে ভালেই পালে। পঢ়া মেজৰ পৰা অকণমান আঁতৰি যাবলৈ সুবিধা এটা ওলাল। তাৰ গাড়ীখন লৈ ওলাই গ'ল। কৰুণা পদুলিলৈকে ওলাই আহে মানে টুনটুনৰ গাড়ী দত্তৰ পদুলিও পাৰ হৈ গ'ল।

চাৰি ফুটমান দীঘল মাৰি এডালৰ মূৰত এফুট মান আন এডাল মাৰি পথালিকৈ বান্ধি লোৱা আছে। সেইডাল ষ্টিয়াৰিং। দীঘল ডাল দুই কৰঙনৰ মাজত লৈ টুনটুনে গাড়ী চলায়। জপোৱা ওঁঠৰ মাজেদি ফুঁ মাৰি ফোৰৰ্ৰ্ কৈ অদ্ভুত শব্দ এটা কৰে। মাজে মাজে 'পিত' 'পিত' কৈ হৰ্ণ দিয়ে। সেই দৰেই সি দৌৰি ফুৰে পুৱাৰ এফাল আৰু আবেলিৰ এছোৱা। এতিয়াও দৰে কোনোবাই কাণলৈ পাচিলে কথাই নাই।

নগৰৰ মাজতে যদিও চুবুৰিটো নিজান। প্ৰায়বোৰ ঘৰেই নতুন। একমাত্ৰ নগেন দত্তৰ ঘৰখনেই পুৰণি। ডাঙৰো। দুটা সীমাই দি দুটা বাট গৈছে। দোকান-পোহাৰ বৰকৈ নাই। সৰুকৈ দোকান এখন খুলিছে কনক ডেকাই। আনবোৰ প্ৰায় দুই ফাৰ্লংমান দূৰত। দত্তৰ সীমাতে ডেকাৰ দোকানখন।

দত্ত ডাঙৰ ঠিকাদাৰ। বছৰৰ বাৰেও মাহ বেলেগ বেলেগ ঠাইত ঠিকাৰ কাম চলি থাকে। মানুহজন ঘৰত নাথাকেই বুলিব পাৰি। ল'ৰা-ছোৱালী ডাঙৰ হৈছে। আটাইকেইটা কলেজত। গাড়ী বাগী আছে। লৰীয়েই তিনিখন। অলপতে নতুন গাড়ী এখনো লৈছিল। জিতে চলায়।

টুনটুনক চাবোন টুকুৰা দি কনকে সুধিছিল - 'তোৰ গাড়ীৰ লাইচেন্স আছেনে নাই অ? নাথাকিলে পুলিচে ধৰিব কিন্তু; দেখা নাই কেনেকৈ গাড়ীবোৰ চেক কৰি আছে!' টুনটুনে হাঁহি এটা মাৰি চাবোন টুকুৰা তাৰ গাড়ীৰ ৰছিৰ গাঁঠিত ওলাই থকা আগটোত বান্ধি ললে। কনকে বাকী থকা পইছাৰ লগতে দুটা টফী দি ক'লে – 'ভঙনীয়া নাই বুইছ। এই দুটা লৈ যা। এটা পেহীয়েৰক দিবি।' টুনটুনে ভালেই পালে। সি আকৌ গাড়ী চলাই দিলে – ফোৰৰ্ৰ্। পিছে অহা বাটেদি নহয়। দত্তৰ চৌহদ চুই যোৱা আনটো বাটেৰে গলে মুকলি মাটি এডোখৰ আছে। ডাঙৰ ল'ৰাবোৰে খেলে তাত। তাৰ মাজেদি মানুহৰ খোজেৰে পটি এটা হৈছে। সেইফালেদি ঘূৰি গলেও ঘৰ ওলাবগৈ পাৰি।

'পিত' 'পিত' কৈ হৰ্ণ দি বাটৰ পৰা পথাৰকণলৈ নামিব খোজোতেই আগচি ধৰিলে ডেকা ল'ৰা এজনে। মুখত হাঁহি। সুধিলে – 'তোমাৰ গাড়ীৰ নম্বৰ কি হে ভাইটি?'

উত্তৰ দিবলৈ কথা নোলাল টুনটুনৰ। সিও হাঁহিলেহে।

'তোমাৰ নাম কি বাৰু?'

টুনটুন।'

'পঢ়িছানে নাই?'

'ওঁ।'

'কোন শ্ৰেণীত?'

'খ।'

'তুমি বাৰু জিত দত্তৰ ঘৰটো চিনি পোৱানে?'

টুনটুনে 'জিৎদা'ক চিনি পায়। 'জিৎদা'ই জিত দত্ত হ'ব পাৰেনে নোৱাৰে ঠিৰ কৰিব নোৱাৰি ডেকাৰ মুখলৈ চাই থাকিল এখন্তেক।

'ঠিকাদাৰ দত্তৰ ঘৰ, চিনি নোপোৱা?

'পাওঁ। জিৎদা নাই নহয় ঘৰত।'

'কেনি গ'ল?'

'নাজানো। মাহঁতে কথা পাতিছে বোলে কোনেও নাজানে।'

'এস্, হয় নেকি। মই আৰু নাযাওঁ তেনেহলে। তুমিয়ে বাৰু এই চিঠিখন তেওঁলোকৰ ঘৰত দি দিব পাৰিবা নে?'

'পাৰিম।' বুলি প্ৰায় থাপ মাৰি চিঠিখন লৈ টুনটুনে আকৌ গাড়ী এৰি দিলে। উভতি ললে এইবাৰ নতুন কামটো পাই।

মটৰ চাইকেল এখন ষ্টাৰ্ট কৰা শব্দটো শুনিলে সি। শুনিলেও ডেকাজনেই যে সেইখন চলাইছিল ক'ব নোৱাৰিলে।

জিত প্ৰায় দহদিন হ'ল, ঘৰলৈ ঘূৰি অহা নাই। নতুন গাড়ীখন লৈ সেই যে ওলাই গৈছিল সেইদিনা, তাৰ পৰাই তাৰ খবৰ নাই। ঘৰত বোলে একো কৈ যোৱা নাই। চিন্তা হৈছে সকলোৰে। যি হে দিনকাল পৰিছে। চিন্তিত হৈ দত্তও ঘৰতে আছেহি যোৱা গোটেই সপ্তাহটো। মাকে পেহীয়েকে বহি সেইবোৰ কথাকে পাতি থকা টুনটুনে শুনিছিল।

হলেও চুবুৰিত বৰকৈ ওলোৱা নাছিল কথাবোৰ। ওলাল এয়া টুনটুনৰ হাতৰ চিঠিখন পোৱাৰ পিছত।

তাৰ গাড়ীৰ পৰা ননমাকৈয়ে টুনটুনে চিঞৰি কৈছিল 'বৰমা, চিঠি –।' দত্তৰ পৰিবাৰ যোৱা কেইদিনৰ দৰে ওলাই আহিছিল পদুলিলৈ। চকুৰে মুখে আশা, জানোছা কিবা খবৰ পায়েই কাৰবাৰ পৰা!

'কাৰ চিঠি অ'? আগ্ৰহেৰে হাত মেলি দিলে জিতৰ মাকে।

'নাজানো, দাদা এটাই দিলে বাটতে' বুলি চিঠিখন আগবঢ়াই দিলে টুনটুনে। দিয়ে তাৰ গাড়ী এৰি দিলে – ফোৰৰ্ৰ্। ৰ'বৰ সময় নাই তাৰ।

বন্ধ খামৰ ওপৰত জিতৰ দেউতাকৰ নামটো চাই চায়ে তেখেতে মুখেৰে কৈ গ'ল –'মুখখন যে নিবিষায় তোৰ।' টুনটুনে বৰমাকৰ কথা নুশুনিলে যদিও উত্তৰ দিয়াৰ দৰেই হৰ্ণ বজাই দিলে 'পিত'।

সি ঘৰ পালে কি নাপালেগৈ, হুৱাদুৱা লাগিল দত্তৰ ঘৰত। চিঞৰ বাখৰ কন্দা-কটা গোটেই চুবুৰিয়ে শুনিলে। উধাতু খাই ওলাই আহিল গোটেইবোৰ। পলকতে দত্ত ঠিকাদাৰৰ চোতাল মানুহে ভৰি পৰিল।

কোনোবা এজনে টুনটুনক মাতি নিলেহি। দত্তৰ পদুলিৰ পৰা অলপ দূৰত তাক বেৰি ধৰিলে জুম এটাই। টুনটুন অবাক হ'ল তাক তেনেকৈ বিশেষ আকৰ্ষণৰ কেন্দ্ৰ কৰি পেলোৱা বাবে।

নাই, সি চিনি নাপায় তাক চিঠি দিয়া মানুহটো।

ওঁহো, আগতে দেখা নাই তেনেকুৱা মানুহ।

কিমান বয়স? দেখিবলৈ কাৰ দৰে? আহিছিল কেনেকৈ? তাক চিঠিখন ঠিক কোন ঠাইত দিছিল?

প্ৰশ্নবোৰৰ ধৰণ আৰু সোধোতা সকলৰ উৎকন্ঠা দেখি টুনটুন হতভম্ব হ'ল। ভয়ত পেঁপুৱা লাগি দেউতাক থিয় হৈ আছে কাষতে। মুখত মাত নাই। পেহীয়েকে ঘৰত কান্দিছে ৰাতিপুৱাই তাক চাবোন টুকুৰা আনিবলৈ দিয়া দোষটো মূৰ পাতি লৈ।

জিতক বোলে হত্যা কৰা হ'ল। শটো সৰুজানৰ পুলৰ তলত পাব। গাড়ীখন নাপায়। ঠিকাত বেয়া কাম কৰি ধন ঘটি দেশৰ শত্ৰুতা কৰা বাবে আৰু আগৰ ইংগিত মতে পাঁচ লাখ টকা দিবলৈ সন্মত নোহোৱা বাবে নগেন দত্ত এনে শাস্তি পাবৰ যোগ্য।

চিঠিত থকা বক্তব্যই সকলোকে হতবাক কৰিলে।

ল'ৰা-ঢপৰা লাগিল। পুলিচ আহিল। প্ৰশাসনৰ বিষয়া আহিল। কাগজৰ মানুহ আহিল। মন্ত্ৰীও আহিল। হিচাপ লব নোৱৰাকৈ খবৰ বিচৰা মানুহে চুবুৰিটো ঢাকি ধৰিলেহি।

পুলিচৰ ডাঙৰ বিষয়া এজনে টুনটুনক মৰমেৰে কেইটামান কথা সুধি দেউতাকক দিহা দিলে, তাক কেইদিনমান ইয়াৰ পৰা আঁতৰাই থওক। নহলে অযথা ছাপ পৰিব পাৰে কুমলীয়া মনটোত। ক'ত থাকে জনাই থলেই হ'ল।

টুনটুনে কিন্তু একো নুবুজিলে এই হুলস্থূলত তাৰনো ভূমিকা কি। পুলিচৰ মানুহে তাক দুবাৰমান সেই চিঠি দিয়া ঠাইকণ দেখুৱাই দিবলৈ মাতি নিছিল। কনক ডেকাকো। সিমান পুৱাই সেইদিনা মটৰ চাইকেল নো কোনে চলাইছিল তেওঁৱো ঘূৰি চাইছিল। পিছে মূৰৰ হেলমেটটো আৰু ধোঁৱাখিনিহে দেখিলে। তাকে কৈছিল পুলিচক।

মোমায়েকৰ ঘৰত থৈ আহিলগৈ টুনটুনক দেউতাকে। মাকো থাকিলগৈ লগতে। কাৰো মনত শান্তি নাই।

ধুমুহা কিছু শাম কাটিলে। মুখে মুখে প্ৰচাৰ হবলৈ ধৰিলে সহজে ধন ঘটাৰ উপায় বিচাৰিহে কোনোবা ভুৱা সংগঠনে কামটো কৰিলে; দত্ত ঠিকাদাৰৰ ঘৰখন নিজম হৈ গ'ল। দুমাহৰ পিছত টুনটুন ঘৰলৈ ঘূৰি আহিল। স্কুললৈ যাবলৈ ললে। অদ্ভুত জীৱন-নাটক এখনত সিও যে এটা চৰিত্ৰ হ'ব লগা হৈছিল জানিও কোনো কথাকে সি বুজা নাছিল। কাৰ কি স্বাৰ্থ, কোনে কি বিচাৰিছিল সি একো বুজিব পৰা নাছিল। অথচ দত্ত ঠিকাদাৰৰ ঘৰলৈ অহা মৰ্মন্তুদ সংকট এটাৰ বাতৰি সিয়ে কঢ়িয়াই আনিছিল!

এনে এক নিষ্ঠুৰ সংবাদ তাৰ হাতেৰে দিয়ালে কেলেই সেই ডেকাজনে? তাৰ অৰ্হতা কি আছিল? তাৰ কোমল বয়স, অবোধ শৈশৱ, নিষ্পাপ-নিষ্কলুষ মনটো? নে তাৰ তেতিয়াৰ মৰমলগা তজবজীয়া স্বভাৱটো?

সময় পাৰ হবলৈ ধৰিলে; চুবুৰিটোলৈ নানা পৰিবৰ্তন আহিল। দত্ত ঠিকাদাৰৰ চৌহদটো ঠেক হ'ল। কাষৰ মাটি কিনি আনে ঘৰ সাজিছে। ঠিকাদাৰে ঠিকাৰ কাম এৰি দিলে। ঘৰতে থাকিবলৈ লৈছে।

টুনটুনৰ শৈশৱ পাৰ হ'ল। কৈশোৰৰ দুৱাৰডলিত থিয় হৈ এতিয়া তাৰ মনটো কেতিয়াবা গধুৰ গধুৰ লাগে। সি বুজি পাইছে তাক কোনোবাই আহিলা হিচাপে ব্যৱহাৰ কৰিছিল বুলি। ইস্ সি যদি সেই ডেকা ল'ৰাটোৰ চিনাকিটো দিও কাৰব্যৰ অকণমান সহায় কৰিব পাৰিলেহেঁতেন!

এই কথাটো সি কব নোৱৰাকৈয়ে দেখ-নেদেখ শূং এডালৰ দৰে তাৰ মনত ৰৈ গ'ল। ৰৈ ৰৈ বিন্ধাকে।


'আও তই দেখোন বৰ এটা হ'লি অ' টুনটুন! কোন ক্লাছ পালিগৈ?' হঠাৎ এদিন স্কুললৈ ওলাই মুখামুখি হ'ল দত্ত ঠিকাদাৰৰ লগত। ক্ষীণাই তেনেই নাইকিয়া হ'ল মানুহজন। চকুৰ পোহৰ হেৰাই গ'ল। মুজুৰা পৰা মুখখনলৈ হাঁহিটো যেন ওলাওঁ নোলাওঁকৈহে ওলাইছে।

'চেভেন বৰ্তা' বুলি কৈ বেগাই খোজ দিলে টুনটুনে। বৰদেউতাকৰ মুখলৈ চাবলৈ সত নগ'ল তাৰ। □


সূত্ৰধাৰ □ ১-১৫ জুলাই, ১৯৯১

# শিক্ষা বিভাগত জালিয়াতি

যোৱা বছৰৰ ৫ জুলাই তাৰিখে নগাওঁ মহকুমা অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষক সংস্থাৰ সভাপতি শ্ৰীমহেন্দ্ৰ গোস্বামীয়ে নগাওঁ মহকুমাৰ স্কুল সমূহৰ উপ-পৰিদৰ্শকলৈ লেখা এখন আবেদন। বিষয় বস্তু আছিল, চাৰ্ভিচ বুকত জন্ম তাৰিখৰ সন্দেহ দূৰ কৰা। শ্ৰীগোস্বামীৰ মতে, কুঁৱৰীটোল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীদেৱকান্ত মহন্তৰ জন্মৰ চন ১৯30 বুলি তেওঁৰ বিশ্বাস। যদি সেয়ে হয়, তেন্তে তেওঁ অৱসৰ পাব লাগিছিল ১৯৮৮ চনত। গতিকে শ্ৰীগোস্বামীয়ে বিষয়টোৰ সত্যাসত্য নিৰূপণ কৰিবলৈ বিভাগীয় বিষয়াক অনুৰোধ জনায়। অন্যহাতেদি কুঁৱৰীটোল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীদেৱকান্ত মহন্তই যোৱা ২৯-১0-৮৭ তাৰিখে নগাওঁ প্ৰাথমিক শিক্ষা মহকুমাৰ উপ-পৰিদৰ্শকলৈ লেখা আবেদনত কয় 'অক্টোবৰ মাহৰ ১ তাৰিখে মোৰ বাৰ্ষিক বৃদ্ধি বেতনৰ তাৰিখ। এই উদ্দেশ্যে বৃদ্ধি বেতন মোৰ সেৱা পুস্তিকাত লিপিবদ্ধ কৰিবৰ কাৰণে এমাহ পূৰ্বেই মই মহোদয়ৰ ওচৰত আবেদন যোগে প্ৰাৰ্থনা জনাওঁ। কিন্তু বৰ্তমান মই জানিব পাৰিছো যে মোৰ সেৱা পুস্তিকাখন মোৰ অজানিতে হেৰাইছে। সেয়ে উক্ত কাম আজিকোপতি সমাধা কৰিব পৰা নাই। গতিকে ইয়াৰ বিহিত ব্যৱস্থাৰ্থে মহোদয়ক এই আবেদন যোগে মই প্ৰাৰ্থনা জনালো। আশা কৰো ইয়াৰ এটা সুব্যৱস্থা কৰি মনোদয়ে মোক কৃতাৰ্থ কৰিব।'


42177
ভালুকেখোৱা প্ৰাইমাৰী স্কুল
সিপাঝাৰ
সত্যমেৱ জয়তে
শ্ৰী দেৱকান্ত মহন্ত
পিতা শ্ৰীযুত তাৰিফৰাম মহন্ত (অভিভাৱক) শ্ৰীদেৱকান্ত মহন্ত ভালুকেখোৱা
গাওঁ তেজপুৰ থানা তেজপুৰ মহকুমা দৰং
জিলা ভালুকেখোৱা প্ৰাইমাৰী স্কুলত পঢ়িছিল। ইং ১৯৪২
চনৰ ডিচেম্বৰ মাহৰ তাৰিখত অনুষ্ঠিত এই স্কুলত তেওঁৰ শিক্ষা শেষ
হ'ল। তেওঁ এই স্কুলৰ তৃতীয় শ্ৰেণীৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈছে / হোৱা
নাই। স্কুলত থকা কালত তেওঁৰ স্বভাৱ চৰিত্ৰ ভাল আছিল / নাছিল।
ইং ১৯৪৩ চনৰ ৯ ফেব্ৰুৱাৰীত তেওঁৰ বয়স ভৰ্তি বহিঃতে ১০ (দহ) বছৰ
৮ মাহ ৭ দিন।
শ্ৰীফণিধৰ শৰ্মা
প্ৰধান শিক্ষক
ভালুকেখোৱা স্কুল
তেজপুৰ মহকুমা
দৰং জিলা
তাৰিখ— ১/১২/৪৩

শ্ৰীমহন্তৰ উক্ত আবেদনত বিভাগীয় বিষয়াই লিপিবদ্ধ কৰে এনেদৰেঃ 'উপ-পৰিদৰ্শক, আবেদনকাৰী শিক্ষকজনৰ সেৱা পুস্তকখন হেৰুৱা সত্য। নতুন সেৱা পুস্তক এখন খোলাৰ আদেশ দিয়া হওক।' উক্ত টোকাৰ তলতে অন্য এগৰাকী উপ-পৰিদৰ্শকে চাৰ্ভিচ বুক খুলিবলৈ অনুমতি দিয়ে এনেদৰে। "Allowed to reconstruct the S.B. as suggested by the Circle S.I."

দেখা যায়, শ্ৰীমহন্তৰ চাৰ্ভিচ বুক হেৰোৱা ঘটনাটোৰ আলম লৈয়েই শ্ৰীমহন্তৰ বাবে এখন নতুন চাৰ্ভিচ বুক খুলি তেওঁৰ জন্ম তাৰিখটো হেৰফেৰ কৰাৰ উদ্দেশ্যেৰেইহে এনেধৰণৰ অভিনৱ কৌশল উদ্ভাৱন কৰা হৈছিল। শ্ৰীদেৱকান্ত মহন্তই তেওঁৰ জন্ম ১৯৪২ চনত হৈছিল বুলি যিখন সাক্ষ্য প্ৰমাণ পত্ৰ দিছিল, সেইখনেই জাল বুলি জনা যায়। চাৰ্টিফিকেটখনৰ ফটোকপি ইয়াৰ লগতে প্ৰকাশ কৰা হৈছে। উক্ত চাৰ্টিফিকেট দিছিল ১৯৪৩ চনৰ ১ ডিচেম্বৰ তাৰিখে দৰং জিলাৰ ভালুকেখোৱা প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক শ্ৰীফণিধৰ শৰ্মাই। চাৰ্টিফিকেটখনলৈ লক্ষ্য কৰিলে প্ৰথমেই চকুত পৰে তাত থকা অশোকস্তম্ভটোলৈ। প্ৰশ্ন হয়, ১৯৪৩ চনত বৃটিছ চৰকাৰৰ শাসন চলি থকা সময়ত স্কুলৰ চাৰ্টিফিকেটত কেনেকৈ অশোকস্তম্ভটো ছপা হ'ল? দ্বিতীয়তে চকুত পৰে চাৰ্টিফিকেটখন ছপা কৰা প্ৰেছটোৰ নাম। উক্ত প্ৰেছৰ নাম ইংৰাজীত গুৱাহাটীৰ ত্ৰিবিউন প্ৰেছ (Tribune Press, Gauhati) বুলি দেখুওৱা হৈছে। পৰাধীন ভাৰতৰ দিনৰ চাৰ্টিফিকেটখনত অশোকস্তম্ভটো দেখি ৰাইজৰ চকু যিদৰে থিয় হোৱাৰ কথা, তেনেকৈ চাৰ্টিফিকেটখন ত্ৰিবিউন প্ৰেছত ছপা কৰা দেখুওৱাটোও সমানেই বিস্ময়কৰ ঘটনা। কাৰণ গুৱাহাটীত ত্ৰিবিউন প্ৰেছ প্ৰতিষ্ঠা হয় ১৯৪৬ চনতহে। অৰ্থাৎ ৰাম নৌওপজোতেই ৰামায়ণ লিখাৰ দৰে, প্ৰেছটো প্ৰতিষ্ঠা হোৱাৰ আগতেই সেই প্ৰেছৰ পৰা চাৰ্টিফিকেটখন ছপা হৈ ওলাল। একেবাৰে তাজ্জব ঘটনা।

দুয়োটা ঘটনাৰ পৰা এনে অনুসিদ্ধান্তলৈকে আহিব পাৰি যে শ্ৰীদেৱকান্ত মহন্তই নিজৰ বয়স ফাকি দি, অধিক কেইবছৰমান চৰকাৰী চাকৰি ভোগ কৰাৰ প্ৰচেষ্টা কৰিছে। তাৰ বাবে এখন জাল চাৰ্টিফিকেট দাখিল কৰিছে।

জনামতে, শ্ৰীযুত মহন্তৰ চাৰ্ভিচ বুকখনো অক্ষত হৈ আছে। প্ৰয়োজন হলে চাৰ্ভিচ বুকৰ সেই বিশেষ পৃষ্ঠাটোও ছপা কৰিব পৰা যাব। সেইমতে শ্ৰীমহন্তৰ জন্ম ১৯৩৩ চনতেই। কিন্তু শিক্ষা বিভাগৰ বিষয়া কেইগৰাকীয়ে চাৰ্ভিচ বুক হেৰোৱাৰ নাটক এখন মঞ্চস্থ কৰি শ্ৰীদেৱকান্ত মহন্তৰ হাবিয়াস পূৰণ কৰাৰ ক্ষেত্ৰত সাহায্য কৰি নিজকে কৃপাধন্য কৰিবলৈ ওলাইছিল। তেনে হোৱাৰ কাৰণো নথকা নহয়। কিয়নো এই গোটেই জাল জুৱাচুৰিৰ ঘটনাটো অসম গণ পৰিষদ চৰকাৰৰ দিনতে হৈছিল আৰু শিক্ষক গৰাকীয়ে সেই সময়ৰ অসম গণ পৰিষদ চৰকাৰৰ মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ পিতৃ।□

চানক্য

নেপথ্য সংবাদ

## দূৰদৰ্শন আৰু 'সাদিন'

যোৱা ২০ জুন তাৰিখৰ 'সাদিন'ত প্ৰকাশিত বাতৰি এটা দৃষ্টিগোচৰ হোৱাত উক্ত বাতৰিটোৰ পৰিবেশনৰ ধৰণটোৱে এটা ভ্ৰান্তিমূলক ধাৰণা অনাৰ আশঙ্কা কৰি অনুষ্ঠানটোৰ এগৰাকী অংশগ্ৰহণকাৰী হিচাপে এটা কথা জনাবলৈ এই চিঠি লেখিবলৈ বাধ্য হলো। মই জনাব খোজা কথাখিনি নিম্নোক্ত ধৰণৰ: গুৱাহাটী দূৰদৰ্শনৰ উক্ত অনুষ্ঠানৰ প্ৰাৰম্ভিক পৰ্যায়ত মই আশানুৰূপভাবে একাত্ম হৈ আলোচনাত অংশ ল'ব নোৱাৰাৰ বিষয়ে খেদ প্ৰকাশ কৰি সেই কেইদিনত লগ পোৱা দুজনমান সম্পাদক আৰু সাংবাদিক বন্ধুক এইদৰে কোৱা মনত পৰে যে অসমৰ নিৰ্বাচনী ফলাফলবোৰ অতি মন্থৰ গতিত অহা হেতুকে আমি অংশ গ্ৰহণকাৰী সকলে অনানুষ্ঠানিক ভাবে আগতীয়াকৈ কৰা প্ৰস্তুতি আলোচনাবোৰ উলট-পালট হৈছিল। প্ৰশ্ন আদিৰ ধৰণ কৰণো বদলিছিল। আৰু বহু সময়ত আমি কোৱা কথাবোৰ চালে-বেৰে কোবোৱা পৰ্যায় পাইছিলগৈ। এনেবোৰ কথা আছিল নিতান্তই ব্যক্তিগত পৰ্যবেক্ষণ। সেই কেইদিনৰ পৰ্যালোচনা লানিত ফৰ্ম, বিষয়বস্তু, ধাৰা আদি সম্পৰ্কে বহুজনৰ পৰা নানা ধৰণৰ মন্তব্য শুনিছিলো যদিও মই সিবোৰৰ মাথোন নীৰৱ শ্ৰোতাহে আছিলো, কিয়নো নিজে অংশ লোৱা অনুষ্ঠান এটাৰ ওপৰত কোনো ধৰণৰ মন্তব্য দিয়াটো Unethical বুলিয়েই ভাবিছিলো। এনে এটা অৱস্থাত মোৰ ফালৰ পৰা আপোনাক দ্ব্যৰ্থহীনভাবে ইয়াকেই জনাব খোজো যে আঁৰৰ খবৰ দি তেনে এটা বাতৰি প্ৰকাশ কৰিবলৈ কোনো গৰাকী সম্পাদক বা সাংবাদিক বন্ধুক জনোৱা নাছিলো, অনুৰোধ কৰাতো দূৰৰ কথা। উক্ত আলোচনাত অংশ গ্ৰহণকাৰী হিচাপে মই উপযাচি এই চিঠিখন লেখাৰ উদ্দেশ্য এইটোৱেই যে তেনে বাতৰি এটাই আপোনাৰ মনত যাতে কোনো ভ্ৰান্তিমূলক ধাৰণাৰ সৃষ্টি নকৰে।

—এজন অংশ গ্ৰহণকাৰী

OKDISCD

# অসমীয়া ভাষাৰ দুৰ্গতি

নিজৰা ভৰালী

আমি সকলো মানুহেই নিজৰ নিজৰ ভাষাৰ মাজেদি মনৰ ভাব প্ৰকাশ কৰো। সকলো ভাষাৰে এটা সুকীয়া বৈশিষ্ট্য আছে। আমি আমাৰ মনৰ গভীৰ ভাব, চিন্তা সুখ দুখ আদিক নিজৰ মাতৃ ভাষাৰ যোগেদিহে ভালদৰে প্ৰকাশ কৰিব পাৰো।

বহুতো সময়ত ভাষাবোৰত নানা ভাষাৰ নতুন শব্দ সোমাই পৰাত ভাষাবোৰেও নতুন ৰূপ পোৱা দেখা যায়। আমাৰ অসমীয়া ভাষাৰো এটা সুকীয়া বৈশিষ্ট্য আছে। অসমীয়া ভাষাত যদিও বঙালী, উড়িয়া, হিন্দী আদিৰ লগত মিলা বহুত শব্দ আছে, তথাপিও শুনিবলৈ ভাল লগা মিঠা মিঠা নিজস্ব শব্দও আছে। কিন্তু সেই বিলাকৰ ব্যৱহাৰ আজিকালি একেবাৰে কমি গৈছে। উদাহৰণ স্বৰূপে লক্ষ্মীনাথ বেজবৰুৱাৰ কিতাপত যিবোৰ নিভাঁজ অসমীয়া শব্দ আছে; সেইবোৰ আজিৰ চামৰ ল'ৰা-ছোৱালীয়ে বুজিকে নাপায়।

শূদ্ধ অসমীয়া ভাষা কোৱা আৰু লিখিব পৰা মানুহ লাহে লাহে একেবাৰে কমি গৈছে। ল'ৰা-ছোৱালীৰতো কথাই নাই। তেওঁলোকে কোনটো শূদ্ধ, কোনটো ভুল একেবাৰে বুজি নাপায়। এই বিষয়ে স্কুল কলেজত কাম কৰা শিক্ষক শিক্ষয়িত্ৰীয়েহে আমাতকৈ বেছি ভালদৰে জানে। তেওঁলোকে পঢ়াওঁতে আৰু পৰীক্ষাৰ বহী চাওঁতে অসমীয়া ভাষা আৰু বানানৰ কি অৱস্থা পাইছেহি তাক ভালদৰে গম পাইছে।

আজিকালিৰ লৰা-ছোৱালী কথা পাতোতে প্ৰত্যেক শাৰী বাক্যৰ মাজে মাজে ইংৰাজী শব্দ বা অৰ্থ নোহোৱা শব্দৰ ব্যৱহাৰ কৰাটো সাধাৰণ কথা। কেইটিমান স্কুলীয়া বা কলেজীয়া ল'ৰা-ছোৱালী লগ লাগি কথা পতা শুনিলে ভাষাৰ দুৰৱস্থা দেখি বেজাৰ লাগে। নগৰীয়া স্কুলীয়া বা কলেজীয়া ল'ৰা-ছোৱালীয়ে লগৰীয়াৰ লগত অসমীয়াত কথা নাপাতেই। তেওঁলোকে অসমীয়াত কথা পাতিলেও ভাষা শুনিলে অনা অসমীয়া যেনহে লাগে। সাধাৰণ মধ্যবিত্ত শ্ৰেণীৰ মানুহে এইদৰে কথা পাতিলে সামাজিক মৰ্যাদা বঢ়া বুলিয়েই ভাবে নেকি?

বিজ্ঞাপনবোৰতো অসমীয়া ভাষাৰ অৱস্থা একে। অন্য ভাষাৰ পৰা অসমীয়ালৈ যিবোৰ অনুবাদ কৰে তাৰ বেছি ভাগৰে ভাষাৰ অৱস্থা পুতৌ লগা। খবৰ কাগজ, আলোচনীৰ কথা বাদেই, টি ভি-তো অসমীয়া ভাষাই কি ৰূপ লৈছে তাক সকলোৱে নিশ্চয় মন কৰিছে। গুৱাহাটী দূৰদৰ্শনত পৰিবেশিত জনপ্ৰিয় চিৰিয়েল-বোৰৰ আগতে বম্বে দিল্লীৱালা বিজ্ঞাপন কেইটাত ব্যৱহাৰ কৰা 'লেকেটীয়া' শব্দটোৰ অৰ্থ কি বাৰু? 'তেলেতীয়া' বোলা অসমীয়া প্ৰতি শব্দটো বিচাৰ নাপাই নিশ্চয় 'লেকেটীয়া' শব্দটো কোনোবা পন্ডিতে আৱিষ্কাৰ কৰিলে। আমি গুড় লেকেটো বুলি কওঁ। চুইংগাম লেকেটো বুলি কওঁ। কিন্তু লেকেটীয়া বুলি একো বস্তুকে নকওঁ। সেইদৰে আলিবাটৰ বিজ্ঞাপনবোৰলৈ চালেও মাজে মাজে ভাষা আৰু বানান ভুল চকুত পৰিব।

অনেক সময়ত ৰেডিঅ' আৰু দূৰদৰ্শনতো ভুল ভুল উচ্চাৰণেৰে গান গোৱা দেখা যায়। বিশেষকৈ অসমীয়া গায়িকা সকলে ও-কাৰান্ত আৰু এ-কাৰান্ত শব্দ মুঠেও শুদ্ধকৈ উচ্চাৰণ নকৰে, 'তোমাৰ' সদায়েই 'তুমাৰ' আৰু 'চে'নাই' তে'নে'কে আদি শব্দৰ হিচাপ নাই। সেইদৰে কথিকা আলোচনা আদিৰো কিছুমান শব্দ অসমীয়া ভাষাৰ জ্ঞান থকা লোকসকলে বুজিবলৈ বৰ টান পায়। অলপতে গুৱাহাটী দূৰদৰ্শনত নতুন শিতান এটা দেখিলো, 'প্ৰজ্ঞা প্ৰপাত'। দেখা মাত্ৰকে ভাবিলো ঋষি-মুনি বা দাৰ্শনিক সকলৰ জ্ঞান গভীৰ বাণী প্ৰচাৰ কৰিবলৈ কিজানি এটা নতুন শিতান খুলিছে। আমাৰ পপ মিউজিক ভাল পোৱা ল'ৰা-ছোৱালীয়ে এনেকুৱা এটা প্ৰগ্ৰেম ভাল পাব নে নাই ভাবিবলৈ লওঁতেই দেখিলোযেপ্ৰগ্ৰেমটো৷আনএকোনহয়,আগৰে পৰা নিয়ামত ভাবে প্ৰচাৰ কৰি থকা 'কুইজ' প্ৰগ্ৰেমটোৱেই। পিছে কুইজনো কেনেকৈ প্ৰজ্ঞাৰ প্ৰপাত হ'ল। তথ্যৰ প্ৰপাত বুলিলে যেহেনতেহেন। আমি জনাত তথ্য মাত্ৰেই জ্ঞান নহয় আৰু জ্ঞানো প্ৰজ্ঞা নহয়। এনেকুৱা ধৰণৰ ভুল ব্যাখ্যা কিতাপ আলোচনীত যথেষ্ট পোৱা যায়।


এই ক্ষেত্ৰত বঙালী লোকসকল কিন্তু আমাতকৈ বহুত বেছি আগবঢ়া। তেওঁলোকৰ সকলোৰে নিজৰ মাতৃ ভাষাৰ প্ৰতি সজাগ দৃষ্টি। তেওঁলোকে সৰুৰে পৰা ল'ৰা-ছোৱালীক নিজৰ ভাষা শিকোৱাত জোৰ দিয়ে। তেওঁলোকে বিদেশত থাকিলেও বা বিদেশী বিয়া কৰালেও পত্নী আৰু ল'ৰা-ছোৱালীক নিজৰ ভাষা শিকায়। উদাহৰণ স্বৰূপে আমাৰ এজন বন্ধুৰ ঘৰত এজন বঙালী ভদ্ৰলোক পৰিয়ালসহ লগ পাইছিলো। তেওঁ ৰেলচত ১২ বছৰমান থকাৰ পিছত প্ৰথম ৰেলচ্ পত্নী আৰু দুটি সন্তান লৈ ঘৰলৈ আহিছে। তেওঁৰ পত্নীয়ে ভাৰতীয় সাজ পাৰ কৰাটো বাদেই, সুন্দৰ বঙালীতে কথা পাতিছে। সন্তান দুটিয়েও সুন্দৰ বঙালীতে আইতাকৰ লগত ধেমালি কৰি আছে। দেখি বৰ ভাল লাগিল। তেওঁলোক ৰেলচৰ যি ঠাইত থাকে তাতে কোনো বঙালী পৰিয়াল নাই। বঙালী ভদ্ৰলোক জনে ক'লে যে মাতৃ ভাষা নাজানিলে ল'ৰা-ছোৱালী আৰু পত্নীয়ে তেখেতৰ মাকৰ লগত কোনো সম্বন্ধ স্থাপন কৰিব নোৱাৰিব আৰু নিজৰ দেশখনকো বুজিব নোৱাৰিব। এই কথাখিনি লিখাৰ এয়ে কাৰণ যে মাতৃ ভাষা ভালদৰে জানিলেহে নিজৰ দেশখন ভালদৰে জানিব আৰু ভাল পাব পাৰি।

আমি আমাৰ ভাষাৰ উন্নতি কৰিবলৈ হ'লে ল'ৰা-ছোৱালীক সৰুৰে পৰাই শুদ্ধ ভাষা কোৱা আৰু লিখাত জোৰ দিব লাগে। স্পষ্ট আৰু শুদ্ধ উচ্চাৰণ নহ'লে ভাষা কেতিয়াও শুদ্ধ নহয়। ল'ৰা-ছোৱালীয়ে ভুলকৈ শব্দ উচ্চাৰণ কৰিলে বা লিখিলে তাক শুধৰাই দিয়া উচিত। এই ক্ষেত্ৰত মাক দেউতাকৰ প্ৰধান দায়িত্ব। স্কুলৰ শিক্ষক শিক্ষয়িত্ৰীয়েও ছাত্ৰ-ছাত্ৰীৰ শুদ্ধ উচ্চাৰণ আৰু বানানৰ ক্ষেত্ৰত ভুল ধৰি থাকিলেহে তেওঁলোকে তাক শুধৰাবলৈ যত্ন কৰিব ■









# ডিকটেন

দীপক কুমাৰ বৰকাকতী

লম্‌কিমাই যোৱা তিনিদিনৰ পৰা ল'মাক লক্ষ্য কৰি আছিল। সি আন গৰিলাবোৰতকৈ অলপ বেলেগ। কাম-বনত সি আনবোৰতকৈ পাকৈত। লগৰ ডেকাবোৰৰ লগতো তাৰ বেছ মিলা-মিছা। তথাপি তাৰ যেন এটা বেলেগ সত্তা আছে। সি অলপ অকলশৰীয়া হ'লেই কিবা চিন্তা কৰি থাকে।

লম্‌কিমা চতুৰ মানুহ। তেওঁ ধাৰণা কৰিলে সেইটোৱেই সম্ভৱ ল'মাৰ পৰিচয়। তেওঁ তাৰ প্ৰতি উৎসুক হ'ল।

যোৱা তিনিদিন দুয়োটা দলে একেলগে যাত্ৰা কৰিছে। একেলেথাৰিয়ে দুঘন্টা খোজ দিয়াৰ পিছত সিহঁতে কিছু সময় জিৰণি লয়। তাৰ পিছত পুনৰ যাত্ৰা আৰম্ভ কৰে। তেনেকৈ জিৰণি লোৱাৰ সময়ত ল'মাক এদিন অকলশৰে টিলা এটাত বহি থকা দেখি

অংকন: চম্পক বৰবৰা



OKDISC

লম্‌কিমা তাৰ কাষলৈ গ'ল। ল'মাই লৰালৰিকৈ থিয় হৈ তেওঁক চেলুট দিলে।

–বহ, বহ। – লম্‌কিমাই ক'লে।

ল'মাই মন কৰিলে লম্‌কিমাৰ দৃষ্টি কোমল। তেওঁ কোনো আদেশ দিবলৈ অহা নাই। তেৱোঁ তাৰ পৰা অলপ আঁতৰতে বহি তালৈ চাই পুনৰ ক'লে– বহ।

ল'মা বহাৰ লগে লগে লম্‌কিমাই তাৰ পৰিচয় ললে। তাৰ ঘৰৰ কথা সুধিলে। সিহঁতৰ গাঁওখন আৰু গাঁৱৰ প্ৰায়বোৰ মানুহ লম্‌কিমাৰ ভাল দৰে চিনাকি। তেওঁ তাৰ পৰা বহুতৰে খবৰ ললে। অলপ সময়ৰ ভিতৰতে ল'মা লম্‌কিমাৰ লগত সহজ হৈ পৰিল।

ডিঙিত ওলমি থকা পানী-বটলটোৰ পৰা পানী দুঢোকমান পি লম্‌কিমাই সুধিলে– তই কিবা এটা বিশেষ কথা চিন্তা কৰি থকা যেন লাগিছে। তোৰ মনত যেন কিছুমান প্ৰশ্ন আছে।

ল'মাই তেওঁৰ মুখলৈ চালে। মানুহটোৱে তাৰ মনৰ কথা কেনেকৈ গম পালে বাৰু!

–তই মোক নিশ্চিন্ত মনেৰে তোৰ মনৰ কথা ক'ব পাৰ। প্ৰশ্ন থাকিলে নিশ্চিন্ত মনেৰে সুধিব পাৰ। –লম্‌কিমাই আশ্বাস দি কৈ উঠিল।

ল'মা কিছুসময় নীৰৱে ৰ'ল। লম্‌কিমা সিহঁতৰ গোটেই দলটোৰ নেতা। এম এন এফ-ৰ প্ৰধান নেতাবোৰৰ ঘনিষ্ঠ সহযোগী। তাৰ মনত থকা প্ৰশ্নবোৰ তেওঁলোকৰ কাণত পৰাতো এটা মাৰাত্মক কথা। কিন্তু তথাপি তাৰ অনুভৱ হ'ল সি লম্‌কিমাৰ ওপৰত আস্থা ৰাখিব পাৰে। নিশ্চিন্ত মনেৰে তেওঁক তাৰ মনৰ কথাবোৰ উজাৰিব পাৰে। সি লাহে লাহে ক'লে– মোৰ প্ৰশ্নবোৰ শুনি আপুনি ভাল নাপাব।

লম্‌কিমাই ততালিকে উৎসাহ যোগালে– তই সেই কথা নাভাবিবি। তই মুঠতে প্ৰশ্ন কৰ। মই তোক উত্তৰ দি সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিম।

ল'মাই অলপ ৰৈ ক'লে– মোৰ প্ৰশ্ন বহুত। প্ৰথম প্ৰশ্ন হ'ল– স্বাধীনতাৰ অৰ্থ কি?

– হয়, হুঁ, তাৰ পাছত? – লম্‌কিমাই সুধিলে।

– আমি স্বাধীনতাৰ কাৰণে যুঁজিছোনে?

– হয়, হুঁ।

– যদি যুঁজিছো ব্ৰহ্মদেশৰ এই উত্তৰ অংশত কিয়? মিজো পাহাৰত নহয় কিয়?

– হয়, হুঁ।

– চাৰি বছৰৰ আগতে লুংলে দখলৰ সময়ত আমি স্বাধীনতাৰ যিমান ওচৰত আছিলো এতিয়াও তিমান ওচৰত নে?

লম্‌কিমাই ল'মালৈ গভীৰ ভাবে চাই ৰ'ল। তাৰ পাছত তেওঁ পুনৰ ক'লে– আৰু? আৰু কি প্ৰশ্ন আছে তোৰ?

– মোৰ কামত মই নিজে সুখী নহয়। প্ৰতিদিনে যি কৰিছো সি মোক বেছি দুখী কৰিবলৈহে আৰম্ভ কৰিছে। – ল'মাই এইবাৰ লম্‌কিমাৰ মুখলৈ স্থিৰ ভাবে চাই ক'লে – মই যদি স্বাধীনতাৰ অৰ্থ বুজি পাওঁ তেন্তে ক'ব খোজো যে মই নিজে স্বাধীন নহয়।

ল'মাই মনৰ উত্তেজনা ঢাকিব নোৱাৰিলে।

লম্‌কিমাই ল'মাৰ মুখলৈ একেথৰে চাই ৰ'ল। অলপ সময়ৰ পাছত তেওঁৰ মুখখন কোমল হৈ পৰিল। তেওঁ ল'মাক ক'লে– চিন্তা নকৰিবি। এই সকলোবোৰৰ মাজত থাকিও তই স্বাধীন। সেয়েহে তই সাহসী। সেই কাৰণেই তই এইবোৰ চিন্তা কৰিব পাৰিছ আৰু মোক ক'ব পাৰিছ।

অলপ ৰৈ লম্‌কিমাই পুনৰ ক'লে– তোৰ এই প্ৰশ্ন, এই চিন্তাধাৰাৰ পৰা মই এটা কথাই বুজিব পাৰিছো–তই নিশ্চয় এইবোৰৰ পৰা মুক্তি পাবলৈ বিচাৰ। নহয়নে?

প্ৰশ্নটো লম্‌কিমাৰ নিজকে কৰা যেন লাগিল। ল'মাৰ কিন্তু চকুহাল উজ্জ্বল হৈ পৰিল। সি লম্‌কিমাৰ মুখলৈ চাই ক'লে– সম্ভৱ সেইটোৱেই বিচাৰো।

লম্‌কিমা বহাৰ পৰা উঠিল। ল'মাও থিয় হ'ল। তাৰ ওচৰলৈ আহি লম্‌কিমাই সহানুভূতিৰে তাৰ কান্ধত বাওঁহাতটো থলে। তাৰ পাছত ক'লে– তোৰ দৰে চিন্তা কৰা আৰু কোনোবা আছে নেকি জানিবলৈ মনে মনে চেষ্টা কৰচোন। মই হয়তো তহঁতক সহায় কৰিবলৈ সক্ষম হম।

লম্‌কিমাই টিলাটোৰ পৰা তলৰ মানুহজাকৰ মাজত থানয'মাক বিচাৰি উলিয়াই চিঞৰি ক'লে– পু থানয'ম। যাত্ৰা কৰিবৰ সময় হ'ল। ডেকাহঁতক কওক।

দুদিনৰ পাছত চিঠি এখন পাই লম্‌কিমা আচৰিত হ'ল। সেইখন প্ৰকৃততে হেড্‌ কোৱাৰ্টাৰৰ পৰা থানয'মালৈ লিখা। চিঠিখনৰ ভাবাৰ্থ হ'ল– যি বিদেশী শক্তিৰ আশ্ৰয় লৈ তেওঁলোক আছে তেওঁলোকৰ ইচ্ছা যে এম এন এফ-এ মিজো পাহাৰত বিভিন্ন কূটাঘাতমূলক কাৰ্যেৰে বিচ্ছিন্নতাবাদী আন্দোলন ব্যাপক ভাবে গঢ়ি তোলক। বিদেশী শক্তিক সন্তুষ্ট কৰি ৰাখিবলৈ এই কাম অতি শীঘ্ৰে আৰম্ভ কৰাটো আৱশ্যক। সেইবাবে মেজৰ থানয'মা আৰু তেওঁৰ দলটোক বিভিন্ন দলত ভাগ হৈ ইয়াৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

লম্‌কিমাই পোৱাখন থানয'মালৈ দিয়া চিঠিখনৰ এটা নকল। তেওঁলৈ বুলি তাত একলম লিখা আছে যাতে থানয'মাক তেওঁ চিঠি পোৱাৰ লগে লগে এই নতুন দায়িত্ব বহণ কৰিবলৈ দলটোৰ পৰা অব্যাহতি দিয়ে।

লম্‌কিমাই থানয'মাক মাতি আনিলে। থানয'মাই ইতিমধ্যে চিঠিখন পাইছে। সি বেছ উত্তেজিত। তাৰ ক্ৰুৰ চকুহালত এটা চিক্‌মিকনি। তাৰ বিশাল শৰীৰটোত এটা অজান চপলতা। মুখত এটা বিচিত্ৰ হাঁহি। সেই বাবেই ওঁঠৰ ক্ষুদ্ৰ ফাঁকেৰে তাৰ সোণ খটোৱা দাঁতটো জিলিকি উঠিছে।

লম্‌কিমাই ভাবিলে তেওঁ যেন এটা ভয়াবহ জন্তুৰ সমুখতহে থিয় দি আছে। থানয'মাই ক'লে– মই বৰ সুখী যে হেড্‌ কোৱাৰ্টাৰে মোক এই কামটো কৰিবলৈ দায়িত্ব দিছে। দায়িত্বটো বেছ উত্তেজনাপূৰ্ণ।

লম্‌কিমাই থানয'মাক বিদায় দি চিঠিখন পুনৰ পঢ়িবলৈ ধৰিলে। যিখন ঠাইৰ স্বাধীনতা আৰু উন্নতিৰ বাবে এই আন্দোলন সেই ঠাইতে ধ্বংসলীলা? তাকো বিদেশী শক্তিৰ নিৰ্দেশত! এয়া কেনে ধৰণৰ আন্দোলনৰ পথ?

লম্‌কিমা উত্তেজিত হৈ পৰিল। স্বাধীনতাৰ প্ৰথম যুদ্ধ আৰু এই গুপুত ধ্বংস লীলাৰ মাজত বহুত পাৰ্থক্য। লম্‌কিমাই বুজি উঠিছে তেওঁৰ নিজৰ মন থিৰ কৰিবৰ সময় হ'ল। এক মুহূৰ্তও আৰু দেৰি কৰিব নোৱাৰি। তেওঁ ল'মাক মাতি আনি তাৰ দৰে চিন্তাধাৰাৰ ডেকাবোৰক গোটাবলৈ ক'লে। এই কেইদিনত ইতিমধ্যে দুয়ো বুজি উঠিছে যে সিহঁতৰ পথটোৰ প্ৰথম প্ৰদক্ষেপ হব আত্মসমৰ্পণ। এই বিষয়ত ল'মাই কুৰিটামান ডেকাৰ মন পাইছে। মাত্ৰ ৰেমাকহে সি কোনোপধ্যে সৈমান কৰাব পৰা নাই। ৰেমাৰ মন এতিয়াও দোধোৰমোধোৰ।

– কিন্তু তয়ে দেখোন আমি পু-মোৱাকাৰ কবৰৰ পৰা বন্দুক উলিয়াই এম এন এফ-ত যোগ দিয়াৰ প্ৰস্তাৱ প্ৰথমে দিছিলি। ৰেমাই ক'লে।




– কথাটো মিছা নহয়। সেয়া আছিল মোৰ কৈশোৰৰ উচ্ছ্বাস। সেইটো মই দুঘন্টামানৰ পাছতে বুজি উঠিছিলো। সেয়েহে নিশা তহঁতে মোক লগ পোৱা নাছিলি। – ল'মাই কথাবোৰ এনেদৰে ক'লে যেন উত্তৰটো তাৰ জিভাৰ আগতে আছিল।

ৰেমাই তথাপি এটা কথা বুজি নাপালে। সি সুধিলে – যি কি নহওঁক তই অৱশেষততো ইয়ালৈ আহিলি।

ল'মা তাৰ কথাত বিচলিত নহ'ল। সি ক'লে– অঁ আহিলো। কাৰণ মই মোৰ নিজৰ চকুৰ আগত ঘৰ-দুৱাৰ জুইত জাহ যোৱা দেখিছো। গাঁওখন ভস্ম হোৱা দেখা পাইছো। পিছদিনা জুই আৰু ধোঁৱাৰ মাজে মাজে ভঁৰালৰ আধাপোৰা ধান, চাউল, কানি-কাপোৰৰ মাজেৰে মই ঘূৰিছো। মই যি ধ্বংস লীলা দেখিছো তাক বৰ্ণাব নোৱাৰো। তাৰ পাছত কোনোবা ডেকা থিৰেৰে থাকিব পাৰে বুলি মই নাভাবো। ময়ো নোৱাৰিলো। কিন্তু– অলপ ৰৈ সি ক'লে– কিন্তু সেইটোও মোৰ আবেগিক উচ্ছ্বাসৰ বাহিৰে একো নাছিল। এতিয়া মই উপলব্ধি কৰিছো গাঁৱৰ কিবা কৰিব খুজিলে মই বন জংঘলত থাকি নহয়, পাৰিম নিজা গাঁৱত থাকিহে। গতিকে ব'ল আমি উলটি যাওঁ।

ৰেমা মান্তি নহ'লে। সি ক'লে– আত্মসমৰ্পণ মোৰ মানত লজ্জাকৰ আৰু অপমানজনক।

ল'মাই ৰেমালৈ কিছুসময় চাই থাকিল। ৰেমা কেনেদৰে কিমিৰ পৰাৰ উপেক্ষিত হৈ পু-ভটক গুলিৰে আঘাত কৰি এম এন এফ-ত যোগ দিবলৈ আহিছিল সি জানে। তাৰ এই কথাষাৰ হয়তো তাৰ এই দুৰ্বলতাৰ কঠিন বৰ্ম। সি ৰেমাক মাত্ৰ ক'লে–তোৰ কথাষাৰ শুনাত বেছ ডাঙৰ। কিন্তু সময়ত তই হয়তো উপলব্ধি কৰিবি আত্মসমৰ্পণ কৰিব পৰাটোহে আটাইতকৈ ডাঙৰ কথা। ৰেমাৰ ওচৰত সি আৰু বেছিপৰ নৰ'ল। আন ডেকাকেইটাক লগ পাবলৈ গ'ল। সেইখিনি সময়ৰ ভিতৰতে লম্‌কিমাই এম এন এফ-ৰ সভাপতিলৈ এখন চিঠি লিখিলে। তেওঁ লিখিলে– ময়ো আপোনাৰ দৰেই এখন স্বাধীন মিজোৰাম বিচাৰো, য'ত আমি আমাৰ ভাষা, সংস্কৃতি আৰু আত্মসন্মান সুৰক্ষিত কৰি ৰাখিব পাৰো। ইমানদিনে আপোনাৰ লগত হাতত হাত মিলাই একেলগে কাম কৰিছিলো। কিন্তু বাস্তৱ অভিজ্ঞতাৰ পৰা মই এতিয়া নিশ্চিত যে



স্বাধীনতাৰ বাবে গ্ৰহণ কৰা আপোনাৰ পন্থাবোৰ মোৰ ধাৰণাৰ পৰা সম্পূৰ্ণ বেলেগ। আপোনাৰ পন্থাৰে কাম কৰি থকা মোৰ পক্ষে আৰু সম্ভৱ নহয়। মই থিৰাং কৰিছো মই মোৰ নিৰ্ধাৰিত পথ লম আৰু ঘৰলৈ উলটিম। সেয়েহে মই অপমানিত বোধ কৰা নাই। মোৰ লগত মন মিলা ডেকাৰ দল এটাও আছে। আমাৰ জাতীয় আত্মচেতনা বহু বছৰৰ পাছত পুনৰ জগাই তোলাৰ বাবে আপোনালৈ ধন্যবাদ।

লম্‌কিমা আৰু তেওঁৰ ক্ষুদ্ৰ দলটোৱে আত্মসমৰ্পণ কৰাটো আত্মসমৰ্পণৰ প্ৰথম ঘটনা নহয়। আন বহুতেই আত্মসমৰ্পণ কৰিছিল। কিন্তু তেওঁলোকৰ কাৰণবোৰ আছিল বেলেগ। কিছুমানে চাৰিওফালৰ পৰা বেৰি ধৰা চিকিউৰিটি সেনানীৰ বাবে আত্মসমৰ্পণ কৰিছিল, আন কিছুমানে কৰিছিল খাদ্যাভাৱত পৰি বা আঘাতপ্ৰাপ্ত হৈ। কিছুমানে কষ্টকৰ জীৱন আৰু যুদ্ধৰ ভয়াবহতাত বিচলিত হৈ তেনে সিদ্ধান্ত লৈছিল। পিছে আত্মসমৰ্পণৰ ঘটনা ১৯৭১ চনলৈকে আছিল তেনেই নগণ্য। কিন্তু সেই বছৰৰ ডিচেম্বৰ মাহত বাংলাদেশ অভ্যুত্থানৰ ৰাজনৈতিক পট্‌ পৰিৱৰ্তনে পূব-পাকিস্তানত আশ্ৰয় লৈ থকা মিজো নেচনেল ফ্ৰন্টৰ ভলন্টিয়াৰ, আৰ্মি আৰু অসামৰিক বিভাগৰ বহুতোকে আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰালে।

মিজো পাহাৰতো পট্‌ পৰিৱৰ্তিত হ'ল। ১৯৭২ চনৰ ২১ জানুৱাৰীত মিজো পাহাৰক কেন্দ্ৰীয় শাসিত অঞ্চললৈ উন্নত কৰা হ'ল। নতুন নাম হ'ল মিজোৰাম। স্থানীয় মানুহেৰে কংগ্ৰেছ চৰকাৰ স্থাপন হ'ল। আত্মসমৰ্পিত মানুহ প্ৰায়বোৰকে নতুন নতুন উন্নতিশীল আঁচনিৰ অংশীদাৰ কৰি লোৱা হ'ল।

লম্‌কিমাই কংগ্ৰেছত যোগ দিলে। আৰ্থিক স্বচ্ছলতাৰ বাবে ঠিকা ঠুকলিও কৰিবলৈ ধৰিলে। ল'মাই পঢ়া-শুনা দেৰিকৈ হ'লেও পুনৰ আৰম্ভ কৰিলে।

আনহাতে অৰণ্যত এম এন এফ-ৰ মানুহবোৰ ছেদেলি-ভেদেলি হৈ পৰিল। উপ-নেতা কিছুমানে আত্মসমৰ্পণ কৰিলে। মূল-নেতা কেইজনমান বাংলাদেশৰ পৰা ব্ৰহ্মদেশ হৈ গুপুতে পলাই গ'ল। দলৰ সদস্য সমূহৰ মাজত আস্থাৰ ভাব ঘূৰাই আনিবলৈ এম এন এফ-য়ে বিভিন্ন কূটাঘাতমূলক কামৰ দ্বাৰা নিজৰ কাৰ্য ক্ষমতা প্ৰদৰ্শনৰ চেষ্টা কৰিলে। তথাপি বাংলাদেশ আৰু ব্ৰহ্মদেশৰ আৰাকান অঞ্চলত সিঁচৰতি হৈ থকা গৰিলাবোৰক মিজোৰামৰ দক্ষিণ মূৰৰ তিনিওখন দেশৰ সীমাত গোটাই লওঁতে এম এন এফ-ৰ আৰ্মি উইঙৰ মুখিয়াল লোক কেইজনৰ কেইবা বছৰো লাগিল। এই সকলো কাৰ্যৰ আঁৰত থকা আন এটা উদ্দেশ্য হ'ল নিজৰ শক্তি প্ৰদৰ্শনৰ দ্বাৰা ভাৰত চৰকাৰক তেওঁলোকৰ লগত আলোচনাত বহিবলৈ বাধ্য কৰোৱাটো।

কূট-কৌশলবোৰ কাৰ্যত পৰিণত কৰিবৰ কাৰণে থানয'মাৰ নিচিনা পটু আৰু দক্ষ গৰিলা নেতাক দায়িত্ব দিয়া হ'ল। প্ৰায় পাঁচ বছৰৰ আগতে থানয'মাক দিয়া এনে কাৰ্যভাৰ সম্পূৰ্ণ কৰাৰ আগতেই বাতিল কৰা হৈছিল। তাৰ উপৰি লম্‌কিমা আৰু তেওঁৰ দলৰ আত্মসমৰ্পণৰ বাবে চিকিউৰিটিৰ মাজত কথাটো ৰাষ্ট্ৰ হৈ পৰিছিল। চোৰাংচোৱা দলৰ দৃষ্টি ইমান তীক্ষ্ণ হৈ পৰিছিল যে থানয'মাই পোৱা দুদিনৰ ভিতৰত একোকে কৰিব নোৱাৰিলে। তাৰ পাছতে হাইকামাণ্ডৰ আদেশ মতে সেইবাৰলৈ তেনে কাৰ্য বাতিল কৰা হ'ল। তাৰ পাছত এই প্ৰায় চাৰি বছৰে বিভিন্ন কামৰ দায়িত্ব থানয'মাই বহণ কৰিলে। তাৰ গাত কিন্তু আঁচোৰ এটাও নালাগিল। এতিয়া পুনৰ তেনে কাৰ্যৰ দায়িত্ব পাই থানয'মা উত্তেজিত হল। প্ৰকৃত কামত হাত দিয়াৰ আগতে থানয'মাৰ অলপ পইছাৰ আৱশ্যক। কিবা মিছনত ওলালে থানয'মাই সাধাৰণতে পইছাৰ যোগাৰ নিজেই কৰি লয়। হেডকোৱাৰ্টাৰৰ পৰা নলয়।

থানয'মা লুংলে চহৰৰো দক্ষিণৰ মিজোৰামৰ সীমামূৰীয়া সৰু চহৰ এখন পাইছিলহি। সি চহৰখনৰ কামান্ডাৰৰ পৰা গম পালে তালৈ পাঠক এ অ' হিচাপে বদলি হৈ আহিছে। যোৱা সাত বছৰে মানুহটোৰ বোলে দুৰ্নীতিৰ বাবেই পদোন্নতি হোৱা নাই। দক্ষিণ মিজোৰামৰ এই সৰু চহৰখনলৈ তেওঁক সেই বাবেই ছমাহ মানৰ আগতে বদলি কৰি পঠোৱা হৈছে। থানয'মাই পাঠকক জানে। তথাপি টাউন কামান্ডাৰৰ পৰা গম পালে মানুহটো তিৰোতাৰ ক্ষেত্ৰত পশুতকৈ অধম।

থানয'মাই লগত দুটা গৰিলা লৈ নিশা এপৰত পাঠকৰ কোৱাৰ্টাৰলৈ বুলি ওলাই গ'ল। থানয'মাৰ লগত যোৱা গৰিলা দুটাৰ এটা ৰেমা।

মিজোৰামৰ এই দক্ষিণাঞ্চলত ১৯৬৬ চনতো একো প্ৰধান ঘটনা ঘটা নাছিল। তাৰ উপৰি যোৱা চাৰি বছৰে এম এন এফ-ৰ আক্ৰমণাদি প্ৰধান অঞ্চলতবোৰতো তেনেই পাতল হৈ পৰিছে। গতিকে এ অ'ৰ কোৱাৰ্টাৰত পহৰা নাই। তেওঁৰ কোৱাৰ্টাৰৰ ওচৰতে অৱশ্যে যোগান বিভাগৰ ডাঙৰ ভঁৰালটো আৰু তাৰেই গাতে লগাকৈ সিফালে চি আৰ পি-ৰ সৰু কেম্প এটা।

পিছফালৰ পৰা পাঠকৰ কোৱাৰ্টাৰ পাবলৈ থানয'মাহঁতৰ অসুবিধা নহ'ল। সিহঁতে গম পালে পাঠক ঘৰত নাই। দুৱাৰত তলা। সিহঁত অলপ আঁতৰত চোপ দি ৰ'ল।

নিশা দুপৰত পাঠক টলং ভটং কৰি কোৱাৰ্টাৰ পালেহি। তাৰ গাৰ চোলা কান্ধত। মুখত বেবেৰিবাং কথা আৰু গানৰ টুকুৰা। সি কঁকালৰ ৰচি এডালত বান্ধি থোৱা চাবি এটা খেপিয়াই খেপিয়াই উলিয়ালে। কেইবাবাৰো যত্ন কৰাৰ পাছত তলাটো খুলিলে। সি ভিতৰ সোমাই দুৱাৰখন জপাব খোজোতেই থানয'মা আৰু ৰেমা ভিতৰ সোমাল। আন গৰিলাটো বাহিৰত চোপ দি পহৰা দি ৰ'ল।

পাঠকে টলংভটং কৰি কিবা বকিবলৈ লৈছিল, কিন্তু ৰেমাই টোঁৱাই ধৰা ৰিভলভাৰ আৰু থানয'মাৰ বিশাল শৰীৰটো দেখি সি মুখৰ বলকনি বন্ধ কৰি পোন হৈ থিয় দি থাকিবলৈ যত্ন কৰিলে।

– পু থানয'ম! হাউ আৰ ইউ? – কথা কওঁতে তাৰ মুখখন বেঁকা হ'ল। সি হাতটো আগুৱাই দিলে।

থানয'মা আৰু ৰেমাই তালৈ একেথৰে চাই থকাৰ বাহিৰে একো মাত নামাতিলে। হাতো আগুৱাই নিদিলে।

পাঠকে হাতটো নমাই নিলে। – অ' কে, অ'কে, ই দাম্ম'-?

এইবাৰো সিহঁত দুয়োটায়ে একো মাত নামাতিলে।

পাঠক অলপ হুঁচলৈ অহা যেন লাগিল। থানয'মাই টেবুলত জ্বলি থকা লেমটো কমাই দিলে। মুখত আঙুলি দি তাক মনে মনে থাকিবলৈ ইংগিত দি চকী এখন দেখুৱাই বহিবলৈ ক'লে।

– ক'ৰ পৰা আহিলি? – সৰু অথচ স্পষ্টকৈ থানয'মাই সুধিলে।

– নাই- এনেয়ে। – পাঠকে ক'লে।

– মদ খাবলৈ গৈছিলি নে কোনোবা তিৰোতাৰ ওচৰলৈ গৈছিলি?

– নাই- এনেয়ে। – পাঠকে হাতেৰে দুৱাৰৰ ফালে দেখুৱাই পুনৰ মুখৰ ভিতৰতে ভোৰভোৰালে।

– তই জাননে যে আমাৰ আইনত মদ কিনা-বেচা, খোৱা আৰু বনোৱা মানা? – থানয'মাই ক'লে।

পাঠক মনে মনে থাকিল।

– বাৰু ক'চোন, পু-ভটয়ে মদ খায়নে?

– খায় চাগে। মনে মনে খায়। – পাঠকে ক'লে।

– তোৰ দৰে তিৰোতা বিচাৰি মদপী হৈ ঘূৰি ফুৰে নেকি?

– তাৰ আক' পাট গাভৰুৰ ওপৰতহে চকু। কিমিৰ লগতহে–

ৰেমাৰ খং উঠিল। সি ইতিমধ্যে গম পাইছে পু-ভটৰ লগত থকা আখেজৰ হোৰ তুলিবলৈ পাঠকে সুবিধা পালেই পু-ভটৰ বদনাম উলিয়ায়। সেইবাৰ সি পু-ভটক প্ৰায় মাৰিছিলেই। ভাগ্যে তেওঁৰ যেনিবা বেছি একো নহ'ল। পু-ভট আৰু বিশেষকৈ কিমিৰ নাম কোৱাত ৰেমাৰ ভীষণ খং উঠিল। সি পাঠকক খঙেৰে ক'লে– মনে মনে থাক–

থানয'মাই ৰেমালৈ চালে। ৰেমাই বুজি পালে এতিয়া সি মনে মনে থকাৰ সময়। থানয'মাই এইবাৰ পাঠকলৈ চাই ক'লে–শুন, মোৰ ফালে চা। আৰু মোৰ কথা মন দি শুন। মোৰ পইছাৰ দৰকাৰ।

– কিমান? পাঁচ, দশ? ঠিক আছে, ঠিক আছে। – পাঠক চকীৰ পৰা উঠিলেই। সি টলংভটং কৰি ষ্টিলৰ আলমাৰি এটাৰ কাষলৈ গ'ল। সি মদ খাই ঘূৰি ফুৰে কাৰণে লাগতিয়াল চাবিবোৰ কঁকালৰ ৰচি এডালত ওলোমাই ৰাখে। সি মাতাল যদিও সাৱধান। সি খেপিয়াই খেপিয়াই চাবিটো উলিয়ালে আৰু আলমাৰিটো খুলিলে। সি প্ৰথমতে দহ টকাৰ বান্দোল এটা থানয'মাৰ হাতত দিলে। থানয'মাই পইছাখিনি হাতত লৈ তাৰ ফালে হাত আগুৱাই ৰৈ থাকিল। সি বুজি পালে থানয'মা সন্তুষ্ট হোৱা নাই। সি আন এটা বান্দোল থানয'মাৰ হাতত তুলি দিব খোজোতে থানয'মাই সেইটো তাৰ হাতৰ পৰা লৈ আলমাৰিটোৰ ওচৰলৈ গ'ল। পাঠকক এহাতেৰে ঠেলি আঁতৰালে। সি – হেই কি কৰ', কি কৰ'– বুলি কান্ধৰ পৰা ওলমি থকা হাত দুটা দোলাই ঢলং পলংকৈ দুখোজমান পিছুৱাই গ'ল। গাটো মেজখনত ঠেকা খালে আৰু তাত থকা বিদেশী চেন্টৰ বটলটো মজিয়াত পৰি সিহঁতৰ পেন্টবোৰত চেন্ট চিটিকি পৰিল। ৰেমাই পাঠকক চিঞৰিব খোজা দেখি পিছফালৰ পৰা ডিঙিৰে হাতটো মেৰিয়াই আঁতৰাই লৈ গ'ল।

ষ্টিলৰ আলমাৰিটোৰ দুৱাৰ দুখন থানয'মাই বহলকৈ মেলি দিলে। লেমটোৰ খীণ পোহৰত পইছাৰ ঠাক কেইটামান জিলিকি উঠিল। থানয'মাই সেইবোৰ গোটাবলৈ ধৰিলে।

যোগান বিভাগৰ ভঁৰালটোৰ সিপাৰে থকা চি আৰ পি-ৰ কেম্পটোৰ চেন্ট্ৰিটোৱে পাঠকৰ কোৱাৰ্টাৰটোৰ পৰা অহা দুই এটা শব্দ শুনিলে সি জানে মানুহটোৱে মদ পি টং হ'লেই ভানাক্ক'ম, ইল্লে, আছুন মচায়, নমস্কাৰ, নমস্তে, গুড মৰ্ণিঙৰ পৰা চিবাই, মঙথালে'– লৈকে সকলো জনা ভাষাৰ কথা কৈ বলকে। বাটত পোৱা খুঁটা, বাঁহৰ খাং আদিৰ লগতে যুঁজ দিবলৈ আহ্বান কৰে। ঘৰৰ ভিতৰতো চকী-মেজৰ লগত তেনে ব্যৱহাৰ কৰে। সি অলপ আগতে টং হৈ পাঠকক কেম্পটোৰ আগেৰে যোৱা দেখিছে। গতিকে পাঠকৰ কোৱাৰ্টাৰত হোৱা শব্দ শুনি সি আচৰিত নহ'ল। ভিতৰত থকা লগৰবোৰক সি চিঞৰি ক'লে–ভিতৰত ফাইটিং আৰম্ভ হ'লেই।

পিছদিনা পুৱা টাউনখনত হুলস্থূল লাগি পৰিল। এ অ', পাঠক তেজত লুতুৰি-পুতুৰি হৈ মজিয়াত পৰি মৰি আছে। তাৰ ডিঙিত এটা গভীৰ কটা দাগ।

ক্ৰমশঃ









# চতুৰ্ভুজ নাৰায়ণ

গৰিমা হাজৰিকা

হে প্ৰভু নাৰয়ণ, কৃষ্ণ, বিষ্ণু, ভগৱন্ত তুমি ক'ত ? মৰতত নে স্বৰ্গত ? তোমাক বিচাৰি মানুহে হাহাকাৰ কৰি ফুৰিছে নহয় । – ডবা, ঢোল, তাল - খোল বজায় তোমাৰ নাম গুণ চিক্ৰৰি চিক্ৰৰি গাবই লাগিছে অহৰহ । কিন্তু তোমাৰ কোনো পাত্তা নাই । আজিলৈকে তোমাক দেখা পোৱা মানুহ এজনো ওলাব নেপাই নে ? ওলাবনো কেনেকৈ – তুমি যে নিৰাকাৰ । কিন্তু তোমাক মই এটা কথা মনে মনে কওঁ – তুমি জানি থোৱা ভাল । তোমাৰ নিৰাকাৰ ৰূপটোৰ সুবিধা লৈ বুধিয়ক মানুহে তেত্ৰিশ কোটি দেব-দেবীৰ মূৰ্ত্তি সাজি যি খনহে কৰিছে তুমি আচৰিত হবা – ব্যৱসায় বুজিছা ব্যৱসায় । শুনাছোন তুমি মানুহৰ কাণ্ড । তোমাক বান্দৰ কৰি মুকুট পিন্ধাই হাতত গদা দি সজাই থৈছে ঠায়ে ঠায়ে । কৰবাত আকৌ হাতীৰ মূৰ পেটাল পেট । আকৌ কেতিয়াবা সাপে, বাঘে গায়ে মূৰে আঁৰাই থৈছে । এই সাপ বাঘ পিন্ধা ৰূপটোত হেনো তুমি ভাং খায় ভাল পোৱা – সেই বুলি মানুহেও তোমাৰ নামতে ধুমধাম ভাং খায় । কেতিয়াবা তোমাৰ দুখন হাত । আকৌ কেতিয়াবা সুবিধা বুজি চাৰিখন হাতও কৰে । অকল যে তোমাক পুৰুষৰ ৰূপ দি মানুহবোৰ ক্ষান্ত আছে সেইটো নহয় দেই । নাৰীৰ ৰূপো দিছে – সেই মতে তোমাৰ বেলেগ বেলেগ পৰ্টফলিঅও দি থৈছে । বীণা হাতত লৈ, ফেঁচা কাষত লৈ দহখন হাতৰ, কেতিয়াবা আকৌ লাওখোলাৰ মালা পিন্ধাই । তোমাক কৈ শেষ কৰিব নোৱাৰো । কিমান ৰূপেৰে তোমাৰ মূৰ্ত্তি সাজিছে । এতিয়াও মানুহৰ মগজেৰে আৰু বহুতো কিবা কিবি ৰূপ তৈয়াৰ কৰিয়েই আছে । তুমিয়েই কোৱাছোন মানুহে নিজৰ সুবিধাৰ কাৰণে আৰু কিমান কল্পনা শক্তিৰে তোমাৰ ৰূপ দিব ? কেতিয়াবা কি কৰে জানা একো নেপালে শিল এটাত এলোপা সেন্দুৰ সানি গছ এডালৰ তলত থৈ দিয়ে । এইবোৰ বাৰু মানুহে কিয় কৰে কব পাৰিবানে ? কেতিয়াও নোৱাৰা । তোমাৰ বুদ্ধিৰ লগত মানুহৰ বুদ্ধি তুলনা নকৰিবা । মানুহ হ'ল সৰ্ব্বশ্ৰেষ্ঠ জীৱ; বুদ্ধিৰ তুলনা নাই । তোমাৰ ৰূপ লৈয়েই মানুহৰ মাজত মৰা-মৰি কটা - কটি । কিছুমানে তোমাৰ বিভিন্ন ৰূপৰ ব্যৱহাৰ কৰি ধনী হৈ গৈ আছে – আৰু কিছুমান ভিক্ষাৰী । তুমি চাগৈ ভাবিছা সৰ্ব্বশ্ৰেষ্ঠ জীৱ মানুবোৰৰ যদি ইমানেই বুদ্ধি, তেন্তে তেওঁলোকে কিয় নুবুজে যে তোমাক এই ৰূপবোৰ ভূৱা । কেনেকৈ বুজিব ? যিবোৰ মানুহে তোমাৰ ৰূপৰ ব্যৱসায় কৰিছে তেওঁলোকৰ বুদ্ধি ইমান প্ৰখৰ যে তেওঁলোকে তোমাৰ প্ৰত্যেকটো ৰূপৰ মূৰ্ত্তিৰ লগত ধৰ্ম, সংস্কাৰ্ পাপ-পূণ্য, নীতি নিয়মো একেলগে লগ লগাই দিছে । যাতে মানুহ তাৰ মেৰ পাকৰ পৰা ওলাব নোৱাৰে । সেই পাপ পূণ্যৰ কথা আহিল – সাধাৰণ মানুহৰ থৰথৰি কম্পমান । সেয়ে যি দৰে পাৰে সোণ, ৰূপ, টকা, পইছা, হীৰা, মনি মুকুতা, ফলমূল আগবঢ়াই তোমাৰ সহায় বিচাৰিব ধৰিলে । বচ্ ব্যৱসায় শুৰু । তোমাৰ সহায় বিচাৰোতে বিচাৰোতে কিছুমান লাওলোৱা ভিক্ষাৰী হ'ল – আৰু কিছুমানে ওখ ওখ দালান সাজিলে – অৱশ্যে তোমাকো তাহাঁতে ভঙা ঘৰত ৰখা নাই দেই – একেবাৰে মাৰ্বল পাথৰৰ অট্টালিকা ঠায়ে ঠায়ে সাজি দিছে । এনে এটা ধুনীয়া অট্টালিকাত, এদিন মই তোমাৰ এটা প্ৰকাণ্ড বগা মাৰ্বলৰ নাৰায়ণ বোলা চাৰিখন হাতৰ মূৰ্ত্তিটো দেখিলো । যি খিনি মানুহে তোমাৰ এই মূৰ্ত্তিটো সাজিছে তাহাঁতৰ কল্পনাক বাহ্ বাহ্ নিদি নোৱাৰিলো – ইমান সুন্দৰ মূৰ্ত্তিটো । পিছে এটা কথা নহয় – তোমাৰ চাৰিখন হাতত বাৰু কিয় শংখ, চক্ৰ, গদা, পদ্ম দিলে ? ইয়াৰ বাহিৰে আন কিবা কিবি বস্তুও দিব পাৰিলে হেঁতেন যেনে ধৰা – শংখৰ সলনি পেঁপা, চক্ৰৰ সলনি চাকি বা বাতি, পদুমৰ সলনি গোলাপ বা আন গছৰ ফুল আৰু গদাৰ সলনি তৰোৱাল বা ধেনু ।

এই কথাটো যেতিয়া মোৰ মনলৈ আহিল মইটো ভাবিবলৈ ধৰিলো । এদিন হঠাৎ ইয়াৰ উত্তৰ নিজে নিজেই বিচাৰি পালো । পণ্ডিত সকলে হয়তো মোৰ এই ব্যাখ্যাটো ভূল বুলি কব পাৰে । মই কিন্তু নিজে ব্যাখ্যাটোত সন্তুষ্ট । তুমি শুনিবা মোৰ ব্যাখ্যাটো ? কওঁ শুনা – শংখত ফু দিওঁতে মানুহে নাভিৰ পৰা শক্তি প্ৰয়োগ কৰি শংখৰ শব্দ বাহিৰ কৰে । অৰ্থাৎ শব্দ ব্ৰহ্ম । চক্ৰৰ অৰ্থ হ'ল সময় আৰু গতিৰ প্ৰতীক । এপাহ পদুমে নিজকে সুন্দৰকৈ ফুলাবলৈ নিজৰ শিপা বোৰক পানীৰ যথেষ্ট গভীৰলৈ পঠিয়ায় । পানীৰ তলখন ঘোপমৰা আন্ধাৰ, তাত পোহৰ লেশমানো নাই । সেই আন্ধাৰৰ মাজৰ পৰা পদুমে নিজক লগা ৰস খিনি শুহি লৈ পানীৰ ওপৰত সুন্দৰকৈ পাহি মেলি ফুলে, আৰু সেই ফুলা পদুম পাহে মানুহৰ মনত খন্তেকৰ কাৰণে হলেও শান্তি আৰু আনন্দ দিয়ে । ঠিক তেনেকৈয়ে মানুহেও নিজকে সম্পূৰ্ণ মানুহ হিচাপে বিকাশ কৰিবলৈ হলে, নিজৰ বিবেক আৰু জ্ঞানৰ শিপা ডাল আত্মবিশ্লেষণ ৰূপী পানীৰ যথেষ্ট গভীৰলৈ পঠিয়াব লাগিব তেহে এজন মানুহ প্ৰকৃত মানুহ হিচাপে পদুমৰ দৰে বিকশিত হব পাৰিব । যেতিয়া মানুহৰ জ্ঞান বিবেকৰ শিপাডাল অন্ধকাৰ আত্মবিশ্লেষণৰ পানীত গভীৰলৈ গৈ থাকিব – তেতিয়া সেই শিপাডালক কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু সমাজৰ পৰম্পৰাগত নীতি-নিয়মে ঘেৰি ধৰিব, আৰু তেতিয়া গদাৰ দৰে শক্তিশালী যুক্তিৰে আত্মবিশ্লেষণৰ শিপাডালক ৰক্ষা কৰিব পাৰিব লাগিব । তাৰমানে ইয়াকেই বুজা গ'ল চতুৰ্ভুজ নাৰায়ণেই হ'ল মানুহ ৰূপী নৰ-নাৰায়ণ । এই নাৰায়নক পূজা অৰ্চনা কৰিবলৈ নিৰ্জীৱ মূৰ্ত্তি কিয় লাগে । আৰু সেই মূৰ্ত্তিক ৰাখিবলৈ মাৰ্বলৰ অট্টালিকাই বা লাগিছে কিয় ? নিজৰ ঘৰৰ চুকত কিয় তোমাৰ কাৰণে বিশেষ আসন লাগে ? যদি জীৱ মাত্ৰই ভগবানৰ ৰূপ । মানৱ সেৱাই যদি ঈশ্বৰ পূজা হয় ।



OnDISC